# অংকুৰণ

বিনামূলীয়া পাঠ্যপুথি

## (অষ্টম ভাগ)

(অষ্টম শ্ৰেণীৰ বাবে)

G4Z4K1



শিক্ষা (প্ৰাথমিক) বিভাগ

অসম চৰকাৰ




শ্ৰীময়ী অসমীৰ শীতল বুকুত উঠে
উছৱৰ মধু আলোড়ন।
জাগে-গম্ভীৰ গিৰিবৰ প্ৰান্তৰ মনোহৰ
সুন্দৰ বন উপবন।
ভেদাভেদ পৰিহৰি কত জাতি উপজাতি
মহাপীঠ কৰে নিৰমাণ,
উলাহ্ অধীৰ ছন্দে কোটি কোটি কণ্ঠে
গায় সবে মিলনৰ গান।
সৰগৰ ৰহঘৰা ৰূপে-ৰসে-ৰঙে-ভৰা
উচ্ছল যত প্ৰাণমন,
সৃষ্টিৰ সুৰ বাজে, প্ৰীতিৰ পতাকা উৰে
নতুনৰ লৈ আৱাহন। *

—পুৰুষোত্তম দাস

(উৎস - 'শ্ৰীময়ী', পুৰুষোত্তম দাস, প্ৰকাশক - দত্তবৰুৱা এণ্ড কোম্পানী, পৃষ্ঠা ১, প্ৰথম প্ৰকাশ- ১৯৬৩)







G4Z4K1

# অংকুৰণ

অষ্টম ভাগ

(পাঠ্য তথা অভ্যসন পুথি)

অষ্টম শ্ৰেণীৰ বাবে

প্ৰস্তুতকৰ্তা

ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম



নাম ....................................................................

শ্ৰেণী ........................ শাখা ........................ ৰোল নং ........................

বিদ্যালয় ........................................ চন ........................

শিক্ষা (প্ৰাথমিক) বিভাগ,

অসম চৰকাৰ

**ANKURAN : ASHTAM BHAG** - An integrated text-cum-workbook for Class VIII, in Assamese, developed and reviewed by SCERT, Assam, through workshops and approved by the Government of Assam and published by the Assam State Textbook Production and Publication Corporation Ltd. on behalf of Govt. of Assam.

FREE TEXTBOOK

---

**ALL RIGHTS RESERVED:** No reproduction in any form of this book, in whole or in part (except for brief quotation in critical articles or reviews), may be made without written authorization from the SCERT, Assam.

গ্ৰন্থস্বত্ব ঃ ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

প্ৰথম প্ৰকাশ ঃ ২০১২ ইং চন
দ্বিতীয় প্ৰকাশ ঃ ২০১৩ ইং চন
তৃতীয় প্ৰকাশ ঃ ২০১৪ ইং চন
চতুৰ্থ প্ৰকাশ ঃ ২০১৫ ইং চন
পঞ্চম প্ৰকাশ ঃ ২০১৬ ইং চন
ষষ্ঠ প্ৰকাশ ঃ ২০১৭ ইং চন
সপ্তম প্ৰকাশ ঃ ২০১৮ ইং চন
অষ্টম প্ৰকাশ ঃ ২০১৯ ইং চন
নৱম প্ৰকাশ ঃ ২০২০ ইং চন

ঃ 70 GSM কাগজত মুদ্ৰিত পাঠ্যপুথি

প্ৰকাশক ঃ অসম চৰকাৰৰ দ্বাৰা বিনামূলীয়াকৈ বিতৰণৰ বাবে অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগমৰ দ্বাৰা প্ৰকাশিত পাঠ্যপুথি ।

মুদ্ৰক ঃ জেনুইন ট্ৰেডিং এজেঞ্চী,
বামুনীমৈদাম, গুৱাহাটী-২১

ডাঃ ৰনোজ পেগু, এম. বি. বি. এছ
মন্ত্ৰী, অসম

শিক্ষা, ভৈয়াম জনজাতি আৰু
পিছপৰা শ্ৰেণী কল্যাণ বিভাগ



## শুভেচ্ছাবাণী...

বিদ্যায়তনিক শিক্ষাৰ প্ৰধান আহিলা হৈছে পাঠ্যপুথি। পাঠ্যপুথিৰ মাজেৰেই ছাত্ৰ-ছাত্ৰীয়ে জ্ঞানৰ অন্বেষণ কৰে। ছাত্ৰ-ছাত্ৰীসকলেই আমাৰ ৰাজ্যৰ তথা আমাৰ দেশৰ ভৱিষ্যতৰ মূল সম্বল। মানৱ সভ্যতাৰ ধাৰা শিক্ষাৰ দ্বাৰাই প্ৰভাৱান্বিত হয়। এই উপলব্ধিৰেই বৰ্তমান চৰকাৰে শিক্ষা ক্ষেত্ৰত সৰ্বাধিক গুৰুত্ব আৰোপ কৰিছে।

বৰ্তমানৰ ৰাজ্য চৰকাৰে শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলে সফলতা অৰ্জন আৰু জীৱনৰ লক্ষ্য পূৰণ তথা ৰাজ্যৰ কল্যাণৰ হেতুকে আগুৱাই যোৱাৰ বাবে বিভিন্ন অভিলাষী আঁচনি ৰূপায়ণ কৰি আছে। 'প্ৰজ্ঞান ভাৰতী'ৰ অধীনস্থ বিনামূলীয়া পাঠ্যপুথিৰ অধীনত 'ক' শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ বিনামূলীয়া পাঠ্যপুথিৰ অবিৰত যোগান ধৰি আহিছে। ২০২০ চনৰ পৰা আমাৰ চৰকাৰে এই আঁচনি স্নাতক শ্ৰেণী পৰ্যন্ত সম্প্ৰসাৰিত কৰি আহিছে। সমগ্ৰ ৰাজ্যত উচ্চতৰ মাধ্যমিক আৰু স্নাতক শ্ৰেণীত নামভৰ্তিকৰণৰ মাচুল ৰেহাইৰ ঘোষণাৰে এক যোগাত্মক পদক্ষেপ লৈ থকা হৈছে। সমাজৰ আৰ্থিকভাৱে পিছপৰা পৰিয়ালৰ শিক্ষাৰ্থীলৈ হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ মাচুল ৰেহাই দিয়াৰ ব্যৱস্থা কৰি থকা হৈছে। লগতে মাধ্যমিক স্তৰতো ছাত্ৰ-ছাত্ৰীক সমৱেশ (ইউনিফৰ্ম) যোগান ধৰাৰ বাবে চৰকাৰে ব্যৱস্থা লৈছে। 'আনন্দৰাম বৰুৱা আঁচনি'ৰ জৰিয়তে হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা মেধাৱী ছাত্ৰ-ছাত্ৰীসকলক 'লেপটপ্' বা তাৰ বিনিময়ত আৰ্থিক অনুদান আগবঢ়োৱা হৈছে।

ছাত্ৰ-ছাত্ৰীৰ শিক্ষা গ্ৰহণৰ বাট সেন্দুৰীয়া কৰি তোলাৰ মহান উদ্দেশ্য সাৰোগত কৰি ৰূপায়ণ কৰি অহা 'প্ৰজ্ঞান ভাৰতী' আঁচনিৰ অন্তৰ্ভুক্ত বিনামূলীয়া পাঠ্যপুথি যোগানৰ দৰে পবিত্ৰ কৰ্মযজ্ঞ সম্পাদন কৰাৰ ক্ষেত্ৰত অৰিহণা যোগোৱা ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম মাধ্যমিক শিক্ষা পৰিষদ, অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ তথা অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগমৰ কৰ্মতৎপৰতাক মই শলাগ লৈছো। শিক্ষাৰ্থীসকলে নিৰলস জ্ঞান আহৰণৰ যজ্ঞত আত্মনিয়োগ কৰি ৰাষ্ট্ৰৰ সম্পদৰূপে নিজকে গঢ়ি তুলিব বুলি মই আশা ৰাখি আন্তৰিকতাৰে শুভেচ্ছা জ্ঞাপন কৰিলো।

(ডাঃ ৰনোজ পেগু)
শিক্ষামন্ত্ৰী, অসম

# শিক্ষক-শিক্ষয়িত্ৰীয়ে মন কৰিবলগীয়া কথা

অষ্টম শ্ৰেণীৰ অৰ্থে প্ৰস্তুত 'অংকুৰণ' পাঠ্যপুথিখন শ্ৰেণীত বিনিময় কৰোঁতে শিক্ষক-শিক্ষয়িত্ৰীসকলে বিশেষভাৱে দৃষ্টি ৰাখিবলগীয়া কথাকেইটা উল্লেখ কৰা হ'ল ঃ

(১) প্ৰথমতে লক্ষ্য কৰিবলগীয়া কথা হ'ল, প্ৰতিটো পাঠৰ শেষত বিনিময় বা আদান প্ৰদানৰ অৰ্থে ক্ৰিয়া-কলাপসমূহক চাৰিটা ভাগত ভাগ কৰা হৈছে। সেইকেইটা হ'ল— (ক) পাঠভিত্তিক ক্ৰিয়া, (খ) ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ), (গ) জ্ঞান সম্প্ৰসাৰণ আৰু (ঘ) প্ৰকল্প। পাঠসমূহ এনেদৰে প্ৰস্তুত কৰা হৈছে যাতে ছাত্ৰ-ছাত্ৰীয়ে নিজাববীয়াকৈ ক্ৰিয়া-কলাপ কৰি জ্ঞান আহৰণ কৰিব পাৰে আৰু ইয়াৰ দ্বাৰা তেওঁলোকৰ অৰ্হতা প্ৰাপ্তি হয়।

(২) উপৰিউক্ত চাৰিটা উপাদানৰ কথা শিক্ষকসকলে সততে মনত ৰাখি যথোপযুক্ত ক্ৰিয়া-কলাপত শিকাৰুসকলক জড়িত কৰোৱাৰ লগতে নিজেও প্ৰতিটো পাঠৰ আঁৰৰ ভাবাদৰ্শৰ লগত গভীৰভাৱে সংযুক্ত হোৱা কাম্য। এইখিনি নকৰিলে আমি ভাষা সম্পৰ্কীয় পাঠদানৰ লক্ষ্যৰ পৰা অনেক যোজন পথ আঁতৰত থাকিবলৈ বাধ্য হ'ম।

(৩) আন এক মনকৰিবলগীয়া কথা হ'ল, সপ্তম শ্ৰেণীলৈকে প্ৰস্তুত কৰা পাঠ্যপুথিকেইখনৰ ভাববস্তুৰ এক ধাৰাবাহিকতা ৰক্ষা কৰি এইখন সংকলন আৰু বিকশিত কৰাৰ বাবে ব্যাকৰণৰ যিবোৰ উপাদান পূৰ্বতে চমুকৈ প্ৰক্ষেপ কৰা হৈছিল তাকে প্ৰয়োজনবোধে সম্যকৰূপে আলোচনাৰ আওতালৈ অনা হৈছে। প্ৰতিটো পাঠত নিহিত থকা ব্যাকৰণৰ উপাদানবোৰৰ আলমত ক্ৰিয়া-কলাপসমূহৰ ব্যৱস্থা কৰা হৈছে। শিক্ষকসকলে অৱশ্যেই পাঠভিত্তিক ব্যাকৰণৰ আলোচনাতে ক্ষান্ত নাথাকি প্ৰয়োজনবোধে সেইবোৰ বিতংৰূপে বৰ্ণাব, যাতে ব্যাকৰণ শিকনো সহজ তথা আনন্দদায়ক হয়।

ব্যাকৰণৰ ধাৰণা দিওঁতে পাঠৰ লগত সংগতি ৰাখি ক্ৰিয়া-কলাপসমূহ কৰাব। লগতে সত্যনাথ বৰাৰ 'বহল ব্যাকৰণ', ড° গোলক চন্দ্ৰ গোস্বামীৰ 'অসমীয়া ভাষাৰ ব্যাকৰণ', 'গোলোক ব্যাকৰণ' আদি ব্যাকৰণ পুথিৰ সহায় ল'ব।

(৪) পাঠ্যপুথিত পূৰ্বাভাস হিচাপে পাঠৰ আৰম্ভণিতে দিয়া কথাখিনিয়েই সকলো পাঠৰ বাবে যথেষ্ট নহ'ব পাৰে। প্ৰয়োজন সাপেক্ষে ছাত্ৰ-ছাত্ৰীৰ মনত অভিৰোচন সৃষ্টি কৰিবলৈ ক্ৰিয়া-কলাপৰ সহায় ল'ব।

(৫) আগতে শিকি অহা যুক্তাক্ষৰসমূহ অনুশীলন কৰাব।

(৬) কবিতাৰ ক্ষেত্ৰত শুদ্ধ উচ্চাৰণেৰে আবৃত্তি কৰাই শুনাব আৰু ছাত্ৰ-ছাত্ৰীয়ে আবৃত্তি কৰিব পৰাটো নিশ্চিত কৰিব।

(৭) বিষয়বস্তু আয়ত্ত কৰাবলৈ নাটক, কথোপকথন আদি ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা অনুশীলন কৰাব।

(৮) পাঠ্যপুথিত থকা প্ৰথিতযশা প্ৰবীণ সাহিত্যিকৰ কবিতা, প্ৰবন্ধ, গল্প আদি পঢ়াওঁতে ছাত্ৰ-ছাত্ৰীক সেই লেখকৰ ৰচনাশৈলীৰ লগত পৰিচয় কৰোৱাৰ আৰু সেই সময়ৰ ভাষাৰ লগতো পৰিচয় কৰাই দিব।

(৯) ছাত্ৰ-ছাত্ৰীক প্ৰত্নতাত্ত্বিক সম্পদৰ বিষয়ে কওঁতে ওচৰে-পাজৰে থকা তেনে প্ৰত্নতাত্ত্বিক সম্পদ উদ্ধাৰ হোৱা স্থান পৰিদৰ্শন কৰাৰ ব্যৱস্থা কৰিব।

(১০) পাঠ্যপুথিত সন্নিবিষ্ট কৰা ক্ৰিয়া-কলাপসমূহ কৰাওঁতে প্ৰত্যেক ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণ নিশ্চিত কৰিব। প্ৰয়োজন সাপেক্ষে তেনে ক্ৰিয়া-কলাপ অধিক যুগুত কৰি ল'ব।

(১১) বানানৰ বাবে 'চন্দ্ৰকান্ত অভিধান' আৰু 'অসমীয়া হেমকোষ' ব্যৱহাৰ কৰিব। পাঠ্যপুথি প্ৰস্তুতিৰ ক্ষেত্ৰতো এই অভিধান দুখন ব্যৱহাৰ কৰা হৈছে।

(১২) পাঠত দিয়া প্ৰকল্পসমূহ গুৰুত্বসহকাৰে কৰাব। তথ্যসংগ্ৰহ কৰি প্ৰতিবেদন লিখাৰ সময়ত ছাত্ৰ-ছাত্ৰীক সহায় কৰিব।

(১৩) কোনো কোনো পাঠত গীতৰ কথাও উল্লেখ কৰা হৈছে। এই গীতসমূহ ছাত্ৰ-ছাত্ৰীয়ে যাতে বিদ্যালয়তে শিকাৰ

সুবিধা পায় তাৰ বাবে শিক্ষক-শিক্ষয়িত্ৰীয়ে যথাসম্ভৱ ব্যৱস্থা কৰি দিব।

(১৪) অবিৰত আৰু সামগ্ৰিক মূল্যায়ন ব্যৱস্থাক আগত ৰাখি প্ৰতিটো পাঠৰ লগত থকা ক্ৰিয়া-কলাপবোৰ অৱশ্যে কৰণীয়; এইবোৰ অৰ্হতাৰ ভিত্তিত সহজৰ পৰা জটিললৈ সজোৱা হৈছে।

(১৫) শিকাৰুৰ অনুশীলন আৰু মূল্যায়নৰ অৰ্থে নিৰেদিত ক্ৰিয়া-কলাপ কৰাওঁতে স্ব-শিকন, যুৰীয়া শিকন আৰু দলীয় শিকনত গুৰুত্ব আৰোপ কৰা কাম্য। ইয়ে শিকা আৰু পুনৰ শিকা সূত্ৰক বাস্তৱায়িত কৰিব। সেইবাবে পাঠদানৰ পূৰ্বে ইয়াৰ আঁচনিৰ আৱশ্যক। সেয়েহে পাঠৰ অৰ্হতাবোৰ বিতংৰূপে অধ্যয়ন কৰি তাৰ স'তে বজিতা খোৱাকৈ শিক্ষণ সঁজুলি প্ৰস্তুত কৰি লোৱাটো এক সুনিশ্চিত কৰ্তব্য।

(১৬) বিশেষভাৱে সক্ষম শিকাৰুসকলৰ প্ৰতি বিশেষভাৱে গুৰুত্ব দিয়া আৱশ্যক। শিকনত সকলোকে সমভাৱে অনুপ্ৰাণিত কৰাটো শিক্ষকমণ্ডলীৰ অপৰিহাৰ্য দায়িত্ব।

(১৭) প্ৰতিটো পাঠ পঢ়োৱাৰ পাছত শ্ৰুতলিপি দিয়াৰ ব্যৱস্থা কৰিব।

(১৮) 'এন. চি. এফ. ২০০৫' ৰ মতে শিকাৰুৰ সৃজনশীল প্ৰতিভা বিকাশত আৰু উদ্ভাৱনীমূলক চিন্তা-চেতনাক অধিক গুৰুত্ব দিয়া হৈছে, সেয়ে এই দিশত কাৰ্যকৰী ব্যৱস্থা গ্ৰহণৰ দায়িত্ব শিক্ষকমণ্ডলীৰ। শিকাৰুসকলে যাতে নিজাববীয়াকৈ মতামত আগবঢ়াব পাৰে আৰু পাঠদান প্ৰক্ৰিয়াত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিব পাৰে, সেই সম্পৰ্কে নজৰ দিব। উল্লেখযোগ্য যে প্ৰতিটো পাঠৰ বিপৰীতে অৰ্হতাবোৰ লিপিবদ্ধ হৈছে, লগতে মূল্যায়নৰ নথি আৰু তথ্য সংৰক্ষণৰ ব্যৱস্থাও ৰখা হৈছে। এতেকে তাৰ সামগ্ৰিক মূল্যায়ন আৰু সংৰক্ষণ একান্তই আৱশ্যকীয়। নিৰ্দিষ্ট পাঠৰ অৰ্হতাবোৰ সম্পূৰ্ণ বিকাশ নোহোৱালৈকে নিদানমূলক শিক্ষণৰ ব্যৱস্থা ল'ব। পাঠটোৰ শেষত পাঠভিত্তিক মূল্যায়ন কৰি শিক্ষকে তাৰিখসহ চহী কৰাত গুৰুত্ব দিব।

মুঠতে, শ্ৰেণীকক্ষত পাঠবোৰৰ সঠিক উদ্দেশ্য সাধনৰ বাবে সকলো কৰণীয় শিক্ষকমণ্ডলীয়ে সম্পন্ন কৰিব।

---

**ডিজিটেল বিষয়বস্তু উপলব্ধ কৰিবলৈ কেনেদৰে QR CODE ব্যৱহাৰ কৰিব ঃ**

আপোনাৰ মোবাইলৰ ব্ৰাউজাৰত diksha.gov.in/app type কৰক আৰু install button স্পৰ্শ কৰক।

OR

Google Play Store ত DIKSHA search কৰক আৰু App টো ডাউনলড কৰিবলৈ Install Button টো স্পৰ্শ কৰক।

**মোবাইলত QR Code ব্যৱহাৰ কৰি কেনেকৈ ডিজিটেল বিষয়বস্তু উপলব্ধ কৰিব পাৰি—**

1) অগ্ৰাধিকাৰ দিয়া ভাষাটোক নিৰ্বাচন কৰক।
2) আপোনাৰ ভূমিকা বাছনি কৰক-ছাত্ৰ/শিক্ষক/অন্য।
3) QR Code Scan কৰিবলৈ QR ক'ডৰ আইকনটোত স্পৰ্শ কৰক।
4) প্ৰবেশ অনুমোদন কৰক আৰু এপ ব্যৱহাৰৰ অনুমতি দিয়ক।
5) পাঠ্যপুথিৰ QR Code ত Camera কেন্দ্ৰীভূত/দৃষ্টিপাত (Focus) কৰক।
6) QR Code সম্পৰ্কিত হৈ থকা বিষয়বস্তু প্ৰদৰ্শন কৰিবলৈ ক্লিক কৰক।

**Desktop অত QR Code ব্যৱহাৰ কৰি ডিজিটেল বিষয়বস্তু কেনেদৰে উপলব্ধ কৰিব পাৰি**

1) QR Codeৰ তলত আপুনি ছটা অংকবিশিষ্ট সংখ্যাটো (ডায়েল কোড) দেখিব।
2) আপোনাৰ ব্ৰাউজাৰত Diksha.Gov.in/as/get টাইপ কৰক।
3) ৬ অংকৰ ডায়েল ক'ডটো আপোনাৰ Desktopৰ চাৰ্চবাৰডালত লিখক।
4) উপলব্ধ বিষয়বস্তুৰ তালিকা নিৰীক্ষণ কৰক আৰু নিজৰ পছন্দৰ বিষয়বস্তুত ক্লিক কৰক।

# সূচীপত্ৰ


| | | |
|---|---|---|
| ১। | নিয়ৰ | ১ — ১০ |
| ২। | যুগমীয়া শৰাইঘাট | ১১ — ২১ |
| ৩। | এন্ ফ্ৰাঙ্কৰ ডায়েৰি | ২২ — ৩১ |
| ৪। | জাগা জননীৰ সন্তান | ৩২ — ৩৮ |
| ৫। | ভক্ত প্ৰহ্লাদ | ৩৯ — ৫১ |
| ৬। | প্ৰগতিৰ সোণালী বাট | ৫২ — ৬১ |
| ৭। | বস্তু বিজ্ঞান অধ্যয়ন | ৬২ — ৬৮ |
| ৮। | শ্ৰীশ্ৰীশংকৰদেৱ | ৬৯ — ৭৮ |
| ৯। | ভয় | ৭৯ — ৮৬ |
| ১০। | পৰীক্ষিতৰ ব্ৰহ্মশাপ | ৮৭ — ৯৪ |
| ১১। | অতীতক নাযাবা পাহৰি | ৯৫ — ১০৩ |
| ১২। | সুখ | ১০৪ — ১১১ |
| ১৩। | হোমি জাহাংগীৰ ভাবা | ১১২ — ১২০ |
| ১৪। | সংস্কৃতি আৰু আমাৰ জীৱন | ১২১ — ১২৯ |
| ১৫। | শিশু-লীলা | ১৩০ — ১৩৯ |
| | *শব্দ সম্ভাৰ* | ১৪০ — ১৫২ |

পাঠ ১



K8H7W1

# নিয়ৰ

*প্ৰকৃতিৰ ৰূপ-বৈচিত্ৰ্যই মানুহৰ মনলৈ কঢ়িয়াই আনে অনাবিল সুখ। প্ৰতিটো পুৱাই আমাৰ অজানিতে দি যায় আশাৰ বতৰা। এই বৰ্ণময় বাৰ্তাৰ অন্যতম বাহক হ'ল 'নিয়ৰ'। মুকুতা সদৃশ নিয়ৰ কণাবোৰ ঘাঁহ-বনৰ ওপৰত কাহিলি পুৱাতে জিলিকি থকা দেখিলে আমাৰ মনলৈ নানা ভাব অহাটোৱেই স্বাভাৱিক। ফটিক পানীৰে ধোৱা এই নিয়ৰৰ কণাবোৰ যেন নিশাৰ আকাশৰ পৰা সৰি পৰা তৰাৰ এক অনবদ্য ৰূপ। কবিৰ কল্পনাত নিয়ৰ নৃত্যৰতা পৃথিৱীৰ ডিঙিৰ পৰা ছিগি পৰা একোটি মণি অথবা পুৱাৰ পোহৰত সেমেকি উঠা একোটোপাল চকুপানী।*



মুকুতা মণিটি পাহিত জিলিকে
ফটিক পানীত ধোৱা,
নিশাৰ তৰা এটি সৰিয়েহে আছে
সৰগত টোপনি যোৱা।
নিজম আকাশৰ নিচুক কথাটি
হিয়াত থৈছে সাঁচি,
কোন কাহানিৰ সপোন দেখিছে
কোনে হাঁহিছিল নাচি।
ফুলনিত কোনে নিশা নাচিছিল
ছিগি বৈ গ'ল মণি,
ৰঙ্গিলীৰ ভাব হাঁহি নাচোনৰ
ৰ'ল চিন এইকণি,
পুৱাৰ হেঙুলি বেলিটিলৈ চাই
এটুপি চকুৰ পানী।
নিয়ৰ কলিৰে শোভে ফুল জুপি
চাইছো ভাবতে ভাহি,
হায় কি বিষম পেলালে বায়ুৱে
জোকাৰি ফুলৰ পাহি।



**কবি — চন্দ্ৰকুমাৰ আগৰৱালা**

*(উৎস — কুৰি শতিকাৰ অসমীয়া কবিতা, সম্পাদনা —নীলমণি ফুকন, পৃষ্ঠা-৯, প্ৰকাশক — অসম প্ৰকাশন পৰিষদ)*

জানো আহা

**চন্দ্ৰকুমাৰ আগৰৱালা** (১৮৬৭-১৯৩৮)— অসমীয়া সাহিত্যলৈ ৰোমাণ্টিক সাহিত্যৰ ধল বোৱাই অনা কবিসকলৰ ভিতৰত চন্দ্ৰকুমাৰ আগৰৱালা অন্যতম। তেখেতৰ শ্ৰেষ্ঠ কবিতা পুথি হ'ল 'প্ৰতিমা'। সেইবাবে তেখেতক 'প্ৰতিমাৰ খনিকৰ' বোলা হয়। তেখেতৰ কবিতা পুথিসমূহ হ'ল — প্ৰতিমা, বীণ বʼৰাগী, চন্দ্ৰামৃত আদি। তেখেত 'জোনাকী কাকত'ৰো প্ৰথম সম্পাদক আছিল। ১৯৩৮ চনত তেখেতৰ দেহাৱসান ঘটে। লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা আৰু হেমচন্দ্ৰ গোস্বামী — এই তিনিজনক সেই সময়ত অসমীয়া সাহিত্যৰ চৰ্চা কৰাসকলে 'জোনাকীৰ ত্ৰিমূৰ্তি' বুলিছিল। এই ত্ৰিমূৰ্তিৰ অৱদান সৰ্বজন সমাদৃত।

## ক্ৰিয়া-কলাপ

### ক — পাঠভিত্তিক ক্ৰিয়া

**১। কবিতাটো শুদ্ধ আৰু স্পষ্টকৈ পঢ়া আৰু আবৃত্তি কৰা।**

**২। উত্তৰ দিয়া ।**

(ক) মুকুতা মণিটি বুলি কবিয়ে কিহক বুজাইছে?

(খ) নিয়ৰক কবিয়ে কাৰ কাৰ লগত তুলনা কৰিছে?

(গ) নিয়ৰে হিয়াত কি সাঁচি থোৱাৰ কথা কৈছে?

(ঘ) ফুলনিত কি ছিগি বৈ গ'ল?

(ঙ) কবিয়ে কি সৰি থকাৰ কথা কৈছে?



**৩। কবিতাটোৰ মূলভাব চমুকৈ লিখা।**

**৪। শব্দ-সম্ভাৰ আৰু অভিধান চাই তলৰ শব্দবোৰৰ অৰ্থ লিখা।**

| শব্দ | অৰ্থ |
|---|---|
| ফটিক | ......... |
| শোভে | ......... |
| হেঙুলি | ......... |
| নিজম | ......... |
| নিচুক | ......... |



৫। প্ৰসংগ সংগতি দৰ্শাহি ব্যাখ্যা কৰা।

"নিজম আকাশৰ নিচুক কথাটি
হিয়াত থৈছে সাঁচি,
কোন কাহানিৰ সপোন দেখিছে
কোনে হাঁহিছিল নাচি।"

৬। পাঠৰ পৰা অন্ত্য মিল থকা শব্দবোৰ লিখা।

উদাহৰণ — ধোৱা → যোৱা ............ ............

............ — ............ ............ ............

............ — ............ ............ ............

............ — ............ ............ ............

## খ— ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)

৭। উল্লিখিত শব্দবোৰৰ সমাৰ্থক শব্দ লিখা।

| | | | | | | | |
|---|---|---|---|---|---|---|---|
| টোপনি | | বেলি | | পানী | | ফুল | |
| নিশা | | সপোন | | আকাশ | | চকু | |

৮। বিপৰীত অৰ্থ বুজোৱা শব্দ লিখা।

| | | | |
|---|---|---|---|
| ছিগা | | সৰগ | |
| পুবা | | দিন | |
| নিজম | | হাঁহি | |

৯। বাক্য ৰচনা কৰা।

মুকুতা পাহি শোভে নিচুক ফুলজুপি ফটিক

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

জানো আহা

**মুকুতা মণি**টি পাহিত জিলিকে
**ফটিক পানী**ত ধোৱা,
**নিশাৰ তৰা** এটি সৰিয়েহে আছে
**সৰগ**ত টোপনি যোৱা।

ওপৰৰ পদ্যফাকিত থকা **মুকুতা**, **মণি**, **ফটিক**, **পানী**, **নিশা**, **সৰগ** আদি শব্দকেইটি মূল সংস্কৃত ভাষাৰ পৰা অহা। তাৰে ভিতৰত **মণি** আৰু **নিশা** শব্দ দুটিৰ ৰূপ অলপো সালসলনি নোহোৱাকৈ সংস্কৃতৰ দৰে হুবহু একে আছে; কিন্তু **মুকুতা, ফটিক, তৰা, সৰগ** আদি শব্দ সংস্কৃতৰ মূল ৰূপ **মুক্তা, স্ফটিক, তাৰা, স্বৰ্গ** আদি শব্দবোৰ অলপ সলনি হৈ অসমীয়া ভাষাত ব্যৱহাৰ হৈছে। এনেধৰণৰ অনেক সংস্কৃত শব্দ অসমীয়া ভাষাত আছে। সংস্কৃতমূলীয় শব্দবোৰক প্ৰধানকৈ তিনিটা ভাগত ভগোৱা হয়। সেই ভাগ তিনিটা হ'ল —

(১) **তৎসম** (২) **অৰ্ধতৎসম আৰু** (৩) **তদ্ভৱ।**

(১) **তৎসম ঃ** যিবোৰ সংস্কৃত শব্দ পোনে পোনে আহি অসমীয়া ভাষাত প্ৰৱেশ কৰিছে, সেইবোৰক **তৎসম** শব্দ বোলা হয়। **তৎসম** শব্দৰ ৰূপ (বানান) এতিয়াও সংস্কৃতৰ দৰে আছে যদিও অসমীয়াত সেইবোৰৰ উচ্চাৰণ কিছু সলনি হৈছে।

**তৎসম শব্দৰ উদাহৰণ—**

| **সংস্কৃত ৰূপ** | **অসমীয়া তৎসম ৰূপ** |
|---|---|
| আকাশ | আকাশ |
| অশ্ব | অশ্ব |
| বংশ | বংশ |
| বৰ্ণ | বৰ্ণ |
| হ্ৰস্ব | হ্ৰস্ব |
| দীৰ্ঘ | দীৰ্ঘ |
| জীৱন | জীৱন |



(২) **অৰ্ধতৎসম ঃ** যিবোৰ তৎসম শব্দত সংযুক্ত ব্যঞ্জনৰ মাজত স্বৰবৰ্ণ সোমাই শব্দবোৰ ভাঙি উচ্চাৰণ সৰল কৰা হয় আৰু লিখোঁতেও অসমীয়া উচ্চাৰণতে লিখা হয়, সেইবোৰেই অৰ্ধতৎসম শব্দ।

**অৰ্ধতৎসম শব্দৰ উদাহৰণ—**

| **সংস্কৃত ৰূপ** | | **অৰ্ধতৎসম ৰূপ** |
|---|---|---|
| ভক্তি | ⟶ | ভকতি |
| মুক্তা | ⟶ | মুকুতা |
| স্নেহ | ⟶ | চেনেহ |
| প্ৰীতি | ⟶ | পীৰিতি |
| শব্দ | ⟶ | শবদ |
| শস্য | ⟶ | শইচ |
| দৰ্শন | ⟶ | দৰশন |

(৩) **তদ্ভৱ** ঃ যিবোৰ সংস্কৃত শব্দ পোনে পোনে অসমীয়া ভাষাত ব্যৱহাৰ নহৈ পালি, প্ৰাকৃত আদিৰ মাজেৰে ৰূপ সলনি হৈ আহি অসমীয়া ভাষাত সোমাইছে, সেইবোৰক **তদ্ভৱ শব্দ** বুলি কোৱা হয় ।

**তদ্ভৱ শব্দৰ উদাহৰণ—**

| **সংস্কৃত ৰূপ** | | **অসমীয়া তদ্ভৱ ৰূপ** |
|---|---|---|
| কৰ্ম | ⟶ | কাম |
| হস্ত | ⟶ | হাত |
| সৰ্প | ⟶ | সাপ |
| কৰ্ণ | ⟶ | কাণ |
| অদ্য | ⟶ | আজি |
| দন্ত | ⟶ | দাঁত |

সংস্কৃতৰ দৰে ইংৰাজী ভাষাৰ অনেক শব্দই অসমীয়া ভাষাৰ শব্দ ভাণ্ডাৰ চহকী কৰিছে। তাৰে কিছুমান **তৎসম** শব্দৰ দৰে পোনে পোনে অৰ্থাৎ হুবহু ৰূপত আৰু আন কিছুমান **তদ্ভৱ** শব্দৰ দৰে সৰল হৈ সোমাইছে। সেইবোৰ শব্দ অসমীয়া শব্দ যেন হৈ পৰিছে। যেনে -

| **ইংৰাজী শব্দ** | | **অসমীয়া ৰূপ** |
|---|---|---|
| স্কুল | ⟶ | স্কুল |
| ইঞ্জিন | ⟶ | ইঞ্জিন |
| ডক্তৰ | ⟶ | ডাক্তৰ |
| গ্লাচ | ⟶ | গিলাচ |
| জেইল | ⟶ | জেল |
| গোডাউন | ⟶ | গুদাম |
| বক্স | ⟶ | বাকচ |

কিছুমান ইংৰাজী শব্দৰ লগত অসমীয়া শব্দ যোগ কৰি আৰু কেতিয়াবা ইংৰাজী শব্দৰ লগত অসমীয়া প্ৰত্যয় যোগ কৰিও নতুন শব্দ গঠন কৰা হয়। এনেবোৰ শব্দক **মিশ্ৰ শব্দ** বোলা হয়।

**উদাহৰণ—**

| | | | | |
|---|---|---|---|---|
| **ইংৰাজী শব্দ** | + | **অসমীয়া শব্দ** | ⇒ | **অসমীয়া ৰূপ** |
| হেড | + | পণ্ডিত | ⇒ | হেডপণ্ডিত |
| মটৰ | + | গাড়ী | ⇒ | মটৰগাড়ী |
| ডাক্তৰ | + | খানা | ⇒ | ডাক্তৰখানা |
| ভোট | + | অধিকাৰ | ⇒ | ভোটাধিকাৰ |
| **ইংৰাজী শব্দ** | + | **অসমীয়া প্ৰত্যয়** | ⇒ | **অসমীয়া ৰূপ** |
| স্কুল | + | ঈয়া | ⇒ | স্কুলীয়া |
| কলেজ | + | ঈয়া | ⇒ | কলেজীয়া |
| মাষ্টৰ | + | অনী | ⇒ | মাষ্টৰনী |
| ডাক্তৰ | + | অনী | ⇒ | ডাক্তৰনী |

১০। ‘নিয়ৰ’ কবিতাটিত থকা তৎসম আৰু তদ্ভৱ শব্দবোৰ বাছি উলিয়াই লিখা।
তুমি জনা তৎসম আৰু তদ্ভৱ শব্দবোৰৰ এখন তালিকা প্ৰস্তুত কৰা।

১১। দৈনন্দিন জীৱনত বিভিন্ন ক্ষেত্ৰত তুমি ব্যৱহাৰ কৰা ইংৰাজী শব্দবোৰ ভাগে ভাগে লিখা।

| | |
|---|---|
| শিক্ষা সম্বন্ধীয় | স্কেল, ............................................................ |
| খেল সম্বন্ধীয় | ক্ৰিকেট, ............................................................ |
| যান-বাহন | স্কুটাৰ, ............................................................ |
| পোছাক-পাতি | ফ্ৰক, ............................................................ |
| আচবাব | টেবুল, ............................................................ |
| বাচন্-বৰ্তন্ | কাপ, ............................................................ |

☞ *নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*



১২। এটা শব্দত প্ৰকাশ কৰা।

(ক) যি আনৰ উন্নতি দেখিব নোৱাৰে

(খ) একে মাকৰ সন্তান

(গ) যাৰ ঘৰ-বাৰী নাই

(ঘ) যিজনে ভাল-বেয়া বিচাৰ কৰিব নোৱাৰে

(ঙ) যি আগেয়ে হোৱা নাই

১৩। 'নিয়ৰ' কবিতাটিত পোৱা তৰা, আকাশ, পানী, কথা, হিয়া, সপোন, চকু আদি শব্দ যুক্ত হৈ গঠিত খণ্ডবাক্যবোৰেৰে বাক্য ৰচনা কৰা।

| | | |
|---|---|---|
| তৰা-নৰা ছিঙি | - | (ৰৰকৈ বেগাই, ইমান বেগাই যে উজুটিত বন আদি ছিঙি যায়) |
| আকাশত চাং পতা | - | (অস্বাভাবিক কল্পনা কৰা) |
| পানীৰ তলৰ কাঁইট | - | (নেদেখা বিপদ, অজ্ঞাত শত্ৰু) |
| কথা চহকী | - | (বেছিকৈ কথা কোৱা লোক) |
| হিয়াৰ আমঠু | - | (অতি আদৰৰ) |
| অলীক সপোন | - | (অমূলক কল্পনা) |
| চকু চৰহা | - | (লোকৰ ভাল দেখিব নোৱৰা) |





**জানো আহা**

ফুলনিত কোনে নিশা নাচিছিল
**ছিগি** ৰৈ গ'ল মণি,

**ছিগি ঃ** আপোনা-আপুনি ছিগি যোৱা। আনে ইচ্ছা বা জোৰ কৰি ছিঙি থৈ যোৱা নহয়।

**ছিঙি ঃ** দুই বা অধিক খণ্ড বা টুকুৰা কৰি বেলেগ কৰা। যেনে - কেচুৱাটোৱে মাকৰ ডিঙিৰ মালাধাৰী ছিঙি পেলালে। ঠিক তেনেদৰে -

**ভাগি**ৰ অৰ্থ আপোনা- আপুনি ভাগি যোৱা আৰু

**ভাঙি** মানে অইন কাৰক বা আনে ডোখৰ ডোখৰ কৰা।

যেনে- (ক) **ভাগি** গ'ল বীণ খনি **ছিগি** গ'ল তাঁৰ,
ৰই গ'ল অৱশেষ অমিয়া জোঁকাৰ।

(খ) "ভাঙ্ ভাঙ্ ভাঙ্ ভাঙ্
লোহাৰ শিকলি ভাঙ্।
ছিঙ্ ছিঙ্ ছিঙ্ ছিঙ্
দাসৰ বান্ধোন ছিঙ্।

**১৪। তলৰ বাক্যকেইটিৰ খালী ঠাইত অৰ্থৰ লগত সংগতি ৰাখি ভাগি, ভাঙি, ছিগি, ছিঙি বহুৱাই পূৰ কৰা।**

(ক) মেৰামতি নকৰা বাবে জহি-খহি ঘৰটো ——— গ'ল।

(খ) ধুমুহাই ঘৰটো ——— পেলালে।

(গ) পুৰণি হোৱা বাবে ৰছীডাল ——— থাকিল।

(ঘ) জোৰকৈ টনা-আঁজোৰা কৰা বাবে ৰছীডাল ——— গ'ল।

(ঙ) এবছৰ নৌহওঁতেই মথাউৰিটো ——— গ'ল।

(চ) বানপানীয়ে মথাউৰিটো ——— পেলালে।

☞ *নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

## গ— জ্ঞান সম্প্ৰসাৰণ

**১৫। দলত বহি নিজৰ নিজৰ অভিজ্ঞতাৰ কথা কোৱা আৰু লগৰীয়াৰ অভিজ্ঞতাৰ কথা শুনা।**

(ক) পুৱা খালী ভৰিৰে নিয়ৰসিক্ত দুবৰি গচকি পোৱা অনুভূতি

(খ) পদুম, কচু বা অন্যান্য গছৰ পাতত তিৰ্‌বিৰাই থকা নিয়ৰৰ টোপাল দেখি মনত জাগি উঠা অনুভৱ

(গ) গছৰ পাতৰ পৰা টোপা টোপে নিয়ৰ সৰা দেখি কৰা কল্পনাবোৰ

জানো আহা

**নিয়ৰ**— জাৰকালি আকাশৰ বায়ু চেঁচা হৈ তাত থকা জলীয়বাষ্প গোট মাৰি সৰু সৰু পানীৰ কণিকাৰূপে ঘাঁহ-বনত লাগি ৰয়। এয়াই নিয়ৰ।

**নিয়ৰ-ভঙা**— নিয়ৰ-ভঙা মানে জন্তুৰ আগ-চেউৰাৰ সম্মুখৰ ডিঙিৰ তলৰ ভাগ। আন এটি অৰ্থ হ'ল- দৰাৰে সৈতে ৰাতি নিয়ৰ গৰকি কন্যাৰ ঘৰলৈ যোৱা কাৰ্য। যেনে- নিয়ৰ-ভঙাৰ লাৰু, নিয়ৰ-ভঙাৰ তামোল-পাণ ইত্যাদি।

**১৬। সাঁথৰ ভাঙা।**

(ক) মৌ-মাখি নহয় কিন্তু
কৰে গুণ্ গুণ্
বামুণ নহয় কিন্তু
কান্ধত লগুণ।

(খ) ৰজাৰ ঘৰৰ হাতী
ধান খায় পাচি পাচি।

(গ) ৰজাৰ কাপোৰ তিয়াব পাৰি,
শুকুৱাব নোৱাৰি।

## ঘ — প্ৰকল্প

**১৭। চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতা সংগ্ৰহ কৰি শ্ৰেণীকোঠাত আবৃত্তি কৰা।**

**১৮। সকলোৰে মিলি অসমীয়া ভাষাত থকা তৎসম আৰু অৰ্ধতৎসম শব্দৰ এখন তালিকা কৰি শ্ৰেণীকোঠাত ওলোমাই থোৱা।**

## পাঠ ১

### পাঠটোৰ পৰা আহৰণ কৰিবলগীয়া অৰ্হতা

- শুদ্ধ আৰু স্পষ্টকৈ কবিতা পঢ়িব পৰা আৰু আবৃত্তি কৰিব পৰা
- পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা
- কবিতাৰ মূলভাব বুজি পোৱা
- কঠিন শব্দৰ অৰ্থ বুজি পোৱা
- ব্যাখ্যা কৰিব পৰা
- একে অৰ্থ প্ৰকাশক শব্দ জনা, বাক্য ৰচনা কৰিব পৰা
- বিপৰীত অৰ্থ প্ৰকাশক শব্দ জনা
- তৎসম আৰু অৰ্ধতৎসম শব্দ জনা
- এটা শব্দত প্ৰকাশ কৰি লিখিব পৰা
- সাঁথৰ ভাঙিব পৰা
- চন্দ্ৰকুমাৰ আগৰৱালাৰ বিষয়ে জনা আৰু তেখেতৰ কবিতা সংগ্ৰহ কৰি পঢ়ি আবৃত্তি কৰিব পৰা

### শিকাৰুৰ পাঠভিত্তিক অৰ্হতাৰ মূল্যায়ন

| | | | | | | | |
|---|---|---|---|---|---|---|---|
| **কৰিতা পাঠ** | কবিতাটো শুদ্ধ আৰু স্পষ্টকৈ পঢ়িব পৰা | কবিতাটো আবৃত্তি কৰিব পৰা | পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা | কবিতাটোৰ মূলভাব আৰু ব্যাখ্যা লিখিব পৰা | কবিতাটোৰ কঠিন শব্দৰ অৰ্থ লিখিব পৰা | কবি চন্দ্ৰকুমাৰ আগৰৱালাৰ বিষয়ে জানি ক'ব পৰা |
| | | | | | | | |
| **ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)** | সমাৰ্থক শব্দ লিখিব পৰা | বিপৰীত অৰ্থ বুজোৱা শব্দ লিখিব পৰা | বাক্য ৰচনা কৰিব পৰা | তৎসম শব্দ, অৰ্ধতৎসম আৰু তদ্ভৱ শব্দৰ বিষয়ে জানি ক'ব পৰা | তৎসম শব্দবোৰ অৰ্ধতৎসম শব্দলৈ সলনি কৰিব পৰা | এটা শব্দত প্ৰকাশ কৰিব পৰা |
| | | | | | | | |
| **জ্ঞান সম্প্ৰসাৰণ** | নিজৰ অভিজ্ঞতা প্ৰকাশ কৰি ক'ব পৰা | আনৰ অভিজ্ঞতাখিনি বুজি ক'ব পৰা | সাঁথৰ ভাঙিব পৰা | | | |
| | | | | | | | |
| **প্ৰকল্প** | কবিতা সংগ্ৰহ কৰি আবৃত্তি কৰিব পৰা | | তৎসম আৰু অৰ্ধতৎসম শব্দৰ তালিকা প্ৰস্তুত কৰিব পৰা | | | |
| | | | | | | |

☞ *অৰ্হতা আয়ত্ত হ'লে ওপৰৰ তালিকাখনৰ তলৰ খালী ঘৰত ✓ চিন দিব আৰু নহ'লে × চিন দিব। অৰ্হতা আয়ত্ত নোহোৱা শিকাৰুক অতিৰিক্তভাৱে শিকাই পুনৰ মূল্যায়ন কৰিব।*

পাঠ ২

# যুগমীয়া শৰাইঘাট

*লুইতৰ পানী বৈ থাকে মানে শৰাইঘাটৰ যুঁজৰ তাৎপৰ্য আৰু বীৰত্বৰ কথা অসমৰ ইতিহাসৰ পাতত সোণালী আখৰেৰে জিলিকি থাকিব। এই শৰাইঘাটৰ যুঁজতে অসমীয়া সৈন্য আৰু সেনাপতিৰ কৰ্মদক্ষতা, সময় অনুযায়ী কৰ্তব্যবোধ, আভ্যন্তৰীণ শৃংখলাৰ প্ৰকাশ আৰু সবাতোকৈ গুৰুত্বপূৰ্ণ অদম্য দেশপ্ৰেমৰ চানেকি প্ৰতিফলিত হোৱা দেখা যায়। সততে জাগ্ৰত অসমীয়া জাতিৰ সময়োপযোগী দায়িত্ববোধ, কৰ্মনিষ্ঠা আৰু যুঁজাৰু মানসিকতাৰ উৎকৃষ্ট নমুনা শৰাইঘাটৰ কাহিনীত উজলি উঠিছে। জাতীয় চৈতন্যক জগাই তুলিবলৈ শৰাইঘাটৰ কাহিনীয়ে যথেষ্ট, যাৰ পৰা আমি শিক্ষা ল'ব পাৰোঁ।*



এতিয়া লাচিতৰ দিনৰ শৰাইঘাট নাই, কিন্তু আন এখন শৰাইঘাট হ'লে আছে। এইখন শৰাইঘাটত সংঘবদ্ধ হৈ সদৌ অসমীয়া দেশ-ৰক্ষাৰ মন্ত্ৰত একমুখী হোৱাৰ আৱশ্যকতা আছে। অতীতৰ শৰাইঘাটৰ সমস্যাবোৰ আছিল সামৰিক, এতিয়াৰ সমস্যাবোৰ হ'ল সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক আৰু ঐতিহ্যিক। অসমৰ সমস্যাৰ অন্ত নাই আৰু অন্ত নপৰে। বছৰি বানপানীৰ দুৰ্যোগ, খৰাং বতৰৰ দুৰ্যোগ, মাৰি মৰক, ভুঁইকঁপ, ওচৰ-চুবুৰীয়া জাতিবৃন্দৰ লগত লেন-দেন, বিশ্বজগতৰ লগত যোগাযোগ আৰু চলাচল ব্যৱস্থা, মানুহৰ কু-প্ৰবৃত্তি দমনৰ আৱশ্যকতা, শিক্ষা বিষয়ক বিবিধ প্ৰশ্ন আৰু শাসনকাৰ্যৰ সুচাৰু সম্পাদন, এনে ধৰণৰ সমস্যা চিৰকাল অসমৰ গাত লম্ভি আছে আৰু লম্ভি থাকিব, আৰু এক শ্ৰেণীৰ সমস্যাৰ সমাধান হ'লে আন শ্ৰেণীৰ সমস্যাই মূৰ দাঙি উঠিব। এয়ে হৈছে অসমৰ জাতীয় জীৱনৰ চিৰন্তন পটভূমি। এই সমস্যাবোৰৰ ভালদৰে সমাধান নহ'লে অসমৰ অস্তিত্ব লৈ টনাটনি হ'ব। লাচিত বৰফুকন মহাবীৰ আৰু তেওঁৰ লগৰ মহাৰথীসকলে যি মনোবৃত্তি আৰু একাগ্ৰ দেশপ্ৰেমেৰে সেই কালৰ সমস্যা সমাধান কৰিছিল, সেই মনোবৃত্তি আৰু একাগ্ৰ দেশপ্ৰেম আমাৰ প্ৰতি মুহূৰ্তে আৱশ্যক। অসমীয়াই যাতে এই ডাঙৰ কথাটো হৃদয়ংগম কৰে আৰু যাতে অসমীয়াৰ প্ৰতি প্ৰাণে শৰাইঘাটৰ আদৰ্শ কাৰ্যকৰী হৈ শিপা মেলে।

মীৰজুমলা নবাবে জয় কৰি থৈ যোৱা গুৱাহাটী অসমে লোৱা বাৰ্তা শুনি ঔৰংজেৱ বাদছাহে ৰাজপুত ৰজা ৰামসিংহক পঠালে অসম মাৰিবৰ কাৰণে। ৰামসিংহই কটকী পঠাই ক'লে, "ভাই লাচিত, আমাৰ লগত যুঁজ কৰিব পাৰিবা জানো? এই এটোপোলা আফুগুটি পঠিয়ালোঁ, ইয়াত যিমান গুটি, আমাৰ সৈন্যৰ সংখ্যাও তিমান।" লাচিতে উত্তৰ দিলে, "আফুগুটি পঠিয়াইছা পটাত পিহিলে পানী হ'ব। মই এচুঙা বালি পঠিয়ালোঁ। আমাৰ সৈন্যৰ এনয় লক্ষণ।"

কথাৰ যুদ্ধৰে বলে নোবাৰি ৰামসিংহই ব্ৰহ্মপুত্ৰ পাৰ হৈ গুৱাহাটীৰ গড় ল'বলৈ চেষ্টা কৰিলে। লাচিতৰ তেতিয়া ভীষণ জ্বৰ। জ্বৰৰ গাৰে তেওঁ নাও মেলি দিলে আৰু চিঞৰি ক'লে, "অসমীয়া ৰণুৱাসকল, মই যুঁজিহে মৰিম। চিলা পৰ্বতৰ ওপৰত এচপৰা মাটি কিনি থৈছোঁ, তাতে মোৰ শটো থ'বা, নাইবা মোক বঙালে ধৰি লৈ যাওক, তোমালোক সুখেৰে ঘৰলৈ উভতি যোৱা।" লাচিতৰ এই মৃত্যুপণ শুনি অসমীয়াৰ গালৈ তেজ আহিল। শৰাইঘাটৰ যুঁজত ৰামসিংহ পৰাজিত হ'ল।

অসম এৰি যাবৰ সময়ত ৰামসিংহই কৈ গ'ল, "ধন্য ৰজা, ধন্য মন্ত্ৰী, ধন্য সেনাপতি, ধন্য সেনা। অকল এজন মানুহে সকলো সৈন্য চলায়, ই কি আচৰিত। মই হেন ৰামসিংহ নিজে যুদ্ধৰ সেনাপতি হৈও একোতে সুবিধা নাপাওঁ।"

শৰাইঘাটৰ যুদ্ধত অসমৰ বিজয় ভুকুতে পকা কল নাছিল। ইয়াৰ মূলত আছিল সুচিন্তিত আঁচনি, বিচক্ষণ সংগঠন, শৃংখলামূলক আয়োজন, সুদৃঢ় নিয়মানুবৰ্তিতা, বিপদত ধৈৰ্য, সংকটত নিৰ্ভীকতা, আমূলে দুৰ্নীতি দমন, দেশৰ মংগল কাৰ্যত সম্পূৰ্ণ আত্মবিলোপ আৰু স্বাৰ্থত্যাগ আৰু আত্মকন্দলৰূপী বিষবৃক্ষৰ গুৰিয়ে শিপায়ে ঠালে ঠেঙুলিয়ে উৎপাটন।

অকল যুদ্ধ সামগ্ৰীৰে যুদ্ধ জয় কৰিব নোৱাৰি। ইয়াৰ কাৰণে আহিলা-পাতি যিমান প্ৰয়োজন তাতকৈ বেছি প্ৰয়োজন সৈনিকবৃন্দ আৰু সমগ্ৰ জাতিৰ স্বাৰ্থহীন মনোবৃত্তি, কৰ্মনিষ্ঠতা আৰু যুদ্ধ জয়ৰ কাৰণে উত্ৰাৱল অথচ নিশ্চিত অভিলাষ।

লাচিতৰ অধীনত এক লক্ষ সৈন্য আছিল। সকলো সৈন্যৰ প্ৰাণ-মন যাতে কৰ্তব্যৰপৰা এক তিলো বিচলিত নহয়, তাৰ কাৰণে লাচিত বৰফুকনে অহোপুৰুষাৰ্থ কৰিছিল। কোনোবাই যুদ্ধৰ কামত মন এৰি ইফাল-সিফাল কৰে বুলি লাচিত বৰফুকনে পোন প্ৰথমে কামাখ্যা গোসাঁনীলৈ সেৱা কৰি ঘোষণা কৰিছিল, "যুদ্ধৰ কামত পাছ হুহঁকিলে মই এই হেংদানেৰে তাক দুডোখৰ কৰি কাটিম, পাছতহে স্বৰ্গদেৱক জনাম।" অসমৰ নিয়মমতে স্বৰ্গদেৱেহে মানুহ কটাৰ আজ্ঞা দিব পাৰিছিল। লাচিতৰ এই প্ৰচণ্ড সংকল্পৰ বিৰুদ্ধে অন্য সেনাপতিসকলে স্বৰ্গদেৱলৈ জনাই পঠালে। স্বৰ্গদেৱে মন্ত্ৰীসকলৰ সৈতে এই কথাৰ আলোচনা কৰিবৰ সময়ত বৰ আই-কুঁৱৰীয়ে কাপোৰৰ আঁৰৰপৰা ক'লে, "বৰফুকনৰ কথা মানি চলিলেহে যুদ্ধত জয়লাভ হ'ব। ফুকনৰ কথা নৰজিলে আমাৰ পৰাজয় হোৱাটো নিশ্চয়।"

স্বৰ্গদেৱে বৰ-কুঁৱৰীৰ উপদেশ মানি বৰফুকনলৈ কৈ পঠিয়ালে, বোলে, "ফুকনৰ কথাই মোৰ কথা।"

অগ্নি, সৰ্প আৰু প্ৰলোভন, এই তিনি একে ধৰণেৰে বিষাক্ত। ফিৰিঙতিৰপৰা খাণ্ডৱ-দাহ হ'ব পাৰে। ফেটীসাপ আৰু ছয় আঙুলিয়া খন্তীয়া-সাপ উভয়ে প্ৰাণনাশ কৰিব পাৰে। প্ৰলোভন সৰ্প এবাৰ যুদ্ধ শিবিৰত সোমালে, সৰ্বনাশ সংঘটিত হ'ব। অসমীয়া কটকী ৰামচৰণ আৰু নিমক ৰামসিংহই ৰাজপুতনাৰ ফালৰ কাঠৰ চৰাইৰ নাচ দেখুৱাইছিল। কটকীৰ মনত লোভ জগাবলৈ ৰামসিংহই সেইটো কৰাইছিল।

কটকী ৰামচৰণে কাঠৰ চৰাইৰ নাচ দেখি আচন্থৱা চৰাইটোলৈ ঘনে ঘনে চাইছিল। পাছে ৰামসিংহই কটকীৰ হেঁপাহ দেখি সুধিলে বোলে, "অসমৰ উকীল, কি লাগে খোজ, মই দিওঁ।" ৰামচৰণ কটকীয়ে অসমীয়াক দেখুৱাবলৈ চৰাই এটি খুজিলে, ৰামসিংহই দুটা চৰাই দিলে। লাচিত বৰফুকনে শুনি, মোগলৰ সেনাপতিক চৰাই খোজাৰ দায়ত, ৰামচৰণক লোৰা লগাই থ'লে।



শৰাইঘটীয়া সেনাপতি এজনৰ নাম আছিল কোবামুদ্ধা হাজৰিকা। মোগলে তেওঁক নাৱে সৈতে ধৰি আনন্দত মতলীয়া হৈ তেওঁক নাচিবলৈ ক'লে। চাৰিওফালে মোগলৰ নাও, মাজতে কোবামুদ্ধাৰ নাও। হাজৰিকাই ক'লে, "মই নাচিম। ঢোল-মৃদংগ-খঞ্জৰী নাই, তোমালোকে চাপৰি মাৰা।" নাৱৰ বৈঠাৰপৰা হাত এৰি মোগল সৈন্যই চাপৰি মাৰিবলৈ ধৰিলে। কোবাই নিজৰ নাওবৈচাক টিপ দিলে নাৱৰ মূৰ অসমীয়া নাৱৰ পোনে টোৰাবলৈ। নাচোনৰ ছেও দেখি বঙালৰ সৈন্য মচগুল হ'ল। এই ছেগাতে কোবাৰ নাওখন সাউৎকৰে আঁতৰি গ'ল। মোগলে বৈঠা মাৰি নাও ভিৰাই তেওঁক খেদিবলৈ যো-জা কৰোঁতেই অসমীয়াৰ নাও নিজৰ ঠাই পালেগৈ।

শৰাইঘাটৰ কাৰ্যপন্থা আৰু এটি কথাত অতুলনীয় আছিল। সৈন্য বাহিনীৰ কেইবাটাও অংগ, হাতী-ঘোঁৰা, নাও-নাৱৰা, অস্ত্ৰ-শস্ত্ৰ, চাউল-যোগনীয়া ইত্যাদি। ইয়াৰ প্ৰত্যেকে আনবোৰৰ সৈতে

একে লগ হৈ একে উদ্দেশ্যত কাম কৰিব নোৱাৰিলে, তাৰপৰা বিষম বেমেজালি আৰু অনিষ্ট হয়। স্বৰ্গদেউ চক্ৰধ্বজ সিংহই আদেশ দিলে, বোলে, "মোগলক তুৰন্তে ধৰিব লাগে।" ইফালে যুদ্ধ বা তাৰ অংগবোৰৰ আয়োজন বিশেষ একো নাই। মীৰজুমলাই ভাঙি থৈ যোৱা দেশখন পাতি, আহিলা সংগ্ৰহ কৰি যুদ্ধৰ সন্মুখীন হ'বলৈ দিন লাগিব। সেই দেখি ৰাজমন্ত্ৰী আতন বুঢ়াগোহাঁয়ে আগপাছ সকলো কথা স্বৰ্গদেৱক বুজাই ক'লে। তাৰ পাছত তিনি বছৰৰ আয়োজনৰ পাছতহে অসমে মোগলক পৰাস্ত কৰি গুৱাহাটী আৰু কামৰূপ উদ্ধাৰ কৰিব পাৰিলে।

আলাবৈৰ ৰণত একেদিনে দহ হাজাৰ অসমীয়া সৈন্য নিহত হোৱাত লাচিত বৰফুকনে বৰ বেজাৰ পালে। স্বৰ্গদেৱে বিবেচনা নকৰাকৈ ৰণ কৰিবলৈ আদেশ দিয়াৰ কাৰণেই অসংখ্য সৈন্য নিহত হ'বলগীয়া হৈছিল। লাচিতে ক'লে, বোলে, "মোৰ একোটা মানুহ, একোটা হাতী; আজি মই তেনে মানুহ দহ হাজাৰ হেৰুৱালোঁ। এই কথা স্বৰ্গদেৱলৈ জনাই পঠাওঁ।" বুঢ়াগোহাঁই ডাঙৰীয়াই লাচিতক হাক দি ক'লে, "বাৰীৰ ভিতৰৰ পুখুৰী সিচোঁতেও আঠোটা-দহোটা মানুহক শিঙিয়ে বিন্ধে। এইটো ৰণহে হৈছে। এই জানি দুই-চাৰি লোক কিয় নপৰিব? এই কথা ৰজালৈ জনাবলৈ ভাল নহয়।" সুবিবেচনাৰে কাৰ্যপন্থা নিৰূপণ আৰু ক্ষিপ্ৰভাৱে কাৰ্যপন্থা গ্ৰহণ আৰু সম্পাদন, এই দুইৰ সমাৱেশ শৰাইঘাটৰ ৰণত অসমীয়াৰ কাৰণে আৱশ্যক আছিল আৰু আগলৈকো আৱশ্যক হ'ব। সেয়ে শৰাইঘাট নাই, কিন্তু শৰাইঘাট আছে।

ৰামসিংহৰ লগত অসংখ্য সৈন্য আহিছে অসমক ধ্বংস কৰিবলৈ তাকে চাই লাচিত বৰফুকনে খেদ কৰি ক'লে, "মই ফুকনৰ দিনত এনে দশা হ'ল? মোৰ ৰজা ৰক্ষা হ'ব কেনেকৈ, ৰাইজ ৰক্ষা হ'ব কেনেকৈ? পাছলৈ বা ৰক্ষা হ'ব কেনেকৈ?" ইয়াৰ অলপ পাছতে যুদ্ধ কৰিবলৈ সকলোকে আজ্ঞা কৰিলে। ৰাইজ, ৰজা, দেশ সকলোকে কেৱল বৰ্তমানেই নহয়, ভৱিষ্যতলৈকো সুৰক্ষিত কৰি ৰখাৰ এই উক্তিয়েই হৈছে লাচিত বৰফুকনে কৰা জাতীয়তাবাদৰ সুন্দৰ বিশ্লেষণ। অসমীয়াই জাতীয় কল্যাণৰ কাৰণে অন্য উপদেশ পাহৰিলেও এই বচন ফাঁকি যেন কেতিয়াও নাপাহৰে।

---

*(ড° সূৰ্য কুমাৰ ভূঞাই ১৯৫৬ চনত (১৮৭৭ শক, ফাগুন ১২-২৪) 'লাচিত মেলা'ৰ (জাঁজী) মূল সভাৰ সভাপতি হিচাপে প্ৰদান কৰা ভাষণৰ সংক্ষিপ্ত আৰু পুনলিখিত ৰূপ ।)*

জানো আহা

**সূৰ্য কুমাৰ ভূঞা (১৮৯২-১৯৬৪)** — অসমৰ পুৰণি বুৰঞ্জী উদ্‌ঘাটন, সম্পাদনা আৰু প্ৰকাশৰ ক্ষেত্ৰত ড° সূৰ্য কুমাৰ ভূঞা প্ৰবাদপুৰুষ হৈ আছে। ড° সূৰ্য কুমাৰ ভূঞাই আগজীৱনত কিছুমান কবিতা লিখিছিল আৰু সেইখিনি 'নিৰ্মালি' নামৰ সংগ্ৰহটোত থুপ খাই আছে। বৈষ্ণৱ কবিতাৰ আৰ্হিত তেখেতে 'ভানুনন্দন' নামত 'জয়মতী উপাখ্যান' লিখিছিল। এক অননুকৰণীয় গদ্যভংগীৰে লিখা 'স্বৰ্গদেউ ৰাজেশ্বৰ সিংহ' এখন মূল্যবান গ্ৰন্থ। এইদৰে অসমীয়া আৰু ইংৰাজী ভাষাত ডেৰকুৰিখনৰো অধিক গ্ৰন্থ ৰচনা কৰি অসমীয়া ভাষা-সাহিত্যত সুকীৰ্তি ৰখাৰ উপৰি ছিলঙত অনুষ্ঠিত 'অসম সাহিত্য সভা'ৰ দ্বাবিংশ অধিবেশনত সভাপতিৰ আসন অলংকৃত কৰিছিল।

তেখেতৰ জন্মস্থান নগাঁও। ড° সূৰ্য কুমাৰ ভূঞা আছিল কটন কলেজৰ প্ৰথমগৰাকী অসমীয়া অধ্যক্ষ। তেখেত প্ৰথম অসমীয়া শিক্ষাধিকাৰো (D.P.I.) আছিল। অসমৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগটো তেখেতৰ জীৱনৰ কীৰ্তি-স্তম্ভ বুলিব পাৰি। নিজৰ বাসভৱনত আৰম্ভ কৰা এই বিভাগটোৱেই পাছত চৰকাৰী বিভাগত পৰিণত হয়।

কলিকতা আৰু লণ্ডন বিশ্ববিদ্যালয়ত মেধা আৰু কৃতিত্বৰ পৰিচয় দিয়া ইতিহাসৰ ছাত্ৰ ড° সূৰ্য কুমাৰ ভূঞা ভাৰতবৰ্ষৰ এগৰাকী আগশাৰীৰ ইতিহাসবিদ।

ক্ৰিয়া-কলাপ

## ক — পাঠভিত্তিক ক্ৰিয়া

১। **পাঠটো স্পষ্ট আৰু শুদ্ধ উচ্চাৰণেৰে পঢ়া।**

২। **উত্তৰ দিয়া।**

(ক) অতীতৰ শৰাইঘাটৰ সমস্যাবোৰ কি আছিল?

(খ) বৰ্তমান শৰাইঘাটৰ সমস্যাবোৰ কি?

(গ) ৰামসিংহ কোন আছিল?

(ঘ) তেওঁ কিয় অসমলৈ আহিছিল?

(ঙ) শৰাইঘাটৰ ৰণ কাৰ কাৰ মাজত হৈছিল?

(চ) লাচিতৰ অধীনত কিমান সৈন্য আছিল?



(ছ) মোগলে নাৰেৰে সৈতে ধৰি ৰখা শৰাইঘটীয়া সেনাপতিজনৰ নাম কি?

(জ) মোগলৰ সেনাপতিক চৰাই খোজাৰ দায়ত লাচিত বৰফুকনে কাক লোৱা লগাই থৈছিল?

(ঝ) ৰজা ৰামসিংহই বীৰ লাচিতক আফুগুটিৰ সহায়ত কি বুজাবলৈ গৈছিল?

(ঞ) লাচিতে অসমীয়া সৈন্যবল বুজোৱাৰ উদ্দেশ্যে ৰামসিংহলৈ কি পঠিয়াইছিল?

৩। **পাঠটোত থকা কঠিন শব্দবোৰৰ অৰ্থ শব্দ-সম্ভাৰ আৰু অভিধান চাই জানি লোৱা।**

৪। **পাঠত থকাৰ দৰে সংলাপবোৰ লিখা।**

(ক) কথাৰ যুদ্ধৰে বলে নোৱাৰি ৰামসিংহই ব্ৰহ্মপুত্ৰ পাৰ হৈ গুৱাহাটীৰ গড় ল'বলৈ চেষ্টা কৰা সময়ত জ্বৰৰ গাৰে লাচিত বৰফুকনে অসমীয়া ৰণুৱাসকলক কি কৈছিল?

(খ) অসম এৰি যোৱা সময়ত ৰামসিংহই অসমক প্ৰশংসা কৰি কি কৈছিল?

(গ) কোনোবাই যুদ্ধৰ কামত মন এৰি ইফাল-সিফাল কৰে বুলি বীৰ লাচিত বৰফুকনে কামাখ্যা গোঁসানীলৈ সেৱা কৰি কি ঘোষণা কৰিছিল?

(ঘ) বৰ আই-কুঁৱৰীয়ে কাপোৰৰ আঁৰৰ পৰা স্বৰ্গদেউক কি উপদেশ দিছিল?

৫। **বহলাই লিখা।**

(ক) যুদ্ধত জয়ী হ'বলৈ যুদ্ধৰ আহিলাৰ বাহিৰে আৰু কিহৰ প্ৰয়োজন আছে লিখা।

(খ) সেনাপতি কোৱামৃদ্ধা হাজৰিকাই কি কৌশলেৰে মোগল সৈন্যৰ মাজৰ পৰা সাৰি আহিবলৈ সক্ষম হৈছিল বৰ্ণনা কৰা।

(গ) শৰাইঘাটৰ ৰণত অসমৰ বিজয়ৰ মূলতে থকা কথাবোৰ লিখা।

৬। **প্ৰসংগ সংগতি দৰ্শাই বুজাই লিখা।**

(ক) 'অগ্নি, সৰ্প আৰু প্ৰলোভন, এই তিনি একেধৰণেৰে বিযাক্ত।'

(খ) 'বাৰীৰ ভিতৰৰ পুখুৰী সিচোঁতেও আঠোটা-দহোটা মানুহক শিঙিয়ে বিন্ধে।'

(গ) 'সেয়ে শৰাইঘাট নাই, কিন্তু শৰাইঘাট আছে।'

(ঘ) 'আফুগুটি পঠিয়াইছা পটাত পিহিলে পানী হ'ব।'

(ঙ) 'এই সমস্যাবোৰৰ ভালৰূপে সমাধান নহ'লে অসমৰ অস্তিত্ব লৈ টনাটনি হ'ব।'

## খ— ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)

জানো আহা

- এনে **ধৰণৰ** সমস্যা চিৰকাল অসমৰ গাত লম্ভি আছে আৰু লম্ভি থাকিব আৰু এক **শ্ৰেণীৰ** সমস্যা সমাধান হ'লে আন **শ্ৰেণীৰ** সমস্যাই মুৰ দাঙি উঠিব।
- ......... দেশৰ মঙ্গলৰ কাৰ্যত **সম্পূৰ্ণ** আত্মবিলোপ ..........
- সুবিবেচনাৰে কাৰ্যপন্থা **নিৰূপণ** আৰু ক্ষিপ্ৰতাৰে কাৰ্যপন্থা **গ্ৰহণ** আৰু সম্পাদন, এই দুইৰ সমাৱেশ শৰাইঘাট **ৰণত** অসমীয়াৰ **কাৰণে** আৱশ্যক আছিল।

ওপৰৰ বাক্য তিনিটাত থকা ডাঙৰ হৰফৰ পদকেইটাত **ণ (মূৰ্দ্ধন্য)** আছে। এই পদকেইটাৰ বানান বা আখৰ জোঁটনি (বৰ্ণবিন্যাস) কৰিলে দেখা যায় যে এই **ণ**-বোৰৰ আগত **ৰ**-বৰ্ণ আছে। অৱশ্যে **ধৰণ, ৰণ** আৰু **কাৰণ** এই শব্দকেইটাত **ৰ**-টো একেবাৰে ওচৰত নিজ ৰূপত আছে। **সম্পূৰ্ণ** শব্দটোত **ৰ**-টো '৺' **(ৰেফ)** আকাৰত ণ-অৰ লগত যুক্ত হৈছে আৰু **শ্ৰেণী** শব্দত '্ৰ' (ৰকাৰ) ৰূপে আছে।

তলৰ বাক্যত ব্যৱহাৰ হোৱা **ভীষণ** আৰু **বিশ্লেষণ** পদ দুটাৰ **ণ**-ৰ আগত **ষ** আছে।

লাচিতৰ তেতিয়া **ভীষণ** জ্বৰ।

এই উক্তিয়ে হৈছে লাচিত বৰফুকনে কৰা জাতীয়তাবাদৰ সুন্দৰ **বিশ্লেষণ**।

**ঋণ, তৃণ** আদি শব্দৰ ণ-ৰ আগত **ঋ** বা ৃ -কাৰ আছে।

ইয়াৰ পৰা আমি ক'ব পাৰোঁ যে - **ঋ, ৰ** আৰু **ষ**- ৰ পাছত থকা ন-বোৰ **মূৰ্দ্ধন্য ণ** হয়। কিন্তু **নিৰূপণ, গ্ৰহণ, কৃপণ, ৰাৱণ, নাৰায়ণ, বৰযুণ** আদি শব্দৰ **ন মূৰ্দ্ধন্য ণ** তলৰ নিয়ম অনুসৰি হয়— **ঋ, ৰ, ষ** আৰু **ন**ৰ মাজত কোনো স্বৰবৰ্ণ বা **ক** আৰু **প** বৰ্গৰ কোনো বৰ্ণ বা **য, ৱ, হ** বা **অনুস্বাৰ** (ং) থাকিলেও **ন মূৰ্দ্ধন্য** হয়।

পিছে এই নিয়ম কেৱল সংস্কৃতমূলীয় শব্দৰ ক্ষেত্ৰতহে খাটে, অসমীয়া শব্দত নহয়। যেনে- **ৰইনা, বৰিয়নি, গেৰেকনি, বৰীয়ানী**

আকৌ, এটা শব্দৰ শেষত **ৰ** আৰু দ্বিতীয় শব্দৰ আদিত **ন** থাকি দুয়োটা শব্দ লগ লাগিলেও **ণ-মূৰ্দ্ধন্য** নহয়। যেনে-

**নৰ + নাথ ⇒ নৰনাথ, হৰি + নাথ ⇒ হৰিনাথ, হৰি + নাৰায়ণ ⇒ হৰিনাৰায়ণ,**
**নৰ + নাৰায়ণ ⇒ নৰনাৰায়ণ, ত্ৰি + নয়ন ⇒ ত্ৰিনয়ন, হৰি + নাম ⇒ হৰিনাম,**
**সৰ্ব + নাম ⇒ সৰ্বনাম** ইত্যাদি।

অসমীয়া স্ত্ৰী প্ৰত্যয়ৰ **নী**-ৰ **ন মূৰ্দ্ধন্য-ণ** নহয়। যেনে- **বৰানী, বৰুৱানী,কমাৰনী, কুমাৰনী, গৰাকিনী** ইত্যাদি।

৭। তলত দিয়া শব্দবোৰৰ বৰ্ণ বিন্যাস কৰা আৰু কাৰণ দৰ্শোৱা।

(ক) কিয় **মূৰ্দ্ধন্য ণ** হৈছে

(খ) কিয় **মূৰ্দ্ধন্য ণ** নহ'ল

**পৰিণাম, পৰিধান, পৰিমাণ, প্ৰণাম, প্ৰাৰ্থনা, বিশেষণ, কৃপণ, নিৰ্ণয়, পাষাণ, শ্ৰৱণ, তৰানি, নৰানি, ফেৰেঙনি, ৰামায়ণ।**

৮। তলৰ শব্দবোৰ উদাহৰণত দেখুওৱাৰ দৰে সন্ধি ভাঙি কি সন্ধি হ'ব নাম লিখা।

| | | | | |
|---|---|---|---|---|
| পৰীক্ষা | উজ্জ্বল | নিশ্চয় | দেৱালয় | শিৰশ্ছেদ |
| দৈনিক | মুনীন্দ্ৰ | সঞ্চয় | হিমালয় | জগন্নাথ |
| নৰেন্দ্ৰ | ইত্যাদি | উদ্ধাৰ | বিদ্যালয় | উচ্ছৃংখল |
| উল্লেখ | প্ৰত্যেক | সম্ৰাট | ষড়ানন | আশাতীত |
| সংযম | নয়ন | উন্নতি | সতীশ | যথোচিত |
| মহাৰ্ঘ | মহাত্মা | দুনীতি | দুশ্চিন্তা | ৰামায়ণ |

| সন্ধি ভাঙা | স্বৰসন্ধি | ব্যঞ্জনসন্ধি | বিসৰ্গসন্ধি |
|---|---|---|---|
| উদাহৰণঃ পৰি + ঈক্ষা | পৰীক্ষা | | |
| উৎ + জ্বল | — | উজ্জ্বল | — |
| নিঃ + চয় | — | — | নিশ্চয় |
| — | — | — | — |
| — | — | — | — |
| দিন + ষ্ণিক | — | — | — |
| — | — | — | — |
| — | — | — | — |
| — | — | — | — |
| — | — | — | — |
| — | — | — | — |
| — | — | — | — |

☞ ইতিমধ্যে আগৰ পাঠ্যপুথিত ছাত্ৰ-ছাত্ৰীয়ে বিশদভাৱে সন্ধি পঢ়ি আহিছে। সন্ধিৰ বিষয়ে পুনৰ আলোচনা কৰি মূল্যায়ন কৰিব।

☞ *নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

**৯। তলত দিয়া বিশেষ্য পদবোৰৰ বিশেষণ ৰূপটো পাঠত আছে। বিচাৰি উলিয়াই লিখা।**

| | **বিশেষ্য** | | **বিশেষণ** | **বিশেষ্য** | | **বিশেষণ** |
|---|---|---|---|---|---|---|
| যেনে - | যুগ | — | যুগমীয়া | ইতিহাস | — | ঐতিহাসিক |
| | অসম | — | | সমৰ | — | |
| | মাতাল | — | | অৰ্থনীতি | — | |
| | যোগান | — | | ৰাজনীতি | — | |
| | শৰাইঘাট | — | | সমাজ | — | |

(ক) বিশেষ্যৰ পৰা বিশেষণলৈ নিয়া।

| | **বিশেষ্য** | | **বিশেষণ** | **বিশেষ্য** | | **বিশেষণ** |
|---|---|---|---|---|---|---|
| যেনে - | গাঁও | — | গাঁৱলীয়া | ঘৰ | — | ঘৰুৱা |
| | নগৰ | — | | ৰণ | — | |
| | চহৰ | — | | বন | — | |
| | পাহাৰ | — | | খক | — | |
| | মিছা | — | | পাম | — | |

(খ) বিশেষণৰ পৰা বিশেষ্যলৈ নিয়া।

| | **বিশেষণ** | | **বিশেষ্য** | **বিশেষণ** | | **বিশেষ্য** |
|---|---|---|---|---|---|---|
| যেনে - | সৰল | — | সৰলতা | দুষ্ট | — | দুষ্টালি |
| | নম্ৰ | — | | টেঙৰ | — | |
| | ভদ্ৰ | — | | ধূৰ্ত | — | |
| | সত্য | — | | ধিতিঙা | — | |
| | মিত্ৰ | — | | ভাল | — | |

## গ—জ্ঞান সম্প্ৰসাৰণ

**১০। তলত উল্লেখ কৰা সমস্যাৰাজি 'যুগমীয়া শৰাইঘাট' পাঠটোৰ সহায়ত চমুকৈ লিখা।**

(ক) ৰাজনৈতিক, (খ) সামাজিক, (গ) অৰ্থনৈতিক, (ঘ) ঐতিহাসিক, (ঙ) প্ৰাকৃতিক

**১১। পাঠত উল্লেখ থকা বা নথকা অসমৰ দুৰ্যোগবোৰ প্ৰাকৃতিক আৰু কৃত্ৰিম— এই দুটা ভাগত বিভক্ত কৰা। লগতে সেইবোৰৰ কাৰণ উল্লেখ কৰি সমাধানৰ পৰামৰ্শ আগবঢ়োৱা।**

*☞ নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

১২। জাতীয় বীৰ লাচিতৰ স্মৃতি ৰক্ষাৰ্থে চৰকাৰী আৰু বেচৰকাৰীভাৱে কি কি ব্যৱস্থা গ্ৰহণ কৰা হৈছে লিখা। (স্মৃতি চিহ্ন, দিৱস উদ্‌যাপন, বঁটা প্ৰবৰ্তন, ডাক-টিকট প্ৰচলন আদি।)

১৩। শৰাইঘাট দলঙৰ উত্তৰ পাৰ আৰু দক্ষিণ পাৰত দুজন বীৰৰ প্ৰতিমূৰ্তি আছে। সেই বীৰ দুজন কোন কোন? তেওঁলোকৰ বীৰত্বৰ কাহিনী লিখা।

১৪। 'বীৰ লাচিত' আৰু 'বীৰ চিলাৰায়'ক লৈ ৰচনা কৰা নাট সংগ্ৰহ কৰি অভিনয় কৰিবলৈ যত্ন কৰা।

১৫। চমু উত্তৰ দিয়া।

(ক) 'চিলাৰায় দিৱস' কি তাৰিখে পালন কৰা হয়?

(খ) 'লাচিত দিৱস' কি তাৰিখে পালন কৰা হয়?

(গ) 'চুকাফা দিৱস' (অসম দিৱস) কেতিয়া পালন কৰা হয়?



১৬। ৰচনা লিখা।

(ক) অসমৰ প্ৰাকৃতিক দুৰ্যোগ।

(খ) শৰাইঘাটৰ যুদ্ধ।

১৭। চমুটোকা লিখা।

(ক) স্বৰ্গদেউ চক্ৰধ্বজ সিংহ

(খ) লাচিত বৰফুকন

(গ) ৰাম সিংহ

## ঘ — প্ৰকল্প

১৮। দেশপ্ৰেমমূলক গীত এটি সংগ্ৰহ কৰি গীতটোৰ বিষয়ে চমুকৈ লিখা।

১৯। বীৰ লাচিতৰ বিষয়ে পঢ়াৰ পাছত স্বদেশৰ প্ৰতি তুমি কেনেধৰণে দায়িত্ব পালন কৰিবা সেই বিষয়ে লিখা।

২০। ভাৰতৰ স্বাধীনতা যুঁজাৰুসকলৰ নামৰ এখন তালিকা প্ৰস্তুত কৰা।

☞ *'বীৰ লাচিত' আৰু 'বীৰ চিলাৰায়'ক লৈ ৰচনা কৰা নাটসমূহৰ অভিনয় কাৰ্য আৰু টোকাসমূহ লিখাত সহায় কৰিব।*

# পাঠ ২

## পাঠটোৰ পৰা আহৰণ কৰিবলগীয়া অৰ্হতা

- বুৰঞ্জীমূলক পাঠ পঢ়াৰ প্ৰতি আগ্ৰহী হোৱা
- পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা আৰু বিষয়বস্তুৰ জ্ঞান আহৰণ কৰা
- ব্যাখ্যা কৰিব পৰা
- ণত্ব বিধিৰ নিয়ম জনা আৰু শব্দত প্ৰয়োগ কৰিব পৰা
- স্বৰসন্ধি , ব্যঞ্জনসন্ধি আৰু বিসৰ্গসন্ধি ভাঙিব আৰু জোৰা লগাব পৰা
- বিশেষ্য পদৰ পৰা হোৱা বিশেষণৰ ৰূপ জনা
- বিশেষণ পদক বিশেষ্য পদলৈ নিব পৰা আৰু বিশেষ্য পদক বিশেষণ পদলৈ নিব পৰা
- অসমৰ প্ৰাকৃতিক, ৰাজনৈতিক, অৰ্থনৈতিক আদি সমস্যাৰ বিষয়ে জনা
- লাচিতৰ সাহস আৰু বীৰত্বপূৰ্ণ গুণৰ দ্বাৰা অনুপ্ৰাণিত হোৱা
- জাতীয় বীৰসকলক জনা আৰু প্ৰতিমূৰ্তি চিনি পোৱা
- ৰচনা লিখিব পৰা
- চমুটোকা লিখিব পৰা
- দেশপ্ৰেমমূলক কবিতা সংগ্ৰহ কৰি পঢ়িব পৰা, লিখিব পৰা
- স্বদেশৰ প্ৰতি থকা দায়িত্ব পালন কৰিব পৰা
- বিপদৰ পৰা নিজৰ দেশক ৰক্ষা কৰাৰ উপায় সম্বন্ধে জনা

## শিকাৰুৰ পাঠভিত্তিক অৰ্হতাৰ মূল্যায়ন

| | | | | | | |
|---|---|---|---|---|---|---|
| **বুৰঞ্জীমূলক পাঠ** | শুদ্ধ উচ্চাৰণেৰে পাঠটো পঢ়িব পৰা | বিষয়বস্তুৰ জ্ঞান আহৰণ কৰি পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা | | কঠিন শব্দৰ অৰ্থ ক'ব পৰা | ব্যাখ্যা কৰিব পৰা | |
| | | | | | | |
| **ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)** | বৰ্ণ বিন্যাস কৰিব পৰা আৰু ন মূৰ্দ্ধন্য ণ হোৱাৰ কাৰণ দৰ্শাব পৰা | সন্ধি ভাঙিব আৰু গঠন কৰিব পৰা | বিশেষ্য আৰু বিশেষণৰ ৰূপ পাঠৰ পৰা বিচাৰি উলিয়াই লিখিব পৰা | বিশেষ্যৰ পৰা বিশেষণলৈ আৰু বিশেষণৰ পৰা বিশেষ্যলৈ পদ পৰিবৰ্তন কৰিব পৰা | | |
| | | | | | | |
| **জ্ঞান সম্প্ৰসাৰণ** | পাঠৰ আলমত অসমৰ দুৰ্যোগসমূহক প্ৰাকৃতিক আৰু কৃত্ৰিম হিচাপে ভাগ কৰি উলিয়াব পৰা | লাচিতৰ স্মৃতি ৰক্ষাৰ্থে চৰকাৰী আৰু বেচৰকাৰীভাৱে গ্ৰহণ কৰা ব্যৱস্থা সম্পৰ্কে ক'ব পৰা | লাচিত আৰু বীৰ চিলাৰায়ৰ প্ৰতিমূৰ্তি চিনিব পৰা | বিষয় বস্তুৰ জ্ঞান আহৰণ কৰি ৰচনা লিখিব পৰা | লাচিত বৰফুকন, ৰাম সিংহ আৰু স্বৰ্গদেউ চক্ৰধ্বজ সিংহৰ বিষয়ে জানি লিখিব পৰা | |
| | | | | | | |
| **প্ৰকল্প** | দেশপ্ৰেমমূলক গীত সংগ্ৰহ কৰি গাব আৰু লিখিব পৰা | পাঠটো পঢ়ি দেশৰ দায়িত্বৰ প্ৰতি সজাগ হোৱা | ভাৰতৰ স্বাধীনতা যুঁজাৰুসকলৰ নাম জনা | | ভাৰতৰ স্বাধীনতা যুঁজাৰুসকলৰ নাম লিখিব পৰা | |
| | | | | | | |

☞ *অৰ্হতা আয়ত্ত হ'লে ওপৰৰ তালিকাখনৰ তলৰ খালী ঘৰত ✓ চিন দিব আৰু নহ'লে × চিন দিব। অৰ্হতা আয়ত্ত নোহোৱা শিকাৰুক অতিৰিক্তভাৱে শিকাই পুনৰ মূল্যায়ন কৰিব।*

পাঠ ৩

# এন্ ফ্ৰাঙ্কৰ ডায়েৰি

X9A7D9

*ডায়েৰি বা দিনলেখাৰ গুৰুত্ব সম্পৰ্কে আমি তলৰ শ্ৰেণীত পঢ়িছোঁ। এই দিনলেখা লিখাৰ অভ্যাসে ব্যক্তিমনৰ উৎকৰ্ষ সাধনত সহায় কৰে। সাৰ্থক দিনলেখাত একোটা দিনৰ বিশেষ কাৰ্যসমূহৰ সংক্ষিপ্ত অথচ অৰ্থবহ বৰ্ণনা থাকে। দিনলেখা ব্যক্তি মানসৰ সৃষ্টি হ'লেও সামাজিক আৰু সাংস্কৃতিক ঘটনা প্ৰবাহৰ চিত্ৰও ইয়াত প্ৰতিফলিত হ'ব পাৰে। এই ধৰণৰ দিনলেখাত নানা দিশৰ ইতিহাস লিপিবদ্ধ হয়। পৃথিৱীৰ প্ৰথিতযশা ব্যক্তিসকলৰ অনেকেই দিনলেখাৰ জৰিয়তে নিজ নিজ উপলব্ধিৰ কথা লিখি থৈ গৈছে। এইবোৰ নিঃসন্দেহে উত্তৰ পুৰুষৰ বাবে অনুপ্ৰেৰণাৰ উৎস। অসমৰ প্ৰখ্যাত গল্পকাৰ আৰু সাৰ্থক চিত্ৰনিৰ্মাতা ড' ভবেন্দ্ৰনাথ শইকীয়াৰ দিনলেখাবোৰ 'প্ৰান্তিক'ৰ পাতত 'শেষপৃষ্ঠা' শিতানেৰে প্ৰকাশিত হৈছে। দিনলেখাত আনকি একোটা জাতিৰ ৰুচিবোধ, চিন্তন আৰু মননৰ বৰ্ণাঢ্য দিশ উন্মোচিত হ'ব পাৰে।*



এন্ ফ্ৰাঙ্কৰ ডায়েৰি এখন বিশ্ববিখ্যাত গ্ৰন্থ। ১৯২৯ চনৰ জুন মাহত জন্ম লাভ কৰা এই গ্ৰন্থৰ ৰচয়িতা এন্ ফ্ৰাঙ্কে মাত্ৰ তেৰ বছৰ বয়সতে দিনলেখা লিখি পৰৱৰ্তী জীৱনত খ্যাতি লাভ কৰে। এন্ ফ্ৰাঙ্কৰ চিন্তাৰ পৰিধি আছিল বিশাল। জন্মসূত্ৰে ইহুদী এই কিশোৰীগৰাকীৰ অতি চুটি জীৱনকালত লিখা দিনলেখা বিশ্ববিখ্যাত সাহিত্যলৈ ৰূপান্তৰিত হৈছে। দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত জাৰ্মান সেনাধ্যক্ষ এডলফ হিট্‌লাৰৰ নেতৃত্বত নাজীবাহিনীয়ে ইহুদীসকলৰ ওপৰত বৰ্বৰ অত্যাচাৰ কৰিছিল। লাখ লাখ ইহুদীক তেওঁ নিজে আৰু সেনাৰ হতুৱাই নৃশংসভাৱে হত্যা কৰিছিল। সেই সময়ত এন্ ফ্ৰাঙ্কৰ দেউতাক অট' ফ্ৰাঙ্কে পৰিয়ালসহ হলেণ্ডত বাস কৰিছিল। তেখেতে নাজীবাহিনীৰ পৰা নিজৰ লগতে পৰিয়ালটোক ৰক্ষা কৰিবলৈ দুবছৰকাল এটা পণ্যাগাৰত আত্মগোপন কৰি আছিল। যন্ত্ৰণাকাতৰ এই গোপন জীৱনৰ কৰুণ অভিজ্ঞতা তেৰ বছৰীয়া কিশোৰী এন্ ফ্ৰাঙ্কে প্ৰতিদিনে দিনলেখাৰ পাতত লিপিবদ্ধ কৰিছিল। নাজীবাহিনীৰ হাতত ধৰা পৰাৰ পাছত বন্দী অৱস্থাত অনাহাৰ, অনিদ্ৰা আৰু অস্বাস্থ্যকৰ পৰিবেশত মাক, বায়েক আৰু এনৰ মৃত্যু হৈছিল। একমাত্ৰ দেউতাকেই নাজীবাহিনীৰ কবলৰ পৰা জীৱিত ৰূপত বাচি আহিছিল। যুদ্ধ শাম কটাৰ পাছত তেখেতে জীয়েকৰ সেই দিনলেখাখন পৰিত্যক্ত অৱস্থাত উদ্ধাৰ কৰে আৰু সম্পাদনা কৰি পুথি আকাৰে প্ৰকাশ কৰে। এগৰাকী তেৰ বছৰীয়া কিশোৰীয়ে লিখা এই দিনলেখাখন বৰ্তমানে পৃথিৱীৰ বহুতো ভাষালৈ অনুবাদ কৰা হৈছে আৰু ই বিশ্ব সাহিত্যত অন্যতম শ্ৰেষ্ঠ স্থান দখল কৰিবলৈ সক্ষম হৈছে।

এন্ ফ্ৰাঙ্কে ১৯৪২ চনৰ ১২ জুনৰ পৰা ডায়েৰি লিখা কামটো আৰম্ভ কৰিছিল। আৰম্ভণিতে তেওঁ এই ডায়েৰি সম্পূৰ্ণ নিজৰ বাবেহে লিখিছিল। ১৯৪৪ চনৰে কোনোবা এদিন হলেণ্ড চৰকাৰৰ এজন বিষয়াই লণ্ডনৰ পৰা অনাতাঁৰযোগে ঘোষণা কৰিলে যে যুদ্ধ শাম কটাৰ পিছত তেওঁ জাৰ্মান অধিগৃহীত অঞ্চলত বাস কৰা যিসকল হলেণ্ডৰ লোকে যুদ্ধৰ সময়ত দুখ-যন্ত্ৰণা ভোগ কৰিছিল তেওঁলোকৰ সাক্ষ্য গ্ৰহণ কৰিব আৰু এইবোৰ জনসাধাৰণৰ বাবে প্ৰচাৰ কৰিব। তেওঁ বিশেষকৈ চিঠি-পত্ৰ আৰু ডায়েৰিৰ কথা উল্লেখ কৰিছিল।

বিষয়াজনৰ কথাত অনুপ্ৰাণিত হৈ এন্ ফ্ৰাঙ্কে সিদ্ধান্ত ল'লে যে যুদ্ধ শেষ হোৱাৰ পাছত তেওঁ তেওঁৰ ডায়েৰিখনৰ ভিত্তিত এখন পুথি প্ৰকাশ কৰিব। অনতিপলমে তেওঁ ইতিমধ্যে লিখা কথাবোৰ কিছু সম্পাদনা (সাল-সলনি) কৰি পুনৰ লিখি উলিয়ালে। এনেদৰে এন্ ফাঙ্কে ১৯৪৪ চনৰ ১ আগষ্টলৈকে ডায়েৰি লিখে আৰু ৪ আগষ্ট তাৰিখে এন্ আৰু তেওঁৰ পৰিয়ালৰ সদস্যসকলক লুকাই থকা স্থানৰ পৰাই নাজীবাহিনীৰ লোকে আটক কৰি নিয়ে।

তলত এন্ ফ্ৰাঙ্কৰ ডায়েৰিৰ পৰা এটা দিনৰ দিনলেখাৰ অনুবাদ কৰা কিছু অংশ নমুনা হিচাপে দিয়া হৈছে।

**শনিবাৰ, ২০ জুন, ১৯৪২**

"মোৰ নিচিনা এজনী ছোৱালীৰ কাৰণে ডায়েৰি লেখাটো সঁচাকৈয়ে আশ্চৰ্যকৰ অভিজ্ঞতা।" এইকাৰণে নহয় যে মই আগতে একো লেখা নাই। কিন্তু এইবাবেই যে পাছলৈ এজনী তেৰ বছৰীয়া কিশোৰীৰ চিন্তা-ভাৱনাক লৈ কোনোবা আগ্ৰহী হ'ব পাৰে। কোনো কথা নাই। মোৰ মন যায় লিখিবলৈ আৰু হৃদয়ত পুঞ্জীভূত হৈ থকা সকলো কথা উজাৰি প্ৰকাশ কৰাটোহে গুৰুত্বপূৰ্ণ।

"মানুহতকৈ কাগজৰ ধৈৰ্য বেছি।" প্ৰচলিত এই প্ৰবাদফাকি মই সেইদিনা বৰকৈ উপলব্ধি কৰিছিলোঁ যিদিনা মোৰ কৰিবলৈ একো কাম নথকাৰ বাবে হতাশাত ভুগিছিলোঁ আৰু হাতৰ তলুৱাত থুতৰিটো থৈ ভাবিছিলোঁ— ঘৰতে থাকোঁ নে বাহিৰলৈ যাওঁ। অৱশেষত মই য'তে আছিলোঁ তাতে বহি থাকিলোঁ। হয়, 'মানুহতকৈ কাগজৰ ধৈৰ্য বেছি' আৰু মই যেতিয়ালৈকে এগৰাকী প্ৰকৃত বন্ধু নাপাওঁ তেতিয়ালৈকে এই টোকা বহীখন, যাক মই 'ডায়েৰি' বুলি নামকৰণ কৰিছোঁ, কাকো পঢ়িবলৈ দিয়াৰ কথা ভবা নাই।

এতিয়া মই পুনৰ আচল কথাটোলৈ ঘূৰি আহোঁ কিয় মই ডায়েৰি লিখাৰ কথা ভাবিলোঁ। কাৰণ মোৰ কোনো বন্ধু নাই।

কথাষাৰ মই আৰু স্পষ্টকৈ ক'ব খুজিছোঁ, কাৰণ এজনী তেৰ বছৰীয়া ছোৱালী এই পৃথিৱীত অকলশৰীয়া বুলি কোনোৱে বিশ্বাস নকৰে আৰু মই অকলশৰীয়া নহয়ো। মোৰ মৰমিয়াল মা-দেউতা আৰু এজনী ষোল্ল বছৰীয়া বাইদেউ আছে আৰু প্ৰায় ত্ৰিশজনমান মানুহ আছে যাক মই বন্ধু বুলি ক'ব পাৰোঁ। মোক প্ৰশংসা কৰা এনে বহুত লোক আছে যিসকলে মোৰ পৰা চকু আঁতৰাবই নোৱাৰে আৰু

কেতিয়াবা শ্ৰেণীকোঠাত ভগা আইনাৰ টুকুৰাত মোৰ প্ৰতিবিম্ব পেলাই চাই থাকে। মৰমিয়াল খুড়া-খুড়ীৰ সৈতে মোৰ এটা পৰিয়াল আছে আৰু আছে এখন সুন্দৰ ঘৰ। বাহিৰৰ পৰা চালে এনে লাগে যেন মোৰ সকলো আছে। হয়, কিন্তু কেৱল এজন প্ৰকৃত বন্ধুহে নাই। মই বন্ধুৰ লগত যেতিয়া হাঁহি-ধেমালি কৰি সময় কটাওঁ, তেতিয়া মই এই কথাবোৰকে ভাবি থাকোঁ। মই তেওঁলোকৰ লগত গতানুগতিকভাৱে কথা-বতৰা পাতোঁ, কিন্তু অন্তৰ উজাৰি সকলো কথা আদান-প্ৰদান কৰিব নোৱাৰোঁ।



আমি ইজনে সিজনৰ বেছি ওচৰ চাপি যাব নোৱাৰোঁ আৰু সেইটোৱেই সমস্যা। বোধহয় এইটো মোৰেই দোষ যাৰবাবে আমি পৰস্পৰে পৰস্পৰৰ একেবাৰে কাষ চাপিব নোৱাৰোঁ। যিয়ে নহওক, সময়বোৰ এনেকৈয়ে চলি আছে আৰু দুৰ্ভাগ্যজনকভাৱে কোনো সলনি হোৱাৰ আশাও নাই। সেইবাবেই মই ডায়েৰি লিখিবলৈ আৰম্ভ কৰিছোঁ।

সাধাৰণতে বেছিভাগ লোকে কৰাৰ দৰে, মই মোৰ কল্পনাৰ বহু প্ৰত্যাশিত বন্ধুগৰাকীৰ ভাবমূৰ্তি বৃদ্ধিৰ কাৰণে এই দিনলেখাত একোৱেই নিলিখোঁ। এই ডায়েৰিখনক মই মোৰ প্ৰকৃত বন্ধু হিচাপে গণ্য কৰিবলৈ ইচ্ছা কৰোঁ আৰু সেইবাবেই মই বন্ধুৰ নাম ৰাখিলোঁ 'কিটি'।

১৯৪১ চনৰ গ্ৰীষ্মৰ সময়ত আইতা অসুখত পৰিল আৰু তেওঁৰ অস্ত্ৰোপচাৰ কৰিবলগীয়া হ'ল। সেইবাবে মোৰ জন্ম-দিন অনুষ্ঠুপীয়াকৈ পালন কৰিলোঁ। ইয়াৰ আগৰ ১৯৪০ চনৰ গ্ৰীষ্মৰ সময়তো মোৰ জন্ম-দিন ধুমধামেৰে পালন কৰা নহ'ল। কিয়নো, হলেণ্ডত তেতিয়া যুদ্ধ শাম কাটিছিলহে মাত্ৰ। ১৯৪২ চনৰ জানুৱাৰী মাহত আইতাৰ মৃত্যু হয়। মোৰ তেওঁলৈ প্ৰতি মুহূৰ্ততে কিমান যে মনত পৰি থাকে সেইকথা কোনেও নাজানে আৰু মই এতিয়াও তেওঁক খুব ভাল পাওঁ। ১৯৪২ চনৰ এই জন্ম-দিনটো বেচ আড়ম্বৰেৰে উদ্‌যাপন কৰিবলৈ থিৰাং কৰা হ'ল। জন্ম-

দিনৰ মমবাতিবোৰৰ লগতে আইতাৰ স্মৃতিত এডাল মমবাতি জ্বলোৱা হ'ল।

বৰ্তমান আমাৰ পৰিয়ালৰ চাৰিওজন সদস্য কুশলে আছোঁ; সেয়েহে এয়া, ১৯৪২ চনৰ ২০ জুন, তাৰিখৰ জন্ম-দিন আৰু আজিৰ জন্ম-দিনত মই ডায়েৰিখন শ্ৰদ্ধা সহকাৰে উৎসৰ্গা কৰিলোঁ।

এন্ ফ্ৰাঙ্কে একে তাৰিখতে কিছু কথা সন্নিৱিষ্ট কৰি পুনৰ ডায়েৰি লিখিছিল। এইবাৰ পিছে তেওঁ 'মৰমৰ কিটি' বুলি সম্বোধন কৰি লেখা আৰম্ভ কৰিছিল আৰু শেষত 'তোমাৰ, এন্' বুলি সমাপ্ত কৰিছিল। এনেদৰেই তেওঁ চুটি জীৱনকালত 'কিটি' নামৰ কাল্পনিক বন্ধুগৰাকীলৈ সম্বোধন কৰি ডায়েৰিৰ পাততে হিয়া উজাৰি মনৰ কথা প্ৰকাশ কৰি থৈ গৈছে।

**ক্ৰিয়া-কলাপ**

**ক — পাঠভিত্তিক ক্ৰিয়া**

**১। পাঠটো মনোযোগেৰে পঢ়া আৰু তলৰ প্ৰশ্নবিলাকৰ উত্তৰ লিখা।**

(ক) ● জন্মসূত্ৰে এন্ ফ্ৰাঙ্ক কোন সম্প্ৰদায়ৰ ছোৱালী আছিল?

● এন্ ফ্ৰাঙ্কৰ দেউতাকৰ নাম কি আছিল?

● নাজীবাহিনীৰ হাতৰ পৰা ৰক্ষা পাবলৈ তেওঁলোক ক'ত লুকাই আছিল?

● এন্ ফ্ৰাঙ্কে কেতিয়াৰ পৰা কেতিয়ালৈকে দিনলেখা লিখিছিল?

● দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত থকা জাৰ্মান সেনাধ্যক্ষজনৰ নাম কি? এই সেনাধ্যক্ষজনে ইহুদীসকলক কি কৰিছিল?

(খ) ● এন্ ফ্ৰাঙ্কে কিয় দিনলেখা লিখিবলৈ ইচ্ছা কৰিছিল?

● দিনলেখাসমূহ এন্ ফ্ৰাঙ্কে কিয় সম্পাদনা কৰিছিল?

● অট' ফ্ৰাঙ্কে পৰিয়ালসহ কিয় পণ্যাগাৰত আত্মগোপন কৰি আছিল?

(গ) 'মানুহতকৈ কাগজৰ ধৈৰ্য বেছি' বুলি এন্ ফ্ৰাঙ্কে উপলব্ধি কৰিছিল। কিয়? বুজাই লিখা।

(ঘ) এন্ ফ্ৰাঙ্কে নিজকে কিয় অকলশৰীয়া বুলি অনুভৱ কৰিছিল?

**২। তলৰ শব্দসমূহৰ অৰ্থ শব্দ-সম্ভাৰত চাই নিজৰ বহীত লিখা।**

| | | | | |
|---|---|---|---|---|
| গণ্য | বৰ্বৰ | অধিগৃহীত | আড়ম্বৰ | পুঞ্জীভূত |
| গতানুগতিক | পৰিত্যক্ত | থিৰাং | প্ৰত্যাশিত | শামকটা |
| অস্ত্ৰোপচাৰ | প্ৰবাদ | উৎসৰ্গা | ভাবমূৰ্তি | সন্নিৱিষ্ট |

৩। 'কিটি' কোন? এন্ ফ্ৰাঙ্কে কিটিক বন্ধু হিচাপে কিয় গণ্য কৰিছিল বুজাই লিখা।

৪। এন্ ফ্ৰাঙ্কৰ ডায়েৰিখন পুথি আকাৰে প্ৰকাশ হোৱাত কোনে আগভাগ লৈছিল? তেখেতে এই ডায়েৰিখন কিয় পুথি আকাৰে প্ৰকাশ কৰিছিল?

৫। এন্ ফ্ৰাঙ্ক আৰু আইতাকৰ সম্বন্ধ কেনে আছিল? আইতাকৰ স্মৃতিৰ বাবে তেওঁ কি কৰিছিল?

৬। পাঠটো পঢ়ি এন্ ফ্ৰাঙ্কৰ সেই সময়ত হোৱা মনৰ ভাবৰ বিষয়ে লিখা।

## খ — ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)

৭। পাঠটোত অধি, অনু, প্ৰতি — এইকেইটা উপসৰ্গ যোগ হৈ হোৱা শব্দকেইটা বিচাৰি লিখা।

৮। তলৰ শব্দবোৰৰ বিপৰীত অৰ্থ বুজোৱা শব্দবোৰ লিখা।

স্থায়ী প্ৰকাশ ভোগ স্মৃতি সমাপ্ত আড়ম্বৰ ভাগ্য ধৈৰ্য

৯। তলৰ শব্দবোৰৰ প্ৰতিশব্দ লিখা।

যন্ত্ৰণা [ ] কৰুণ [ ] কিশোৰী [ ] মৃত্যু [ ]

জানো আহা

'এন্ ফ্ৰাঙ্কে ১৯৪২ চনৰ ১২ জুনৰ পৰা ডায়েৰি লিখা কামটো আৰম্ভ কৰিছিল।'

এইটো এটা বাক্য। ওপৰৰ এই বাক্যটোত— এন্ ফ্ৰাঙ্কে — কৰ্তা

ডায়েৰি লিখা — কৰ্ম

আৰম্ভ কৰিছিল — ক্ৰিয়া

একাধিক পদ লগ লাগি সম্পূৰ্ণ অৰ্থ বুজালে সেই পদ সমষ্টিক বাক্য বোলে।

দুটা পদেৰেও একোটা চুটি বাক্য হ'ব পাৰে। কৰ্তা আৰু ক্ৰিয়াপদযুক্ত চুটি বাক্যও পূৰ্ণ বাক্য হয়।

- মানুহ মৰে।
- আমি ভাত খাওঁ।
- তুমি কাইলৈ ক'লৈ যাবা?

ওপৰৰ বাক্যবোৰত ক্ৰিয়াপদ ব্যক্ত হৈ আছে। সেয়েহে প্ৰত্যেকটোৱেই একোটা পূৰ্ণ বাক্য। এনেধৰণৰ পূৰ্ণ বাক্যক সৰল বাক্য বোলে।

☞ *নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

তলত উদাহৰণ হিচাপে দিয়া বাক্য দুটা চোৱা হওক—

**পুৰণিকালত এজন ৰজা আছিল।**

এই বাক্যটোত কৰ্তাপদ — এজন ৰজা

ক্ৰিয়াপদ — আছিল।

অৰ্থাৎ, কৰ্তা আৰু ক্ৰিয়াপদ এটাকৈ পোৱা গৈছে।

এতিয়া তলৰ বাক্যটো চোৱা হওক—

'ডাক্তৰখানাৰ চকীদাৰৰ হতুৱাই কমলাই গা-ধোৱা ঘৰত পানী থোৱালে, ধুতি-গামোচা দিয়ালে; কেনভাচৰ আৰামী চকীখন ভিতৰ চোতালত পাতিলে; বিচনীখন আৰু পানী সলাই গুৰগুৰিটো কাষত থ'লে, চাহৰ নিমিত্তে জুইৰ ওপৰত পানীৰ টেকেলীটো তুলি দিলে।'

এই গোটেই বাক্যটোত **থোৱালে, দিয়ালে, পাতিলে, থ'লে** আৰু **তুলি দিলে**— এই ক্ৰিয়াপদকেইটাৰ কৰ্তাপদ মাত্ৰ এটা, **'কমলাই'**। এইটো এটা সৰল বাক্য।

আকৌ কিছুমান সৰল বাক্যত কৰ্তাপদ কেইবাটাও থাকি ক্ৰিয়া মাথোন এটাই থাকে, এনে বাক্যও সৰল বাক্য।

সৰল বাক্যৰ উপৰি বাক্যৰ আৰু দুটা ভাগ আছে—**যৌগিক বাক্য** আৰু **জটিল ৰাক্য**।

'১৯৪১ চনৰ গ্ৰীষ্মৰ সময়ত আইতা অসুখত পৰিল **আৰু** তেওঁৰ অস্ত্ৰোপচাৰ কৰিবলগীয়া হ'ল।'

এই বাক্যটোত দুটা সৰল বাক্য যোগ হৈ এটা যৌগিক বাক্য হৈছে।

**দুটা বা ততোধিক পূৰ্ণবাক্য— আৰু, নাইবা, অথবা, কিন্তু, যদি, কাৰণে, অথচ, তেনেহ'লে আদি অব্যয় পদৰ দ্বাৰা সংযুক্ত হৈ এটা দীঘল বাক্যৰ সৃষ্টি হয়, তেনে বাক্যক যৌগিক বাক্য বোলে।**

'এই গ্ৰন্থৰ ৰচয়িতা এন্ ফাঙ্কে মাত্ৰ তেৰ বছৰ বয়সতে দিনলেখা লিখি পৰৱৰ্তী জীৱনত খ্যাতি লাভ কৰে।'

ওপৰৰ বাক্যটোত থকা **এই গ্ৰন্থৰ ৰচয়িতা এন্ ফাঙ্কে মাত্ৰ তেৰ বছৰ বয়সতে দিনলেখা লিখি-** এই অংশ অপ্ৰধান বাক্য আৰু **পৰৱৰ্তী জীৱনত খ্যাতি লাভ কৰে** - এই অংশ **প্ৰধান বাক্য**। সেয়েহে সি এটা **জটিল বাক্য**।

**যি বাক্যত এটা প্ৰধান ৰাক্যৰ উপৰি এটা বা ততোধিক অপ্ৰধান বাক্য লগ লাগি থাকে তাকেই জটিল ৰাক্য বোলে।**

**১০। তলৰ বাক্যবোৰ সৰল বাক্য, যৌগিক বাক্য আৰু জটিল বাক্য অনুসৰি শ্ৰেণীবিভাজন কৰা।**

- মই আহিলোঁ আৰু তেওঁ ঘৰলৈ গ'ল।
- ভাল ল'ৰা কাৰণেহে তেওঁ পুৰস্কাৰ পালে।
- বৰষুণ পৰিছে।
- মই সদায় ভাত খাই স্কুললৈ যাওঁ।
- একমাত্ৰ দেউতাকেই নাজীবাহিনীৰ কবলৰ পৰা জীৱিত ৰূপত বাচি আহিছিল।
- এন্ ফ্ৰাঙ্কে ১৯৪২ চনৰ ১২ জুনৰ পৰা ডায়েৰি লেখা কামটো আৰম্ভ কৰিছিল।
- এইবাৰ পিছে তেওঁ 'মৰমৰ কিটি' বুলি সম্বোধন কৰি লেখা আৰম্ভ কৰিছিল আৰু শেষত 'তোমাৰ, এন্' বুলি সমাপ্ত কৰিছিল।
- জন্ম-দিনৰ মমবাতিৰ লগতে আইতাৰ স্মৃতিত এডাল মমবাতি জ্বলোৱা হ'ল।

**জানো আহা**

পাঠটোত **'শ্ৰেষ্ঠ'** শব্দটো পাইছা। এই শব্দটো তুলনা কৰা অৰ্থত পাঠটোত ব্যৱহৃত হৈছে। অৰ্থাৎ, কিতাপখনৰ স্থান আন সকলোতকৈ ওপৰত বুজাইছে।

দুটাৰ ভিতৰত বা বহুতৰ মাজত তুলনা কৰিবলৈ সংস্কৃতত বিশেষণ পদৰ পাছত ক্ৰমান্বয়ে **'তৰ'** আৰু **'ঈয়স্', 'তম' আৰু 'ঈষ্ঠ'** প্ৰত্যয় যোগ কৰা হয়। অসমীয়াতো **'তৎসম'** ৰূপত সেইবোৰ শব্দ ব্যৱহাৰ হয়। যেনে- বৃহৎ— বৃহত্তৰ, বৃহত্তম্। গুৰু— গৰীয়স, গৰিষ্ঠ।

তদুপৰি অসমীয়াত তলত উল্লেখ কৰা পদ্ধতিৰে বিশেষণৰ তুলনা কৰা হয়।

- যাৰ লগত তুলনা কৰা হয় তাৰ পাছত সপ্তমী বিভক্তিৰ চিন— ত + কৈ যোগ কৰি; যেনে— হৰিতকৈ মধু সৰু।
- বিশেষণৰ আগত বেছি, নিচেই আদি তুলনাবাচক শব্দ যোগ কৰি প্ৰাণী বা বস্তু, 'অতি সৰহ' বা 'অতি তাকৰ' অৰ্থ বুজোৱা হয়। যেনে — ৰমেন পুতুলতকৈ বেছি বুধিয়ক। সভাখনত ৰাইজৰ উপস্থিতি নিচেই কম।
- বহুতৰ মাজত তুলনা কৰোঁতে 'মাজত', 'ভিতৰত' আদি শব্দ ব্যৱহাৰ কৰা হয়।
  যেনে— চতুৰ্থ শ্ৰেণীৰ ছোৱালীকেইজনীৰ ভিতৰত ৰীমা বেছি মেধাৱী।

**১১। তলৰ বাক্যবোৰ তুলনামূলক বাক্যলৈ পৰিৱৰ্তন কৰা (দুটা আৰু বহুতৰ মাজত)**

- সোণ উজ্জ্বল।
- মীনা মেধাৱী।
- অৰুণ ওখ।
- জোনবাই ঘূৰণীয়া।
- এই কিতাপখন ভাল।

**১২। বাক্য ৰচনা কৰা।**

| | | | | |
|---|---|---|---|---|
| অনতিপলমে | হাঁহি-ধেমালি | ৰূপান্তৰিত | আত্মগোপন | চিঠি-পত্ৰ |
| দুখ-যন্ত্ৰণা | পৰিত্যক্ত | বিশ্ববিখ্যাত | আদান-প্ৰদান | চিন্তা-ভাৱনা |

## গ — জ্ঞান সম্প্ৰসাৰণ

জানো আহা

**এডল্‌ফ হিট্‌লাৰ—** এডল্‌ফ হিট্‌লাৰ জাৰ্মানসকলৰ এজন উচ্চ আকাংক্ষী ৰাজনৈতিক নেতা আছিল। ইয়াৰ ফলত তেখেত হৈ পৰিছিল একনায়কত্ববাদী। নিজৰ মতৰ বাহিৰে আনৰ কথাক তিলমানো গুৰুত্ব নিদিয়া হিট্‌লাৰে প্ৰয়োজনবোধে আনক হত্যা কৰিবলৈ কুণ্ঠাবোধ নকৰিছিল। নিজৰ ৰাজনৈতিক আকাংক্ষাক বাস্তৱায়িত কৰিবলৈ তেখেতে ইহুদী হত্যাত নামি পৰিছিল। পৃথিৱীৰ ৰাজনৈতিক ইতিহাসত কুখ্যাত নেতাৰূপে তেখেতৰ নাম পৰিচিত হৈ থাকিব।

**নাজীবাহিনী—** নাজীবাহিনী হ'ল হিট্‌লাৰৰ উদ্যোগত গঠিত এক ৰাজনৈতিক দল। এই দলৰ মতাদৰ্শ আছিল বিপৰীত মতৰ মানুহক হত্যা কৰা আৰু নিজৰ অভিপ্ৰায় পূৰ কৰিবলৈ আনক দমন কৰা। নাজীবাহিনীৰ অত্যাচাৰত সমকালীন সমাজ অতিষ্ঠ হৈ পৰিছিল। সেয়ে, ইতিহাসত নাজীবাহিনী এক কলংকিত দল ৰূপে অভিহিত হৈ থাকিব।

১৩। এন্ ফ্ৰাঙ্কৰ ডায়েৰিখনে বিশ্ব সাহিত্যত অন্যতম শ্ৰেষ্ঠ স্থান দখল কৰিবলৈ সক্ষম হৈছে। এনে এগৰাকী কিশোৰীৰ বিষয়ে পঢ়ি তোমাৰো কিবা এটা কৰাৰ কথা নিশ্চয় মনলৈ আহিব। তুমিও এন্ ফ্ৰাঙ্কৰ দৰে তোমাৰ দৈনন্দিন কাম- কাজৰ খতিয়ান বিতংকৈ লিখিবা আৰু পাছদিনা কি কি কৰিবা সেই ডায়েৰিতেই লিপিবদ্ধ কৰি ৰাখিবা।

**১৪। দলত বহি নিজৰ অভিজ্ঞতা প্ৰকাশ কৰা আৰু লগৰীয়াৰ কথা শুনা।**

(ক) কোনো কামত বা পঢ়া-শুনাৰ ক্ষেত্ৰত বন্ধু-বান্ধৱীক সহায় কৰি

(খ) পেলনীয়া বস্তুৰে কামত অহাকৈ কোনো বস্তু সাজি আৰু তাক ব্যৱহাৰ কৰি

(গ) বাতৰি কাকতৰ শিশু-শিতানৰ ভাল লগা গল্প-সাধু পঢ়ি

(ঘ) সাহিত্য-চ'ৰাবোৰে অনুষ্ঠিত কৰা শিশু-প্ৰতিযোগিতাৰ বিভিন্ন শিতানত অংশগ্ৰহণ কৰি

(ঙ) ঘৰত অনুষ্ঠিত কোনো উৎসৱ-পাৰ্বণত অংশগ্ৰহণ কৰি

**১৫। 'এন্ ফ্ৰাঙ্কৰ ডায়েৰি' পাঠটোত মন, আটক শব্দ যুক্ত হৈ থকা তলৰ খণ্ড বাক্যবোৰ ব্যৱহাৰ কৰি বাক্য ৰচনা কৰা।**

- মন পা — (মন বুজ)
- মন বান্ধ — (মন দমা)
- মন পুতি লাগ — (মনোযোগ দি লাগ)
- মন মাৰ — (নিৰানন্দ হ)
- মন কৰ — (ইচ্ছা কৰ)
- আটক কৰ — (আবদ্ধ কৰ)
- আটক্-ধুনীয়া — (অসাধাৰণ ৰূপে ধুনীয়া)

**ঘ — প্ৰকল্প**

**১৬। এটা মাহৰ প্ৰতিটো দেওবাৰৰ দিনলেখা লিখি প্ৰত্যেকেই শ্ৰেণীকোঠাত পাঠ কৰা।**

**১৭। লক্ষ্মীনাথ বেজবৰুৱাৰ 'মোৰ জীৱন সোঁৱৰণ' আৰু গান্ধীজীৰ 'মোৰ সত্য অন্বেষণৰ কাহিনী' কিতাপ দুখন সংগ্ৰহ কৰি পঢ়ি তাৰ ভাললগা কথাবোৰ লিখি শ্ৰেণীত পাঠ কৰিবা।**

# পাঠ ৩

## পাঠটোৰ পৰা আহৰণ কৰিবলগীয়া অৰ্হতা

- পাঠটো পঢ়ি পাঠৰ বিষয়বস্তু বুজি পোৱা
- এন্ ফ্ৰাঙ্কৰ ডায়েৰিৰ জৰিয়তে ডায়েৰিত থকা ভাব বুজি পোৱা আৰু ডায়েৰিৰ মহত্ব উপলব্ধি কৰা
- ডায়েৰি এখনো যে বিশ্ববিখ্যাত গ্ৰন্থ হ'ব পাৰে সেই বিষয়ে জনা
- দ্বিতীয় বিশ্বযুদ্ধৰ আভাস পোৱা আৰু নাজীবাহিনীৰ অত্যাচাৰৰ কথা জনা
- বাক্যৰ প্ৰকাৰ সম্বন্ধে জনা
- সংস্কৃত 'তৰ' আৰু 'ঈয়স্', 'তম' আৰু 'ঈষ্ঠ' প্ৰত্যয়ৰ প্ৰয়োগ বুজি পোৱা।
- মহৎ লোকৰ ডায়েৰি পঢ়া আৰু নিজৰ নিজৰ ডায়েৰি লিখাৰ মানসিকতা স্বতঃস্ফূৰ্তভাৱে গঢ়ি উঠা
- খণ্ড বাক্যৰ অৰ্থ বুজি পোৱা আৰু বাক্য গঠন কৰিব পৰা

## শিকাৰুৰ পাঠভিত্তিক অৰ্হতাৰ মূল্যায়ন

| | | | | | | |
|---|---|---|---|---|---|---|
| **গদ্যপাঠ** | পাঠটো শুদ্ধকৈ পঢ়িব পৰা | পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা | শব্দৰ অৰ্থ ক'ব আৰু লিখিব পৰা | | | |
| | | | | | | |
| **ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)** | বাক্যৰ প্ৰকাৰৰ বিষয়ে জানি লিখিব পৰা | প্ৰকাৰ অনুসৰি বাক্যৰ শ্ৰেণী বিভাজন কৰিব পৰা | 'তৰ', 'ঈয়স্', 'তম' আৰু 'ঈষ্ঠ' প্ৰত্যয় প্ৰয়োগ কৰিব পৰা | বাক্য ৰচনা কৰিব পৰা | উপসৰ্গ যুক্ত শব্দ বাছি লিখিব পৰা | |
| | | | | | | |
| **জ্ঞান সম্প্ৰসাৰণ** | দৈনন্দিন কাম-কাজৰ খতিয়ান লিখিব পৰা | নিজে কোনো কাম কৰি পোৱা আনন্দ আনৰ আগত প্ৰকাশ কৰি ক'ব পৰা আৰু লিখিব পৰা | 'মন' আৰু 'আটক' শব্দযুক্ত খণ্ড বাক্যৰে বাক্য ৰচনা কৰিব পৰা | দ্বিতীয় বিশ্বযুদ্ধ আৰু নাজীবাহিনীৰ বিষয়ে ক'ব পৰা | | |
| | | | | | | |
| **প্ৰকল্প** | এটা মাহৰ প্ৰতি দেওবাৰৰ দিনলেখা লিখিব আৰু ক'ব পৰা | | | | | |
| | | | | | | |

☞ *অৰ্হতা আয়ত্ত হ'লে ওপৰৰ তালিকাখনৰ তলৰ খালী ঘৰত ✓ চিন দিব আৰু নহ'লে × চিন দিব। অৰ্হতা আয়ত্ত নোহোৱা শিকাৰুক অতিৰিক্তভাৱে শিকাই পুনৰ মূল্যায়ন কৰিব।*

Q3R6C6

পাঠ ৪

# জাগা জননীৰ সন্তান

*দেশ মাতৃৰ আহ্বানত দেশে দেশে যুগে যুগে সকলো শংকা আঁতৰাই সু-সন্তানসকল নিজ কৰ্তব্যৰ পথত আগবাঢ়ি গৈছে। স্বদেশ-স্বজাতিৰ উন্নতিৰ অভিযানত কৰ্মহীনতা অথবা কাপুৰুষতাৰ কোনো স্থান নাই। দেশৰ প্ৰতি থকা অপৰিসীম ভালপোৱাই মানুহক শক্তিশালী কৰি তোলে, জগাই তোলে অন্তৰৰ সাহসী সত্তাক। আপোন দেশক ৰক্ষা কৰিবলৈ, মাতৃৰ সন্মান অক্ষুণ্ণ ৰাখিবলৈ কোনো ক্ষেত্ৰতে নতি স্বীকাৰ নকৰা নৱ-জোৱানসকল দেশৰ ভৱিষ্যত সুৰক্ষাৰপ্ৰহৰী। তেওঁলোকৰ অৰ্থেই এয়া এক প্ৰেৰণাময় আহ্বান।*



জাগা জননীৰ সন্তান
জাগা শক্তিমান জাগ মুক্তপ্ৰাণ।
মৃত্যু গছকি আনা জয়জিনি
কৰি দুৰ্জ্জয় অভিযান।
কৰ্মহীনতা কাপুৰুষতাই
তোমাক কৰিলে জয়
তুমি দুৰ্ব্বল ম্ৰিয়মান
তথাপিও নাই ভয়
জাগা শক্তিমান জাগা মাতৃপ্ৰাণ।
শক্তিগায়ত্ৰী মনত পেলোৱা হবা দুৰ্নিবাৰ
তেতিয়া তোমাৰ জয় নিনাদত শত্ৰু কম্পমান।
অ' মোৰ আপোন পাহৰা দুৰ্ম্মদ বীৰ
অজেয় নৱ-জোৱান
জাগা শক্তিমান জাগা মাতৃপ্ৰাণ।।



**কবি—জ্যোতিপ্ৰসাদ আগৰৱালা**

*(উৎস- জ্যোতিপ্ৰসাদ ৰচনাৱলী, সম্পাদনা ড° হীৰেন গোহাঁই, পৃষ্ঠা- ৭১৩
প্ৰকাশক — অসম প্ৰকাশন পৰিষদ)*

জানো আহা

**জ্যোতিপ্ৰসাদ আগৰৱালা (১৯০৩ - ১৯৫১) —** জ্যোতিপ্ৰসাদ আগৰৱালাই প্ৰথম অসমীয়া বোলছবি 'জয়মতী' নিৰ্মাণ কৰিছিল। ১৪ বছৰ বয়সত তেখেতে ৰচনা কৰা নাট হ'ল- 'শোণিত কুঁৱৰী'। তেখেতে ৰচনা কৰা নাটসমূহৰ ভিতৰত কাৰেঙৰ লিগিৰী, ৰূপালীম্‌, নিমাতী কইনা, লভিতা আদি উল্লেখযোগ্য।

**ক্ৰিয়া-কলাপ**

## ক — পাঠভিত্তিক ক্ৰিয়া

**১। গীতটো সুৰ লগাই গোৱা।**

**২। গীতটো ভালদৰে পঢ়া আৰু বুজি লোৱা।**

**৩। উত্তৰ দিয়া।**

(ক) কবিয়ে কাক জাগি উঠিবলৈ কৈছে?

(খ) দুৰ্জ্জয় অভিযান বুলি কি বুজাইছে?

(গ) দুৰ্জ্জয় অভিযানেৰে কি কৰিবলৈ কৈছে?

(ঘ) জননীৰ সন্তানক কিহে দুৰ্বল কৰাৰ কথা কৈছে?

(ঙ) "তথাপিও নাই ভয়" বুলি কিয় কৈছে?

(চ) কাৰ জয় নিনাদত শত্ৰু কম্পমান বুলি উল্লেখ কৰিছে?

(ছ) আপোন পাহৰা বীৰক কি বুলি আখ্যা দিছে?

**৪। গীতটোৰ বুজি নোপোৱা শব্দবোৰৰ অৰ্থ শব্দ সম্ভাৰ আৰু অভিধান চাই জানি লোৱা।**

**৫। গীতটোৰ মূলভাৱ লিখা।**

## খ — ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)

**৬। বাক্য ৰচনা কৰা।**

শক্তিমান কাপুৰুষ নিনাদ অজেয় অভিযান।

জানো আহা

দুটা শব্দৰ প্ৰথমটো শব্দৰ শেষৰ বৰ্ণ আৰু দ্বিতীয়টো শব্দৰ প্ৰথম বৰ্ণৰ মিলনকে সন্ধি বোলে। অসমীয়া ভাষাত সংস্কৃত নিয়মৰ সন্ধি আৰু অসমীয়া নিয়মৰ সন্ধি আছে। সংস্কৃত নিয়মৰ সন্ধিক **স্বৰসন্ধি, ব্যঞ্জনসন্ধি** আৰু **বিসৰ্গসন্ধি—** এইকেইটা ভাগত ভগোৱা হয়।

**স্বৰসন্ধি**

| | | | | | | |
|---|---|---|---|---|---|---|
| (ক) অ + অ = আ, | নীল | + | অচল | = | নীলাচল |
| | চৰ | + | অচৰ | = | চৰাচৰ |

| | | | | | | |
|---|---|---|---|---|---|---|
| (খ) | অ + আ= আ, | দেৱ | + | আলয় | = | দেৱালয় |
| | | শোক | + | আকুল | = | শোকাকুল |
| (গ) | আ+ আ= আ, | মহা | + | আকাশ | = | মহাকাশ |
| | | বিদ্যা | + | আলয় | = | বিদ্যালয় |
| (ঘ) | আ+ অ = আ, | তথা | + | অপি | = | তথাপি |
| | | আশা | + | অতীত | = | আশাতীত |

**ব্যঞ্জনসন্ধি —** ব্যঞ্জনবৰ্ণৰ লগত ব্যঞ্জনবৰ্ণৰ বা ব্যঞ্জনবৰ্ণৰ লগত স্বৰবৰ্ণৰ যি সন্ধি হয়, তাক ব্যঞ্জনসন্ধি বোলে। অথবা স্বৰবৰ্ণৰ লগত ব্যঞ্জনবৰ্ণৰ মিলনকে ব্যঞ্জনসন্ধি বোলে।

উৎ + চাৰণ = উচ্চাৰণ　　সৎ + জন = সজ্জন
উৎ + ছন্ন = উচ্ছন্ন　　সৎ + আচাৰ = সদাচাৰ
উৎ + জ্বল = উজ্জ্বল　　বাক্ + ইন্দ্ৰিয় = বাগিন্দ্ৰিয়

**বিসৰ্গসন্ধি —** বিসৰ্গ আৰু স্বৰবৰ্ণ বা ব্যঞ্জনবৰ্ণৰ সংযোগত হোৱা সন্ধিক বিসৰ্গসন্ধি বোলে।

যেনে — মনঃ + ৰম = মনোৰম
নিঃ+চয় = নিশ্চয়

☞ *এনেদৰে অন্যান্য স্বৰবৰ্ণৰ সন্ধিবোৰ ছাত্ৰ-ছাত্ৰীক শিকাব।*

৭। **সন্ধি গঠন কৰা আৰু ভাঙা।**

দেৱ + অসুৰ = ☐　　মুৰ + অৰি = ☐
কুশ + আসন = ☐　　দশ + আনন = ☐
বিদ্যা + অলংকাৰ = ☐　　মহা + অৰ্ণৱ = ☐
মহৰ্ষি = ☐ + ☐　　উল্লেখ = ☐ + ☐
নৰেন্দ্ৰ = ☐ + ☐　　উজ্জ্বল = ☐ + ☐
মনোহৰ = ☐ + ☐　　নাৱিক = ☐ + ☐
মনোযোগ = ☐ + ☐　　দিগন্ত = ☐ + ☐

☞ *ইতিমধ্যে আগৰ শ্ৰেণীৰ পাঠ্যপুথিত সন্ধি সম্পৰ্কে কিছু আভাস পাইছে। সন্ধি সম্পৰ্কে ব্যাকৰণৰ কিতাপৰ পৰা ছাত্ৰ-ছাত্ৰীক বহুলভাৱে শিকাব।*

☞ ***নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী***

জানো আহা

বিশেষ্য আৰু বিশেষণ পদ কাক বোলে, এটা বিশেষ্য পদ বিশেষণ পদলৈ নিলে পদটোৰ কেনে ৰূপ হয় সেই বিষয়ে তোমালোকে ইতিমধ্যে পঢ়ি আহিছা। এতিয়া, অসমীয়া তদ্ধিত প্ৰত্যয়ৰ যোগত বিশেষ্য পদ কি পদ্ধতিৰে বিশেষণ পদলৈ পৰিৱৰ্তন হয় সেই বিষয়ে তলত কেইটামান উদাহৰণ দিয়া হ'ল —



১। (ক) প্ৰস্তুত কৰা অৰ্থত - **ঈ** প্ৰত্যয় যোগ কৰি —

কপাহ + ঈ = কপাহী

তাম + ঈ = তামী

(খ) আছে অৰ্থত - **ঈ** প্ৰত্যয় যোগ কৰি —

ধন + ঈ = ধনী

জ্ঞান + ঈ = জ্ঞানী

২। আছে বা গুণ থকা অৰ্থত - **ঈয়া** প্ৰত্যয় যোগ কৰি —

লোণ + ঈয়া = লুণীয়া

জোল + ঈয়া = জুলীয়া

আছে বা তাত বাস, এই অৰ্থত - **আল** প্ৰত্যয় যোগ কৰি —

খং + আল = খঙাল (আছে অৰ্থত)

নদী + আল = নদীয়াল (বাস কৰা অৰ্থত)

৩। জুৰি থকা অৰ্থত - **অনি** প্ৰত্যয় যোগ কৰি —

ধান + অনি = ধাননি

৪। ইয়াত সিঁচা হয়, এই অৰ্থত - **তলী** প্ৰত্যয় যোগ কৰি —

সৰিয়হ + তলী = সৰিয়হতলী

৫। আছে আৰু পাৰ্গত অৰ্থত কিছুমান শব্দৰ পাচত - **উৰা** প্ৰত্যয় যোগ কৰি —

ৰণ + উৰা = ৰণুৰা (ৰণত পাৰ্গত)

ধাৰ + উৰা = ধৰুৱা ( ধাৰ আছে অৰ্থত )

৬। উৎপত্তি বুজাবলৈ 'গাঁও' শব্দত -**অলীয়া** প্ৰত্যয় যোগ কৰি —

গাঁও + অলীয়া = গাঁৱলীয়া

৭। কৰে অৰ্থত 'খেতি' আদি শব্দত -**অক** প্ৰত্যয় যোগ কৰি —

খেতি + অক = খেতিয়ক

৮। আছে অৰ্থত কোনো কোনো শব্দত -**ইয়াল** প্ৰত্যয় যোগ কৰি —

মৰম + ইয়াল = মৰমিয়াল

*☞ অসমীয়া ব্যাকৰণৰ পুথিত এনে পদ পৰিৱৰ্তনৰ অনেক উদাহৰণ আছে। - উৱা প্ৰত্যয় যোগ হ'লে শব্দৰ শেষৰ বৰ্ণৰ আগৰ আ গুচি অ আৰু ও গুচি উ হয়; উদাহৰণ- ধাৰ-ধৰুৱা, লোণ-লুণীয়া ইত্যাদি। তেনেদৰে প্ৰত্যয় আৰু বিভক্তিৰ যোগত শব্দৰ শেষত থকা অনুস্বাৰ(ং) গুচি ঙ হয়; উদাহৰণ- খং-খঙাল, চিলং-চিলঙলৈ, দলং-দলঙেৰে ইত্যাদি। বানানৰ পৰিৱৰ্তন হোৱা দিশটোৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব আৰু ভালদৰে বুজাই দিব।*

**৯। বিপৰীত অৰ্থ বুজোৱা শব্দ লিখা।**

মৃত্যু ________ জয় ________ কাপুৰুষ ________

ভয় ________ শত্ৰু ________ দুৰ্বল ________

**১০। তলৰ শব্দৰবোৰৰ সমাৰ্থক শব্দ লিখা।**

উদাহৰণ - মৃত্যু — মৰণ, দেহত্যাগ, স্বৰ্গ-গমন, পৰলোক-গমন

জননী —

সন্তান —

বীৰ —

নিনাদ —

**১১। এটা শব্দত প্ৰকাশ কৰা।**

(ক) সাহস নথকা মানুহ —

(খ) জাকৈৰে মাছ ধৰা মানুহ —

(গ) যাৰ শক্তি আছে —

(ঘ) যাক জিনিব নোৱাৰি —

*☞ নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

১২। তলত দিয়া বিশেষ্য পদবোৰক বিশেষণলৈ পৰিবৰ্তন কৰা ।

মান দুৰ্বলতা দৰ্শন দুখ মানৱ

### গ — জ্ঞান সম্প্ৰসাৰণ

১৩। ভাব বহলাই লিখা।

সাঁতোৰ সাঁতোৰ, নিজ বাহুবলে,
সাঁতুৰিব নোৱাৰিলে যা ৰসাতলে।

১৪। জ্যোতিপ্ৰসাদ আগৰৱালাৰ এটি গীত সংগ্ৰহ কৰি গাবলৈ অভ্যাস কৰা।

১৫। জ্যোতিপ্ৰসাদ আগৰৱালাই ৰচনা কৰা নাটককেইখনৰ নাম লিখি তাৰে এখনৰ কাহিনীটো চমুকৈ লিখা।

### ঘ—প্ৰকল্প

১৬। কৰ্মহীনতাই মানুহক এলেহুৱা কৰে। গতিকে অনবৰতে আমি সক্ৰিয় হৈ থাকিবলৈ কিবা নহয় কিবা এটা কাম কৰি থাকিব লাগে। বিশেষকৈ আজৰি সময়ত নিজকে সক্ৰিয় কৰি ৰাখিবলৈ আমাৰ কামত অহা কিছুমান সৰু-সুৰা কাম কৰিব লাগে।

- তলত কিছুমান কাম উল্লেখ কৰা হ'ল। প্ৰত্যেকেই তলৰ কামবোৰৰ যিকোনো এটা বাছি লৈ নিজৰ মতে আজৰি সময়ত কৰি শিক্ষকৰ হাতত জমা দিবা।



  - ছবি অঁকা
  - ক'লাজ কৰা
  - গল্প, কবিতা লিখা
  - অপ্ৰয়োজনীয় কাপোৰেৰে দলিচা আদি তৈয়াৰ কৰা
  - পেলনীয়া কাগজেৰে ফুল আৰু মুখা আদি প্ৰস্তুত কৰা
  - বেজিৰে কাপোৰত ফুল তোলা।
  - কাগজৰ মোনা তৈয়াৰ কৰা।

☞ ছাত্ৰ-ছাত্ৰীক প্ৰকল্পৰ কামবোৰ কৰাত সহায় কৰিব আৰু শেষত সেই কামবোৰৰ প্ৰদৰ্শনী পাতিব।

## পাঠ ৪

### পাঠটোৰ পৰা আহৰণ কৰিবলগীয়া অৰ্হতা

- গীতটো সুৰ লগাই গাব পৰা
- গীতটো পঢ়ি বুজি পোৱা
- পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা
- কঠিন শব্দৰ অৰ্থ বুজি পোৱা
- গীতৰ মূলভাব বুজি লিখিব পৰা
- স্বৰসন্ধি, ব্যঞ্জনসন্ধি আৰু বিসৰ্গসন্ধিৰ বিষয়ে জনা
- সন্ধি ভঙা আৰু গঠন কৰিব পৰা
- প্ৰত্যয় প্ৰয়োগ কৰি বিশেষ্যৰ পৰা বিশেষণলৈ ৰূপ সলনি কৰিব পৰা পদ্ধতি সম্পৰ্কে জনা
- এটা শব্দত প্ৰকাশ কৰিব পৰা
- বিপৰীতাৰ্থক শব্দ, সমাৰ্থক শব্দৰ বিষয়ে জনা
- ভাব বহলাই লিখিব পৰা
- জ্যোতিপ্ৰসাদ আগৰৱালাই ৰচনা কৰা নাটকৰ নাম জনা আৰু কাহিনী লিখিব পৰা
- আজৰি সময়ৰ সদ্ব্যৱহাৰ কৰিব জনা

### শিকাৰুৰ পাঠভিত্তিক অৰ্হতাৰ মূল্যায়ন

| **গীত** | গীতটো সুৰ লগাই গাব পৰা | শুদ্ধকৈ পঢ়িব পৰা | পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা | শব্দৰ অৰ্থ ক'ব পৰা | গীতটোৰ মূলভাৱ লিখিব পৰা | বাক্য ৰচনা কৰিব পৰা |
|---|---|---|---|---|---|---|
| | | | | | | |
| **ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)** | অসমীয়া ভাষাত সংস্কৃত নিয়মৰ সন্ধি সম্বন্ধে জানিব পৰা | সন্ধি ভাঙিব আৰু গঠন কৰিব পৰা | বিশেষ্যৰ পৰা বিশেষণ কৰিলে পদটো কি পদ্ধতিৰে পৰিৱৰ্তন কৰা হয় সেই বিষয়ে জানি লিখিব পৰা | বিপৰীত অৰ্থ বুজোৱা শব্দ লিখিব পৰা | সমাৰ্থক শব্দ বুজি লিখিব পৰা | এটা শব্দত প্ৰকাশ কৰিব পৰা |
| | | | | | | |
| **জ্ঞান সম্প্ৰসাৰণ** | ভাব বহলাই লিখিব পৰা | জ্যোতিপ্ৰসাদ আগৰৱালাৰ গীত সংগ্ৰহ কৰি গাবলৈ চেষ্টা কৰা | জ্যোতিপ্ৰসাদ আগৰৱালাই ৰচনা কৰা নাটককেইখনমানৰ নাম লিখিব পৰা আৰু তাৰে এখনৰ কাহিনী চমুকৈ লিখিব পৰা | | | |
| | | | | | | |
| **প্ৰকল্প** | আজৰি সময়ত বিভিন্ন কামত অহা কাম কৰিব পৰা | | | | | |
| | | | | | | |

☞ *অৰ্হতা আয়ত্ত হ'লে ওপৰৰ তালিকাখনৰ তলৰ খালী ঘৰত ✓ চিন দিব আৰু নহ'লে × চিন দিব। অৰ্হতা আয়ত্ত নোহোৱা শিকাৰুক অতিৰিক্তভাৱে শিকাই পুনৰ মূল্যায়ন কৰিব।*

পাঠ ৫

# ভক্ত প্ৰহ্লাদ

J2K1G4

*ভাৰতীয় ভক্তি-সাহিত্যৰ ইতিহাসত প্ৰহ্লাদ এক উল্লেখযোগ্য নাম। নিজ পিতৃৰ কঠোৰ বাধা-নিষেধক যুক্তিৰে আওকাণ কৰি প্ৰহ্লাদে সৰ্বদা সত্য আৰু ন্যায়ৰ সপক্ষে থিয় দি পৰমজনাৰ মাহাত্ম্য শ্ৰৱণ-কীৰ্তন কৰিছিল। শাৰীৰিক বা মানসিক সকলো নিৰ্যাতন হেলাৰঙে মূৰ পাতি লোৱা প্ৰহ্লাদ হ'ল নিষ্ঠাৰ প্ৰতীক আৰু বিনয়ৰ প্ৰতিমূৰ্তি। শুদ্ধ আৰু চিৰন্তন সত্যৰ মূল্যবোধত বিশ্বাসী প্ৰহ্লাদে দেউতাকৰ অন্যায় আদেশ নম্ৰভাৱে প্ৰত্যাখান কৰি আত্মবিশ্বাসৰ পথত অগ্ৰসৰ হৈছিল। ভাৰতীয় ভক্তিধাৰাৰ ঐতিহ্যত এই কাহিনী হ'ল এক গৌৰৱময় সংযোজন।*

মুখ্য চৰিত্ৰসমূহ ঃ হৰি (ত্ৰিজগতৰ ত্ৰাণকৰ্তা, ভক্তবৃন্দৰ উপাস্য দেৱতা)
হিৰণ্যকশিপু (দৈত্যৰাজ, হৰিৰ চিৰবৈৰী)
প্ৰহ্লাদ (হিৰণ্যকশিপুৰ পুত্ৰ, ভগৱানৰ একান্ত ভক্ত)
ষণ্ডামৰ্ক (দৈত্য-গুৰু)
মহাৰাণী (হিৰণ্যকশিপুৰ পত্নী, দৈত্যৰাণী)

গৌণ চৰিত্ৰ ঃ প্ৰহ্লাদৰ জ্যেষ্ঠ ভ্ৰাতৃ, ৰাক্ষস 'ক' আৰু ৰাক্ষস 'খ' (দৈত্যৰাজৰ অনুগত ভৃত্যদ্বয়)

## ১ম দৃশ্য



*(দৈত্যৰাজ হিৰণ্যকশিপুৰ ৰাজমহলৰ সন্মুখৰ বিশাল উদ্যানৰ পূব প্ৰান্তত চালে চকুৰোৱা এটি পুখুৰী। পদুমফুলে শোভা বঢ়োৱা পুখুৰীত এজাক ৰাজহংস আপোনমনে চৰি আছে। বিয়লি বেলা। ৰাজপুত্ৰ প্ৰহ্লাদে তাৰেই পাৰত বহি আকাশ-পাতাল ভাবি থাকিব। তেওঁৰ পাছফালে আহি জ্যেষ্ঠভ্ৰাতৃ থিয় হ'বহি, প্ৰহ্লাদৰ কিন্তু কাণসাৰ নাই)*

জ্যেষ্ঠ ভ্ৰাতৃ ঃ কি ভাবত তন্ময় হৈ আছা প্ৰহ্লাদ? তোমাৰ কাষত আহি মই ৰৈছোঁহি, তুমি গমেই পোৱা নাইনে?


প্ৰহ্লাদ ঃ ক্ষমা কৰিবা ভ্ৰাতৃবৰ। মই এই সুন্দৰ প্ৰকৃতিৰ সৃষ্টিকৰ্তা হৰিৰ মহিমাৰ কথা চিন্তা কৰি আছিলোঁ।

জ্যেষ্ঠ ভ্ৰাতৃ ঃ কি কৈছা? হৰিৰ মহিমা? তুমি জানানে আমাৰ দৈত্য বংশৰ লোকে চিৰ বৈৰী হৰিৰ নাম উচ্চাৰণ কৰাটোও এক অপৰাধ?

প্ৰহ্লাদ ঃ সত্যক স্বীকাৰ কৰা কাৰ্য কেতিয়াও অপৰাধ হ'ব নোৱাৰে ভ্ৰাতৃবৰ। এই ত্ৰিভুবনৰ গৰাকী, ন্যায়ৰ প্ৰতিমূৰ্তি হৰিৰ মহিমা স্মৰণ কৰা কাৰ্যক কোনোপধ্যেই অনুচিত বুলিব নোৱাৰি।

জ্যেষ্ঠ ভ্ৰাতৃ ঃ মই ইয়াক উচিত বুলি অভিহিত কৰিব নোৱাৰোঁ। আমাৰ পিতৃ দৈত্যৰাজেহে এই সন্দৰ্ভত মতামত ব্যক্ত কৰিব পাৰিব।

প্ৰহ্লাদ ঃ পিতৃ পুৰুষক উপহাস কৰি কথা কোৱাৰ ধৃষ্টতা মোৰ বিন্দুমাত্ৰও নাই। কিন্তু পিতৃ প্ৰদৰ্শিত পথ যদি সঁচাকৈয়ে শুদ্ধ নহয়, তাক কিন্তু মুকলিকৈ কোৱাৰ সাহস মোক পৰমজনাই প্ৰদান কৰিছে।



**২য় দৃশ্য**

*(ৰাজমহলৰ জিৰণীকোঠাত দৈত্যৰাজ হিৰণ্যকশিপু বহি থাকিব। তেওঁৰ চকুৰে মুখে ক্ৰোধ আৰু বিৰক্তিৰ অভিব্যক্তি। কাষত ৰাণীয়ে স্বামীৰ ক্ৰোধান্বিত মুখমণ্ডললৈ লক্ষ্য কৰি থকা দেখা যাব)*

**হিৰণ্যকশিপু** ঃ এইবোৰ কি শুনিছোঁ মহাৰাণী? নাবালক প্ৰহ্লাদে হেনো আমাৰ চকুৰ কুটা দাঁতৰ শূল স্বৰূপ হৰিৰ ভজন-কীৰ্তন কৰি দৈত্যকুলত কলংক সানিছে?

**মহাৰাণী** ঃ এৰা...

*(হঠাৎ সেই স্থানত প্ৰহ্লাদৰ জ্যেষ্ঠভ্ৰাতৃৰ প্ৰৱেশ। প্ৰহ্লাদৰ বিৰুদ্ধে তেওঁৰ ক্ষোভিত কণ্ঠ)*

জ্যেষ্ঠ ভ্ৰাতৃ ঃ হে পিতা-মাতা, প্ৰহ্লাদক হৰিভক্তিৰ অধঃপতিত পথৰ পৰা সময় থাকোঁতেই ঘূৰাই আনক। নহ'লে এদিন সি হ'ব কুলৰ কলংক স্বৰূপ।

মহাৰাণী ঃ জ্বলা জুইত ঘিউ ঢালিব নালাগে। প্ৰহ্লাদৰ কুলবৈৰী অৱস্থানত আমি সকলোৱে চিন্তিত। পাৰিলে তোমাৰ পিতাৰাক এই বিষয়ে দিহা-পৰামৰ্শ দিয়া, যাতে আমি প্ৰহ্লাদক ঈপ্সিত পথলৈ ঘূৰাই আনিব পাৰোঁ!

হিৰণ্যকশিপু ঃ কুকৰ্ম কৰি বংশৰ দুৰ্নাম কৰোঁতা প্ৰহ্লাদে নাজানে নেকি যে মোৰ সহোদৰ হিৰণ্যাক্ষক বৰাহৰূপী বিষ্ণুৱে দাঁতেৰে খুঁচি হত্যা কৰিছে? হৰিৰ অন্যৰূপ বিষ্ণু, সেইজন কেৱল মোৰেই শত্ৰু নহয়, তেওঁ সমগ্ৰ দৈত্য বংশৰে চিৰশত্ৰু। এই কথা শয়নে-সপোনে মই পাহৰিব নোৱাৰোঁ।

মহাৰাণী ঃ মই কি কৰিম? হাজাৰ হওক প্ৰহ্লাদো মোৰেই পুত্ৰ। কোনে তাক সুমতি দিব? মই যে নিৰুপায়।

হিৰণ্যকশিপু ঃ মৰম কৰি কৰি তুমিয়েই তাৰ সৰ্বনাশ মাতি আনিছা। তদুপৰি , তুমি তাৰ হৰিভক্তিক মনে মনে সমৰ্থন কৰা। সেই কথা মই গম পাইছোঁ। এই কথাই কথা নহয়, প্ৰহ্লাদৰ বিৰুদ্ধে মই ল'ম কঠোৰ পদক্ষেপ।

## ৩য় দৃশ্য

*(ৰাজমহলৰ অধ্যয়ন কক্ষ। দৈত্যগুৰু ষণ্ডামৰ্কই প্ৰহ্লাদক অসুৰসকলৰ বামানয় শাস্ত্ৰজ্ঞান দিয়াৰ চেষ্টাত ব্যস্ত। বিনীত অথচ নিজ মতত অটল প্ৰহ্লাদৰ সমাহিত আৰু শান্ত বদন)*

ষণ্ডামৰ্ক ঃ চোৱা ৰাজকুমাৰ প্ৰহ্লাদ, তোমাৰ কণ্ঠত হৰিনামে শোভা নাপায়। তুমি হ'লা দৈত্যবংশৰ পুত্ৰ, দেৱতাৰ জয়গান গোৱাটো তোমাৰ বাবে উচিত হোৱা নাই। সেয়েহে আহা, বামানয় শাস্ত্ৰ পঢ়া, য'ত আছে দৈত্যবংশৰ পৰম্পৰাৰ শিকনীয় অনেক কথা।

প্ৰহ্লাদ ঃ নালাগে মহোদয়, মই বামানয় শাস্ত্ৰ নপঢ়োঁ। কাৰণ ই হৰিভক্তিৰ বিৰুদ্ধ। মই পৰমপিতাৰ শ্ৰীচৰণত শৰণ লৈছোঁ।

ষণ্ডামৰ্ক ঃ অবোধ বালক, উলুৰ লগত বগৰী পোৰাৰ দৰে তোমাৰ কৃতকৰ্মৰ হেতু আমি এতিয়া দৈত্যৰাজৰ শাস্তিৰ মুখামুখি হ'ব লাগিব। তথাকথিত হৰিভক্তিৰ মহিমা বৰ্ণনাৰ পৰা তুমি বিৰত থাকা। নহ'লে জানাই নহয়, তোমাৰ পিতৃ দৈত্যৰাজৰ ক্ৰোধাগ্নিয়ে সকলোকে ভস্ম কৰি পেলাব।

*(হঠাতে হিৰণ্যকশিপুৰ প্ৰৱেশ)*

হিৰণ্যকশিপু : কোনে কাক ভস্ম কৰে, ষণ্ডামৰ্ক? প্ৰহ্লাদে বাৰু বামানয় শাস্ত্ৰ অধ্যয়নৰ পিনে মতি-গতি দিছেনে?

ষণ্ডামৰ্ক : তাকেই কৈ আছোঁ দৈত্যৰাজ; প্ৰহ্লাদক বুজাইছোঁ অসাৰ হৰিভক্তিৰ কথা। কিন্তু আপোনাৰ পুত্ৰ নাচোৰবান্দা; কোনো কথাতেই কৰ্ণপাত নকৰে।

হিৰণ্যকশিপু : (ধুমুহাৰ গৰ্জন সদৃশ মাতেৰে) কি প্ৰহ্লাদ, এইবোৰ মই কি শুনিছোঁ? জানানে, চিৰবৈৰী হৰিৰ নাম শুনিলেও মোৰ গা বিছাই ডকা দি ডাকে? এই কাৰ্যৰ পৰা বিৰত থাকা।

প্ৰহ্লাদ : ক্ষমা কৰিব পিতৃদেৱ। আপুনি মোৰ পিতৃ, কিন্তু ত্ৰিজগতৰ পিতৃস্বৰূপ হৰিৰ মহিমাক কোনে অৱজ্ঞা কৰে? মাৰকেই বা কাটকেই, হৰিভক্তিৰ পৰা মোক বঞ্চিত কৰিব নোৱাৰে।

হিৰণ্যকশিপু : কি ক'লা? ইমানেই অবাধ্য তুমি। অনতিবিলম্বে যদি এই ভাব ত্যাগ নকৰা, তেন্তে ভীষণ পৰিস্থিতিৰ সন্মুখীন হ'ব লাগিব। (হিৰণ্যকশিপুৰ বেগেৰে প্ৰস্থান)

প্ৰহ্লাদ : হে ত্ৰিজগতৰ পতি, মোৰ পিতৃৰ এই অবাঞ্ছিত আচৰণৰ বাবে তেওঁক তুমি ক্ষমা কৰি দিয়া।

## ৪ৰ্থ দৃশ্য

*(ৰাজমহলৰ সুশোভিত মুকলি উদ্যানত হিৰণ্যকশিপু বহি থাকিব। সেই উদ্যানৰ একাষে শিলাময় এখনি পাহাৰ। পাহাৰখন থিয়। দৈত্যৰাজে থিয় পাহাৰখনৰ সুউচ্চ শৃংগটোলৈ চাই আকাশ-পাতাল ভাবি থাকিব। এই সময়তে দৈত্যগুৰু ষণ্ডামৰ্কৰ প্ৰৱেশ।)*

হিৰণ্যকশিপু : কোৱা ষণ্ডামৰ্ক, কি বাৰ্তা আনিছা!

ষণ্ডামৰ্ক : বাৰ্তানো কি আনিম দৈত্যৰাজ, আপোনাৰ মতিভ্ৰম পুত্ৰ প্ৰহ্লাদক লৈ আমি বাৰুকৈয়ে চিন্তিত। দিনে-ৰাতিয়ে তেওঁ কেৱল হৰিৰ গুণানুকীৰ্তন............।

হিৰণ্যকশিপু : প্ৰহ্লাদে ধৈৰ্য-ৰেখা অতিক্ৰম কৰাইছে ; আৰু সহ্য কৰা উচিত নহ'ব। ৰাণীক মাতি আনা।

মহাৰাণী : মোক মাতিব নালাগে, মই আহিছোঁৱেই। কওক মহাৰাজ, মই কি দৰে আপোনাৰ সেৱা কৰিব পাৰোঁ?

হিৰণ্যকশিপু : মোৰ বাবে কোনো সেৱা আগবঢ়োৱাৰ প্ৰয়োজন নাই। তোমাৰ পুত্ৰই মোৰ আশাত চেঁচা পানী ঢালি মোৰ আদেশক অমান্য কৰি হৰিভক্তিত নিমজ্জিত হৈছে। এইবাৰ প্ৰহ্লাদক মই কিন্তু ক্ষমা নকৰোঁ, কঠোৰতম শাস্তি বিহিম।

মহাৰাণী ঃ আপুনি ইমান বজ্ৰকঠোৰ হৈছে কিয়? সিতো আমাৰেই সন্তান।

হিৰণ্যকশিপু ঃ সেই বুলিয়েই তাক নিজ ইচ্ছামতে চলিবলৈ দিম? নহ'ব। তুমি মাতৃ, তুমি বুকুত শিল বান্ধি লোৱা। প্ৰহ্লাদৰ যৱনিকা অনিবাৰ্য। যণ্ডামৰ্ক, মোৰ আদেশ শুনা। চন্তৰী দুজনক এতিয়াই মাতা।

যণ্ডামৰ্ক ঃ যিবা আজ্ঞা দৈত্যৰাজ। (যণ্ডামৰ্কৰ প্ৰস্থান)

মহাৰাণী ঃ মহাৰাজ, কথা এটি কওঁ?

হিৰণ্যকশিপু ঃ কোৱা।

মহাৰাণী ঃ কথাতে কয়— খং নামে চণ্ডাল। আপুনি সকলো সময়তে খণ্ডত নাথাকিব। (চন্তৰীদ্বয়ৰ প্ৰৱেশ)।

চন্তৰী দ্বয় ঃ মহাৰাজৰ জয় হওক। আমাৰ বাবে কিবা আজ্ঞা মহাৰাজ?

হিৰণ্যকশিপু ঃ এৰা, তোমালোকে গম পাইছাই চাগৈ ৰাজকুমাৰ প্ৰহ্লাদৰ মতিচ্ছন্ন হৈছে। সকলো সময়তেই দৈত্যকুলৰ বৈৰী হৰিৰ গুণ-গৰিমা গোৱাত মত্ত হৈ থাকে। সেয়েহে মোৰ আদেশ, প্ৰহ্লাদক সৌ পাহাৰখনৰ আটাইতকৈ ওখ শৃংগটোলৈ নি তাৰ পৰা বগৰাই পেলাই দিয়া হওক। চাওঁ, ত্ৰাণকৰ্তা হৰিয়ে তেওঁক কেনেকৈ ৰক্ষা কৰে।

চন্তৰীদ্বয় ঃ যিবা আজ্ঞা মহাৰাজ। (চন্তৰীদ্বয়ৰ প্ৰস্থান)

মহাৰাণী ঃ (শংকিত কণ্ঠে) আপুনি এইবোৰ কি কৰিবলৈ আদেশ দিছে?

যণ্ডামৰ্ক ঃ মহাৰাণীয়ে ঠিকেই নিজৰ ভাব ব্যক্ত কৰিছে মহাৰাজ। এই নিৰ্মম আদেশ সম্পৰ্কে আপুনি এবাৰ ভাবি চাওক।

(চন্তৰী দুজনে প্ৰহ্লাদক ধৰি আনিব, কিন্তু নিৰ্বিকাৰ প্ৰহ্লাদ)

হিৰণ্যকশিপু ঃ প্ৰহ্লাদ, তুমি নিশ্চয়কৈ বুজিছা এতিয়া তোমাৰ কি দশা হ'ব। শেষবাৰলৈ সুযোগ দিছোঁ, নিজৰ মত পৰিবৰ্তন কৰা, নহ'লে সৌ পাহাৰৰ শিখৰৰ পৰা বগৰাই দিলে কি অৱস্থা হ'ব তাক মানি ল'বলৈ প্ৰস্তুত হোৱা।

প্ৰহ্লাদ ঃ মই প্ৰস্তুত পিতা, সকলো ধৰণৰ বিপদৰ পৰা পৰম পিতাই মোক ৰক্ষা কৰিব।

হিৰণ্যকশিপু ঃ কি? ইমানেই বিশ্বাস! হ'ব তেন্তে। হেৰা চন্তৰীসকল, শুনা। কেনেবাকৈ যদি পাহাৰৰ পৰা বগৰাই দিয়াৰ পাছতো প্ৰহ্লাদৰ একো নহয়, তেন্তে জ্বলা জুইত জাপি দিবলৈ কুণ্ঠিত নহ'বা। জুইত দলিয়াই দিয়াৰ আগতে দঁতাল হাতীৰ দ্বাৰা গছকাই ল'বা।

প্ৰহ্লাদ ঃ পিতৃদেৱ, আপোনাৰ এই ঘোষণা মই নতশিৰে মানি লৈছোঁ। মই জানো, দৈত্যৰাজ পিতৃ মোৰ, 'ৰাখে হৰি মাৰে কোনে।' মোক একান্ত ভক্তিৰ শক্তিয়েই সদায় ৰক্ষা কৰিব। কিন্তু হৰিৰ বিৰুদ্ধাচৰণ কৰিলে আপোনাৰ অমংগল অথবা বিনাশৰো সম্ভাৱনা আছে।

হিৰণ্যকশিপু ঃ (উত্তেজিত কণ্ঠে) কি ক'লা অজ-মূৰ্খ? মোৰ বিনাশ, হাঃ হাঃ হাঃ। বোধ কৰোঁ কাৰো জ্ঞাত নহয় যে মোক মানুহ অথবা জন্তুৱে বধ কৰিব নোৱাৰে। আনহাতে, মোৰ মৃত্যু দিনৰ ভাগতো নহয় বা ৰাতিও নহয়। সেয়েহে মই নিশ্চিত, সহজে নহয় মোৰ বিনাশ।

মহাৰাণী ঃ তথাপি মহাৰাজ, অতি গৰ্বও বিনাশৰ কাৰক হ'ব পাৰে।

## ৫ম দৃশ্য

*(ৰাজমহলৰ অভ্যাগত আদৰণী চ'ৰা। অস্তমান সূৰ্যৰ আলোকে দিনান্তৰ বহণ চৰাইছে। ৰাজমহলৰ বিশাল স্ফটিক স্তম্ভবোৰত সূৰ্যৰ শেষ ৰশ্মি পৰি দেখিবলৈ অতিকৈ শোভন হৈ পৰিছে। ৰাজ পৰিয়ালৰ প্ৰায় সকলো সদস্য তাত উপস্থিত। কোঠাৰ এটি চুকত নিৰুদ্বেগচিত্তে বহি আছে প্ৰহ্লাদ।)*

ষণ্ডামৰ্ক ঃ দৈত্যৰাজ, সকলো অত্যাচাৰ হেলাৰঙে গ্ৰহণ কৰি প্ৰহ্লাদে ভক্তি মাহাত্মাৰ গৰিমা প্ৰতিপন্ন কৰিছে। সম্ভাব্য মৃত্যুৰ পৰাও বাৰে বাৰে হাত সাৰিবলৈ সক্ষম হৈছে। এনে পৰিস্থিতিত আপোনাৰ পৰৱৰ্তী আদেশ কি মহাৰাজ?

হিৰণ্যকশিপু ঃ আদেশ আৰু কি হ'ব? প্ৰহ্লাদৰ হৰিৰ সৈতে মই সমুখ সমৰত লিপ্ত হ'ব বিচাৰোঁ। কোৱাচোন প্ৰহ্লাদ, ক'ত লগ পাম তোমাৰ প্ৰভুক? তেওঁৰ সৈতে ময়ো এবাৰ যুঁজি চাব বিচাৰোঁ।

প্ৰহ্লাদ ঃ প্ৰভুৰ বিষয়ে এনেধৰণৰ বাক্য নিক্ষেপ নকৰিব পিতৃদেৱ। তেখেত অকল মোৰেই প্ৰভু নহয়, সকলোৰে প্ৰভু। এই ধৰিত্ৰীৰ আকাশ, বতাহ, বায়ু, পানী সকলোতে পৰম পিতা হৰি সুপ্ত হৈ আছে। হৰি নোহোৱা ঠাই নায়েই। আপুনি মোক তিৰস্কাৰ কৰি থকাৰ এই মুহূৰ্ততো সৌ স্ফটিক স্তম্ভটোৰ মাজত থাকি তেখেতে মোলৈ চাই মিচিকিয়াই হাঁহি আছে। আপুনি দিব্যদৃষ্টিৰে লক্ষ্য কৰিলে নিজেও দেখিব।

হিৰণ্যকশিপু ঃ কি গছত গৰু উঠাৰ লেখীয়া কথা কৈছা? এই স্ফটিক স্তম্ভৰ মাজত তোমাৰ প্ৰভু হৰি লুকাই আছে? ভয়তে চাগে' থৰ-কাচুটি হেৰুৱাই তাৰ মাজত লুকাইছেহি! আজি তোমাৰ প্ৰভুৰ নিস্তাৰ নাই, কিবা এটা হ'বই। হেৰা চন্তৰী, মোৰ বিশাল গদাটো আনা, তাৰেই স্ফটিক স্তম্ভ ভাঙি হৰিক উলিয়াই আনি ভাতৃ হত্যাৰ প্ৰতিশোধ লওঁ! (চন্তৰীয়ে গদাটো আনি দিয়ে।)

*(এইবুলি তেওঁ সিংহাসনৰ পৰা নামি আহি হাতৰ গদাৰে স্ফটিক স্তম্ভটোত প্ৰথমে কোবালে, তাৰ পিছত প্ৰচণ্ড শক্তিৰে গোৰ মাৰি স্তম্ভটো ভাঙি পেলালে। চূৰ্ণীকৃত স্তম্ভৰ মাজৰ পৰা ওলাই আহিল আধা মানুহ আধা সিংহৰ আকৃতিৰ এটি ৰূপ— নৰসিংহ, যি বিষ্ণুৰ অন্য এক ৰূপ বা অৱতাৰ। আবিৰ্ভূত নৰসিংহৰ তৰ্জন-গৰ্জনত সকলো দৈত্য ভয়ত কম্পমান হৈ মূৰ্চ্ছাপ্ৰায় হ'ল। হিৰণ্যকশিপুক সামান্য এক পতংগৰ দৰে ধৰি নৰসিংহই নিজৰ উৰুত পেলাই তৈ নখেৰে বিদাৰি বধ কৰিলে। ৰাজমহলকে ধৰি উদ্যান আৰু কাষৰীয়া ঠাইসমূহ নৰসিংহৰ গৰ্জনত ভূমিকম্পত ধৰণী কঁপাৰ দৰে কঁপি উঠিল।)*



**প্ৰহ্লাদ** ঃ হৰিৰ বিৰুদ্ধাচৰণৰ এয়া অনিবাৰ্য পৰিণতি। অন্যায় আৰু অহংকাৰ কৰাৰ বাবে আজি আমাৰ পিতৃ দেৱতাৰ এই কৰুণ দশা হ'ল। হে হৰি, আমাৰ সকলোকে শুভ বুদ্ধি দি আপুনি আমাক ৰক্ষা কৰক। পিতৃৰ সকলো দোষ মাৰ্জনা কৰক।

*(এই বুলি প্ৰহ্লাদে নৰসিংহক কাকুতি কৰিলে। প্ৰহ্লাদৰ কাকুতিয়ে ক্ৰোধান্বিত নৰসিংহক শান্ত, সমাহিত কৰিলে। তেওঁ প্ৰহ্লাদক আশীৰ্বাদ দি তাৰ পৰা অন্তৰ্ধান হ'ল।)*

*(আঁৰ কাপোৰ পৰিব)*

**ক্রিয়া-কলাপ**

## ক — পাঠভিত্তিক ক্রিয়া

১। **উত্তৰ দিয়া।**

ক) 'ভক্ত প্ৰহ্লাদ' নাটিকাখনৰ মুখ্য চৰিত্ৰকেইটাৰ নাম লিখা।

খ) নাটিকাখনি কেইটা দৃশ্যত বিভক্ত?

গ) প্ৰহ্লাদৰ পিতৃৰ নাম কি?

ঘ) হিৰণ্যকশিপুৰ ভ্ৰাতৃৰ নাম কি আছিল?

ঙ) হৰিৰ প্ৰতি প্ৰহ্লাদৰ কেনেকুৱা ভক্তি আছিল?

চ) প্ৰহ্লাদক অসুৰৰ শাস্ত্ৰজ্ঞান দিবলৈ কাক নিযুক্তি দিয়া হৈছিল?

ছ) ত্ৰিজগতৰ পতি বুলি প্ৰহ্লাদে কাক কৈছিল?

জ) স্ফটিক স্তম্ভটোৰ পৰা ওলাই অহা আধা মানুহ আধা সিংহৰ ৰূপটোৰ নাম কি?

ঝ) অসুৰৰ শাস্ত্ৰখনৰ নাম কি?

২। **লিখা।**

(ক) কি ভাবত তন্ময় হৈ আছা প্ৰহ্লাদ? তোমাৰ কাষত আহি মই বৈছোঁহি, তুমি গমেই পোৱা নাইনে?

— এই কথাষাৰ প্ৰহ্লাদক কোনে কৈছিল? সেই সময়ত প্ৰহ্লাদ কি ভাবত তন্ময় হৈ আছিল?

(খ) স্ফটিক স্তম্ভ ভাঙি প্ৰভু নৰসিংহই ওলাই আহি কি কৰিছিল? তেওঁৰ গৰ্জনত দৈত্যসবৰ কেনে অৱস্থা হৈছিল?

৩। **চমুকৈ লিখা।**

(ক) প্ৰহ্লাদে হৰিভক্তিৰ মহিমাৰ বিষয়ে দেখুওৱা যুক্তিবোৰ একাদিক্ৰমে লিখা।

(খ) বামানয় শাস্ত্ৰজ্ঞান ল'বলৈ প্ৰহ্লাদে কিয় আপত্তি কৰিছিল?

(গ) হৰিক দৈত্যবংশৰ চিৰবৈৰী বুলি দৈত্যৰাজ হিৰণ্যকশিপুই কিয় কৈছিল?

(ঘ) পিতৃক ক্ষমা কৰি দিবলৈ প্ৰহ্লাদে নৰসিংহৰূপী হৰিক কি বুলি কাকুতি কৰিছিল?

(চ) যণ্ডামৰ্কই প্ৰহ্লাদক বামানয় শাস্ত্ৰজ্ঞান দিবলৈ কি কি বুজনি দিছিল?

(ছ) প্ৰহ্লাদে গুৰুদ্বয়ৰ বুজনি কিয় মানি লোৱা নাছিল?

৪। **ব্যাখ্যা কৰা।**

'ভাৰতীয় ভক্তিধাৰাৰ ঐতিহ্যত প্ৰহ্লাদৰ কাহিনী হ'ল এক গৌৰৱময় সংযোজন।'

জানো আহা

ব্ৰহ্মাৰ মানস পুত্ৰ চাৰিসিদ্ধৰ অভিশাপ অনুসৰি স্বৰ্গৰ দুৱৰী জয় আৰু বিজয়ে ক্ৰমে হিৰণ্যকশিপু আৰু হিৰণ্যাক্ষ নামেৰে পৃথিৱীত অসুৰ হৈ জন্ম লাভ কৰিলে। দুই ভাই-ককায়ে ব্ৰহ্মাণ্ড তল-ওপৰ কৰিলে। সিহঁতৰ অতপালিত অতিষ্ঠ হৈ বিষ্ণুৱে বৰাহ অৱতাৰ লৈ সৰুজন ভায়েক হিৰণ্যাক্ষক দাঁতেৰে খুঁচি মাৰিলে। হিৰণ্যাক্ষক বধ কৰা দেখি বিষ্ণু হিৰণ্যকশিপুৰ চকুৰ কুটা দাঁতৰ শূল হৈ পৰিল। ভায়েকক বধ কৰাৰ হোৰ তুলিবলৈ হিৰণ্যকশিপু হিমালয় পৰ্বতলৈ গৈ তপস্যাত বহিল। অনেক বছৰ ধৰি হিৰণ্যকশিপুৱে তপস্যা কৰাত মহাদেৱ শিৱ আবিৰ্ভূত হৈ তেওঁক কি বৰ লাগে সুধিলে। হিৰণ্যকশিপুৱে তেওঁক অমৰ হোৱা বৰ দিবলৈ প্ৰাৰ্থনা জনালে। শিৱই আন বৰ ল'বলৈ কোৱাত দৈত্যৰাজে ক'লে, "প্ৰভু! মোক এনে বৰ দিয়ক যাতে কোনো দেৱতা বা নৰৰ হাতত মোৰ মৃত্যু নহয়। কোনো অস্ত্ৰ-শস্ত্ৰৰে মোক যেন বধিব নোৱাৰে। দিনত কিম্বা ৰাতি যেন মোৰ মৃত্যু নহয়।" শিৱই 'তথাস্তু' বুলি অন্তৰ্ধান হ'ল। মহাদেৱ শিৱৰ বৰত সন্তুষ্ট হৈ হিৰণ্যকশিপুৱে নিজকে সৰ্বশক্তিমান বুলি ভাবিবলৈ ধৰিলে আৰু অতি অহংকাৰী হৈ পৰিল। কিন্তু নৰসিংহৰূপী বিষ্ণুৱে দিন আৰু ৰাতিৰ সন্ধিক্ষণত নখেৰে বিদাৰি হিৰণ্যকশিপুক বধ কৰি বিষ্ণু ভক্তিৰ মাহাত্ম্য প্ৰকাশ কৰিলে।

*[এই কাহিনীটো অতুল চন্দ্ৰ হাজৰিকাৰ ৰচনাৱলী (১ম খণ্ড) ৰ সহায়ত যুগুতোৱা হৈছে। পৃষ্ঠা— ২৯০]*

☞ *মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ 'কীৰ্তন' পুথিৰ অন্তৰ্গত 'প্ৰহ্লাদ চৰিত'ৰ মতে হিৰণ্যকশিপুৱে মন্দৰ পৰ্বতত তপস্যা কৰি ব্ৰহ্মাৰ পৰাহে বৰ লৈছিল। আমাৰ ধৰ্মশাস্ত্ৰবোৰত একেটা কাহিনীকে যে বেলেগ বেলেগ ৰূপত পোৱা যায় সেই কথা ছাত্ৰ-ছাত্ৰীক বুজাই দিব।*

৫। **"মোৰ বিনাশ, হাঃ হাঃ হাঃ। বোধ কৰোঁ কাৰো জ্ঞাত নহয় যে মোক মানুহ অথবা জন্তুৱে বধ কৰিব নোৱাৰে। আনহাতে, মোৰ মৃত্যু দিনৰ ভাগতো নহয় আৰু ৰাতিও নহয়। সেয়েহে মই নিশ্চিত, সহজে নহয় মোৰ বিনাশ।"**

**— এই সংলাপটো কোনে কাক কৈছে? লিখা।**

## খ — ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)

জানো আহা

পাঠটোত তোমালোকে 'বজ্ৰকঠোৰ' শব্দটো পাইছা। এই শব্দটো ভাঙি লিখিলে হ'ব **বজ্ৰৰ নিচিনা কঠোৰ** । বাক্যটোত তিনিটা পদ আছে। এই পদবোৰ লগ লগাই সংক্ষেপতে লিখিলে বজ্ৰকঠোৰ পদটো পাওঁ। এনেদৰে পৰস্পৰ অৰ্থৰ সম্পৰ্ক থকা দুই বা ততোধিক পদ লগ লাগি এক পদ হোৱাকে **সমাস** বোলা হয়। আন কথাত ক'বলৈ গ'লে কথা চুটি আৰু শুনিবলৈ শুৱলা কৰিবলৈ একাধিক পদ লগ লগাই এটা পদ কৰাকে সাধাৰণতে সমাস বুলি কোৱা হয়।

**বজ্ৰকঠোৰ** এই সমাসবদ্ধ পদটো ভাঙিলে **বজ্ৰৰ নিচিনা কঠোৰ**- বাক্যটো পোৱা যাব। ইয়াত প্ৰতিটো **শব্দই** একোটা ব্যস্ত বা **সমস্যমান** পদ। যিকেইটা পদৰ সমাস হয়, সেই পদবোৰক **ব্যস্ত** বা **সমস্যমান** পদ বোলে। পদবোৰ লগ লাগি শেষত যিটো পদ গঠিত হয়, সেইটো পদক **সমস্ত** পদ বোলে। যেনে- বজ্ৰৰ নিচিনা কঠোৰ- **বজ্ৰকঠোৰ**- এই পদটো **সমস্ত পদ।**

সমাসৰ অৰ্থ প্ৰকাশ কৰা বাক্য বা বাক্যাংশক ব্যাসবাক্য বোলে। অথবা যি বাক্যৰ দ্বাৰা সমস্ত পদটো ভাঙি দেখুওৱা হয়, তাক ব্যাসবাক্য বোলে। যেনে- **বজ্ৰকঠোৰ** সমস্ত পদটোৰ ব্যাসবাক্য হৈছে - বজ্ৰৰ নিচিনা কঠোৰ।

পাঠটোত **বজ্ৰকঠোৰ** পদটোৰ দৰে আন বহুতো সমাসবদ্ধ পদ আছে। তেনেকুৱা কেইটামান পদ পাঠটোৰ পৰা উল্লেখ কৰা হৈছে-

ত্ৰিভুৱন, হতাহতি, পৰ্বতগম্ভীৰ, ত্ৰিজগত, সিংহাসন আদি।

(ক) ত্ৰিভুৱন — তিনি ভুৱনৰ সমাহাৰ।

(খ) হতাহতি — পৰস্পৰে হাতে হাতে কৰা যি যুঁজ।

(গ) পৰ্বতগম্ভীৰ — পৰ্বতৰ নিচিনা গম্ভীৰ।

(ঘ) ত্ৰিজগত — তিনি জগতৰ সমাহাৰ।

(ঙ) সিংহাসন — সিংহখচিত আসন।

**৬। ওপৰৰ সমাসযুক্ত বাক্যসমূহ তালিকাত উল্লেখ কৰা মতে লিখা।**

| ব্যস্ত বা সমস্যমান পদ | সমস্ত পদ | ব্যাস বাক্য |
|---|---|---|
| ক) | | |
| খ) | | |
| গ) | | |
| ঘ) | | |
| ঙ) | | |
| চ) | | |

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

৭। এটা শব্দত প্ৰকাশ কৰি লিখা।

(ক) যাৰ সাহস আছে —

(খ) যি ঈশ্বৰক বিশ্বাস কৰে —

(গ) যি বিষ্ণুক উপাসনা কৰে —

(ঘ) একে মাকৰ সন্তান —

(ঙ) যি সঁচা কথা কয় —

(চ) যাক দেখা নাযায় —

৮। বাক্য ৰচনা কৰা।

চিৰবৈৰী হিংসা-দ্বেষ আকাশ-পাতাল

গৰিমা চালে চকুৱে়োৰা শয়নে-সপোনে

## গ — জ্ঞান-সম্প্ৰসাৰণ

### জানো আহা

**ষণ্ডামৰ্ক** — দৈত্যগুৰু শুক্ৰাচাৰ্যৰ দুই পুত্ৰ ক্ৰমে ষণ্ড আৰু অমৰ্ক। দৈত্যৰাজ হিৰণ্যকশিপুৱে তেওঁৰ পুত্ৰ প্ৰহ্লাদক দৈত্যৰ বামানয় শাস্ত্ৰৰ জ্ঞান দিবলৈ ষণ্ডামৰ্কক নিয়োগ কৰিছিল। কিন্তু ষণ্ডামৰ্কই প্ৰহ্লাদক বামানয় শাস্ত্ৰৰ প্ৰতি আকৃষ্ট কৰিব নোৱাৰিলে। সেয়েহে দৈত্যৰাজে ষণ্ডামৰ্কৰ জৰিয়তে প্ৰহ্লাদক কঠোৰ শাস্তি বিহালে।

**নৰসিংহ** — পৃথিৱীত অন্যায় নাশ কৰিবলৈ ভগৱান বিষ্ণুৱে সময়ে সময়ে বিভিন্ন অৱতাৰ ধাৰণ কৰে। শাস্ত্ৰৰ মতে বিষ্ণুৰ অৱতাৰ প্ৰধানকৈ দহটা। তাৰে ভিতৰত নৰসিংহ তৃতীয় অৱতাৰ। বিষ্ণুবৈৰী হিৰণ্যকশিপুৰ দৰ্প চূৰ্ণ কৰি প্ৰহ্লাদক ৰক্ষা কৰিবলৈ বিষ্ণুৱে নৰসিংহ ৰূপ ধাৰণ কৰিছিল। কঁকালৰ ওপৰ অংশ সিংহ আৰু তলৰ অংশ মানুহৰ আকৃতিৰ দৰে ৰূপ লোৱা নৰসিংহৰূপী বিষ্ণুৱে হিৰণ্যকশিপুক নখেৰে বিদাৰি বধ কৰিছিল।

**বামানয় শাস্ত্ৰ** — বেদ-বিৰুদ্ধ শাস্ত্ৰ। সাধাৰণতে দৈত্যসকলৰ শাস্ত্ৰক 'বামানয়' শাস্ত্ৰ বোলা হয়। দৈত্যকুলৰ শিশুসকলক সৰুৰে পৰাই এই বামানয় শাস্ত্ৰৰ জ্ঞান দিয়া হয়।

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

**৯। চমু উত্তৰ দিয়া।**

(ক) যণ্ডামৰ্কৰ পিতৃৰ নাম কি ?

(খ ) বিষ্ণুৱে প্ৰধানকৈ কেইটা অৱতাৰ ধাৰণ কৰিছিল ?

(গ ) বিষ্ণুৰ চতুৰ্থ অৱতাৰটো কি ?

(ঘ ) বামানয় শাস্ত্ৰ কি ?

**জানো আহা**

পাঠটোত তোমালোকে **কুল-তিলক** আৰু **কুলবৈৰী** এই শব্দ দুটা পাইছা। এই 'কুল' শব্দৰ লগত লগ হোৱা আন বহুতো শব্দ আছে। যেনে-

| | | |
|---|---|---|
| কুল-দেৱতা | — | কোনো বংশত আদিৰে পৰা আৰাধনা কৰা দেৱতা |
| কুলপঞ্জী | — | বংশাৱলী |
| কুল-ধৰ্ম | — | বংশগত বিশিষ্ট আচাৰ-ব্যৱহাৰ |
| কুলপতি | — | বংশ বা পৰিয়ালৰ মুৰব্বী |
| কুল প্ৰদীপ | — | বংশৰ গৌৰৱ বঢ়াওঁতা |
| কুল বধূ | — | বংশৰ সু-চৰিত্ৰৰ বোৱাৰী |
| কুল ভূষণ | — | বংশৰ মান-মৰ্যাদা বৃদ্ধি কৰা লোক |
| কুল মৰ্যাদা | — | বংশৰ মান- মৰ্যাদা |

☞ *ছাত্ৰ-ছাত্ৰীক এনেধৰণৰ আন শব্দ অভিধান চাই অৰ্থৰে সৈতে লিখিবলৈ দিব*

**ঘ — প্ৰকল্প**

**১০। আমাৰ সমাজৰ সামাজিক শৃংখলা বজাই ৰাখিবলৈ আৰু মানৱীয় প্ৰমূল্যক গুৰুত্ব দিবলৈ সমাজৰ মহান ব্যক্তিসকলে বিভিন্ন নীতি কথা প্ৰকাশ কৰি থৈ গৈছে। যেনে- 'অহিংসাই পৰম ধৰ্ম।' এনেধৰণৰ নীতি কথা সংগ্ৰহ কৰি লিখা আৰু শ্ৰেণী কোঠাত ওলোমাই থোৱা।**

**১১। দৈনিক বাতৰি কাকতত প্ৰকাশ পোৱা অমানৱীয় ঘটনাৰ বাতৰি সংগ্ৰহ কৰি তাৰ কাৰণবোৰ লিখা আৰু তোমাৰ মতামত ব্যক্ত কৰা।**

# পাঠ ৫

## পাঠটোৰ পৰা আহৰণ কৰিবলগীয়া অৰ্হতা

- 'ভক্ত প্ৰহ্লাদ' নাটিকাখনিৰ পৰা প্ৰহ্লাদ আৰু দৈত্যৰাজ হিৰণ্যকশিপুৰ বিষয়ে জনা আৰু ক'ব পৰা
- পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা
- অভিনয় কৰাৰ কৌশল আয়ত্ত কৰা আৰু প্ৰদৰ্শন কৰিব পৰা
- আখ্যানমূলক পাঠৰ মাধ্যমেৰে নৈতিক শিক্ষা লাভ কৰা আৰু উপলব্ধি কৰিব পৰা
- সহনশীলতাৰ মনোভাব সৃষ্টি কৰা আৰু সৎ আচৰণৰ বোধ জন্মা
- আত্মপ্ৰত্যয়ৰ মনোভাব গঢ়ি তোলা
- সমাসৰ ধাৰণা স্পষ্ট হোৱা, বুজিব পৰা
- নতুন নতুন শব্দ গঠন কৰিব পৰা
- এটা শব্দত প্ৰকাশ কৰি লিখিব পৰা
- বাক্য ৰচনা কৰিব পৰা
- বিভিন্ন নীতিকথা সংগ্ৰহ কৰি তাৰ ভাব বুজিব পৰা
- নিজৰ চিন্তাৰে মানবীয় প্ৰমূল্যবোধৰ গুৰুত্ব প্ৰকাশ পোৱাকৈ বাক্য লিখিব পৰা

## শিকাৰুৰ পাঠভিত্তিক অৰ্হতাৰ মূল্যায়ন

| পাঠভিত্তিক | শুদ্ধ উচ্চাৰণ আৰু নাটকীয় কথাৰে পঢ়িব পৰা | পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ কৰিব পৰা | অভিনয় কৰিব পৰা | হিৰণ্যকশিপুৰ বিষয়ে পঢ়ি উত্তৰ দিব পৰা |
|---|---|---|---|---|
| | | | | |
| ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ) | সমাস কি বুজিব পৰা | ব্যস্ত পদ/ সমস্যমান পদ, সমস্ত পদ আৰু ব্যাস বাক্য চিনাক্ত কৰিব পৰা | এটা শব্দত প্ৰকাশ কৰিব পৰা | বাক্য ৰচনা কৰিব পৰা |
| | | | | |
| জ্ঞান সম্প্ৰসাৰণ | পাঠৰ অতিৰিক্ত বিষয়বস্তু পঢ়ি প্ৰশ্নৰ উত্তৰ কৰিব পৰা | একেটা শব্দই বিভিন্ন শব্দৰ লগত ব্যৱহাৰ কৰি নতুন শব্দ গঠন কৰিব পৰা | | |
| | | | | |
| প্ৰকল্প | নীতিকথা সংগ্ৰহ কৰি লিখিব পৰা | | নিজৰ চিন্তাৰে মানবীয় প্ৰমূল্যবোধৰ গুৰুত্ব প্ৰকাশ পোৱাকৈ বাক্য লিখিব পৰা | |
| | | | | |

☞ *অৰ্হতা আয়ত্ত হ'লে ওপৰৰ তালিকাখনৰ তলৰ খালী ঘৰত ✓ চিন দিব আৰু নহ'লে × চিন দিব। অৰ্হতা আয়ত্ত নোহোৱা শিকাৰুক অতিৰিক্তভাৱে শিকাই পুনৰ মূল্যায়ন কৰিব।*

পাঠ ৬

# প্ৰগতিৰ সোণালী বাট

*দেশ এখনক সামগ্ৰিকভাৱে উন্নতিৰ পথলৈ আগবঢ়াই নিয়াত নাৰী আৰু পুৰুষৰ অৱদান কোনোৱে নুই কৰিব নোৱাৰে। যিহেতু স্বাৱলম্বনেই হৈছে প্ৰকৃত উন্নতিৰ মূলকথা সেয়েহে দেশক উন্নতিৰ পথত আগুৱাই নিবলৈ প্ৰতিগৰাকী নাৰী বা পুৰুষ সকলো দিশতে স্বাৱলম্বী হোৱাটো প্ৰয়োজন। আজিৰ পৰিপ্ৰেক্ষিতত নাৰীয়ে কৰিব নোৱৰা কাম নাই। নাৰীৰ কৰ্মদক্ষতাৰ বিষয়ে ইংগিত দিবলৈ পাঠটোত প্ৰয়াস কৰা হৈছে।*




হাইস্কুলৰ প্ৰকাণ্ড খেলপথাৰখন লোকে-লোকাৰণ্য। চাৰিওফালে দলদোপ্-হেন্দোলদোপ্। ল'ৰা-ছোৱালী, ডেকা-ডেকেৰী, বুঢ়া-বুঢ়ীৰ এক অভূতপূৰ্ব সমাগম! মহিলাসকলেই সংখ্যাগৰিষ্ঠ। কাৰণ স্বাভাৱিক। অঞ্চলটোৰ মহিলাসকলে আত্মসহায়ক গোটৰ প্ৰদৰ্শনী এখন পাতিছে। গোটৰ সদস্যসকলৰ ব্যস্ততাৰ সীমা নাই। নিজৰ উৎপাদিত সামগ্ৰীৰে নিজ নিজ বিপণিসমূহ কেনেকৈ আকৰ্ষণীয় কৰি তুলিব, তাৰেই চিন্তাত তেওঁলোক মগ্ন। বিধে বিধে খাদ্য — লাৰু, পিঠা, আচাৰ, পাপৰ, কাঁহুদি, খৰিচা, খাৰলি আদিৰ উপৰি হাতে-সজা বেগ, পুতলা, মমবাতি, বাঁহ-বেতৰ সামগ্ৰী, নিত্য ব্যৱহাৰ্য ভিন ভিন বস্তুৰে প্ৰদৰ্শনী ঠাহ খাই পৰিছে।

এখন বিপণিত কেইগৰাকীমান মহিলাই এড়ী সূতা কাটিছে। এচুকত মানুহৰ ভিৰ। তাত এড়ী-পলু পোহাৰ পদ্ধতি প্ৰদৰ্শন কৰা হৈছে। লগে লগে এগৰাকী মহিলাই সেই সম্পৰ্কে ব্যাখ্যাও কৰিছে। কাষতে তাঁত-শালত আন এগৰাকীয়ে এড়ী চাদৰত বাৰেবৰণীয়া সূতাৰে বুটা বাচিছে। কাম কৰি থকা মহিলাসকলৰ দেহত যেন অফুৰন্ত শক্তি, উৎফুল্লিত মুখবোৰত আত্মবিশ্বাসৰ ভাব।

অঞ্চলটোৰ মহিলাসকলে কম দিনৰ ভিতৰতে একো একোটা সৰু গোটত ভাগ হৈ ভালেমান ক্ষুদ্ৰ উদ্যোগ গঢ়ি তুলিছে। সেইবোৰেই আত্মসহায়ক গোট। স্থানীয় সহজলভ্য সম্পদবিলাকক লৈ





এই গোটবোৰে অতি সহজ-সৰল পদ্ধতিৰে নানা আকৰ্ষণীয় সামগ্ৰী উৎপাদন কৰে আৰু সুলভ মূল্যৰ বিনিময়ত গ্ৰাহকৰ চাহিদা পূৰ কৰে। এনেকৈয়ে দুখীয়া পৰিয়ালৰ কিছু মহিলা আৰ্থিক দিশত টনকিয়াল হৈ স্বাৱলম্বী হোৱাৰ পথত আগবাঢ়িছে।

দূৰ-দূৰণিৰ পৰা আহি সমবেত হোৱা ক্ৰেতা আৰু দৰ্শকমণ্ডলী প্ৰদৰ্শনীৰ প্ৰশংসাত পঞ্চমুখ। তেওঁলোকো মহিলাসকলৰ সমানে উৎসাহী। চাকৰি বিচাৰি হাবাথুৰি খোৱাসকলৰ মুখত আশাৰ ৰেঙণি। নিবনুৱা জীৱন যাপন কৰা যুৱক-যুৱতীসকলে যেন নতুন পথৰহে সন্ধান পাইছে।

এনে উৎসাহৰ কাৰণো আছে। বুৰঞ্জীৰ পাত মেলিলেই প্ৰাচীন ভাৰতীয় সমাজত নাৰীৰ ক্ষমতা আৰু শক্তিৰ বহুতো নিদৰ্শন পোৱা যায়। শিক্ষা, সাহিত্য, ৰাজনীতি আদিৰ ক্ষেত্ৰত সীমিতভাৱে হ'লেও নাৰীয়ে যথাযোগ্য স্থান লাভ কৰি যথেষ্ট অৱদান আগবঢ়াইছিল। গাৰ্গী, মৈত্ৰেয়ীৰ নিচিনা প্ৰচুৰ জ্ঞানৰ অধিকাৰিণী মহিলাই ধৰ্ম-আলোচনা, সভা-সমিতি আদিত পুৰুষৰ সমানেই অংশ গ্ৰহণ কৰাৰ কথা ইতিহাসে ৰিঙিয়াই কয়। কিন্তু এইবোৰ ভাৰতৰ নাৰী সমাজৰ সুদীৰ্ঘ ইতিহাসত এক জিলিঙনিহে মাথোন। বিভিন্ন কাৰণত নাৰী সমাজলৈ ধীৰগতিত অমানিশাৰ অন্ধকাৰ নামি আহিল আৰু এটা সময়ত তেওঁলোকৰ কাম-কাজ ঘৰৰ চাৰিবেৰৰ মাজত সীমাবদ্ধ হৈ পৰিল।

মহাত্মা গান্ধীয়ে প্ৰাক্-স্বাধীন কালতেই নাৰীক অৰ্থনৈতিকভাৱে স্বাৱলম্বী কৰাৰ কথা চিন্তা কৰিছিল। খাদী উদ্যোগেই আছিল এই ক্ষেত্ৰত গান্ধীজীৰ প্ৰথম পদক্ষেপ। তেওঁ গংগাবেন মজুমদাৰ নামৰ এগৰাকী বিধৱা মহিলাৰ দ্বাৰা গুজৰাটৰ সৰৰমতী আশ্ৰমত খাদী কাপোৰ উৎপাদনৰ পাতনি মেলিছিল। অসমীয়া মহিলাসকল এই দিশত যথেষ্ট আগবঢ়া। মহাত্মা গান্ধীয়ে এবাৰ অসমলৈ আহোঁতে অসমীয়া শিপিনীয়ে বোৱা কাপোৰ দেখি স্তম্ভিত হৈ মন্তব্য কৰিছিল—'অসমীয়া শিপিনীয়ে কাপোৰত সপোন ৰচিব পাৰে'।

বৰ্তমান বয়ন শিল্পই কুটীৰ শিল্প হিচাপে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলত এক উল্লেখযোগ্য স্থান দখল

কৰিছে। পূৰ্বতে মহিলাসকলে কেৱল পৰিয়ালৰ চাহিদা পূৰাবলৈহে কাপোৰ বৈছিল। এতিয়া এই শিল্পই সমবায় ভিত্তিত আন্তৰ্জাতিক বজাৰো দখল কৰিছে। আধুনিক প্ৰযুক্তি-কৌশল, উন্নতমানৰ যন্ত্ৰ-পাতিৰ ব্যৱহাৰে অতি কম সময়ৰ ভিতৰতে অধিক উৎপাদন সম্ভৱ কৰি তুলিছে। আজিৰ মহিলাই মৰ্মে মৰ্মে উপলব্ধি কৰিছে যে কামৰ সৰু-বৰ নাই।

সকলো কামৰ একো একোটা গঠনাত্মক দিশ থাকে। জীৱন নিৰ্বাহৰ বাবে ধন ঘটিবলৈ যেনেকৈ যোগ্যতাৰ প্ৰয়োজন, তেনেকৈ প্ৰণালীবদ্ধভাৱে ৰন্ধা-বঢ়া ইত্যাদি কৰিবলৈও দক্ষতাৰ আৱশ্যক। আজি একাংশ মহিলাই নিজকে বিভিন্ন ধৰণে অৰ্হতাসম্পন্ন কৰি তুলিবলৈ ঘৰৰ বাহিৰলৈ ওলাই আহিছে। আন একাংশই আকৌ ঘৰখনৰ সকলো কাম নিজহাতে কৰি ধন বাহি কৰিছে। ইও এক প্ৰকাৰ স্বাৱলম্বনেই। সৰোজিনী নাইডু, এনি বেচাণ্ট, কল্পনা চাওলা, পুনিতা অৰ'ৰা, কিৰণ বেদী, মেধা পাটেকাৰ আদিৰ দৰে মহিলাই নিজ নিজ কৰ্মক্ষেত্ৰত দক্ষতাৰে কাম কৰি দেশৰ প্ৰগতিত বৰঙণি যোগাইছে।

নাৰীক স্বাৱলম্বী কৰি গঢ়ি তুলিবলৈ আৰু তেওঁলোকৰ অন্তৰৰ সুপ্ত প্ৰতিভা বিকশিত কৰিবলৈ নাৰীসকলক লাগিব সামাজিক স্বীকৃতি আৰু সকলোৰে সহযোগিতা। সেই উদ্দেশ্যে ২০০১ চনটো আন্তৰ্জাতিক নাৰী সবলীকৰণ আৰু সমমৰ্যাদাৰ বৰ্ষ হিচাপে ঘোষণা কৰা হৈছিল। ভাৰত চৰকাৰেও নাৰী সবলীকৰণৰ বিভিন্ন আঁচনি হাতত লৈ নাৰীৰ হকে বিশেষভাৱে কাম কৰাৰ কিছুমান প্ৰতিষ্ঠান গঢ়ি তুলিছে। সেইবোৰৰ ভিতৰত 'উত্তৰ-পূব উন্নয়ন আৰু বিত্তীয় নিগম', 'কেন্দ্ৰীয় সমাজ কল্যাণ পৰিষদ', 'ৰাষ্ট্ৰীয় মহিলা আয়োগ' আদিয়ে প্ৰধান। এই সংস্থাসমূহে নাৰীৰ শিক্ষা, বৃত্তিমূলক প্ৰশিক্ষণ, আৰ্থ-সামাজিক উন্নয়নৰ আঁচনি আৰু নাৰীৰ অধিকাৰৰ প্ৰতি চকু ৰাখে। 'ইন্দিৰা মহিলা যোজনা'ই জিলা আৰু নিম্ন পৰ্যায়ৰ গোটসমূহক শক্তিপ্ৰদান কৰি জীৱন্ত কৰি তুলিছে। এই যোজনাই মহিলাসকলক চৰকাৰে আগবঢ়োৱা ঋণ আৰু অন্যান্য সা-সুবিধাসমূহ গ্ৰহণ কৰি সেইবোৰৰ উপযুক্ত ব্যৱহাৰৰ বাবে পৰামৰ্শ আগবঢ়ায়। এনে সুবিধা গ্ৰহণ কৰি অসমৰ চুকে-কোণে অনেক আত্মসহায়ক গোট গঢ়ি উঠিছে আৰু মহিলাসকলৰ মাজত স্বাৱলম্বনৰ এক অভূতপূৰ্ব জাগৰণৰ সৃষ্টি কৰিছে। চৰকাৰে আগবঢ়োৱা সা-সুবিধা গ্ৰহণ কৰাৰ লগতে মহিলাসকলে মনস্তাত্ত্বিক বাধা আঁতৰাই নিজৰ যোগ্যতা সম্পৰ্কে আত্মসচেতন হোৱাটোৱেই তেওঁলোকৰ প্ৰাথমিক কৰ্তব্য।



**ক্ৰিয়া-কলাপ**

## ক — পাঠভিত্তিক ক্ৰিয়া

**১। পাঠটো শুদ্ধ উচ্চাৰণেৰে কেইবাবাৰো পঢ়া।**

**২। উত্তৰ দিয়া।**

(ক) হাইস্কুলৰ প্ৰকাণ্ড খেলপথাৰখন লোকে-লোকাৰণ্য হোৱাৰ কাৰণ কি?

(খ) প্ৰদৰ্শনীখন কোনে পাতিছিল?

(গ) মানুহে ভিৰ কৰা বিপণিখনত কি প্ৰদৰ্শন কৰা হৈছিল?

(ঘ) অঞ্চলটোৰ মহিলাসকলে সৰু সৰু গোটত ভাগ হৈ কি উদ্যোগ গঢ়ি তুলিছে?

(ঙ) স্বাৱলম্বনৰ কাৰণে গঠন কৰা গোটবোৰক কি বুলি জনা যায়?

(চ) এই গোটবোৰে উৎপাদন কৰা সামগ্ৰীসমূহ কি কৰা হয়?

(ছ) ২০০১ চনটো কি বৰ্ষ হিচাপে ঘোষণা কৰা হৈছিল?

(জ) উত্তৰ-পূৰ্বাঞ্চলত উল্লেখযোগ্য স্থান দখল কৰা কুটীৰ শিল্পটোৰ নাম কি?

(ঝ) প্ৰাক্-স্বাধীন কালতেই নাৰীক অৰ্থনৈতিকভাৱে স্বাৱলম্বী কৰাৰ বাবে কোনে চিন্তা কৰিছিল?

**৩। চমুকৈ বৰ্ণনা কৰা।**

(ক) আত্মসহায়ক গোটবোৰে দুখীয়া পৰিয়ালৰ মহিলাসকলক কেনেকৈ সহায় কৰে?

(খ) পাঠত থকা প্ৰাচীন কালৰ জ্ঞানৰ অধিকাৰিণী মহিলা দুগৰাকীৰ বিষয়ে চমুকৈ লিখা।

(গ) মহিলাক স্বাৱলম্বী কৰাৰ ক্ষেত্ৰত মহাত্মা গান্ধীৰ প্ৰথম পদক্ষেপ কি আছিল?

(ঘ) মহাত্মা গান্ধীয়ে কাৰ কাৰ সহায়ত সৰৰমতী আশ্ৰমত উৎপাদনৰ পাতনি মেলিছিল?

**৪। নাৰী সবলীকৰণৰ বিভিন্ন আঁচনিসমূহৰ নাম লিখা। তাৰে এখন আঁচনিৰ বিষয়ে বহলাই লিখা।**

**৫। তলৰ শব্দবোৰৰ অৰ্থ শব্দ সম্ভাৰ আৰু অভিধানৰ পৰা বিচাৰি উলিয়াই লিখা।**

| | | | | | |
|---|---|---|---|---|---|
| বিপণী | ক্ৰেতা | সুপ্ত | অফুৰন্ত | টনকিয়াল | সমমৰ্যাদা |
| প্ৰদৰ্শন | স্বাৱলম্বী | গঠনাত্মক | পদমৰ্যাদা | পদক্ষেপ | আন্তৰ্জাতিক |

**৬। 'অসমীয়া শিপিনীয়ে কাপোৰত সপোন ৰচিব পাৰে'— এই কথাযাৰ কোনে কেতিয়া আৰু কিয় কৈছিল?**

৭। বুজাই কোৱা আৰু লিখা।

(ক) আত্মসহায়ক গোট আৰু ইয়াৰ কাম-কাজ।

(খ) নাৰী সবলীকৰণৰ বিভিন্ন আঁচনিসমূহ আৰু ইয়াৰ কাম।

(গ) কি কি কাম কৰি মহিলাসকল স্বাৱলম্বী হ'ব পাৰে।

## খ —ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)

৮। অৰ্থৰ পাৰ্থক্য দেখুৱাই বাক্য ৰচনা কৰা।

| | | |
|---|---|---|
| নাৰী নাড়ী | আচল আঁচল | লক্ষ লক্ষ্য |
| আচাৰ আছাৰ | তাত তাঁত | ফাঁকি ফাকি |

৯। তলৰ বিপৰীত অৰ্থ বুজোৱা শব্দবোৰ পাঠটোৰ পৰা বিচাৰি উলিয়াই লিখা।

| | | | | | |
|---|---|---|---|---|---|
| কঠিন | নবীন | পৰনিৰ্ভৰশীল | দুৰ্লভ | খৰগতি | পূৰ্ণিমা |
| অনধিকাৰ | নিন্দা | অনাৱশ্যক | জাগ্ৰত | ধ্বংস | অসম্ভৱ |

১০। এটা শব্দত প্ৰকাশ কৰা।

(ক) যি আনৰ ওপৰত নিৰ্ভৰ কৰে

(খ) যি নিজৰ ওপৰত নিৰ্ভৰ কৰি চলে

(গ) স্থানীয়ভাৱে পোৱা সম্পদ আৰু সাধাৰণ আহিলাৰ সহায়ত ঘৰে ঘৰে গঢ়ি উঠা শিল্প

(ঘ) যি আনক হিংসা নকৰে

(ঙ) যি নিজৰ স্বাৰ্থৰ কথা চিন্তা কৰে

(চ) যিজনে নিজৰ ওপৰত বিশ্বাস ৰাখে

**১১। সন্ধি ভাঙা আৰু গঠন কৰা।**

(ক) স্ব+অধীন =.................................... জীৱ+অন্ত = ....................................

উৎ+নতি = .................................... স্ব+অৱলম্বন = ....................................

উৎ+মত্ত = .................................... উৎ+ঘাটন = ....................................

সম্+কৃত = .................................... উৎ+চাৰণ = ....................................

(খ) পৰাধীন = .................................... যথেষ্ট = ....................................

উন্নয়ন = .................................... অতীত = ....................................

সংগীত = .................................... যথোচিত = ....................................

মহাত্মা = .................................... বিদ্যোৎসাহী = ....................................

**১২। তলৰ শব্দবিলাক বহুবচনলৈ পৰিৱৰ্তন কৰা।**

শিক্ষক ছাত্ৰ মানুহ গৰু গ্ৰন্থ গুৰু পৰ্বত মহিলা

**১৩। তলত দিয়া যুক্তাক্ষৰকেইটাৰে অৰ্থ প্ৰকাশক শব্দ লিখা।**

চ্ছ [ ] স্থ [ ]

স্ত [ ] ন্ধ [ ]

গ্ৰ [ ] ণ্ট [ ]

ষ্ঠ [ ] ঞ্জ [ ]

**১৪। বাক্য ৰচনা কৰা।**

দুৰ-দুৰণি বিধে বিধে শিপিনী লোকে-লোকাৰণ্য

সা-সুবিধা চুকে-কোণে আত্মবিশ্বাস দল্‌দোপ্‌-হেন্দোল্‌দোপ্‌

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

১৫। লিংগ নিৰ্ণয় কৰা।

| | | | | | |
|---|---|---|---|---|---|
| নাৰী | | যুৱক | | পুৰুষ | |
| বুঢ়ী | | ছোৱালী | | ডেকা | |
| দাদা | | দেউতা | | আমৈ | |

১৬। তলৰ উপসৰ্গকেইটা লগ লগাই একোটাকৈ শব্দ গঠন কৰা।


| | | | | | |
|---|---|---|---|---|---|
| প্ৰ | | অপ | | অতি | |
| পৰা | | উপ | | প্ৰতি | |

## গ—জ্ঞান সম্প্ৰসাৰণ

### জানো আহা

**আত্মসহায়ক গোট** — দুখীয়া শ্ৰেণীৰ ৰাইজৰ দ্বাৰা স্বেচ্ছামূলকভাৱে গঠিত এটি গোট। এই গোটৰ সদস্যসকলৰ আৰ্থিক অৱস্থা একে পৰ্যায়ৰ হয়। তেওঁলোকৰ মাজত মিলা-প্ৰীতি, সদ্ভাব থাকিব লাগে। গোটটোৰ প্ৰতিজন সদস্যই উপাৰ্জনৰ ৰাহি ধন সাপ্তাহিক বা পষেকীয়া বা মাহেকীয়া কিস্তিত জমা কৰি এটা সমূহীয়া পুঁজি গঠন কৰে। প্ৰয়োজন অনুসৰি অভাৱী সদস্যলৈ এই সমূহীয়া পুঁজিৰ পৰা ঋণ দিয়ে। এই ঋণৰ বাবে গোটটোৱে এটা নিৰ্দিষ্ট হাৰত সুত লয়। এই আত্মসহায়ক গোটৰ মূল উদ্দেশ্য হ'ল নিয়মীয়াকৈ সঞ্চয় কৰা, সঞ্চয় পুঁজিৰ পৰা ঋণ দিয়া, গোটটো পৈণত হৈ উঠিলে বেংকৰ লগত সংযোগ স্থাপন কৰি ঋণ লোৱাৰ ব্যৱস্থা কৰা।

**উত্তৰ-পূব উন্নয়ন আৰু বিত্তীয় নিগম (নেড্‌ফি)** — ১৯৯৫-১৯৯৬ চনত কেন্দ্ৰীয় চৰকাৰে কেৱল উত্তৰ-পূৰ্বাঞ্চলৰ বাবে এটা পৃথক বিত্তীয় অনুষ্ঠান স্থাপনৰ কথা ঘোষণা কৰে। এই অনুষ্ঠানটো হ'ল 'উত্তৰ-পূব উন্নয়ন আৰু বিত্তীয় নিগম,' ইংৰাজীত North Eastern Development Finance Corporation Ltd. চমুকৈ নেড্‌ফি (NEDFi)। ১৯৯৬ চনৰ ২৩ ফেব্ৰুৱাৰী তাৰিখে ভাৰতৰ তদানীন্তন প্ৰধান মন্ত্ৰীয়ে নেড্‌ফি উদ্বোধন কৰে।




উত্তৰ-পূৰ্বাঞ্চলৰ অৰ্থনৈতিক বিকাশ ত্বৰান্বিত কৰাটোৱেই নেড্‌ফিৰ লক্ষ্য। উত্তৰ-পূৰ্বাঞ্চলৰ মহিলাসকল এক বিশেষ সামাজিক মৰ্যাদাৰ অধিকাৰী যদিও সামগ্ৰিকভাৱে অৰ্থনৈতিক দিশত সিমান টনকিয়াল নহয়। সেয়েহে সমাজৰ আৰ্থ-সামাজিক উন্নয়নৰ বাবে উত্তৰ-পূব উন্নয়ন আৰু বিত্তীয় নিগমে মহিলা উদ্যোগ উন্নয়ন প্ৰকল্পৰ জৰিয়তে বিভিন্ন আঁচনি ৰূপায়িত কৰিছে।

☞ নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী

নেড্‌ফিয়ে মহিলাসকলৰ বাবে আগবঢ়োৱা কেইখনমান আঁচনি (মহিলা উদ্যোগ উন্নয়ন প্ৰকল্পৰ জৰিয়তে)—

১। ক্ষুদ্ৰ বিত্ত সাহায্য আঁচনি (মাইক্ৰ' ফাইনেঞ্চ স্কীম)।

২। উত্তৰ-পূব ইকুইটি (Equity)ফাণ্ড আঁচনি

৩। উত্তৰ-পূৰ্বাঞ্চলৰ বাবে হস্ততাঁত আৰু হস্তশিল্প আঁচনি

৪। মৰাপাট উদ্যোগ আঁচনি

**১৭। মহিলাসকলে কম খৰচতে কি ধৰণৰ কাম কৰি নিজকে স্বাৱলম্বী কৰি তুলিব পাৰে? তেনেধৰণৰ কাম কেইপদমানৰ নাম লিখা।**

**১৮। ভাব বহলাই লিখা।**

(ক) ৰাইজে নখ জোকাৰিলে নৈ বয়।

(খ) মন কৰিলে চন, বাকৰি মাটিতে ধন।

**১৯। কুটীৰ শিল্পত উৎপাদিত দৈনন্দিন জীৱনত ব্যৱহাৰ হোৱা কেইপদমান সামগ্ৰীৰ নাম লিখা। লগতে প্ৰতিবিধ সামগ্ৰী উৎপাদিত হোৱা শিল্পটোৰ নাম লিখা।**

**২০। সাঁথৰ ভাঙা।**

(ক) ওপৰে জাপি তলে জাপি
মাজত শলা কাঠী
এশ পুত্ৰক কোলাত লৈ
বৈ আছে মাকজনী।

(খ) বিধাতাৰ নিৰ্মিত ঘৰ নাহিকে দুৱাৰ,
যোগেন্দ্ৰ পুৰুষে তাতে থাকে অনাহাৰ
যেতিয়া পুৰুষ হয় অতি বলৱান,
বিধাতাৰ ঘৰ ভাঙি কৰে খানবান।।

(গ) পক্ষী নহয় সিটো ডালত কৰে বাস,
চন্দ্ৰ নহয় সূৰ্য নহয় কৰন্ত প্ৰকাশ
ভ্ৰমৰ নহয় সিটো বহু ৰস পিয়ে,
দিনত নহয় কিন্তু ৰাতি হ'লে জীয়ে।।





জানো আহা

যোৰহাট জিলাৰ অতি পাছপৰা অঞ্চল টিলিকি আম বেজগাঁৱৰ দুই ভাতৃ নিপুল আৰু বিপুল বেজবৰা। তেওঁলোক দুয়োয়ে বাঁহৰ 'ফেন্' (পাংখা) সাজি এক অভিলেখ সৃষ্টি কৰাৰ লগতে অসমলৈ গৌৰৱ কঢ়িয়াই আনিছে। মাত্র নৱম শ্রেণীলৈকে আনুষ্ঠানিক শিক্ষা লাভ কৰা নিপুল আৰু বিপুলে এঘাৰখন পাংখাযুক্ত বাঁহৰ 'ফেন্' সাজি কাৰিকৰী দিশত বিশেষ পাৰদৰ্শিতা দেখুৱাইছিল। সেইবাবেই তেওঁলোকে ৰাষ্ট্রীয় উদ্ভাৱন প্রতিষ্ঠান (এন. আই. এফ)ৰ তৃতীয় বাৰ্ষিক প্রতিযোগিতাৰ শক্তি বিভাগত ৰাষ্ট্রীয় বঁটা লাভ কৰিবলৈ সক্ষম হৈছে। তেজপুৰ বিশ্ববিদ্যালয়, ক্ৰমটন গ্ৰীভ্‌ছ আৰু ইণ্ডিয়ান এৰ'নেটিক লিমিটেডে কাৰিকৰী দিশবোৰ পৰীক্ষা কৰি এই 'ফেন্'খন অতিশয় উচ্চ আৰু কাৰ্যক্ষম বুলি স্বীকৃতি প্রদান কৰে। ইয়াৰ আগেয়ে তেওঁলোকে বাঁহেৰে চাউল জৰা মেচিন আৰু ৰিক্সা সাজি উলিয়াইছে। ৰাষ্ট্রপতি ড° এ. পি. জে. আব্দুল কালামে নিপুল আৰু বিপুলক 'ইণ্ডিয়ান ইনষ্টিটিউট অব মেনেজমেন্ট' প্রেক্ষাগৃহত 'বিশ্বকৰ্মা' উপাধি প্রদান কৰাৰ লগতে ৫০ হাজাৰ টকাৰ চেক, একোখনকৈ প্রমাণপত্র আৰু দুটা মেডেল প্রদান কৰে।

স্থানীয় সহজলভ্য বাঁহেৰে বিভিন্ন সামগ্ৰী তৈয়াৰ কৰি স্বাৱলম্বী হোৱা দুই ভাতৃ বিপুল আৰু নিপুল অসমৰ কিশোৰ-কিশোৰীৰ বাবে আদৰ্শ স্বৰূপ।

## ঘ—প্ৰকল্প

২১। তোমালোকে দেখা, শুনা আৰু জনা আত্মসহায়ক গোটৰ কামৰ বিষয়ে লিখা।

২২। তলত উল্লেখ কৰা সামগ্ৰীসমূহৰ যিকোনো এটা সাজি আনি বিদ্যালয়ত প্রর্দশন কৰা।



২৩। নিপুল আৰু বিপুলৰ দৰে বাঁহ-বেতৰ কাম কৰি স্বাৱলম্বী হোৱা এজন বা দুজন লোকৰ বিষয়ে তথ্য সংগ্ৰহ কৰি লিখা।

# পাঠ ৬

## পাঠটোৰ পৰা আহৰণ কৰিবলগীয়া অৰ্হতা

- বৰ্ণনামূলক পাঠ পঢ়ি বুজি পোৱা
- পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা
- নুবুজা শব্দৰ অৰ্থ জনা
- আত্মসহায়ক গোট আৰু নাৰী সবলীকৰণ আঁচনিৰ কাম-কাজ সম্বন্ধে জনা আৰু সেই কামৰ প্ৰয়োজনীয়তা বুজি পোৱা
- একে উচ্চাৰণৰ ভিন ভিন শব্দৰ অৰ্থৰ পাৰ্থক্য জনা আৰু বাক্যত ব্যৱহাৰ কৰিব পৰা
- বিপৰীত অৰ্থ বুজোৱা শব্দ জনা আৰু এটা শব্দত প্ৰকাশ কৰিব পৰা
- সন্ধি ভাঙিব আৰু গঠন কৰিব পৰা
- একবচনৰ পৰা বহুবচনলৈ নিব পৰা
- চ্ছ, স্ত, প্ৰ, ষ্ঠ, ষ্ট, ন্ধ, ণ্ট, ক্ষ, জ্ঞ - এই যুক্তাক্ষৰেৰে অৰ্থ প্ৰকাশক শব্দ লিখিব পৰা, বাক্য সাজিব পৰা
- উপসৰ্গ ব্যৱহাৰ কৰি শব্দ গঠন কৰিব পৰা
- ভাব বহলাই লিখিব পৰা
- কুটীৰ শিল্পজাত সামগ্ৰীৰ নাম জনা আৰু দৈনন্দিন জীৱনত তাৰ ব্যৱহাৰ সম্পৰ্কে জনা
- সাঁথৰ ভাঙিব পৰা
- আত্মসহায়ক গোটৰ কামৰ বিষয়ে লিখিব পৰা

## শিকাৰুৰ পাঠভিত্তিক অৰ্হতাৰ মূল্যায়ন

| | | | | | | |
|---|---|---|---|---|---|---|
| **বৰ্ণনামূলক পাঠ** | পাঠটো শুদ্ধ উচ্চাৰণেৰে পঢ়িব পৰা | পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা | শব্দৰ অৰ্থ ক'ব পৰা আৰু লিখিব পৰা | আত্মসহায়ক গোট আৰু নাৰী সবলীকৰণ আঁচনিৰ কাম-কাজ সম্বন্ধে জনা আৰু সেই কামৰ প্ৰয়োজনীয়তা সম্পৰ্কে ক'ব পৰা | | |
| | | | | | | |
| **ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)** | একে উচ্চাৰণৰ ভিন ভিন শব্দৰ অৰ্থৰ পাৰ্থক্য জনা আৰু বাক্যত ব্যৱহাৰ কৰিব পৰা | বিপৰীত অৰ্থ বুজোৱা শব্দ জনা আৰু এটা শব্দত প্ৰকাশ কৰিব পৰা। | শব্দক বহুবচনলৈ পৰিবৰ্তন কৰিব পৰা আৰু লিংগ নিৰ্ণয় কৰিব পৰা | সন্ধি ভাঙিব আৰু গঠন কৰিব পৰা | যুক্তাক্ষৰযুক্ত শব্দৰে অৰ্থপূৰ্ণ বাক্য সাজিব পৰা | উপসৰ্গ লগ লগাই শব্দ গঠন কৰিব পৰা আৰু দুটীয়া শব্দৰে বাক্য গঠন কৰিব পৰা |
| | | | | | | |
| **জ্ঞান সম্প্ৰসাৰণ** | ভাব বহলাই লিখিব পৰা | আত্মসহায়ক গোটসমূহে মহিলাসকলৰ বাবে আগবঢ়োৱা বিভিন্ন আঁচনিৰ নাম জনা আৰু ক'ব পৰা | কুটীৰ শিল্প-জাত সামগ্ৰীৰ নাম জনা আৰু দৈনন্দিন জীৱনত তাৰ ব্যৱহাৰ সম্বন্ধে ক'ব পৰা | সাঁথৰ ভাঙিব পৰা | | |
| | | | | | | |
| **প্ৰকল্প** | আত্মসহায়ক গোটৰ কামৰ বিষয়ে লিখিব পৰা | | পৰিৱেশত পোৱা বিভিন্ন বস্তুৰে দৈনন্দিন জীৱনত ব্যৱহাৰ কৰা সামগ্ৰী প্ৰস্তুত কৰিব পৰা | | বাঁহ-বেতৰ কাম কৰি স্বাবলম্বী হোৱা লোকৰ বিষয়ে লিখিব পৰা | |
| | | | | | | |

☞ *অৰ্হতা আয়ত্ত হ'লে ওপৰৰ তালিকাখনৰ তলৰ খালী ঘৰত ✓ চিন দিব আৰু নহ'লে ✗ চিন দিব। অৰ্হতা আয়ত্ত নোহোৱা শিকাৰুক অতিৰিক্তভাৱে শিকাই পুনৰ মূল্যায়ন কৰিব।*

পাঠ - ৭

# বস্তু বিজ্ঞান অধ্যয়ন

*বিজ্ঞানৰ যুগান্তকাৰী আৱিষ্কাৰ আৰু ইয়াৰ প্ৰয়োগে মানৱ সমাজক ব্যাপক সুবিধাজনক স্থিতিত উপনীত কৰাইছে। এই আৱিষ্কাৰসমূহৰ সুফল হিচাপে পৃথিৱীৰ মানসিক আয়তন সংকুচিত হোৱাৰ লগতে এইবোৰৰ আধাৰত ন ন চিন্তাৰ বিকাশ সম্ভৱ হৈছে। কিন্তু, প্ৰতিবিধ বৈজ্ঞানিক আৱিষ্কাৰৰ আঁৰত আছে বিজ্ঞানীসকলৰ অপৰিসীম কষ্ট, সাধনা আৰু ত্যাগৰ কাহিনী। এই সাধনাৰ যাত্ৰা অবিৰত। মানৱ সভ্যতাৰ ন ন স্তৰত প্ৰতিটো বিষয় বা ক্ষেত্ৰত বিশেষ ধৰণৰ কাৰ্যই মানুহৰ বস্তু বিজ্ঞান অধ্যয়নক ভৱিষ্যতে অধিক সমৃদ্ধ কৰাত সহায় কৰিব।*

বিজ্ঞান শাস্ত্ৰ জ্ঞানৰ ভঁৰাল। ইয়াৰ বলত মানুহে অদ্ভুত অদ্ভুত কাম কৰিব লাগিছে। ৰে'ল, জাহাজ, টেলিগ্ৰাফ, ফটোগ্ৰাফ, ফনোগ্ৰাফ, টেলিফোন, গ্ৰামোফোন, অনুবীক্ষণ, দূৰবীক্ষণ, সম্প্ৰতি ওলোৱা বিমান, নানাবিধ ঔষধ আৰু নানা ৰকম চিকিৎসাৰ প্ৰণালী— এই আটাইবিলাক বিজ্ঞান- চৰ্চাৰ ফল। বিজ্ঞান-চৰ্চা কৰিলে প্ৰকৃতিৰ গুপ্ত তত্ত্ব ভেদ কৰিব পাৰি, অৰ্থাৎ প্ৰাকৃতিক ঘটনাবোৰৰ মূল কাৰণ জানিব পাৰি। আমাৰ সন্মুখত নানা ৰকম ঘটনা ঘটে। যেনে- ঢোলত কোব মাৰিলে শব্দ উঠে, হাবিয়নিত চিঞৰিলে প্ৰতিধ্বনি হয়। এইবিলাক ঘটনা আমি দিনে নিশাই দেখি আছোঁ কিন্তু কাৰণ সুধিলে ক'ব নোৱাৰোঁ। বিজ্ঞান শাস্ত্ৰ শিক্ষা কৰিলে এনেবিলাক ঘটনাৰ কাৰণ জনা যায়। বিজ্ঞানবিদ্ পণ্ডিতসকলে বিজ্ঞানৰ ফলত এই কাৰণ নিৰূপণ কৰি মনুষ্য জাতিৰ অশেষ উপকাৰ সাধিছে; শব্দৰ তত্ত্ব নিৰূপণ কৰি টেলিফোনেৰে এঠাইৰ শব্দ আনঠাইলৈ চলাব পাৰিছে, আৰু শব্দ ধৰি ফনোগ্ৰাফ, গ্ৰামোফোন আদি যন্ত্ৰ নিৰ্মাণ কৰিছে, ৰশ্মিৰ তত্ত্ব নিৰূপণ কৰি ফটোগ্ৰাফ কৰিছে, দৰ্শন ক্ৰিয়াৰ তত্ত্ব নিৰূপণ কৰি দূৰবীক্ষণ, অনুবীক্ষণ আদি যন্ত্ৰ সাজিছে, বায়ুৰ তত্ত্ব নিৰূপণ কৰি তাক জুলীয়া অৱস্থালৈ আনিছে আৰু আকাশত উৰি যোৱা বিমান প্ৰস্তুত কৰিছে। বিজ্ঞান-চৰ্চাৰ পৰা আজি পৰিমিত প্ৰকৃতিৰ ইমানখিনি তত্ত্ব পোৱা গৈছে আৰু চৰ্চা কৰি থাকিলে আগলৈ যে কিমান নতুন ৰহস্য বিদিত হ'ব, তাক কোনে ক'ব পাৰে? আচল মতে মনুষ্য জাতিৰ বৰ্তমান সভ্যতা কেৱল বিজ্ঞান-চৰ্চাৰ ফল। এতেকে এনেকুৱা বিজ্ঞান শাস্ত্ৰ যে অধ্যয়নৰ এটা ঘাই বিষয় তাক নতুন যুক্তিৰে প্ৰমাণ কৰিবৰ সকাম নাই।









কু-সংস্কাৰ উদ্‌গতি পথৰ এটা বাধা। জাতীয় কু-সংস্কাৰে জাতীয় উদ্‌গতিৰ পথ, আৰু ব্যক্তিৰ কু-সংস্কাৰে ব্যক্তিৰ উদ্‌গতিৰ পথ ভেটে। বিজ্ঞানৰ জ্ঞানে এটা ভেটা ভাঙি উদ্‌গতিৰ পথ মোকলাই দিয়ে। বহুত চহা মানুহে ধনগুলৈক প্ৰেতৰ মায়া বুলি বিশ্বাস কৰে, কিছুমানে পৃথিৱীখন হাতীৰ পিঠিত আছে বুলি বিশ্বাস কৰি, সেই হাতীয়ে গা লৰালে ভূমিকম্প হয় বুলি ভাবে। এইবিলাক সামান্য কু-সংস্কাৰৰ দৃষ্টান্ত, ইয়াতকৈ গুৰুতৰ বিষয়ত মানুহৰ কু-সংস্কাৰ আছে। বিজ্ঞান শিক্ষা কৰিলে তেনে কু-সংস্কাৰ থাকিব নোৱাৰে। বিজ্ঞান শিক্ষাৰপৰা বস্তুৰ মূল তত্ত্ব জনা যায়, গতিকে সেই বস্তু সম্বন্ধে মানুহৰ মনত কোনো মিছা সংস্কাৰ জন্মিব নোৱাৰে। পানী-কাষৰীয়া ঠাইত গধূলি মলিয়ন বস্তুৰ ভাপ ওলায়, সেই ভাপ বাজৰ পৰিষ্কাৰ বায়ুত পৰিলে জ্বলি উঠে ; এই কথা যি জানে সি ধনগুলৈক প্ৰেতৰ মায়া বুলি কেতিয়াও নাভাবে। কিন্তু এনে কথা বিজ্ঞান শিক্ষাৰপৰাহে জানিব পাৰি। এতেকে বিজ্ঞানত ভালকৈ জ্ঞান জন্মিলে মানুহৰ মনৰপৰা বহুত কু-সংস্কাৰ পলাবলৈ বাধ্য হয়।

বিজ্ঞান শাস্ত্ৰ নানা বিধ আছে, সকলো বিধৰ সম্পূৰ্ণ জ্ঞান লাভ কৰা বৰ দুষ্কৰ কথা, সেই দেখি মানুহে এবিধ বিজ্ঞানৰ মাথোন চৰ্চা কৰে। আগৰ বিজ্ঞানবিদ্ পণ্ডিতসকলৰ একোজনে একোটা বিষয়ৰ বিজ্ঞানহে চৰ্চা কৰিছিল। কিন্তু এটা বিষয়ৰ সম্পূৰ্ণ জ্ঞান লাভ কৰিবলৈ সকলো বিষয়ৰ অলপ অলপ জানিব লাগে, সকলোৰে কিঞ্চিৎ কিঞ্চিৎ তেহে এটাৰ সমুচিত। এতেকে আগেয়ে সকলো বিষয়ৰ অলপ অলপ জ্ঞান গোটাই লৈ, পাছত এক বিষয়ত ভালকৈ লাগিব লাগে।

**লেখক— সত্যনাথ বৰা,**

**(উৎস — সত্যনাথ বৰাৰ 'সাৰথি'ৰ পৰা লোৱা হৈছে।)**

**লেখকৰ পৰিচয় —**

সত্যনাথ বৰা (১৮৬০-১৯২৫)ৰ জন্ম হয় গুৱাহাটীৰ ভৰলুমুখত। সৰুতেই পিতৃ-মাতৃক হেৰুৱাই খুৰাকৰ তত্ত্বাৱধানত তেখেতে শিক্ষা লাভ কৰে। ১৮৮৯ চনত বি. এল. পৰীক্ষাত উত্তীৰ্ণ হৈ তেখেতে প্ৰথমে গুৱাহাটীত ওকালতি কৰে আৰু পাছত সাময়িকভাৱে আৰ্ল.ল. কলেজতো অধ্যাপনা কৰে। কিছুদিন তেখেতে কটন কলেজতো অধ্যাপনা কৰিছিল। সত্যনাথ বৰাই ছাত্ৰাৱস্থাৰ পৰা সাহিত্য-চৰ্চাত মনোনিবেশ কৰি প্ৰথমে গীত আৰু ভালেমান খুহুটীয়া কবিতা ৰচনা কৰিছিল। কিন্তু তেখেতৰ খ্যাতি প্ৰবন্ধকাৰ আৰু ব্যাকৰণবিদ হিচাপেহে। 'সাৰথি', 'চিন্তাকলি'ৰ প্ৰবন্ধবোৰে তেখেতক এগৰাকী শক্তিশালী গদ্য লেখক হিচাপে প্ৰতিষ্ঠা কৰিছে। 'বহল ব্যাকৰণ' তেখেতৰ অসমীয়া ভাষা-জ্ঞানৰ উজ্জ্বল নিদৰ্শন। তেখেতৰ আন দুখন গ্ৰন্থ হ'ল 'সাহিত্য বিচাৰ' আৰু 'আকাশ ৰহস্য'।

## ক — পাঠভিত্তিক ক্ৰিয়া

**ক্ৰিয়া-কলাপ**

১। উত্তৰ দিয়া।

(ক) বিজ্ঞান শাস্ত্ৰ কিহৰ ভঁৰাল?

(খ) বিজ্ঞানৰ বলত মানুহে কেনে ধৰণৰ কাম কৰিবলৈ ধৰিছে?

(গ) বিজ্ঞান-চৰ্চা কৰিলে মানুহে কি ভেদ কৰিব পাৰে?

(ঘ) উদ্‌গতি পথত কিহে বাধা দিয়ে?

(ঙ) ধনগুলৈক কিহৰ মায়া বুলি মানুহে বিশ্বাস কৰে?

(চ) হাতীয়ে গা লৰালে কি হয় বুলি ভাবে?

(ছ) বিজ্ঞান শিক্ষাৰ পৰা কি জনা যায়?



২। **'ধনগুলৈ'ৰ কেনেকৈ উৎপত্তি হয় চমুকৈ লিখা।**

৩। **'প্ৰতিধ্বনি' কেনেকৈ হয় চমুকৈ লিখা।**

৪। **কি কাৰণত বিজ্ঞান শাস্ত্ৰক জ্ঞানৰ ভঁৰাল বুলি কোৱা হয়?**

৫। **বিজ্ঞানবিদ্‌সকলে শব্দ-তত্ত্ব নিৰূপণ কৰি কি কি আৱিষ্কাৰ কৰিছে?**

৬। **প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰা।**

(ক) কু-সংস্কাৰ উদ্‌গতি পথৰ এটা বাধা।

(খ) বিজ্ঞান শাস্ত্ৰ জ্ঞানৰ ভঁৰাল।

(গ) মনুষ্য জাতিৰ বৰ্তমান সভ্যতা কেৱল বিজ্ঞান চৰ্চাৰ ফল।

(ঘ) সকলোৰে কিঞ্চিৎ কিঞ্চিৎ তেহে এটাৰ সমুচিত।

৭। **বহলাই লিখা।**

(ক) পাঠৰ আলমত কু-সংস্কাৰৰ দৃষ্টান্ত কেইটামান উল্লেখ কৰা আৰু কি কৰিলে সমাজৰ পৰা কু-সংস্কাৰবোৰ দূৰ কৰিব পাৰি লিখা।

(খ) 'বিজ্ঞান শাস্ত্ৰ অধ্যয়নৰ এটা ঘাই বিষয়' — যুক্তিৰে তোমাৰ মতামত দাঙি ধৰা।

জানো আহা

**শব্দাৰ্থ আৰু টোকা**

পৰিমিত — উপযুক্ত পৰিমাণৰ, জোখৰ; যেনে- পৰিমিত আহাৰ।

বিদিত — জ্ঞাত, প্ৰকাশিত।

ধনগুলৈ — জাবৰ, জন্তুৰ মল-মূত্ৰ আদি পচা বস্তু থকা, জেকা ঠাইৰ পৰা ওলোৱা এবিধ বাষ্প। ই বতাহেৰে সংলগ্ন হ'লে তাত জুই উঠে আৰু সেই জুই চাকি এটাৰ নিচিনা হৈ বতাহত কিছু বেলি চলি ফুৰে ; কোনো কোনো লোকে বিশ্বাস কৰে যে পুতি থোৱা ধন-সোণৰ ই এক কালিকা আৰু ৰাতি বাহিৰলৈ ওলায়। সেইবাবে লোকে ইয়াক 'ধনগুলৈ' বোলে।



প্ৰেত — মৰা মানুহৰ আত্মা, ভূত, পিশাচ।

সমুচিত — যুগুত, উচিত, উপযুক্ত।

দুষ্কৰ — দুঃসাধ্য।

হাবিয়নি — জংঘল, বননি।

ভেদ — প্ৰভেদ, ৰহস্য, সন্ধেদ, প্ৰকাশ।

ভেটা — পানী অহা বন্ধ কৰিবলৈ কৰা আলি বা ঢাপ।

চহা — হাল-কোৰ বাই খোৱা, গাঁৱত থকা লোক।

## খ —ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)

জানো আহা

পাঠটোৰ পৰা লোৱা তলৰ শব্দকেইটালৈ মন কৰা- হাবিয়নি, জুলীয়া আৰু কাষৰীয়া। এইকেইটা একোটা যৌগিক শব্দ। ইয়াত 'হাবি','জোল','কাষ' আদি মূল শব্দত ক্ৰমে -অনি, -ঈয়া, -অৰীয়া আৰু ঈয় প্ৰত্যয় যোগ হৈ উল্লিখিত নতুন অৰ্থবাচক শব্দ তিনিটা গঠিত হৈছে। এইদৰে শব্দৰ পাছত যোগ হৈ নতুন অৰ্থবাচক শব্দ গঠন কৰা প্ৰত্যয়ক তদ্ধিত প্ৰত্যয় বোলে। অসমীয়াত আঢ়ৈ কুৰিৰো অধিক তদ্ধিত প্ৰত্যয় আছে। বিস্তৃত বা জুৰি থকা অৰ্থত **'অনি'** প্ৰত্যয় যোগ হোৱা শব্দ ঃ

| | | | | |
|---|---|---|---|---|
| হাবিয়নি | = | হাবি | + | অনি |
| বননি | = | বন | + | অনি |
| ফুলনি | = | ফুল | + | অনি |
| কাঠনি | = | কাঠ | + | অনি |
| গছনি | = | গছ | + | অনি |

তদ্ধিত প্ৰত্যয় যোগ হোৱা আন কেইটামান উদাহৰণ-

| মূল শব্দ | তদ্ধিত প্ৰত্যয় | নতুন শব্দ | অৰ্থ |
|---|---|---|---|
| ধাৰ | -উৱা | ধৰুৱা | ধাৰ কৰা লোক |
| গাঁও | -অলীয়া | গাঁৱলীয়া | গাঁৱত বাস কৰা লোক |

সেইদৰে ধাতুৰ পাছতো -অন, -অৰীয়া আদি প্ৰত্যয় যোগ কৰি নতুন অৰ্থবাচক শব্দ গঠন কৰা হয়। ধাতুৰ পাছত যোগ হোৱা এনেবোৰ প্ৰত্যয়ক **কৃৎ প্ৰত্যয়** বোলে। যেনে-

| ধাতু | কৃৎ প্ৰত্যয় | নতুন শব্দ | অৰ্থ |
|---|---|---|---|
| গম্ | -অন | গমন | যোৱা কাৰ্য |
| খা | -অৰীয়া | খাবৰীয়া | বেছিকৈ খাব পৰা লোক; খাওঁতা |

অসমীয়া ভাষাত নতুন শব্দ গঠন কৰা আৰু কিছুমান প্ৰত্যয় আছে। যেনেঃ উপ, কু, আও, বে আদি। এই প্ৰত্যয়বোৰ শব্দৰ আগত যোগ হ'লে নতুন অৰ্থবাচক শব্দ গঠিত হয়। এনেবোৰ প্ৰত্যয়ক উপসৰ্গ বোলে। যেনে-

| মূল শব্দ | উপসৰ্গ | নতুন শব্দ | অৰ্থ |
|---|---|---|---|
| বাট | আও | আওবাট | বিপথ |
| সংস্কাৰ | কু | কু-সংস্কাৰ | বেয়া আচাৰ |

৮। **তলৰ শব্দকেইটাৰ প্ৰত্যয় ভাঙি দেখুওৱা।**

| | | | |
|---|---|---|---|
| বোৱনী | বান্ধনি | নাৱৰীয়া | মৰমীয়াল |
| পনীয়া | জোনালী | দয়ালু | ধৰুৱা |

## গ—জ্ঞান সম্প্ৰসাৰণ

৯। **ৰচনা লিখা।**

**(ক) দৈনন্দিন জীৱনত বিজ্ঞানৰ প্ৰভাৱ।**

— আৰম্ভণি

— মানুহ বিজ্ঞানৰ ওপৰত নিৰ্ভৰশীল

— বিজ্ঞানৰ অৱদান

— বিজ্ঞানৰ অপকাৰ

— মন্তব্য



**(খ) কম্পিউটাৰ আৰু আধুনিক জীৱন।**

— আৰম্ভণি

— মানুহৰ দৈনন্দিন জীৱনত কম্পিউটাৰৰ প্ৰভাৱ

— ইয়াৰ অপকাৰ

— মন্তব্য।



**(গ) দূৰদৰ্শন— ইয়াৰ ভাল-বেয়া প্ৰভাৱ।**

**(ঘ) কথাছবি আৰু সমাজত ইয়াৰ প্ৰভাৱ।**

**(ঙ) মোবাইল ফোন— ইয়াৰ উপকাৰিতা আৰু অপকাৰিতা।**

**১০। চমুটোকা লিখা।**

(ক) গ্ৰামোফোন (খ) ইন্টাৰনেট

(গ) দূৰভাষ (Telephone) (ঘ) অনুবীক্ষণ।



## ঘ — প্ৰকল্প

**১১। তলত উল্লেখ কৰা বিষয়বস্তুক লৈ তৰ্ক প্ৰতিযোগিতা এখন পাতা।**

(ক) বিজ্ঞানৰ আৱিষ্কাৰ মানৱ সভ্যতাৰ অভিশাপ।

(খ) মোবাইল ফোনে যুৱ প্ৰজন্মৰ ওপৰত কু-প্ৰভাৱ পেলাইছে।

এই প্ৰতিযোগিতাত তোমাৰ মতৰ সপক্ষে আৰু বিপক্ষে ক'ব পৰাকৈ যুক্তিবোৰ লিখা।

☞ *শ্ৰেণী কোঠাত তৰ্ক প্ৰতিযোগিতা পাতি ছাত্ৰ-ছাত্ৰীক অংশ গ্ৰহণ কৰিবলৈ দিব। বিষয়বেইটাৰ সপক্ষে-বিপক্ষে যুক্তি দিয়াত সহায় কৰিব।*

১২। পাঠৰ আলমত বিজ্ঞান-চৰ্চাৰ ফলত আৱিষ্কৃত সামগ্ৰীসমূহ তালিকাভুক্ত কৰি সেইবোৰ কোনে, কেতিয়া আৱিষ্কাৰ কৰিছিল উল্লেখ কৰা।

| সামগ্ৰীৰ নাম | আৱিষ্কাৰক / উদ্ভাৱক | সময় / চন |
|---|---|---|
| ৰেডিঅ' | | |

☞ *নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

## পাঠটোৰ পৰা আহৰণ কৰিবলগীয়া অৰ্হতা

- গদ্যপাঠ পঢ়াৰ প্ৰতি আগ্ৰহী হোৱা
- বৈজ্ঞানিক দৃষ্টিভংগী গঢ়ি তোলা
- পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা
- শব্দৰ অৰ্থ জনা
- শব্দতত্ত্ব, ৰশ্মিতত্ত্ব, দৰ্শনক্ৰিয়াতত্ত্ব, বায়ুতত্ত্ব আদিৰ বিষয়ে জনা
- প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰিব পৰা
- সমাজত প্ৰচলিত কু-সংস্কাৰ দূৰীকৰণৰ মনোভাব গঢ়ি তোলা
- উপসৰ্গ, প্ৰত্যয় সম্পৰ্কে ধাৰণা জন্মা
- সত্যনাথ বৰা আৰু তেওঁৰ সাহিত্য প্ৰতিভা সম্বন্ধে জনা
- ৰচনা লিখাৰ কৌশল আয়ত্ত কৰিব পৰা
- বিষয়বস্তুৰ লগত সংগতি ৰাখি তৰ্ক প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব পৰা
- বিজ্ঞান-চৰ্চাৰ ফলত আৱিষ্কৃত সামগ্ৰীৰ বিষয়ে জনা আৰু আৱিষ্কাৰকসকলক জনা

## শিকাৰুৰ পাঠভিত্তিক অৰ্হতাৰ মূল্যায়ন

| | | | | | | |
|---|---|---|---|---|---|---|
| **গদ্য পাঠ** | গদ্যপাঠ শুদ্ধ উচ্চাৰণেৰে পঢ়িব পৰা | পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা | শব্দৰ অৰ্থ জনা | শব্দতত্ত্ব, ৰশ্মিতত্ত্ব, দৰ্শনক্ৰিয়াতত্ত্ব, বায়ুতত্ত্ব আদিৰ বিষয়ে জানি ক'ব আৰু লিখিব পৰা | প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰিব পৰা | |
| | | | | | | |
| **ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)** | উপসৰ্গ, প্ৰত্যয় প্ৰয়োগ কৰি শব্দ গঠন কৰিব পৰা | প্ৰত্যয় ভাঙিব পৰা | | | | |
| | | | | | | |
| **জ্ঞান সম্প্ৰসাৰণ** | ৰচনা লিখিব পৰা | বিভিন্ন বৈদ্যুতিন আহিলা আৰু যন্ত্ৰৰ বিষয়ে লিখিব পৰা | | | | |
| | | | | | | |
| **প্ৰকল্প** | বিষয়বস্তুৰ লগত সংগতি ৰাখি তৰ্ক প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব পৰা | | বিজ্ঞান-চৰ্চাৰ ফলত আৱিষ্কৃত সামগ্ৰীৰ বিষয়ে জনা আৰু আৱিষ্কাৰকসকলক জনা | | | |
| | | | | | | |

☞ *অৰ্হতা আয়ত্ত হ'লে ওপৰৰ তালিকাখনৰ তলৰ খালী ঘৰত ✓ চিনদিবআৰুনহ'লে× চিন দিব। অৰ্হতা আয়ত্ত নোহোৱা শিকাৰুক অতিৰিক্তভাৱে শিকাই পুনৰ মূল্যায়ন কৰিব।*

পাঠ - ৮

V6H4I6

# শ্ৰীশ্ৰীশংকৰদেৱ

*অসমৰ জাতীয় জীৱনক সাহিত্য-সংস্কৃতি, সভ্যতাৰ এক গৌৰৱময় স্তৰত উপনীত কৰোৱা শ্ৰীশ্ৰীশংকৰদেৱৰ অৱদান অতুলনীয় আৰু অপৰিমেয়। অসমৰ বিভ্ৰান্ত তথা বিশৃংখল সমাজ-জীৱনক সনাতন ধৰ্মমতেৰে মহাপুৰুষজনাই উদ্ভাসিত কৰি তুলিছিল। তেখেতে জাতীয় জীৱনৰ সকলো দিশতে সংস্কাৰমূলক দৃষ্টিভংগীৰে এক পৰিশীলিত জীৱন-বোধ জগাই তুলিবলৈ নিৰন্তৰ প্ৰয়াস কৰিছিল। যাৰ ফলস্বৰূপে আমি ভাৰতীয় জীৱনশৈলীত স-সম্মানে নিজৰ স্থিতিক লৈ গৌৰৱ কৰিব পাৰিছোঁহঁক। আমাৰ জাতীয় সংস্কৃতিৰ ৰীতি-নীতি, চিন্তা-ভাৱনা, সৃজন-মনন এই সকলোতে শ্ৰীশ্ৰীশংকৰদেৱৰ পৰশ অনস্বীকাৰ্য। গুৰুজনাৰ প্ৰতিটো সৃষ্টিকৰ্মই অসমীয়া জাতিটোক সমৃদ্ধিশালী কৰি তুলিছে।*



কোন দূৰ অতীতৰ ধ্যান মগ্ন যোগী তুমি
তব পুণ্য কিৰণেৰে কৰিলা পবিত্ৰ ভূমি?
নিৰলে বজাই বীণা কোন কবি কাননত
স্বৰ্গৰ বাতৰি আনি দিলা দেৱ মৰতত?
মধুৰ ঝঙ্কাৰ তাৰ গভীৰ উদাৰ সুৰে
আজিও উঠিছে বাজি অসমৰ ঘৰে ঘৰে।
যি বীণৰ সুৰেৰেই প্ৰেম মন্দাকিনী ধাৰা।
অসীম সাধনা বলে নমালা স্বৰ্গৰ পৰা।
বোৱালা ভক্তিৰ সোঁত, দিলা ধৰ্ম্ম দিলা জ্ঞান,
দিলা ভাষা অসমক কৰিলা জীৱন দান।
তোমাৰ জীৱনী দেৱ! লিখে এনে সাধ্য কাৰ
গোটেই অসম ভূমি বিস্তৃত জীৱনী যাৰ
অসমৰ ৰীতি- নীতি, অসমৰ সদাচাৰ,
অসমৰ ধৰ্ম্মভাৱ, অসমৰ ব্যৱহাৰ।
সকলোকে তুমি দেৱ! সজালা নতুন সাজে;
তোমাৰ গৰিমা গীতি হৃদয়ে হৃদয়ে বাজে।
বেদ-উপনিষদৰ বাচি বাচি ফুল তুলি
কত যতনেৰে দেৱ! গাঁথিলা ই মালা ধাৰি।



ক্ষুদ্ৰ স্বাৰ্থ, ভিন ভাব আঁতৰাই সকু বৰ
পিন্ধালা ধৰ্ম্মৰ মালা সকলোকে আদৰৰ।
জ্ঞানী, ভক্ত, কৰ্ম্মবীৰ অসমৰ ৰত্ন তুমি
অশেষ যতনে দেৰ সজালা জনমভূমি।
তোমাৰ সাজকে পিন্ধি জননীয়ে উলাহত,
নিজকে চিনাকি দিয়ে হাঁহি হাঁহি জগতত।

কবি - যতীন্দ্ৰ নাথ দুৱৰা

*( উৎস- 'যতীন্দ্ৰ নাথ দুৱৰা ৰচনাৱলী', সম্পাদনা - লক্ষ্মীনাথ তামুলী, পৃষ্ঠা ৪১৪-৪১৫, প্ৰকাশক - লয়াৰ্ছ বুক ষ্টল, পাণবজাৰ গুৱাহাটী, অসম। পাঠৰ উপযোগিতালৈ লক্ষ্য ৰাখি কবিতাটি সংক্ষিপ্ত ৰূপত উপস্থাপন কৰা হৈছে )*

## জানো আহা

**কবি পৰিচয় ঃ**

**যতীন্দ্ৰ নাথ দুৱৰা** (১৮৯২-১৯৬৪) — বিংশ শতিকাৰ অন্যতম শ্ৰেষ্ঠ গীতি কবি যতীন্দ্ৰ নাথ দুৱৰা অসমীয়া সাহিত্যৰ চিৰ বন্দিত ব্যক্তি। ৰোমাণ্টিক ভাবাদৰ্শৰ গীতিকবিতাই পূৰ্ণ বিকাশ লাভ কৰে যতীন্দ্ৰ নাথ দুৱৰাৰ ৰচনাত।


শিৱসাগৰৰ দিখৌ নৈৰ পাৰত তেখেতৰ জন্ম হৈছিল। তেখেতৰ পিতৃ মাতৃ আছিল শ্যামসুন্দৰ দুৱৰা আৰু পুণ্যদা দুৱৰা।

তেখেতে ১৯০৯ চনত শিৱসাগৰ উচ্চ ইংৰাজী বিদ্যালয়ৰ পৰা প্ৰৱেশিকা পৰীক্ষা পাছ কৰে। ১৯১৩ চনত স্কটিছ চাৰ্চ্চ কলেজৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰে। ইয়াৰ পাছত তেখেতে এম.এ আৰু আইন শ্ৰেণীত নাম লগায় যদিও ডিগ্ৰী নোলোৱাকৈ পঢ়া শেষ কৰিব লগা হয়। ডিব্ৰুগড় জৰ্জ ইন্সটিটিউচনত শিক্ষকতাৰে চাকৰি জীৱন আৰম্ভ কৰি তেখেতে ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ কলেজত অধ্যাপনাৰে তেখেতে চাকৰি জীৱনৰ সামৰণি মাৰে।

যতীন্দ্ৰ নাথ দুৱৰাই 'বাঁহী' আলোচনীৰ মাধ্যমেৰে সাহিত্য জগতত আত্মপ্ৰকাশ কৰে। 'ওমৰ তীৰ্থ', 'আপোন সুৰ', 'বনফুল', 'মিলনৰ সুৰ' আৰু 'মৰমৰ সুৰ' আদি তেখেতে ৰচনা কৰা পুথি। তেখেতৰ একমাত্ৰ গদ্যপুথিখন হৈছে 'কথাকবিতা'। 'ওমৰ তীৰ্থ' পাৰস্য কবি ওমৰ খৈয়ামৰ ৰুবায়তৰ তেখেতে কৰা সুন্দৰ ভাঙনি। 'বনফুল' কবিতা পুথিৰ বাবে তেখেতে ১৯৫২ চনত সাহিত্য অকাদেমি পুৰস্কাৰ লাভ কৰে। তেখেতে এক সহজ-সৰল জীৱন-যাপন কৰিছিল। তেখেতৰ কবিতাবোৰৰ মাজত অনুৰণিত হয় চিৰন্তন দুখ আৰু বেদনা। ১৯৬৪ চনত যতীন্দ্ৰ নাথ দুৱৰাই শেষ নিশ্বাস ত্যাগ কৰে।

**ক্ৰিয়া-কলাপ**

## ক— পাঠভিত্তিক ক্ৰিয়া




১। **কবিতাটো শুদ্ধকৈ লয়, ছন্দ ৰক্ষা কৰি পঢ়া।**

২। **কবিতাটো একক আৰু দলীয়ভাৱে আবৃত্তি কৰা।**

৩। **উত্তৰ দিয়া।**

(ক) কবিয়ে 'ধ্যানমগ্ন যোগী' বুলি কাক কৈছে?

(খ) কবিয়ে কিহেৰে ভূমি পবিত্ৰ কৰাৰ কথা কৈছে?

(গ) কবি কাননত কি বজোৱাৰ কথা কৈছে?

(ঘ) মৰতত কোনে কিহৰ বাতৰি আনি দিলে?

(ঙ) কবিতাটোত অসমৰ ঘৰে ঘৰে কি বাজি উঠাৰ কথা কোৱা হৈছে?

৪। **কবিতাটোৰ মূল কথাখিনি গদ্যৰে লিখা।**

৫। **তলৰ আঁচ টনা শব্দবোৰৰ অৰ্থ সোঁফালৰ বন্ধনীৰ ভিতৰত দিয়া আছে। সেইবোৰৰ শুদ্ধ অৰ্থ বাছি উলিয়াই লিখা।**

(ক) কোন দূৰ অতীতৰ <u>ধ্যানমগ্ন</u> যোগী তুমি (তন্ময় / বিস্ময় / মহান)

(খ) গোটেই অসমভূমি <u>বিস্তৃত</u> জীৱনী যাৰ (শিপাই যোৱা / নাইকিয়া হোৱা / বিয়পি পৰা)

(গ) তোমাৰ <u>গৰিমা</u> গীতি হৃদয়ে হৃদয়ে বাজে (যশস্যা / গঞ্জনা / লাঞ্ছনা)

(ঘ) স্বৰ্গৰ বাতৰি আনি দিলা দেৱ! <u>মৰতত</u> (পৃথিৱী/ পাতাল / আকাশ)

৬। **বাক্য ৰচনা কৰা।**

পবিত্ৰ কৰ্মবীৰ সদাচাৰ ৰীতি-নীতি মৰত মধুৰ

৭। **কবিতাটোৰ পৰা শব্দ আনি খালী ঠাই পূৰ কৰা।**

মধুৰ ——— তাৰ গভীৰ ——— সুৰে
আজিও উঠিছে বাজি ——— ঘৰে ঘৰে।
যি ——— সুৰেৰেই প্ৰেম ——— ধাৰা।
অসীম ——— বলে নমালা ——— পৰা।

৮। **প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰা।**

(ক) নিৰলে বজাই বীণা কোন কবি কাননত
স্বৰ্গৰ বাতৰি আনি দিলা দেৱ মৰতত?

☞ *নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

(খ) তোমাৰ জীৱনী দেৱ! লিখে এনে সাধ্য কাৰ
গোটেই অসম ভূমি বিস্তৃত জীৱনী যাৰ।

৯। **শেষৰ ধ্বনি মিল থকা শব্দবোৰ কবিতাটোৰ পৰা বাছি উলিয়াই লিখা।**

উদাহৰণ- তুমি - ভূমি ধাৰা - ......... সাজে- ..........

সুৰে - ......... জ্ঞান - ......... সদাচাৰ .........

১০। **চমুকৈ লিখা।**

(ক) 'স্বৰ্গৰ বাতৰি আনি দিলা দেৱ মৰতত?'.......... ইয়াত উল্লেখ কৰা 'স্বৰ্গৰ বাতৰি' কি, বুজাই লিখা।

(খ) কবিয়ে উল্লেখ কৰা মতে শংকৰদেৱে অসমক কি দান দিলে আৰু কিহক নতুন সাজেৰে সজালে?

(গ) 'কত যতনেৰে দেৱ! গাঁথিলা এই মালাধাৰি।' — ইয়াত কোনে কি মালা গাঁথাৰ কথা কৈছে বুজাই লিখা।

(ঘ) শংকৰদেৱে অসমীয়া সমাজৰ পৰা কি কি আঁতৰালে?

## খ — ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)

১১। **তলত দিয়া শব্দসমূহৰ সমার্থক শব্দ পাঠৰ পৰা বাছি উলিয়াই লিখা।**

| | | | |
|---|---|---|---|
| পৃথিৱী | | বাগিচা | |
| মৰম | | গংগা | |
| সন্ন্যাসী | | গৌৰৱ | |
| অন্তৰ | | মিঠা | |

১২। **তলত দিয়া শব্দসমূহৰ বিপৰীত অৰ্থ বুজোৱা শব্দ লিখা।**

| | | | |
|---|---|---|---|
| অতীত | | পবিত্ৰ | |
| পুণ্য | | জীৱন | |
| প্ৰেম | | অশেষ | |

১৩। **কবিতাটোৰ পৰা বিশেষ্য আৰু বিশেষণ পদবোৰ বাছি উলিয়াই দুখন তালিকা প্ৰস্তুত কৰা।**

☞ *নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

১৪। 'যি বীণৰ সুৰেৰেই প্ৰেম মন্দাকিনী ধাৰা।'

**এই 'ধাৰা' শব্দটোৰ লগত বেলেগ বেলেগ শব্দ যোগ কৰি বেলেগ বেলেগ অৰ্থ প্ৰকাশ কৰা হয়। তলত তাৰে কেইটামান শব্দ দিয়া হৈছে। এই শব্দকেইটাৰ অৰ্থ অভিধান চাই লিখা।**

ফল্গু ধাৰা ........................

জীৱন ধাৰা ........................

ধাৰাসাৰ ........................

ধাৰাবাহিক ........................

ধাৰাভাষ্য ........................

ধাৰাপাত ........................



১৫। **এটা শব্দত প্ৰকাশ কৰা।**

(ক) কেৱল এজন দেৱতাৰ ওচৰত শৰণ লোৱা -

(খ) বিষ্ণুক ভক্তি কৰে যি -

(গ) একে গুৰুৰ শিষ্য-

(ঘ) সত্ৰ সম্বন্ধীয়-

জানো আহা

"আজিও উঠিছে বাজি অসমৰ **ঘৰে ঘৰে**"।

"তোমাৰ গৰিমা গীতি **হৃদয়ে হৃদয়ে** বাজে"।

"বেদ উপনিষদৰ **বাচি বাচি** ফুল তুলি"

"নিজকে চিনাকি দিয়ে **হাঁহি হাঁহি** জগতত"

ওপৰৰ পদকেইফাকি কবিতাটোৰ পৰা লোৱা হৈছে। **ঘৰে ঘৰে, হৃদয়ে হৃদয়ে, বাচি বাচি, হাঁহি হাঁহি** আদি যুৰীয়া শব্দ। ব্যাপকতা, প্ৰগাঢ়তা, সম্পূৰ্ণতা, অপূৰ্ণতা, আকাংক্ষা, পুনঃ পুনঃ, পাৰস্পৰিক আদি বিভিন্ন ভাব বুজাবলৈ যুৰীয়াকৈ যিবোৰ শব্দ ব্যৱহাৰ কৰা হয়, সেইবোৰক **যুৰীয়া শব্দ** বুলি কোৱা হয়। যুৰীয়া শব্দৰ যোৰ ভাঙি উচ্চাৰণ কৰিলে সেইবিলাকৰ অৰ্থ কেতিয়াবা প্ৰকাশ নাপায়, আকৌ কেতিয়াবা কিবা অৰ্থ প্ৰকাশ পালেও শব্দযোৰৰ প্ৰকৃত অৰ্থ উপযুক্ত জোৰ বা ব্যঞ্জনা হেৰাই যায়। সেইবাবে যুৰীয়া শব্দবোৰ সকলো সময়তে যুৰীয়াকৈ কথিত বা লিখিত ৰূপত ব্যৱহাৰ কৰা হয়। এইদৰে কথাৰে প্ৰকাশ কৰিব নোৱৰা একেখিনি ভাব কেৱল যুৰীয়া শব্দইহে দাঙি ধৰিব পাৰে। অসমীয়া ভাষাত এইবোৰৰ ব্যৱহাৰ বৈশিষ্ট্যপূৰ্ণ।

১৬। তলত দিয়া যুৰীয়া শব্দকেইটাৰে বাক্য সাজা।

(ক) জয় জয় —

(খ) কোন কোন —

(গ) নিজে নিজে —

(ঘ) দলে দলে —

(ঙ) পাচিয়ে পাচিয়ে —

## গ— জ্ঞান সম্প্ৰসাৰণ

জানো আহা

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে অসমৰ জাতীয় জীৱনলৈ নাট, গীত, ভাওনা, সবাহ আৰু সাহিত্য সৃষ্টিৰ জৰিয়তে সৰ্বাধিক অৱদান আগবঢ়াই গৈছে। তেখেত আছিল একাধাৰে কবি, নাট্যকাৰ, অভিনেতা, সংগীতজ্ঞ, চিত্ৰকৰ আৰু অসমৰ নব বৈষ্ণৱ আন্দোলনৰ গুৰিধৰোঁতা প্ৰবাদ পুৰুষ। সৰ্বগুণাকৰ মহাপুৰুষজনাই সেই সময়ৰ বহুধা বিভক্ত তথা বৰ্ণভিত্তিক সমাজৰ অশুভ দিশসমূহৰ অৱসান ঘটাবলৈ যি সমাজ সংস্কাৰকৰ ভূমিকা পালন কৰিছিল তাৰ বাবে আমি চিৰকৃতজ্ঞ হৈ থাকিম। অসমৰ বিভিন্ন জনগোষ্ঠীৰ লোকক একতাৰ ডোলেৰে বান্ধিবলৈ তেৰাই নামধৰ্ম প্ৰচাৰ আৰু প্ৰসাৰত ব্ৰতী হৈছিল। প্ৰায় সকলো সম্প্ৰদায়ৰ লোকৰ মাজতেই আছিল তেৰাৰ শিষ্য, যি সম্প্ৰীতি ৰক্ষাৰ অপূৰ্ব চানেকি।

'এক দেৱ, এক সেৱ, এক বিনে নাই কেৱ' বোলা নাম ধৰ্মৰ মূলমন্ত্ৰৰ প্ৰবক্তা মহাপুৰুষগৰাকী অসমীয়া জাতীয় জীৱনৰ 'শংকৰসূৰ্য' হৈ অনন্তকাল উজলি থাকিব এইবাবেই যে তেৰাই অনৈক্যৰ মাজত ঐক্যৰ সন্ধান কৰি অসমৰ সংস্কৃতিক জাকত জিলিকা কৰি থৈ গৈছে।

১৭। সাৰাংশ লিখা।

'মৌ-মাখিয়ে ফুলে ফুলে উৰি মধু আহৰণ কৰি মৌচাক নিৰ্মাণ কৰে। সেই চাকৰ কিমান আদৰ! মকৰাই কিন্তু নিজৰ পেটৰ পৰা বিজলুৱা আঠা উলিয়াই জাল বয়। মানুহে বাঢ়নীৰে সেই কৃত্ৰিম সূতাৰ জাল সাৰি পেলায়। নীৰৱ সাধকসকল মৌ-মাখিৰ নিচিনা হ'ব লাগিব। তেওঁলোকে বুৰঞ্জীৰ নানান যুগৰ ৰাজনীতি, সমাজনীতি, সাহিত্য-বিজ্ঞানৰ মৌ আহৰণ কৰি আদৰ্শৰ মৌচাক গঢ়ি তুলিব লাগিব।'

১৮। (ক) **তোমালোকৰ বিদ্যালয়ত উদযাপন কৰা বছৰেকীয়া সভাৰ সাংস্কৃতিক প্ৰতিযোগিতামূলক অনুষ্ঠানত তুমি অংশগ্ৰহণ কৰা নে নকৰা? তলত দিয়া বিভিন্ন বিষয়ৰ তালিকাখনত তোমাৰ ভাললগা বিষয়কেইটাত '✓' চিন দিয়া।**

(১) গীত ☐ (২) অভিনয় ☐ (৩) ছবি অঁকা ☐ (৪) আবৃত্তি ☐

(৫) ঢোল বাদন ☐ (৬) বেহেলা বজোৱা ☐ (৭) বাঁহী বাদন ☐ (৮) তবলা বজোৱা ☐

(খ) শ্ৰীমন্ত শংকৰদেৱে সমাজ সংস্কাৰ কৰি সমাজক নতুন জীৱন দান দিছিল। তোমালোকে তেনে ধৰণেৰে সমাজৰ কাম কৰিবলৈ ইচ্ছা কৰানে? তোমালোকৰ বিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সহযোগত সমাজৰ কিবা কাম কৰিছা যদি সেই বিষয়ে চমুকৈ লিখা।

(গ) বৰ্তমান সমাজত চলি থকা ডাইনী হত্যা আৰু ৰাগিয়াল বস্তু সেৱন সম্পৰ্কত তোমালোকৰ মতামত প্ৰকাশ কৰা।

বৰগীত গাওঁ আহা-





ধ্ৰুং — কানাইৰ কমল মুখ পেখিতে নয়ন সুখ
কোটি ইন্দু জিনি পৰকাশে।
শ্যামল সুন্দৰ বৰ নৱ নীল জলধৰ
তনু ভাল শোহে পীতবাসে॥
পদ— আভীৰ বালেক সঙ্গে খেলান খেলায় ৰঙ্গে
ৰহিয়া কদম্ব তৰুতলে।
হাঁহি হাঁহি বংশী বায় বঙ্কিম নয়নে চায়
কদম্বেৰ মালা ল'লৈ গলে॥
অৰুণ চৰণ মাজে সঞ্জীৰ ঝমকে বাজে
সাজে কোটি মনমথ জিনি।
যমুনা পুলিন বনে ধায়া ধায়া ৰঙ্গ মনে
গেণ্ডুৱা খেলায় যদুমণি।
তেজিয়া বৈকুণ্ঠ সুখ লীলায়ে গোপৰ ৰূপ
ধৰি হৰি গোধন চৰায়।
ভকত বৎসল দেৱ নাহি হৰি সম কেৱ
মাধৱ দীন গুণ গায়॥

**—শ্ৰীশ্ৰীমাধৱদেৱ**

*(উৎস : - 'বৰগীত' মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱ বিৰচিত, পৃষ্ঠা- ১৩৮, সম্পাদক : হৰিনাৰায়ণ দত্তবৰুৱা, প্ৰকাশক- জ্যোতিপ্ৰজ্ঞ নাৰায়ণ দত্তবৰুৱা, পাণবজাৰ, গুৱাহাটী।)*

☞ ছাত্ৰ-ছাত্ৰীক বৰগীতটো গোৱাৰ অভ্যাস কৰাত সহায় কৰিব

## শব্দৰ অৰ্থ জানো আহা

| শব্দ | | অৰ্থ |
|---|---|---|
| শোহে | - | শোভে, শোভা পায় |
| ঝমকে | - | চক্‌মকে, চক্‌মক্‌কৈ |
| গেণ্ডুৱা | - | ঢোপ খেল |

## জানো আহা

**বৰগীত** - মহাপুৰুষদ্বয়ৰ অন্যতম অৱদান বৰগীত। মহাপুৰুষ দুজনাই ৰচনা কৰা গীতবোৰক পৰৱৰ্তী বৈষ্ণৱ ভক্তইহে বৰগীত আখ্যা দিয়ে। বৰগীতসমূহক স্বৰ্গীয় ড° বাণীকান্ত কাকতিয়ে Noble Numbers আৰু স্বৰ্গীয় কালিৰাম মেধিয়ে Songs Celestial আখ্যা দিছে। বিষয়বস্তুৰ মহত্ব, ৰচনাভংগীৰ সৌষ্ঠৱ , শাস্ত্ৰীয় সুৰৰ গাম্ভীৰ্য আৰু কল্পনাৰ সংযমে এই গীতবোৰক শাস্ত্ৰীয় সংগীতৰ মৰ্যাদা প্ৰদান কৰিছে। মহাপুৰুষ শংকৰদেৱে বাৰকুৰি বৰগীত ৰচনা কৰিছিল বুলি জনা যায়। বৰগীতৰ ভাষা ব্ৰজাবলী।

**গুণমালা** - গুণমালা পুথিখন কুসুমমালা ছন্দত ৰচিত। মহাৰাজ নৰনাৰায়ণৰ অনুৰোধ ক্ৰমে বিশাল 'শ্ৰীমদ্‌ভাগৱত'ৰ সাৰমৰ্মক লৈ শংকৰদেৱে 'গুণমালা' পুথিখন ৰচনা কৰে। এইখন ভাগৱতৰ অতি সংক্ষিপ্ত ৰূপ। হাতী মাৰি ভুৰুকাত ভৰোৱাৰ দৰে ভাগৱত সদৃশ বিশাল আৰু তত্বগধুৰ গ্ৰন্থখন ৰচনা কৰি শংকৰদেৱে যেন অসাধ্য সাধন কৰিলে।

**কীৰ্তন** - কীৰ্তন মহাপুৰুষজনাৰ কাব্য প্ৰতিভাৰ শ্ৰেষ্ঠ নিদৰ্শন। ই অসমীয়া বৈষ্ণৱ সাহিত্যৰ কীৰ্তিস্তম্ভ স্বৰূপ। কীৰ্তনখন ২৭ টা স্বয়ংপূৰ্ণ খণ্ডৰ সমষ্টি। ন বিধ ভক্তিৰ ভিতৰত নাম ধৰ্মত শ্ৰৱণ আৰু কীৰ্তনতে গুৰুত্ব দিয়া হৈছে। এই তত্ব কীৰ্তনত সুন্দৰকৈ প্ৰকাশ পাইছে। নাম-প্ৰসংগৰ উপযোগী কৰি ঘোষা আৰু পদত কীৰ্তন পুথি ৰচনা কৰা হৈছে।

### ঘ — প্ৰকল্প

১৯। (ক) মহাপুৰুষ শ্ৰীশ্ৰী শংকৰদেৱ আৰু মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱ বিৰচিত একোটিকৈ বৰগীত সংগ্ৰহ কৰা আৰু শ্ৰেণীকোঠাত সুৰ লগাই গাবলৈ চেষ্টা কৰা।

(খ) "জীৱৰ সাৰথি নাই অ' আল্লা..... জীৱৰ সাৰথি নাই"

— জিকিৰটো সংগ্ৰহ কৰি আনি গাবলৈ চেষ্টা কৰা।

☞ ছাত্ৰ-ছাত্ৰীক সহায় কৰিব।

২০। **'অসমৰ সমাজ-সংস্কাৰ, সুকুমাৰ কলা আৰু সাহিত্যৰ ক্ষেত্ৰত মহাপুৰুষ শ্ৰীশ্ৰীশংকৰদেৱৰ অৱদান অতুলনীয়।'**

ওপৰৰ কথাখিনি সাৰোগত কৰি তলত দিয়া বিষয়সমূহৰ পৰা যিকোনো এটা বিষয় বাছি লৈ ২৫০ টা শব্দৰ ভিতৰত এখন ৰচনা লিখা।

- সমাজ-সংস্কাৰক শঙ্কৰদেৱ
- সাহিত্য-সংস্কৃতি সেৱক শঙ্কৰদেৱ
- সুকুমাৰ কলা সাধক শঙ্কৰদেৱ

২১। **তলত দিয়া ছবিকেইখন আঁকিবলৈ চেষ্টা কৰা।**





# পাঠ ৮

## পাঠটোৰ পৰা আহৰণ কৰিবলগীয়া অৰ্হতা

- কবিতাটো শুদ্ধ উচ্চাৰণেৰে পঢ়ি বুজি পোৱা আৰু আবৃত্তি কৰিবলৈ শিকা
- কঠিন শব্দৰ অৰ্থ জনা
- পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা
- কবিতাটোৰ মূলভাব বুজি লিখিব পৰা
- বাক্য ৰচনা কৰিব পৰা
- প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰিব পৰা
- কবি যতীন্দ্ৰ নাথ দুৱৰাৰ বিষয়ে জনা
- সমাৰ্থক শব্দ আৰু বিপৰীত অৰ্থ বুজোৱা শব্দ লিখিব পৰা
- যুৰীয়া শব্দ জনা
- মহাপুৰুষ শ্ৰীশ্ৰীশংকৰদেৱৰ বিষয়ে জনা আৰু অসমীয়া সাহিত্যলৈ মহাপুৰুষজনাৰ অৱদানৰ বিষয়ে জনা
- বৰগীতৰ বিষয়ে জনা আৰু গাবলৈ আগ্ৰহী হোৱা
- মহাপুৰুষৰ শ্ৰীশ্ৰীশংকৰদেৱৰ জীৱনৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ নিজৰ জীৱন গঢ়িবলৈ উৎসাহিত হোৱা

## শিকাৰুৰ পাঠভিত্তিক অৰ্হতাৰ মূল্যায়ন

| | | | | | | |
|---|---|---|---|---|---|---|
| **কবিতাপাঠ** | কবিতা শুদ্ধ উচ্চাৰণেৰে পঢ়ি আবৃত্তি কৰিব পৰা | কবিতাটোত থকা কঠিন শব্দৰ অৰ্থ জনা আৰু পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা | কবিতাটোৰ মূলভাব বুজি লিখিব পৰা | ব্যাখ্যা কৰিব পৰা | | |
| | | | | | | |
| **ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)** | সমাৰ্থক শব্দ আৰু বিপৰীত অৰ্থবুজোৱা শব্দ লিখিব পৰা | যুৰীয়া শব্দ, জতুৱা ঠাঁচ বাক্যত ব্যৱহাৰ কৰিবলৈ শিকা | বিশেষ্য পদৰ ভাগকেইটা জানি লৈ শ্ৰেণীবদ্ধ কৰিব পৰা | এটা শব্দত প্ৰকাশ কৰিব পৰা | বাক্যৰচনা কৰিব পৰা আৰু খালী ঠাই পূৰণ কৰিব পৰা | |
| | | | | | | |
| **জ্ঞান সম্প্ৰসাৰণ** | মহাপুৰুষৰ শ্ৰীশ্ৰীশংকৰদেৱৰ জীৱনী আৰু ৰচনাৱলী সম্বন্ধে জনা | বৰগীতৰ বিষয়ে জনা আৰু গাবলৈ শিকা | মহাপুৰুষ শ্ৰীশ্ৰীশংকৰদেৱৰ আন ৰচনাৱলীৰ বিষয়ে জনা | | | |
| | | | | | | |
| **প্ৰকল্প** | মহাপুৰুষ দুজনাৰ বৰগীতৰ লগতে জিকিৰ সংগ্ৰহ কৰি গাবলৈ শিকা | মহাপুৰুষৰ শ্ৰীশ্ৰীশংকৰদেৱৰ বিষয়ে ৰচনা লিখিব পৰা | | | | |
| | | | | | | |

☞ *অৰ্হতা আয়ত্ত হ'লে ওপৰৰ তালিকাখনৰ তলৰ খালী ঘৰত ✓ চিন দিব আৰু নহ'লে × চিন দিব। অৰ্হতা আয়ত্ত নোহোৱা শিকাৰুক অতিৰিক্তভাৱে শিকাই পুনৰ মূল্যায়ন কৰিব।*

পাঠ ৯

# ভয়

> *সাহিত্যৰ বিভিন্ন শাখাৰ ভিতৰত চুটিগল্প অন্যতম। চুটিগল্পত একোটা কেন্দ্ৰীয় ভাবভিত্তিক কাহিনী থাকে। মানুহৰ অভিজ্ঞতা আৰু আৱেগৰ বিভিন্ন মুহূৰ্তবোৰেই এনে কাহিনীৰ উপজীব্য। কম পৰিসৰতে প্ৰকাশ কৰিব লগা হোৱা বাবে ইয়াক বোলা হয় চুটিগল্প। ইয়াৰ উপস্থাপন বৈচিত্ৰ্যময় আৰু সমাপ্তি ইংগিতপূৰ্ণ হয়।*
>
> *বিশিষ্ট গল্পকাৰ শীলভদ্ৰৰ অনুপম সৃষ্টি 'ভয়'ৰ মাজত মানৱীয় সম্পৰ্কৰ সংঘাত, সাম্প্ৰদায়িক সম্প্ৰীতিৰ আৱশ্যকতা আৰু পৰিস্থিতি অনুসৰি ভয়-শংকা আঁতৰাই আগবাঢ়ি যোৱাৰ ইংগিত স্পষ্টভাৱে দেখা যায়।*

খাইছে, বইছে দৰকাৰ হ'লে মাজে মাজে হাঁহিছেও — কিন্তু ৰবীনৰ মনৰ আওহতীয়া ঠাইৰ পৰা ভয় এটাই সন্তৰ্পণে ভুমুকি মাৰি থাকে। কোনো ৰকমে এই ভয়ক গুচাব নোৱাৰি।

ফুৰা-চকা, সকলো সময়তে এই ভয়ে ৰবীনৰ লগ নেৰে। পৰিবাৰক লৈ ফুৰিবলৈ ওলালেই তৰ্কা-তৰ্কি লাগি যায়। নকওঁ নকওঁ বুলি চেষ্টা কৰি থাকিও তেওঁ মনে মনে থাকিব নোৱাৰে।

'হেৰা, বাটৰ মাজেৰেনো কিয় খোজ কাঢ়িব লাগিছে? কাষেৰে গ'লে কিবা মান যায় নেকি?' পৰিবাৰ ৰমলা বিৰক্ত হৈ উঠে।

'আৰু কিমাননো কাষলৈ যাব লাগে? নৰ্দমালৈ নামি গ'লেহে হ'ব।'

দুয়োজনে দুয়োজনৰ ওপৰত বিৰক্ত হৈ উঠে। ৰবীন মনে মনে থাকে। ইমান গাড়ী-মটৰ। সাৱধানে যাবলৈ কোৱাটো কি বেয়া কথা?

আচলতে কিনো সাৱধান হ'ব পাৰি? সিদিনা চাহ দোকানত ট্ৰাক এখন সোমাই দুজন মানুহ মাৰিলে। বিপদ কেতিয়া কেনেকৈ আহে কোনে ক'ব পাৰে? সত্য খুৰাৰ ল'ৰাজন ফুটবল খেলি থাকোঁতে ঢুকাল। ধুনীয়া মৰম লগা ল'ৰাজন। পঢ়াতো ভাল। এইবাৰ পি.ইউ. পৰীক্ষা দিলেহেঁতেন।



কিছুদিনৰ পৰা পোনাইঁতেও ক্ৰিকেট খেলাত ধৰিছে। কাঠৰ বল নহ'লৈই নহয়। লাগিলে ৰক্ষা আছেনে? হাক দিলে কোনে শুনে? ৰমলাই জক্-জকাই উঠে। নেখেলিনো কি কৰিব? থম্থম্কৈ ঘৰত বহি থাকিব নেকি? ৰমলাই কয় — 'ইমান ভয়াতুৰ মানুহ মই জনমত দেখা নাই।'

অফিচত কাম কৰি থাকিও হঠাতে ৰবীনৰ বুকুখন ধৰ্ফৰাই উঠে। পোনাইঁতৰ স্কুলৰ সমুখৰ সৰু বাটটোত লানি নিছিগা গাড়ীৰ সোঁত। পোনা যদি অন্যমনস্ক হৈ পৰে? স্কুলৰ পৰা ওলাই আহোঁতে যদি আপোন পাহৰা হৈ যায়? পোনাৰ স্কুল বন্ধ থাকিলে ৰবীনে মনে মনে ভাল পায়। ৰমলা অৱশ্যে বিৰক্ত হয়। দিনটো ঘৰত গণ্ডগোল কৰি থাকিব।

কেতিয়াবা অফিচৰ কাগজ-পত্ৰত ৰবীনে মন দিব নোৱাৰে। চকু দুটা তুলি শূন্য দৃষ্টিৰে চাৰিওফালে এবাৰ চায়। কাষৰ মানুহবোৰৰ নিশ্চিন্ত ভাব দেখি খং উঠি যায়।

তেওঁ কাম কৰিব, ল'ৰা-ছোৱালীকেইজনক মানুহ কৰিব। এইখিনি হ'লেই তেওঁৰ হ'ল। সেই কাৰণেইতো ভয়। মৰাৰ কাৰণে তেওঁৰ ভয় নাই। কিন্তু ইহঁতৰ কি হ'ব? ৰমলাৰ? ল'ৰা-ছোৱালী তিনিটাৰ? ৰমলাৰ স্বভাৱত গভীৰতা নাই। কোনো কথাই গধুৰভাৱে ল'ব নাজানে। সোঁতত গা এৰি দিয়া স্বভাৱ। চকু বন্ধ কৰি থাকিলে ভয়ৰ কাৰণ নোহোৱা হৈ যাবনে?

ৰবীনে কিমান বুজাবৰ চেষ্টা কৰে।

'বাৰু, হঠাতে যদি মই মৰি যাওঁ, তুমি ল'ৰা-ছোৱালীকেইটাক লৈ কি কৰিবা?'

প্ৰশ্নৰ এটা যুক্তিপূৰ্ণ উত্তৰ দিয়াৰ সলনি ৰমলাই ভাৱাবেগৰ উচ্ছ্বাসত হুলস্থুল লগাই দিয়ে। সেইকাৰণেইতো ৰবীনৰ ভয়। বিপদৰ সন্মুখত থিয় হ'বলৈ নিজকে প্ৰস্তুত কৰি ৰাখিলে ভাল। তেওঁলোকৰ অফিচৰ কাকতি! সিদিনাও অফিচৰ কাম কৰি গৈ ৰাতিটোৰ ভিতৰতেই মৰি থাকিল।

ভয় ৰবীনৰ চৌবিশ ঘণ্টাৰ লগৰীয়া। খাইছে, বইছে, দৰকাৰ হ'লে হাঁহিছেও, কিন্তু সদায় মনৰ আওহতীয়া ঠাইত ভয় এটুকুৰা গোট বান্ধি আছে। কোনোৰকমে আঁতৰাই দিব নোৱাৰে।

আবেলি অফিচৰ পৰা আহি দেখিলে ঘৰৰ সমুখৰ দুৱাৰখন খোলা। সৰু ছোৱালীজনী অকলে বাৰান্দাত। ৰমলা ক'ত?

'হেৰা ৰমলা, ৰমলা।'

কি হ'ল? ক'লৈ গ'ল?

উত্তেজনাত ৰবীনৰ হাত-ভৰিবোৰ কঁপিবলৈ আৰম্ভ কৰিলে। ৰমলাৰ কোনো বিকাৰ নাই। নিশ্চিন্তভাৱে গা ধুই বাথৰুমৰ পৰা ওলাই আহিল। ওলোটাই ৰবীনক প্ৰশ্ন কৰিলে— 'ইমান চিঞৰিছা কিয়? কি হ'ল?'

'কি কৰাহে? কাণ্ডজ্ঞান নাই। এনেকৈ দুৱাৰখন খুলিছোৱালীজনীক আগফালে থৈ বাথৰুমত সোমাই আছা। কোনোবা আহিলেওতো পানীৰ শব্দত একো শুনা নাপাবা। কি যে কৰা!'

ৰমলাই আচৰিত হৈ সুধিলে— 'কোন আহে? কিয় আহে?'

'কোন আহে? কিয়? চোৰ বদমাচ কত ৰকমৰ মানুহ আছে। ঘৰৰ বস্তু উঠাই লৈ গ'ল, ছোৱালীজনীকেই লৈ গ'ল। অকলে পাই তোমাক ..................।'

উচাট মাৰি ৰমলা কাষৰ পৰা আঁতৰি গ'ল। 'মানুহটোৰ কথা শুনাচোন। তোমাৰ দৰে ভয়াতুৰ মানুহ মই জনমত দেখা নাই। ৰাজ্যৰ নোহোৱা কথা।'

ৰমলাৰ সঁচাই মাজে মাজে অসহ্য লাগে। ইমান ভয় মানুহজনৰ। কঁৰবাত খট্‌কৈ শব্দ এটা হ'লেও জাঁপ মাৰি উঠে। ল'ৰা-ছোৱালী কাৰোবাৰ সামান্য অসুখ হ'লেও ঘনাই বাথৰুম বা পায়খানালৈ যোৱা আৰম্ভ হয়। কেতিয়াবা ৰমলাৰ সঁচাকৈয়ে অসহ্য লাগে। গভীৰ ৰাতি হঠাতে উৎকৰ্ণ হৈ ৰবীনে কিবা শুনাৰ চেষ্টা কৰে। মনত হয় দূৰৈত উচ্ছৃংখল জনতাৰ অস্পষ্ট কোলাহল । ৰবীনৰ বুকু ধক্‌কৈ উঠে। উচ্ছৃংখল জনতা দাৱানলৰ দৰে। বিবেক নাই, বিচাৰ নাই, অনুভূতি নাই। সন্মুখৰ সকলো ছাৰখাৰ কৰি যায়। দাৱানল সৃষ্টি কৰাৰ কাৰণে ফিৰিঙতি এটাই যথেষ্ট। তাৰ পাছত নিজৰ ভাবাৱেগেৰে নিজ শক্তি আহৰণ কৰি লয়।

ৰবীনে ৰমলাক ঠেলা মাৰি কয় — 'হেৰা, চেপা গণ্ডগোল এটা শুনিছা নহয়?'

ৰমলাই বিৰক্ত হৈ কয় — 'আকৌ কি হ'ল?'

'দূৰৈত উচ্ছৃংখল জনতাৰ চিঞৰ-বাখৰ যেন নালাগেনে? ভালকৈ কাণ পাতি শুনাচোন। গণ্ডগোল এইপিনে আগবাঢ়ি আহিছে নেকি?'

'কিহৰ গণ্ডগোল? কিহৰ কাৰণে?' ৰমলাৰ অজ্ঞতাত ৰবীনৰ খং উঠি যায়। উত্তেজিত হৈ কয় —'কিহৰ কাৰণে আৰু? ধৰ্মৰ কাৰণে, ভাষাৰ কাৰণে, কলা-কৃষ্টি বেলেগ হোৱা কাৰণে। কেতিয়া কি কাৰণে গণ্ডগোল লাগে কেনেকৈ ক'বা?'

আকৌ ভালকৈ টোপনি যোৱাৰ আগতে ৰমলাই কয় —' থোৱা, থোৱা। দেশত নোহোৱা কথা। শুই থাকা। বহুত ৰাতি হৈছে।'

সিদিনাও মাজৰাতি হঠাতে ৰবীনৰ টোপনি ভাঙি গ'ল। কাণ পাতি শুনিলে। কোনোবাই চিঞৰ-বাখৰ কৰিছে যেন লাগিল।



'হেৰা, শুনিছা ? কোনোবাই চিএঞৰা যেন লাগিছে।' ৰমলাই বাগৰ সলাই আধা টোপনিতে উত্তৰ দিলে — 'একো নহয়, শুই থাকা।'

সঁচাই। কোনোবাই চিঞৰ-বাখৰ কৰিছে।

কোলাহল জহীৰুদ্দিনৰ ঘৰৰ ফালৰ পৰা নহয় জানো ? জহীৰুদ্দিনে এই চুবুৰীত ঘৰভাৰা লৈ থাকে, ওকালতি কৰে। ভদ্ৰ আৰু বিনয়ী ডেকা। চুবুৰীৰ সকলোৰে লগত ভাল। ভিন ঠাইৰ মানুহে জহীৰুদ্দিনৰ ঘৰ আক্ৰমণ কৰিবলৈ আহিছে নেকি ?

ৰবীনে তৎক্ষণাৎ বুজি পালে যে উন্মত্ত জনতাই আজি তেওঁৰ ঘৰ আক্ৰমণ নকৰিলে কালিলৈ কৰিব। কালিলৈ নকৰিলেও পৰহি কৰিব। বিভিন্ন ধৰ্ম, বিভিন্ন ভাষা, বিভিন্ন সম্প্ৰদায়, কিমান জাতি আৰু উপজাতি। অসংখ্য খণ্ডিত সত্তাৰ এয়েই অমোঘ পৰিণতি।

তেওঁ ব্যস্তভাৱে দুৱাৰ খুলি ওলাবলৈ ল'লে। ৰমলাই আতংকত চিএঞৰি উঠিল।

'তুমি ক'লৈ যোৱা ?

'জহীৰৰ ঘৰৰ ফালে। আজি মই তাৰ ল'ৰা-ছোৱালীক ৰক্ষা কৰিবলৈ নগ'লে কালিলৈ মোৰ ল'ৰা -ছোৱালীক ৰক্ষা কৰিবলৈ কোন আহিব ?'

হঠাতে ৰবীনৰ মনৰ পৰা সকলো ভয় আঁতৰি গৈছে।


**গল্পকাৰ— শীলভদ্ৰ**

## জানো আহা



**শীলভদ্ৰৰ পৰিচয় ঃ** 'শীলভদ্ৰ'ৰ প্ৰকৃত নাম ৰেৱতীমোহন দত্ত চৌধুৰী। তেখেতে ১৯২৩ চনত অবিভক্ত গোৱালপাৰা জিলাৰ গৌৰীপুৰত জন্মগ্ৰহণ কৰিছিল। উচ্চ শিক্ষা লাভ কৰি তেখেতে অসম ইঞ্জিনিয়াৰিং কলেজত অধ্যাপনা কৰে। তেখেতৰ প্ৰকাশিত পুথি— 'বাস্তৱ', 'কোনো ক্ষোভ নাই', 'সমুদ্ৰতীৰ', 'শীলভদ্ৰৰ কুৰিটা গল্প', 'বিশ্বাস'। অন্যান্য গল্পৰ ভিতৰত— 'তৰ্পণ', 'উত্তৰণ', 'আগমনিৰ ঘাট', 'আঁহতগুৰি', 'অনুসন্ধান', 'মধুপুৰ বহুদূৰ', 'আকৌ মধুপুৰ', 'মেজাজ' আদি উল্লেখযোগ্য। ১৯৯৪ চনত 'মধুপুৰ বহুদূৰ' গল্প সংকলনখনৰ বাবে তেখেতে সাহিত্য অকাদেমি বঁটা লাভ কৰে। শীলভদ্ৰৰ গল্পৰ ভাষা সহজ-সৰল যদিও সৃষ্টিৰাজিত অভিজ্ঞতাৰ এক বৈচিত্ৰ্যময় চিত্ৰকল্প ফুটি উঠিছে। অতীত বিধুৰতা আৰু মানবীয় মূল্যবোধসমূহক পোহৰাই তোলাই হ'ল তেখেতৰ গল্পৰাজিৰ অন্যতম বৈশিষ্ট্য। ২০০৮ চনৰ ২৯ ফেব্ৰুৱাৰীত শীলভদ্ৰৰ দেহাৱসান ঘটে।

## ক—পাঠভিত্তিক ক্ৰিয়া




**ক্ৰিয়া-কলাপ**

১। 'ভয়' গল্পটোৰ মূল কথাখিনি নিজৰ কথাৰে কোৱা।

২। উত্তৰ দিয়া।

(ক) ৰবীনৰ চৌবিশ ঘণ্টাৰ লগৰীয়া কোন?

(খ) ৰবীনৰ পৰিবাৰৰ নাম কি?

(গ) ফুটবল খেলি থাকোঁতে কোন ঢুকাল?

(ঘ) ৰবীন কেইটা সন্তানৰ পিতৃ?

(ঙ) জহীৰুদ্দিনৰ পেচা কি?

(চ) ফুৰিবলৈ ওলালে ৰবীনৰ কাৰ লগত তৰ্কাতৰ্কি হয়?

(ছ) পোনাইঁতে কি বলেৰে ক্ৰিকেট খেলিবলৈ বিচাৰে?

(জ) অফিচৰ কাম-কাজত ৰবীনে কিয় মন দিব নোৱাৰে?

৩। চমু উত্তৰ দিয়া।

(ক) কেনেকুৱা কথাই ৰবীনৰ মনত ভয়ৰ সৃষ্টি কৰে?

(খ) এদিন আবেলি অফিচৰ পৰা আহি ৰবীনৰ কিয় খং উঠিছিল?

(গ) মাজৰাতি ৰবীনে শোৱাৰ পৰা উঠি ক'লৈ যাবলৈ ওলাইছিল? তেওঁ ওলাই যোৱাৰ কাৰণ কি?

(ঘ) গল্পটো পঢ়ি ৰবীন আৰু কমলাৰ চিন্তাৰ মাজত ক'ত পাৰ্থক্য পাইছা?

৪। কোনে, কাক, কেতিয়া কৈছিল লিখা।

(ক) 'ইমান ভয়াতুৰ মানুহ মই জনমত দেখা নাই।'

(খ) 'হেৰা শুনিছা? কোনোবাই চিঞৰা যেন লাগিছে।'

(গ) 'আজি মই তাৰ ল'ৰা-ছোৱালীক ৰক্ষা কৰিবলৈ নগ'লে কালিলৈ মোৰ ল'ৰা-ছোৱালীক ৰক্ষা কৰিবলৈ কোন আহিব?'

৫। দফাটো পঢ়া আৰু তাৰ লগত সংগতি ৰাখি প্ৰশ্ন যুগুত কৰা।

'কোলাহল জহীৰুদ্দিনৰ ঘৰৰ ফালৰ পৰা নহয় জানো? জহীৰুদ্দিনে এই চুবুৰীত ঘৰভাৰা লৈ থাকে, ওকালতি কৰে। ভদ্ৰ আৰু বিনয়ী ডেকা। চুবুৰীৰ সকলোৰে লগত ভাল। ভিন ঠাইৰ মানুহে জহীৰুদ্দিনৰ ঘৰ আক্ৰমণ কৰিবলৈ আহিছে নেকি?'

৬। **তলৰ বাক্যকেইশাৰীৰ অৰ্থ বুজাই লিখা।**

(ক) 'উচ্ছৃংখল জনতা দাবানলৰ দৰে।'

(খ) 'দাবানল সৃষ্টি কৰাৰ কাৰণে ফিৰিঙতি এটাই যথেষ্ট।'

(গ) 'বিভিন্ন ধৰ্ম, বিভিন্ন ভাষা, বিভিন্ন সম্প্ৰদায়, কিমান জাতি আৰু উপজাতি! অসংখ্য খণ্ডিত সত্তাৰ এয়েই অমোঘ পৰিণতি।'

৭। **'ভয়' গল্পটোৰ পৰা তোমাৰ জীৱনৰ কাৰণে প্ৰয়োজনীয় কি কি কথা শিকিলা লিখা।**

৮। **তলৰ শব্দবোৰেৰে একোটাকৈ বাক্য গঠন কৰা।**

| | | | | |
|---|---|---|---|---|
| আওহতীয়া | সন্তৰ্পণে | লানি নিছিগা | অন্যমনস্ক | অমোঘ |
| উচ্ছৃংখল | দাবানল | ছাৰখাৰ | উৎকৰ্ণ | কোলাহল |

## খ—ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)

৯। **তলত দিয়া দফাটো যতি চিন ব্যৱহাৰ কৰি পুনৰ লিখা।**

মানুহৰ সুখ শান্তিৰ এক প্ৰধান অন্তৰায় হৈছে ক্ৰোধ কলা-কৃষ্টিৰ প্ৰতি আকৰ্ষণে সেই ক্ৰোধ নাশ কৰি মানুহৰ মনৰ কোমল প্ৰবৃত্তিসমূহ জগাই তোলে সেই কাৰণে এটা পৰিয়ালত খেল ধেমালি নাচ গান আদিৰ প্ৰতি থকা ৰাপ আদৰ আৰু পৰিবেশৰ পৰা সেই পৰিয়ালত থকা সুখ শান্তিৰ উমান পাব পাৰি মাঘৰ বিহুত মেজি সজা ভোজ ভাত খোৱা হৈ গুদু ঢোপ খেল ঢোল পেঁপা গগনাৰ তালে তালে বিহু নচা আৰু দেৱালী আদি উৎসৱত মানুহে সমূহীয়াভাৱে মনৰ আনন্দকে প্ৰকাশ কৰে

১০। **তলৰ আঁচ টনা শব্দবিলাকত কি কি বিভক্তি যুক্ত হৈছে লিখা।**

(ক) নৰ্দমালৈ নামি গ'লেহে হ'ব।

(খ) কিছুদিনৰ পৰা পোনাহঁতেও ক্ৰিকেট খেলাত ধৰিছে।

(গ) অফিচত কাম কৰি থাকিও হঠাতে ৰবীনৰ বুকুখন ধৰ্‌ফৰাই উঠে।

(ঘ) আজি মই তাৰ ল'ৰা-ছোৱালীক ৰক্ষা কৰিবলৈ নগ'লে কালিলৈ মোৰ ল'ৰা-ছোৱালীক ৰক্ষা কৰিবলৈ কোন আহিব?

১১। **ভাব বহলাই লিখা।**

(ক) অতিমাত্ৰা সকলোৰে বেয়া।

(খ) ফিৰিঙতিৰ পৰা খাণ্ডৱদাহ হয়।

১২। **(ক) তলত দিয়া শব্দবোৰৰ সন্ধি ভাঙা আৰু পাতা।**

ভাবাবেগ, পৰীক্ষা, নিশব্দ, ভয়াতুৰ, যথেষ্ট।

(খ) উৎ + শৃঙ্খল, উৎ + শ্বাস, সম্ + মুখ, নিঃ + চিন্ত, শিৰঃ + ছেদ।

## গ—জ্ঞান সম্প্ৰসাৰণ

জানো আহা

**সাধু আৰু চুটিগল্পৰ পাৰ্থক্য** — সাধুৰ জগতখন কৃত্ৰিম জগত য'ত গছ-গছনি, জীৱ-জন্তু, চৰাই-চিৰিকটি আদিয়ে মানুহৰ দৰে কথা কৈ আনন্দৰ খোৰাক যোগায়। সাধু কথা কাল্পনিক আৰু অলৌকিক। সাধুৰ পৰিসৰ বিস্তৃত। কল্পনাৰ সহায়ত ইয়াৰ কাহিনী বিস্তৃত কৰিব পাৰি। ইয়াৰ ভাষা সহজ-সৰল, মন পৰশা। সাধুত বাস্তৱ জীৱনৰ প্ৰতিফলন নঘটে। ই নীতি বচন, উপদেশ, পৰামৰ্শ দি নৈতিক দিশ গঠনত সহায় কৰে। সাধুৱে মানুহৰ, বিশেষকৈ শিশুসকলৰ চিন্তা, কল্পনা শক্তিৰ বিকাশ ঘটাই ভাষা শিকনত সহায় কৰে।

চুটিগল্প আধুনিক যুগৰ সৃষ্টি। চুটিগল্প বাস্তৱ জীৱনৰ প্ৰতিফলন। ইয়াৰ পৰিসীমা সময়ৰ জোখ-মাখেৰে নিৰ্ণয় কৰিব নোৱাৰি। চুটিগল্পৰ উপস্থাপন বৈচিত্ৰ্যময় আৰু সমাপ্তি ইংগিতপূৰ্ণ হয়। হ্ৰস্বতা চুটিগল্পৰ প্ৰধান লক্ষণ। কম সময়তে আৰু কম আয়াসতে চিত্তাকৰ্ষক কৰিব পৰাটো চুটি গল্পৰ আন এটা বৈশিষ্ট্য। চুটিগল্পৰ বিষয়বস্তুৰ পৰিসৰ সীমিত। শেষ হৈয়ো যেন শেষ নোহোৱা আভাসেৰে চুটিগল্পই আমাক আমোদ দিয়ে। উল্লেখযোগ্য যে লক্ষ্মীনাথ বেজবৰুৱা অসমীয়া চুটি গল্পৰ জনক।

১৩। (ক) সাধুকথা আৰু চুটিগল্পৰ মাজত থকা পাৰ্থক্য লিখা।
(খ) সাধুকথাৰ বৈশিষ্ট্যবোৰ লিখা।
(গ) চুটিগল্পৰ বৈশিষ্ট্যবোৰ লিখা।
(ঘ) অসমীয়া চুটিগল্পৰ জনক কোন?
(ঙ) শীলভদ্ৰৰ প্ৰকৃত নাম কি?
(ঙ) তেখেতৰ জন্ম ক'ত হৈছিল?
(চ) শীলভদ্ৰই কোনখন গল্পসংকলনৰ বাবে সাহিত্য অকাদেমি বঁটা লাভ কৰে?
(ছ) শীলভদ্ৰৰ কোন চনত মৃত্যু হৈছিল?

১৪। হঠাৎ আমি বহি থকা শ্ৰেণীকোঠাটো কঁপি উঠিল। আমি সকলোৱে আতংকিত হৈ শ্ৰেণীৰ পৰা বাহিৰলৈ ওলাই আহিলোঁ। দুই-এজনৰ তৎ মৎ হেৰাল।
— ওপৰৰ বাক্যসমূহ পঢ়া আৰু সেই বাক্যসমূহৰ আলমত চুটিগল্পৰ দুই-এটা বৈশিষ্ট্য প্ৰকাশ হোৱাকৈ চুটিগল্প এটা লিখিবলৈ যত্ন কৰা।

☞ *প্ৰয়োজনবোধে ছাত্ৰ-ছাত্ৰীক চুটিগল্পটো লিখাত সহায় কৰিব।*

## ঘ— প্ৰকল্প

১৫। প্ৰসিদ্ধ অসমীয়া চুটিগল্পকাৰসকলৰ ভিতৰৰ পাঁচজনৰ নাম সংগ্ৰহ কৰা আৰু তেওঁলোকৰ যিকোনো এজনৰ এটা গল্প চমুকৈ লিখা।

# পাঠ ৯

## পাঠটোৰ পৰা আহৰণ কৰিবলগীয়া অৰ্হতা

- গল্পটো শুদ্ধ উচ্চাৰণেৰে পঢ়ি বুজি নিজৰ কথাৰে ক'ব পৰা
- চুটিগল্প পঢ়াৰ প্ৰতি আগ্ৰহী হোৱা
- পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা
- শব্দৰ অৰ্থ জনা
- প্ৰশ্ন যুগুত কৰিব পৰা
- ভাব বহলাই লিখিব পৰা
- অৰ্থ লিখি বাক্য ৰচনা কৰিব পৰা
- যতি চিনৰ ব্যৱহাৰ কৰিব পৰা
- বিভক্তিযুক্ত শব্দ বাছি উলিয়াব পৰা
- সন্ধি ভাঙিব আৰু জোৰা লগাব পৰা
- শীলভদ্ৰৰ বিষয়ে জনা
- সাধু আৰু চুটিগল্পৰ পাৰ্থক্য বুজি পোৱা
- চুটিগল্পৰ বৈশিষ্ট্য প্ৰকাশ হোৱাকৈ গল্প লিখিব পৰা
- চুটিগল্পকাৰৰ নাম জানি লিখিব পৰা

## শিকাৰুৰ পাঠভিত্তিক অৰ্হতাৰ মূল্যায়ন

| | | | | | | |
|---|---|---|---|---|---|---|
| চুটিগল্প | গল্প পঢ়ি গল্পৰ কথাখিনি নিজৰ কথাৰে ক'ব পৰা | পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা | নক্সা পঢ়ি প্ৰশ্ন প্ৰস্তুত কৰিব পৰা | বিভিন্ন চুটিগল্প পঢ়িব পৰা | | |
| | | | | | | |
| ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ) | বিভক্তিযুক্ত শব্দ বাছি উলিয়াব পৰা | ভাব বহলাই লিখিব পৰা | সন্ধি ভাঙিব আৰু গঠন কৰিব পৰা | যতি, বিৰাম চিন ব্যৱহাৰ কৰিব জনা | | |
| | | | | | | |
| জ্ঞান সম্প্ৰসাৰণ | সাধু আৰু চুটিগল্পৰ পাৰ্থক্য বুজিব পৰা | সাধু আৰু চুটিগল্পৰ বৈশিষ্ট্য সম্বন্ধে জনা | চুটিগল্পৰ বৈশিষ্ট্য প্ৰকাশ হোৱাকৈ গল্প লিখিব পৰা | শীলভদ্ৰৰ বিষয়ে জনা আৰু লিখিব পৰা | | |
| | | | | | | |
| প্ৰকল্প | চুটিগল্পকাৰৰ নাম সংগ্ৰহ কৰি লিখিব পৰা | আনে লিখা চুটিগল্প পঢ়ি নিজৰ কথাৰে চমুকৈ লিখিব পৰা | | | | |
| | | | | | | |

☞ *অৰ্হতা আয়ত্ত হ'লে ওপৰৰ তালিকাখনৰ তলৰ খালী ঘৰত ✓ চিন দিব আৰু নহ'লে ✗ চিন দিব। অৰ্হতা আয়ত্ত নোহোৱা শিকাৰুক অতিৰিক্তভাৱে শিকাই পুনৰ মূল্যায়ন কৰিব।*

পাঠ ১০

# পৰীক্ষিতৰ ব্ৰহ্মশাপ

*সাহিত্যৰ বিভিন্ন ৰূপৰ ভিতৰত গদ্য হ'ল অন্যতম। গদ্যৰ মাধ্যমত যুক্তিপূৰ্ণভাৱে চিন্তাভাৱনা প্ৰকাশ কৰিব পাৰি। কোনো ঘটনাপ্ৰবাহক ক্ৰম অনুসৰি আৰু যথোপযুক্ত গুৰুত্ব দি প্ৰকাশ কৰিবলৈ গদ্যই হ'ল উপযুক্ত মাধ্যম। প্ৰাচীন আৰু লৌকিক সাহিত্যৰ পূৰ্বতে প্ৰকাশৰ মাধ্যম আছিল পদ্য। পৰৱৰ্তী পৰ্যায়তহে গদ্যত প্ৰকাশ কৰাৰ ধাৰা আৰম্ভ হয়। বিশুদ্ধ অসমীয়া ভাষাৰ গদ্য সাহিত্যৰ জনকৰূপে ভট্টদেৱক অভিহিত কৰা হৈছে। আধুনিক গদ্য সাহিত্যৰ বিকাশৰ ধাৰাত তেখেতৰ ঐতিহাসিক ভূমিকা সৰ্বজন স্বীকাৰ্য।*

*আখ্যান সাহিত্যৰ জৰিয়তে মানৱীয় সম্পৰ্ক, চেতনা, নৈতিক প্ৰমূল্য আৰু সামাজিক দায়বদ্ধতা সম্পৰ্কে জনা বা বুজাৰ সুযোগ থাকে। ভট্টদেৱে এনে এক আখ্যানকে গদ্যৰ জৰিয়তে আমালৈ আগবঢ়াইছে।*



একদিনা পৰীক্ষিত ৰাজা ধনু-শৰ ধৰি মৃগয়া কৰিতে বনক গৈলা। মৃগক খেদি ক্ষুধায়ে তৃষণায়ে শ্ৰান্ত হৈলা। জল খুজিতে শমীক মুনিৰ আশ্ৰমক গৈলা। দেখন্ত ঃ মুনি চক্ষু মুদি সমাধি কৰি আচন্ত। এমন মুনিত তৃষ্ণায়ে আকুল হৈয়া জল খুজিলা। পাচে দান সমিধান একো নপাই অৱজ্ঞা কৰিল মানি ক্ৰোধ কৰিলা। ই ব্ৰাহ্মণে মিছায়ে সমাধি ধৰি মোক নমাতিলা। আৰ আজি বোল বুঁঝু। এহিবুলি মৰা সৰ্প ধনুৰ আগে আনি মুনিৰ গলত দিয়া গৃহক গৈলা। পাচে তান পুত্ৰ শৃঙ্গী বাৰ্তা পায়া ক্ৰোধে ছৱালসৱৰ আগতে বোলন্ত ঃ অহো ৰাজাৰ অন্যায় দেখ। দাস হৈয়া স্বামীক অপকাৰ কৰে ঃ ব্ৰাহ্মণসৱে ক্ষত্ৰিয়ক ৰাজা পাতিছে ঃ সি কোন আমাক দ্ৰোহ কৰে ঃ দুষ্টৰ নিয়ন্তা কৃষ্ণ বৈকুণ্ঠক গৈলে, আৰা এতেক অন্যায় কৰে।

আজি মঞি দণ্ডিবো ঃ মোৰ বল দেখ। এহি বুলি কৌষিকী জলত আচান্ত কৰি ৰজাক সপ্তদিনত তক্ষকে দংশোক বুলি শাপ দিলা। পাচে আশ্ৰমে আসি পিতৃৰ গলত সৰ্প দেখি উচ্চ কৰি কান্দন্ত।......

পুত্ৰৰ বিলাপ শুনি শমীকে চক্ষু মেলি সৰ্প গুচাই পুছন্ত ঃ হে বালক, কেনে ক্ৰন্দন কৰস, কোনে তোক অপকাৰ কৰিলেক। পাচে শৃঙ্গী ৰজাক শাপিবাৰ কথা কহিলা। তাক শুনি পুত্ৰক নিন্দা কৰন্ত। অহো দুষ্ট পুত্ৰ কি অন্যায় কৰিলি। ৰাজাকো শাপিলি যাতো ৰাজ্য নষ্ট হৈলে লোকত চৌৰ-খান্ট হইবেক। প্ৰজায়ো

নানা দুঃখ পাইবেক। সি পাতেকে তোক পাইবেক। বিশেষত পৰীক্ষিত চক্ৰবৰ্ত্তী ৰাজা। মহা ধৰ্ম্মপৰ, আৰো হৰিভক্ত। মহাশ্ৰান্ত হৈয়া আমাত জল খুজিলন্ত। আহ্ম কেনে শাপ দিলি। ই পাপৰ আন প্ৰায়শ্চিত্ত নেদেখি কৃষ্ণক প্ৰাৰ্থন্ত। হে কৃষ্ণ, অনা-অপৰাধী তোমাৰ ভক্তিক



অবোধ ছাৱালে অপকাৰ কৰিলে। তাক সৰ্ব্বাত্মা তুমি ক্ষমা কৰা। সুতে বোলন্ত ঃ হৰিভক্তসবে অপকাৰ কৰিলেও সমৰ্থ হুয়া প্ৰতিকাৰ নকৰন্ত। এতেকে শমীকেও পুত্ৰৰ অপৰাধতো তাপিত হৈলা। ৰাজাৰ অপৰাধ নুগুনিলা। যাতো সাধুসবে পৰৰ দুঃখেসে দুঃখী হৈয়া আপুনাৰ দুঃখ নুগুনে।

*(এই পাঠটি ভট্টদেৱৰ কথা ভাগৱতৰ 'পৰীক্ষিতৰ ব্ৰহ্মশাপ' নামৰ অধ্যায়টোৰপৰা লোৱা হৈছে।)*

## জানো আহা

**ভট্টদেৱ (১৫৫৮-১৬৩৮) ঃ**

ভট্টদেৱ অসমীয়া গদ্য সাহিত্যৰ জন্মদাতা। তেখেতৰ সম্পূৰ্ণ নাম আছিল বৈকুণ্ঠ নাথ ভাগৱত ভট্টাচাৰ্য। তেখেতৰ জন্ম হৈছিল ১৫৫৮ খ্ৰীষ্টাব্দত কামৰূপ জিলাৰ (বৰ্তমান বৰপেটা জিলা) বৰনগৰ অঞ্চলৰ ভেৰাগ্ৰামত। তেখেতৰ পিতাকৰ নাম আছিল শ্ৰীচন্দ্ৰ ভাৰতী। পিতৃৰ নিৰ্দেশ মতে তেখেতে দামোদৰদেৱৰ ওচৰত শৰণ লৈছিল।

সকলো শাস্ত্ৰতে ভট্টদেৱৰ গভীৰ ব্যুৎপত্তি আছিল। অসাধাৰণ দক্ষতাৰে ভাগৱত আৰু পুৰাণ ব্যাখ্যা কৰিছিল। তাৰ বাবে তেখেতক কবিৰত্ন আৰু ভট্টাচাৰ্য উপাধিৰে বিভূষিত কৰিছিল। তেখেতে গদ্যপুথি কথা-ভাগৱত, কথা-গীতা আৰু কথা- ৰত্নাৱলী ৰচনা কৰিছিল। ইয়াৰ উপৰি অসমীয়া ভাষাত শৰণ-মালিকা, গুৰু-বংশাৱলী, প্ৰসংগ-মালা আৰু সংস্কৃত ভাষাত 'ভক্তিসাৰ' আৰু 'ভক্তি বিবেক' ৰচনা কৰিছিল।

ভট্টদেৱৰ আগতে কোনো আৰ্যমূলীয় ভাৰতীয় ভাষাতে গদ্যত পুথি ৰচিত হোৱা নাছিল। অৱশ্যে তেখেতৰ গদ্য বুৰঞ্জীৰ ভাষাৰ দৰে কথিত গদ্য নহয়; সমসাময়িক পদ্যৰ ভাষাৰ দ্বাৰা প্ৰভাৱান্বিত গদ্যহে। কিন্তু অসমীয়া লিখিত গদ্যৰ গাঁথনিৰ ৰূপটো ভট্টদেৱৰ গদ্যতে পোন প্ৰথমে স্পষ্ট হৈছিল।

## পাঠটোৰ মূল কথাখিনি জানো আহা

ৰজা পৰীক্ষিত এদিন চিকাৰ কৰিবলৈ বনলৈ গ'ল। পিয়াহ লগাত পানী খাবলৈ শমীক মুনিৰ আশ্ৰম পালেগৈ আৰু পানী খুজিলে। শমীক মুনিয়ে চকু মুদি তেতিয়া ধ্যান কৰি আছিল। ৰজাৰ কথা তেখেতৰ কাণত নপৰিল। তেতিয়া ৰজাই ভাবিলে যে ধ্যান কৰা ভাও জুৰি মুনিয়ে তেখেতক অৱজ্ঞা কৰিছে। খঙত একো নাই হৈ ৰজাই ওচৰতে পৰি থকা মৰা সাপ এডাল মুনিৰ ডিঙিত মেৰিয়াই দিলে। মুনিৰ পুত্ৰ শৃংগীয়ে এই কথা জানিব পাৰি খঙত অগ্নিশৰ্মা হৈ কৌষিকী নদীৰ পানী স্পৰ্শ কৰি ৰজাক সাতদিন পাছত তক্ষক নামৰ সাপে দংশন কৰিব বুলি অভিশাপ দিলে। তাৰ পাছত শমীক মুনিৰ কাষত পুত্ৰ শৃংগী উপস্থিত হ'ল। পুত্ৰৰ মুখে ৰজাক অভিশাপ দিয়াৰ কথা জানিব পাৰি শমীক মুনিয়ে বৰ বেজাৰ পালে। পুত্ৰক বুজালে যে ৰজা অবিহনে ৰাজ্যৰ অৱস্থা বেয়ালৈ যাব আৰু চোৰ-ডকাইতৰ উৎপাত বাঢ়িব। তদুপৰি, পৰীক্ষিত হৈছে চক্ৰৱৰ্তী ৰজা। গতিকে প্ৰায়শ্চিত্ত হিচাপে তেওঁ কৃষ্ণৰ প্ৰাৰ্থনাত ৰত হ'ল। তেখেতে ৰজাৰ দোষ নেদেখি পুত্ৰৰ কাৰ্যৰ বাবেহে অনুশোচনা প্ৰকাশ কৰিছে। মহৎ ব্যক্তিয়ে আনৰ মহত্ব আৰু নিজৰ দোষহে প্ৰথমে উপলব্ধি কৰে।

**ক্ৰিয়া-কলাপ**

## ক—পাঠভিত্তিক ক্ৰিয়া

**(১) তলৰ বাক্যকেইটা পঢ়া আৰু উত্তৰ দিয়া।**

**(ক) দেখন্ত ঃ মুনি চক্ষু মুদি সমাধি কৰি আচন্ত। এমন মুনিত তৃষ্ণায়ে আকুল হৈয়া জল খুজিলা।**

- মুনিয়ে চকু মুদি কি কৰি আছিল?
- মুনিজনৰ নাম কি?
- পিয়াহত আকুল হৈ কোনে মুনিক পানী খুজিছিল?

**(খ) পাচে তান পুত্ৰ শৃঙ্গী বাৰ্তা পায়া ক্ৰোধে ছুৱালসৱৰ আগতে বোলন্ত ঃ অহো ৰাজাৰ অন্যায় দেখ।**

- কি খবৰ পাই মুনি পুত্ৰ শৃঙ্গীৰ খং উঠিছিল?
- ৰজাই কি অন্যায় কৰাৰ কথা কৈছে?

**(গ) আজি মঞিঁ দণ্ডিবো ঃ মোৰ বল দেখ। এহি বুলি কৌষিকী জলত আচান্ত কৰি ৰজাক সপ্ত দিনত তক্ষকে দংশোক বুলি শাপ দিলা।**

- উক্ত কথাফাকি কোনে কৈছিল আৰু কিয় কৈছিল?
- শৃঙ্গীয়ে কৌষিকী জলত গা ধুই ৰজাক কি বুলি অভিশাপ দিছিল?

**(ঘ) অহো দুষ্ট পুত্ৰ কি অন্যায় কৰিলি।**

- শমীক মুনিয়ে শৃঙ্গীক দুষ্ট পুত্ৰ বুলি কিয় কৈছিল আৰু কি অন্যায় কৰাৰ কথা কৈছিল?

**(ঙ) মহাশ্ৰান্ত হৈয়া আমাক জল খুজিলন্ত। আহ্ম কেনে শাপ দিলি। ই পাপৰ আন প্ৰায়শ্চিত্ত নেদেখি কৃষ্ণক প্ৰাৰ্থন্ত।**

- শৃঙ্গীয়ে ৰজাক অভিশাপ দি পাপ কৰাৰ বাবে শমীক মুনিয়ে ভগৱান কৃষ্ণৰ ওচৰত কি বুলি প্ৰাৰ্থনা কৰিছিল?

**২) উত্তৰ দিয়া।**

ক) পৰীক্ষিত ৰজাৰ মৃত্যু হ'লে ৰাজ্যত কি কি সমস্যাৰ সৃষ্টি হ'ব পাৰে বুলি শমীক মুনিয়ে পুতেকক কৈছিল?

খ) শমীক মুনিৰ মহত্ব কেনেকৈ প্ৰকাশ পাইছে লিখা।

**৩) 'পৰীক্ষিতৰ ব্ৰহ্মশাপ' নামৰ পাঠটোৰ পৰা তুলি দিয়া বাক্যকেইটা আধুনিক অসমীয়া গদ্য ৰূপত লিখা।**

| পুৰণি অসমীয়া ৰূপ | আধুনিক অসমীয়া ৰূপ |
|---|---|
| উদাহৰণ—<br>একদিনা পৰীক্ষিত ৰাজা ধনু-শৰ ধৰি মৃগয়া কৰিতে বনক গৈলা। | এদিন পৰীক্ষিত ৰজাই ধনু-শৰ লৈ পহু চিকাৰ কৰিবলৈ বনলৈ গৈছিল। |
| মৃগক খেদি ক্ষুধায়ে তৃষ্ণায়ে শ্ৰান্ত হৈলা। | ............................................................ |
| এহিবুলি মৰা সৰ্প ধনুৰ আগে আনি মুনিৰ গলত দিয়া গৃহক গৈলা। | ............................................................ |
| পাচে শৃঙ্গী ৰাজাক শাপিবাৰ কথা কহিলা। | ............................................................ |
| মহা ধৰ্ম্মপৰ, আৰো হৰিভক্ত। মহাশ্ৰান্ত হৈয়া আমাত জল খুজিলন্ত। | ............................................................ |
| যাতো সাধুসৱে পৰৰ দুঃখেসে দুঃখী হৈয়া আপুনাৰ দুঃখ নুগুনে। | ............................................................ |

☞ *নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

৪) ব্যাখ্যা কৰা।

ক) দাস হৈয়া স্বামীক অপকাৰ কৰে ঃ ব্ৰাহ্মণসৱে ক্ষত্ৰিয়ক ৰাজা পাতিছে ঃ সি কোন আমাক দ্ৰোহ কৰে ঃ দুষ্টৰ নিয়ন্তা কৃষ্ণ বৈকুণ্ঠক গৈলে, আৰা এতেক অন্যায় কৰে।

খ) যাতো সাধুসৱে পৰৰ দুঃখেসে দুঃখী হৈয়া আপুনাৰ দুঃখ নুগুনে।

**৫) তলত দিয়া শব্দবিলাকৰ অৰ্থ শব্দ সম্ভাৰ আৰু অভিধান চাই লিখা।**

সমাধি তৃষ্ণা আকুল দণ্ডিবো কৌষিকী আচান্ত তক্ষক শাপ

## খ—ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)

**৬) তলত দিয়া শব্দবোৰৰ বিপৰীত অৰ্থ প্ৰকাশ কৰা শব্দবোৰ পাঠত আছে। বিচাৰি উলিয়াই লিখা।**

| | | | | | |
|---|---|---|---|---|---|
| প্ৰজা | - | ...................... | প্ৰশংসা | - | ...................... |
| নিম্ন | - | ...................... | উপকাৰ | - | ...................... |
| শান্ত | - | ...................... | ন্যায় | - | ...................... |
| সুখ | - | ...................... | অসমৰ্থ | - | ...................... |

**৭) তলত দিয়া শব্দবোৰৰ অৰ্থ লিখি পাৰ্থক্য প্ৰকাশ হোৱাকৈ বাক্য ৰচনা কৰা।**

| | | | |
|---|---|---|---|
| শাপ | সাপ | তান | টান |
| শৰ | সৰ | সুত | সূত |

**৮) শুদ্ধ উত্তৰটোত (✓) চিন দিয়া**

কৃষ্ণ শব্দটোৰ 'ষ্ণ' যুক্তাক্ষৰটো ভাঙিলে হ'ব

ক) ষ + ঞ খ) ষ + ছ

গ) ষ + ণ ঘ) ষ + ন

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

**৯) শ্ৰান্ত শব্দৰ 'শ্ৰ' যুক্তাক্ষৰ ভাঙিলে হ'ব**

ক) ড় + শ খ) ষ + ড়

গ) শ + ঋ ঘ) শ + ব

**১০) অৱজ্ঞা শব্দৰ 'জ্ঞ' যুক্তাক্ষৰ ভাঙিলে হ'ব**

ক) জ + ণ খ) জ + ন

গ) জ + ঞ ঘ) জ + ছ

**১১) পাঠত তোমালোকে ৰাজা, পিতৃ, ব্ৰাহ্মণ, পুত্ৰ— এই শব্দকেইটা পাইছা; শব্দকেইটাৰ বিপৰীত লিংগ বুজোৱা শব্দ লিখা।**

| পুংলিংগ | স্ত্ৰীলিংগ |
|---|---|
| ১) ...................... | ........................ |
| ২) ...................... | ......................... |
| ৩) ...................... | ......................... |
| ৪) ...................... | ......................... |

**১২) পাঠটো পঢ়ি পুৰণি অসমীয়া ভাষাত ব্যৱহাৰ হোৱা বৰ্তমান, অতীত আৰু ভৱিষ্যত কালৰ ক্ৰিয়া পদকেইটা বাছি উলিয়াই লিখা।**

উদাহৰণঃ বোলন্ত

১) ........... ২) ........... ৩) ...........

৪) ........... ৫) ...........

## গ — জ্ঞান সম্প্ৰসাৰণ

**১৩) পৰীক্ষিত ৰজাই শমীক মুনিৰ গলত মৰা সাপ আঁৰি দি ভুল কৰা নাছিলনে? তোমাৰ মতামত ব্যক্ত কৰা।**

**১৪) তোমাৰ জীৱনত কেতিয়াবা তুমি কৰিবনলগীয়া কাম কৰিছিলা নেকি লিখা।**

**১৫) তলত দিয়া বিষয়সমূহ আলোচনা কৰা।**

(ক) পৰীক্ষিতৰ জন্ম কাহিনী

(খ) শমীক মুনিৰ গলত মৰা সাপ আঁৰি দি পৰীক্ষিত ৰজা কেনেকুৱা অৱস্থাৰ সন্মুখীন হ'ব লগীয়া হ'ল?

☞ *কাৰ্যটো কৰাত ছাত্ৰ-ছাত্ৰীক সহায় কৰিব*

☞ *নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

১৬) মৃগয়াই কিদৰে প্ৰাণীকুল আৰু প্ৰাকৃতিক পৰিৱেশৰ ক্ষতি সাধন কৰিব পাৰে, যুক্তি সহকাৰে লিখা।

☞ *শ্ৰেণী কোঠাত আলোচনা চক্ৰ পাতি ছাত্ৰ-ছাত্ৰীক সহায় কৰিব।*

## ঘ — প্ৰকল্প

১৭) পৃথিৱীৰ পৰা কিছুমান প্ৰাণীৰ প্ৰজাতি বিলুপ্ত হ'বলৈ ধৰিছে। বিলুপ্ত হ'বলৈ ধৰা প্ৰাণীৰ নাম, বিলুপ্ত হোৱাৰ কাৰণ আৰু সংৰক্ষণৰ উপায় উলিয়াই তালিকাত অন্তৰ্ভুক্ত কৰা।

ক) বিলুপ্তপ্ৰায় হোৱা প্ৰাণীৰ নাম

১) ................................
২) ................................
৩) ................................
৪) ................................
৫) ................................



শিহু

খ) বিলুপ্ত হোৱাৰ কাৰণ

১) ................................
২) ................................
৩) ................................
৪) ................................
৫) ................................



হুদু



সোণালী বান্দৰ

গ) সংৰক্ষণ কৰাৰ উপায়

১) ................................
২) ................................
৩) ................................
৪) ................................
৫) ................................



বন কপৌ

১৮) মহাভাৰত আৰু ৰামায়ণৰ পৰা তিনিটাকৈ নাৰী-চৰিত্ৰ উল্লেখ কৰি চমুটোকা লিখা।

১৯) পাঠটোৰ আখ্যানভাগ নাটকীয় ৰূপত লিখি অভিনয় কৰা।

☞ *নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

# পাঠ ১০

## পাঠটোৰ পৰা আহৰণ কৰিবলগীয়া অৰ্হতা

- পুৰণি অসমীয়া গদ্য সাহিত্য পঢ়ি বুজি পোৱা
- পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ ক'ব আৰু লিখিব পৰা
- ব্যাখ্যা কৰিব পৰা
- শব্দৰ অৰ্থ জনা আৰু লিখিব পৰা
- পুৰণি অসমীয়া ৰূপক আধুনিক অসমীয়া ৰূপলৈ অনুবাদ কৰিব পৰা
- বিপৰীত অৰ্থপ্ৰকাশক শব্দ জনা
- শব্দৰ অৰ্থৰ পাৰ্থক্য দেখুৱাই বাক্য ৰচনা কৰিব পৰা
- কি কি আখৰ লগ হৈ যুক্তাক্ষৰ হৈছে শুদ্ধাশুদ্ধ বিচাৰ কৰিব পৰা
- বিপৰীত লিংগ বুজোৱা শব্দ জনা
- বাক্যত বৰ্তমান কালৰ ক্ৰিয়া পদ বাছি উলিয়াই লিখিব পৰা
- বাক্যত ভবিষ্যৎ কালৰ ক্ৰিয়া পদ বাছি উলিয়াই লিখিব পৰা
- গদ্য সাহিত্যৰ জনক ভট্টদেৱৰ বিষয়ে জনা
- পাঠটোৰ গুৰুত্ব সম্পৰ্কে জনা
- আলোচনা চক্ৰৰ জৰিয়তে পাঠৰ বিষয়বস্তুৰ জ্ঞান স্থায়ী কৰা
- আখ্যান সাহিত্যৰ জৰিয়তে মানৱীয় চেতনা, নৈতিক প্ৰমূল্য আৰু সামাজিক দায়বদ্ধতাৰ বিষয়ে জনা
- বিলুপ্ত হ'ব ধৰা প্ৰাণীৰ নাম, বিলুপ্ত হোৱাৰ কাৰণ আৰু সংৰক্ষণৰ উপায় সম্বন্ধে জনা

## শিকাৰুৰ পাঠভিত্তিক অৰ্হতাৰ মূল্যায়ন

| গদ্য পাঠ | পুৰণি অসমীয়া গদ্য সাহিত্য শুদ্ধ উচ্চাৰণেৰে পঢ়িব পৰা | গদ্য সাহিত্যৰ জনক ভট্টদেৱৰ বিষয়ে জনা আৰু ক'ব পৰা | পাঠটোৰ মূল কথাখিনি জনা আৰু লিখিব পৰা | পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ ক'ব আৰু লিখিব পৰা | পুৰণি অসমীয়া ভাষাশৈলীক আধুনিক অসমীয়া ভাষা ৰূপত লিখিব পৰা | ব্যাখ্যা কৰিব পৰা |
|---|---|---|---|---|---|---|
| | | | | | | |
| ভাষা অধ্যয়ন (ব্যৱহাৰিক ব্যাকৰণ) | বিপৰীত অৰ্থ প্ৰকাশ কৰা শব্দ জনা | অৰ্থৰ পাৰ্থক্য দেখুৱাই বাক্য ৰচনা কৰিব পৰা | কি কি আখৰ লগ হৈ যুক্তাক্ষৰ গঠন হয় শুদ্ধাশুদ্ধ বিচাৰ কৰিব পৰা | বিপৰীত লিংগ বুজোওৱা শব্দ বুজি লিখিব পৰা | বৰ্তমান, অতীত, আৰু ভবিষ্যত কালৰ ক্ৰিয়া পদ বাছি উলিয়াই লিখিব পৰা | |
| | | | | | | |
| জ্ঞান সম্প্ৰসাৰণ | নিজৰ চিন্তাৰে উচিত অনুচিত বিবেচনা কৰি লিখিব পৰা | বিভিন্ন বিষয় সম্পৰ্কে আলোচনা কৰিব পৰা | মুগয়াই যে প্ৰাণীকুল আৰু প্ৰাকৃতিক পৰিৱেশৰ ক্ষতি সাধন কৰে সেই বিষয়ে জনা | আখ্যান সাহিত্যৰ জৰিয়তে মানৱীয় সম্পৰ্কৰ বিষয়ে জনা | | |
| | | | | | | |
| প্ৰকল্প | প্ৰকৃতিৰ পৰা বিলুপ্ত হ'ব ধৰা প্ৰাণীৰ নাম, বিলুপ্ত হোৱাৰ কাৰণ আৰু সংৰক্ষণৰ উপায় সম্বন্ধে জনা | | | | | |
| | | | | | | |

☞ *অৰ্হতা আয়ত্ত হ'লে ওপৰৰ তালিকাখনৰ তলৰ খালী ঘৰত ✓ চিন দিব আৰু নহ'লে ✗ চিন দিব। অৰ্হতা আয়ত্ত নোহোৱা শিকাৰুক অতিৰিক্তভাৱে শিকাই পুনৰ মূল্যায়ন কৰিব।*

পাঠ ১১

# অতীতক নাযাবা পাহৰি

C8P4X8

> *অতীতৰ সুস্থ আৰু সবল ধ্যান-ধাৰণাক আমি সমাজ- জীৱনত যথাযথৰূপে প্ৰয়োগ কৰিলে ভৱিষ্যত উজলি উঠাৰ সম্ভাবনা থাকে। ঐতিহ্যৰ আধাৰতে ভৱিষ্যতৰ সপোন ৰচা সহজ হৈ পৰে। আমাৰ অতীত বুৰঞ্জী, বিজ্ঞান, কলা-কৃষ্টি আদিৰ বিজ্ঞানসম্মত বিশ্লেষণ তথা সংৰক্ষণ উত্তৰ কালৰ বাবে অতি আৱশ্যকীয়, যিবোৰক লৈ আমি গৌৰৱ কৰিব পাৰোঁ আৰু জাতীয় ঐতিহ্যৰ প্ৰতি সন্মান প্ৰদৰ্শনৰ অংশীদাৰ হ'ব পাৰোঁ ।*

বিদ্যালয়ৰ প্ৰেক্ষাগৃহত সকলো ছাত্ৰ-ছাত্ৰী শৃংখলাবদ্ধভাৱে বহি আছে। সন্মুখত প্ৰধান শিক্ষকৰ কাষতে আসন গ্ৰহণ কৰা ব্যক্তিগৰাকী বিশিষ্ট প্ৰত্নতত্ত্ববিদ ড° বিপিন চন্দ্ৰ দাস। প্ৰধান শিক্ষকৰ আমন্ত্ৰণক্ৰমে তেখেতে প্ৰত্নতত্ত্ব সম্পৰ্কীয় বক্তৃতা প্ৰদান কৰিবলৈ বিদ্যালয়ত উপস্থিত হৈছেহি। তেখেতৰ লগত লৈ অনা অ'ভাৰহেড প্ৰজেক্টৰটো বিজ্ঞান শিক্ষক ভূঞা ছাৰে সাজু কৰি দিছে।



প্ৰাৰম্ভতে প্ৰধান শিক্ষক কমল শৰ্মাই প্ৰত্নতত্ত্ববিদ ড° দাসৰ লগত সকলোকে চিনাকি কৰাই দিলে। সকলো ছাত্ৰ-ছাত্ৰীয়ে থিয় হৈ তেখেতক নমস্কাৰ জনালে। দাস ছাৰেও প্ৰতিনমস্কাৰ জনাই এটি প্ৰশ্নৰে নিজৰ বক্তব্য আৰম্ভ কৰিলে —"তোমালোকে মঠ-মন্দিৰ থকা কেইখনমান পুৰণি তীৰ্থ-স্থানৰ নাম ক'ব পাৰিবানে?" সমূহীয়া প্ৰশ্নটোৰ উত্তৰ দিবলৈ উত্তৰা তৎক্ষণাত থিয় হ'ল— "কামাখ্যা মন্দিৰ, হাজোৰ হয়গ্ৰীৱ মাধৱ মন্দিৰ, পোৱা মক্কা, মদন কামদেৱ মন্দিৰ, তাম্ৰেশ্বৰী মন্দিৰ, উগ্ৰতাৰা মন্দিৰ, মহাভৈৰৱ মন্দিৰ।" উত্তৰাই কোৱা তীৰ্থ-স্থানসমূহৰ নাম শুনি দাস ছাৰে তেওঁক উৎসাহিত কৰি ক'লে — "তুমি ভালেমান পুৰণি মঠ-মন্দিৰৰ নাম ক'ব পাৰিলা। আজি মই তোমালোকক মঠ-মন্দিৰ, স্তূপ আদিৰ দৰে প্ৰাচীন আপুৰুগীয়া সম্পদসমূহৰ উদ্ধাৰ আৰু সংৰক্ষণৰ আৱশ্যকতা সম্পৰ্কে ক'বলৈ ওলাইছোঁ। অতীতৰ শিল্পকলা,স্থাপত্য, ভাস্কৰ্য, লিপি, মুদ্ৰা, বুৰঞ্জী প্ৰসিদ্ধ স্থান, দলিল আদি যিবিলাক সম্পদে সেই যুগৰ ঐতিহ্য, বুৰঞ্জী, বিজ্ঞান, ধৰ্ম, দৰ্শন আদিৰ

সম্ভেদ দিয়ে তেনে সম্পদবোৰেই হৈছে কলাসম্পদ। এই সম্পদসমূহে অতীতৰ সাংস্কৃতিক ঐতিহ্যৰ বিষয়ে কয়।" কথাখিনি শেষ কৰি তেখেতে অ'ভাৰহেড প্ৰজেক্টৰত প্ৰাচীন মঠ-মন্দিৰ, লিপি, বাচন-বৰ্তন, আ-অলংকাৰ আদিৰ ছবি এখন এখনকৈ দেখুৱাই গ'ল আৰু ক'লে — "এইবোৰেই হৈছে প্ৰত্নতাত্ত্বিক সম্পদ। সময়ে সময়ে খনন কাৰ্যৰ জৰিয়তে বহুতো সম্পদ মাটিৰ তলৰ পৰা উদ্ধাৰ কৰা হৈছে। এই সম্পদসমূহৰ বিজ্ঞানসন্মত অধ্যয়নক প্ৰত্নতত্ত্ব বোলে। খনন কাৰ্য এটা জাতিৰ কাৰণে অতি গুৰুত্বপূৰ্ণ। কাৰণ প্ৰাকৃতিক দুৰ্যোগৰ ফলত কেতিয়াবা এখন দেশ ধ্বংস হৈ ভূ-গৰ্ভত লীন যাব পাৰে। এই খনন কাৰ্যৰ দ্বাৰাই এখন দেশৰ তেনে প্ৰাচীন ঐতিহ্য, সভ্যতাৰ স্বাক্ষৰ উদ্ধাৰ হ'ব পাৰে। তোমালোকে মহেঞ্জোদাৰো আৰু হৰপ্পাৰ খনন কাৰ্যৰ কথা শুনিছা নিশ্চয়? এই খননত উদ্ধাৰ হোৱা প্ৰত্নতাত্ত্বিক সম্পদৰ ছবি কেইখনমান চোৱাচোন।" — এইবুলি দাস ছাৰে মহেঞ্জোদাৰোত উদ্ধাৰ হোৱা বাচন-বৰ্তন, কেইপদমান আ-অলংকাৰ, নলা-নৰ্দমা, থকা ঘৰ, গা-ধোৱা ঘৰ আদিৰ ভগ্নাৱশেষৰ ছবি দেখুৱালে। তেখেতে পুনৰ ক'লে— "এই সম্পদসমূহৰ অধ্যয়নৰ জৰিয়তে আমি সেই সময়ৰ মানুহৰ জীৱন-ধাৰণৰ প্ৰণালী, বসতি স্থান, কলা-সংস্কৃতি, ধৰ্ম, দৰ্শন আদিৰ বিষয়ে জানিব পাৰোঁ।"

"মোৰ এটা প্ৰশ্ন আছে ছাৰ", দাস ছাৰক উদ্দেশ্য কৰি হীৰাই ক'লে। ছাৰৰ অনুমতিক্ৰমে তাই সুধিলে — "কিমান বছৰৰ পুৰণি সম্পদক প্ৰত্নতাত্ত্বিক সম্পদ হিচাপে ধৰা হয়?"

"প্ৰাক-ঐতিহাসিক যুগৰে পৰা আৰম্ভ কৰি বৰ্তমান সময়ৰ পৰা এশ বছৰৰ পুৰণি সকলো সম্পদক প্ৰত্নতাত্ত্বিক সম্পদৰূপে ধৰা হয়"— দাস ছাৰে উত্তৰ দিলে।



এইবাৰ তেখেতে সকলোৰে প্ৰতি দৃষ্টি নিক্ষেপ কৰি সুধিলে — "তোমালোকে কথাবিলাক পুংখানুপুংখভাৱে বুজি পাইছানে?" সকলোৱে একেলগে 'পাইছোঁ, পাইছোঁ' বুলি মূৰ দুপিয়ালে।


এইবাৰ দাস ছাৰে অ'ভাৰহেড প্ৰজেক্টৰত অন্য কিছুমান ছবি সুমুৱাই লৈ আৰম্ভ কৰিলে — "তোমালোকে অসমৰ প্ৰত্নতাত্ত্বিক সম্পৰ্কীয় কথাসমূহ বাতৰি কাকত, ৰেডিঅ' বা টিভিৰ জৰিয়তে জানিবলৈ পাইছা নিশ্চয়?" প্ৰাঞ্জলে টপৰাই উত্তৰ দিলে — "হয় ছাৰ, গোৱালপাৰা জিলাৰ শ্ৰীশ্ৰীসূৰ্য পাহাৰ, তেজপুৰৰ ওচৰৰ বৰচুবুৰী, গুৱাহাটীৰ আমবাৰীৰ খনন কাৰ্যৰ বিষয়ে শুনিছোঁ।" প্ৰাঞ্জলৰ উত্তৰত সঁহাৰি জনাই ছাৰে ক'লে — "ঠিকেই কৈছা। এই স্থানসমূহত উদ্ধাৰ হোৱা প্ৰত্নতাত্ত্বিক সম্পদে অসমৰ সাংস্কৃতিক আৰু সামাজিক ঐতিহ্যৰ ভেটি অধিক সুদৃঢ় কৰি তুলিছে।" এইবুলি তেখেতে অসমৰ বিভিন্ন স্থানত খনন কাৰ্যৰ দ্বাৰা উদ্ধাৰ হোৱা সম্পদৰ ছবিবোৰ এফালৰ পৰা দেখুৱাই গ'ল আৰু লগে লগে ব্যাখ্যাও দাঙি ধৰিলে — "এয়া তেজপুৰৰ ওচৰৰ বৰচুবুৰী গাঁৱত উদ্ধাৰ হোৱা পোৰা মাটিৰ কুঁৱাৰ অৱশেষ।

এনে পোৰা মাটিৰ কুঁৱাৰ অৱশেষ গংগা নদীৰ প্ৰাচীন প্ৰত্নতাত্ত্বিক স্থানতো পোৱা গৈছে। ইয়াৰ দ্বাৰা প্ৰমাণ হয় যে উত্তৰ ভাৰতৰ গংগা নদীৰ উপত্যকা আৰু অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকাত একে সময়তে সভ্যতা আৰু সংস্কৃতিৰ বিকাশ সাধন হৈছিল।"



ছাত্ৰ-ছাত্ৰীসকলৰ মাজৰ পৰা হঠাৎ মণিকা থিয় হ'ল আৰু কিবা এটা মনত পৰাৰ দৰে কৈ উঠিল— "ছাৰ, শিৱসাগৰৰ চৰাইদেউত কৰা খনন কাৰ্যৰ কথা শুনিছিলোঁ।" "হ'বা, কথাবোৰ মই সময়ৰ ধাৰাবাহিকতা ৰক্ষা কৰি একাদিক্ৰমে কৈ গৈছোঁ, তুমি উল্লেখ কৰা খননৰ বিষয়ে কিছু পাছত জানিব পাৰিবা।" এইবুলি দাস ছাৰে পুনৰ আৰম্ভ কৰিলে— "ইতিমধ্যে তোমালোকৰ এজনে শ্ৰীশ্ৰীসূৰ্য পাহাৰৰ নাম উল্লেখ কৰিছা, কিছুমানে হয়তো সেই ঠাই ভ্ৰমণো কৰিছা। খনন কাৰ্যৰ ফলত ইয়াত উদ্ধাৰ হোৱা শিলেৰে নিৰ্মিত বৌদ্ধ স্তূপ, জৈন ধৰ্মৰ আদিগুৰু নেমিনাথ আৰু ঋষভ নাথৰ ভাস্কৰ্য, শিৱ-লিংগ, গণেশ আদি মূৰ্তিৰ সমাৱেশে শ্ৰীশ্ৰীসূৰ্য পাহাৰক বিভিন্ন ধৰ্মীয় সমাজৰ মিলনভূমি ৰূপে চিহ্নিত কৰিছে। গোৱালপাৰা জিলাৰ পাগলাটেকত পোৰা মাটিৰ বৌদ্ধ স্তূপৰ বিৰল ভাস্কৰ্য উদ্ধাৰ হৈছে।"

"এইবাৰ আমি গোলাঘাট জিলালৈ আহোঁ। এই জিলাৰ বৰপথাৰ অঞ্চলৰ 'ডুবৰনি' প্ৰাচীন অসমৰ বুৰঞ্জীৰ অন্যতম ক্ষেত্ৰ। এই অঞ্চলৰ ওচৰে-পাঁজৰে উদ্ধাৰ হোৱা প্ৰাচীন লিপিসমূহৰ পৰা আমি সমাজ, ধৰ্ম, সাহিত্য, ৰাজনৈতিক দিশ আদিৰ অনেক তথ্য পাওঁ। কেৱল লিপিয়েই নহয়, ডুবৰনি অঞ্চলত প্ৰত্নতাত্ত্বিক খনন কাৰ্যৰ দ্বাৰা উদ্‌ঘাটন কৰা প্ৰাচীন ইটাৰে নিৰ্মিত মন্দিৰৰ ভেটি, শিৱ-লিংগ আদিয়ে অতীতত ডুবৰনি অঞ্চলত বিকাশ লাভ কৰা ভাস্কৰ্য আৰু স্থাপত্য কলাৰ ইংগিত বহন কৰিছে।" খন্তেক বৈ দাস ছাৰে এগিলাচ পানী খাই ল'লে। তাৰ পাছত অ'ভাৰহেড প্ৰজেক্টৰটো পুনৰ চলাই দিলে। লগে লগে পৰ্দাত নৃত্যৰত অৱস্থাত থকা নটৰাজৰ ছবি এখন দেখিবলৈ পোৱা গ'ল। ছাৰে বৰ্ণনা কৰিলে— "এয়া নটৰাজ। আজিৰ পৰা কিছু বছৰৰ আগতে গুৱাহাটী মহানগৰৰ আমবাৰী অঞ্চলত খনন কাৰ্যৰ দ্বাৰা উদ্ধাৰ কৰা হৈছে। শিৱৰ বাহন নন্দীৰ পিঠিত উঠি নৃত্যৰত অৱস্থাত থকা এই মূৰ্তি সমগ্ৰ ভাৰততে বিৰল। আমবাৰীত এই মূৰ্তিৰ উপৰি অনেক প্ৰত্নতাত্ত্বিক সম্পদ উদ্ধাৰ কৰা হৈছে, ইটাৰে নিৰ্মিত স্থাপত্যৰ ভেটিৰ অৱশেষ, নটৰাজ, বিষ্ণু, শিৱ আদিৰ অনেক ডাঙৰ-সৰু আকাৰৰ ভাস্কৰ্য, পোৰা মাটিৰ নানান



প্ৰত্নতাত্ত্বিক সম্পদ উদ্ধাৰ হৈছিল। তাকে চাই এই অঞ্চল এসময়ত কলাকাৰ আৰু শিল্পীৰ শিল্প কৰ্মৰ এক উল্লেখযোগ্য স্থান আছিল বুলি ভবা হৈছে। তোমালোকে কেতিয়াবা সুবিধা পালে আমবাৰীৰ প্ৰত্নতাত্ত্বিক সংগ্ৰহালয়লৈ গৈ এই সম্পদসমূহ চাই আহিবা। একে সময়ৰে প্ৰত্নতাত্ত্বিক সম্পদ নগাঁও জিলাৰ হোজাই মহকুমাৰ ন-নাথতো উদ্ধাৰ হৈছে। ইটাৰে নিৰ্মিত দুশাৰী মন্দিৰৰ ভেটি, পোৰামাটিৰ ভাস্কৰ্যৰে সজোৱা ইটাৰ বেৰসমূহ আৰু শিলৰ খুঁটাত থকা স্থাপত্যৰ কাৰিকৰী দিশসমূহ চকুত লগা।"



এইবাৰ তোমালোকৰ এগৰাকীয়ে উল্লেখ কৰা শিৱসাগৰ জিলাৰ খননৰ কথা ক'বলৈ ওলাইছোঁ। এই জিলাৰ চৰাইদেউত আহোম স্বৰ্গদেউৰ ৰাজকীয় সমাধিক্ষেত্ৰ মৈদামসমূহ উদ্ধাৰ হৈছে। বৃহৎ আকাৰৰ অৰ্ধগোলাকৃতিৰ মৈদামসমূহৰ স্থাপত্য সমগ্ৰ ভাৰতবৰ্ষতে বিৰল। চীনদেশৰ ৰাজকীয় সমাধিক্ষেত্ৰৰ লগত এই মৈদাম-সংস্কৃতিৰ সাদৃশ্য আছে। ভাৰতীয় প্ৰত্নতাত্ত্বিক বিভাগে এনে এটি মৈদামৰ খনন কাৰ্য কৰি মৃতকৰ লগত সমৰ্পন কৰা শৰাই, সঁফুৰা, হাতী-দাঁতৰ সামগ্ৰী, সোণৰ অলংকাৰৰ অৱশেষ আদি অনেক সম্পদ সংগ্ৰহ কৰিবলৈ সমৰ্থ হৈছে। আহোমসকলৰ ৰাজত্বকালত অসমৰ প্ৰায় সকলো শিলৰ ভগ্নাৱশেষৰ স্থানত ইটাৰ মন্দিৰ নিৰ্মাণ হৈছিল। এই স্থানসমূহৰ উপৰি কছাৰীসকলৰ ডিমাপুৰ, কাছমাৰী পথাৰ, উত্তৰ কাছাৰ জিলাৰ মাইবং, খাচপুৰ আদি স্থানত উদ্ধাৰ হোৱা প্ৰত্নতাত্ত্বিক সৌধসমূহে বিৰল ঐতিহ্যৰ নিদৰ্শন বহন কৰে।"

সামৰণিত দাস ছাৰে এনেদৰে মন্তব্য কৰে— "প্ৰত্নতাত্ত্বিক খনন কাৰ্যত উদ্ধাৰ হোৱা সম্পদে এটা জাতিক ঐতিহাসিকভাৱে গৌৰবান্বিত কৰি ৰাখে। প্ৰত্নতাত্ত্বিক সম্পদৰ যথোপযুক্ত সংৰক্ষণে দেশৰ অৰ্থনৈতিক দিশ সবল কৰে। লগতে দেশখনৰ সাংস্কৃতিক বৈশিষ্ট্যৰাজিও বিদেশত প্ৰচাৰ হোৱাত সহায়ক হয়। তোমালোকো এনে সম্পদসমূহৰ লগত পৰিচিত হৈ ইয়াৰ প্ৰতি শ্ৰদ্ধাবান হ'বা।" এনেদৰে দাস ছাৰে তেখেতৰ বক্তব্যৰ সামৰণি মাৰিলে। সকলোৱে তেখেতক ধন্যবাদ জনালে।

*(প্ৰত্নতত্ত্ববিদ ড° হেমেন্দ্ৰ নাথ দত্তই লিখি পঠিওৱা প্ৰবন্ধটো অষ্টম শ্ৰেণীৰ উপযোগীকৈ সম্পাদিত ৰূপত প্ৰকাশ কৰা হৈছে)*

**ক্ৰিয়া - কলাপ**

## ক — পাঠভিত্তিক ক্ৰিয়া

১। উত্তৰ দিয়া।

(ক) কোনবোৰ সম্পদক কলা সম্পদ বুলি কোৱা হয়?

(খ) অতীতৰ কিহৰ বিষয়ে এই সম্পদবোৰে কয়?

(গ) কোনবিলাক সম্পদক প্ৰত্নতাত্ত্বিক সম্পদ বোলে?

(ঘ) প্ৰত্নতত্ত্ব বুলিলে কি বুজা? পুৰণি কালৰ কলাসম্পদসমূহৰ অধ্যয়নৰ জৰিয়তে আমি কিহৰ বিষয়ে জানিব পাৰোঁ?

(ঙ) পুৰণি দ্বাৰকা নগৰৰ অৱশেষ ক'ৰ পৰা উদ্ধাৰ কৰা হৈছিল?

(চ) সূৰ্য পাহাৰ কোন জিলাত অৱস্থিত?

(ছ) তেজপুৰৰ ওচৰৰ বৰাচুবুৰী গাঁৱত কি উদ্ধাৰ কৰা হৈছিল?

(জ) সূৰ্য পাহাৰৰ খনন কাৰ্যত কি কি উদ্ধাৰ হৈছিল?

(ঝ) গোৱালপাৰা জিলাৰ 'পাগলাটেক'ত কি উদ্ধাৰ হৈছিল?

(ঞ) গোলাঘাট জিলাৰ বৰপথাৰ অঞ্চলৰ 'ডুবৰনি'ক প্ৰাচীন অসমৰ বুৰঞ্জীৰ অন্যতম ক্ষেত্ৰ বুলি কিয় কোৱা হৈছে বুজাই লিখা।

(ট) গুৱাহাটী মহানগৰৰ আমবাৰী অঞ্চলৰ খনন কাৰ্যৰ দ্বাৰা কিহৰ মূৰ্তি উদ্ধাৰ হৈছিল।

(ঠ) শিৱসাগৰ জিলাৰ চৰাইদেউত আহোম স্বৰ্গদেউৰ সমাধিক্ষেত্ৰ মৈদামসমূহ উদ্ধাৰ হৈছে। মৈদামসমূহত উদ্ধাৰ হোৱা সামগ্ৰীসমূহ কি কি আছিল? এই মৈদামসমূহৰ লগত কোন দেশৰ মৈদামৰ সাদৃশ্য আছে লিখা।

**২। তলত দিয়া শব্দবোৰৰ অৰ্থ লিখা।**

| **শব্দ** | **অৰ্থ** | **শব্দ** | **অৰ্থ** |
|---|---|---|---|
| প্ৰত্নতত্ত্ব | ———— | ঐতিহাসিক | ———— |
| ভগ্নাৱশেষ | ———— | উদ্‌ঘাটন | ———— |
| ভাস্কৰ্য | ———— | ঐতিহ্য | ———— |
| স্তূপ | ———— | গৌৰৱ | ———— |

**৩। চমুটোকা লিখা।**

ক) শ্ৰীশ্ৰী সূৰ্য পাহাৰ  খ) মৈদাম  গ) ডুবৰনি  ঘ) নটৰাজ ।

**৪। ব্যাখ্যা কৰা।**

(ক) উত্তৰ ভাৰতৰ গংগা নদীৰ উপত্যকা আৰু অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকাত একে সময়তে সভ্যতা সংস্কৃতিৰ বিকাশ সাধন হৈছিল।

☞ *নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

## খ —ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)

জানো আহা

ইতিমধ্যে আগৰ শ্ৰেণীত কৃৎ আৰু তদ্ধিত প্ৰত্যয়ৰ কথা আলোচনা কৰা হৈছে। **স্বাৰ্থিক** আৰু **নিৰ্দিষ্টতাবাচক প্ৰত্যয়** (সৰ্গ)ৰ কথা এই পাঠটিত আভাস দিয়া হ'ব। উদাহৰণ — **'প্ৰধান শিক্ষকৰ আমন্ত্ৰণক্ৰমে তেওঁ প্ৰত্নতত্ত্ব সম্পৰ্কীয় বক্তৃতা প্ৰদান কৰিবলৈ বিদ্যালয়ত উপস্থিত হৈছেহি।'**

ওপৰৰ বাক্যটোত **'হৈছে'** শব্দটোৰ লগত **'হি'** লগ হৈ বাক্যৰ মূল অৰ্থত গুৰুত্ব দি অৰ্থ প্ৰকাশত সহায় কৰিছে।

ক্ৰিয়া পদত একেবাৰে শেষত লগলাগি যিবোৰ প্ৰত্যয়ে বাক্যৰ মূল অৰ্থ নিৰ্ধাৰণ কৰে তেনে প্ৰত্যয়বোৰক স্বাৰ্থিক প্ৰত্যয় বোলে। এইবোৰক ক্ৰিয়াবাচক পৰসৰ্গও বুলিব পাৰি। তলত **ক্ৰিয়াবাচক পৰসৰ্গ বা স্বাৰ্থিক প্ৰত্যয়** কেইটামান দেখুৱাই দিয়া হ'ল।

**একা** —— (নিশ্চয়তাৰ ভাব বুজোৱা) মই কৰিম একা।

**গৈ** —— (কাম শেষ হোৱা ভাব বুজোৱা) সি গ'লগৈ।

**চাগৈ** —— (অনিশ্চয়তা, সম্ভাৱনা, সন্দেহ আদিৰ ভাব থাকে) তেওঁ আহিব চাগৈ!

**চোন** —— (অনুৰোধ) এই কথাখিনি শুনাচোন।

**দে,দেই** —— (অনুৰোধ মিশ্ৰিত আদেশ সূচায়) আহিবাদেই, যাবাদেই ইত্যাদি।

**হি** —— (শেষ বা সম্পূৰ্ণ হোৱা বুজায়) তেওঁ উপস্থিত হ'লহি।

**হ'বলা**—— (অনিশ্চয়তাসূচক) তেওঁ যাব হ'বলা, ৰাম আহিব হ'বলা।

নিৰ্দিষ্টতাবাচক প্ৰত্যয় —

"কথাখিনি শেষ কৰি তেওঁ অ'ভাৰহেড প্ৰজেক্টৰত প্ৰাচীন মঠ-মন্দিৰ, লিপি, বাচন-বৰ্তন, আ-অলংকাৰ আদিৰ ছবি এখন এখনকৈ দেখুৱাই গ'ল।"

ওপৰৰ বাক্যটোত **'কথাখিনি'** শব্দত **'খিনি'** লগ হৈ নিৰ্দিষ্ট কথাক বুজাইছে। অসমীয়া ভাষাত নিৰ্দিষ্টকৈ বুজাবৰ বাবে বিশেষ্য, বিশেষণ, সংখ্যাবাচক শব্দ আৰু তৃতীয় পুৰুষৰ সৰ্বনামৰ পাছত কিছুমান প্ৰত্যয় যোগ হয়। এনে প্ৰত্যয়ে কেতিয়াবা একাধিক অৰ্থ প্ৰকাশ কৰে।

অসমীয়া ভাষাত ব্যৱহৃত অন্যান্য নিৰ্দিষ্টতাবাচক প্ৰত্যয়বোৰ অৰ্থ আৰু প্ৰয়োগসহ দেখুওৱা হ'ল —

**খন, খনি** ——— বহল আৰু চেপেটা অৰ্থত বস্তুবাচক শব্দৰ পাছত বহে। খনতকৈও ক্ষুদ্ৰতৰ আৰু চেনেহৰ বুজাবলৈ খনি ব্যৱহাৰ কৰা হয়। যেনে - কপালখন, কিতাপখন, কিতাপখনি, নৈখন, নৈখনি, হিয়াখনি।

| | | |
|---|---|---|
| আখি | ——— | (সমষ্টিবাচক প্ৰত্যয়) কলআখি। |
| আটি | ——— | (দীঘল সৰু বস্তুৰ গোট বুজোৱা) খৰিআটি। |
| কুৰা | ——— | (জ্বলিথকা বস্তু বুজোৱা) জুইকুৰা। |
| খিনি | ——— | (ক্ষুদ্ৰাৰ্থত ব্যৱহাৰ হোৱা) মাটিখিনি, এইখিনি। |
| ছোপ, ছোপা | ——— | (সমষ্টিবাচক) কলছোপ, বাঁহছোপ, কলছোপা, বাঁহছোপা। |
| জোপা, জুপি | ——— | (সমষ্টি অৰ্থত) গছজোপা, আমজুপি ইত্যাদি। |
| টোপা | ——— | (জুলীয়া পৰিমাণ বাচক) পানীটোপা। |
| চপৰা | ——— | (ক্ষুদ্ৰ গোট বুজোৱা) এচপৰা, মাটিচপৰা। |

**৫। তলৰ শব্দবোৰৰ বিপৰীতাৰ্থক শব্দ পাঠৰ পৰা বিচাৰি লিখা।**

| | | | |
|---|---|---|---|
| উপস্থিত | — | ধ্বংস | — |
| চিনাকি | — | নবীন | — |
| প্ৰাচীন | — | দুৰ্বল | — |
| পৰিকল্পিত | — | বৈসাদৃশ্য | — |

**৬। বাক্য ৰচনা কৰা।**

ভগ্নাৱশেষ ইতিহাস উৎঘাটন উদ্ধাৰ খনন নিৰ্মাণ ঐতিহ্য আপুৰুগীয়া

**৭। তলৰ বাক্যবিলাকৰ অৰ্থ এটা শব্দত প্ৰকাশ কৰা।**

(ক) কোনো বস্তুৰ ভগা-ছিগা অংশবোৰ—

(খ) প্ৰাচীন যুগৰ সম্পদসমূহৰ বিষয়ে কৰা অধ্যয়ন—

(গ) প্ৰাচীন যুগৰ সম্পদসমূহৰ সংৰক্ষণ কৰি ৰখা স্থান—

(ঘ) শিলত কটা শিল্প—

**৮। তলৰ প্ৰশ্নকেইটাৰ উত্তৰ দিয়া।**

(ক) অ'ভাৰহেড প্ৰজেক্টৰ বুলিলে কি বুজা?

(খ) অ'ভাৰহেড প্ৰজেক্টৰৰ সহায়ত কি কৰিব পাৰি?

(গ) প্ৰত্নতাত্ত্বিক সম্পদৰ সময় নিৰূপণ কৰা ব্যৱস্থাটোক কি বুলি কোৱা হয়?

(ঘ) প্ৰত্নতাত্ত্বিক খনন কাৰ্য সমাধা হোৱা ঠাই কেইখনমানৰ নাম লিখা।

(ঙ) লিপিসমূহৰ অধ্যয়নে কি কি তথ্যৰ যোগান ধৰে?

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

## গ—জ্ঞান সম্প্ৰসাৰণ

### জানি লোৱা

**অ'ভাৰহেড প্ৰজেক্টৰ** — এবিধ প্ৰক্ষেপণ যন্ত্ৰ। ইয়াৰ সহায়ত স্বচ্ছ কাগজত লিখি লোৱা কথা বা ছবি আদি প্ৰতিফলক পৰ্দাত ডাঙৰকৈ দেখুৱাব পাৰি। ইয়াৰ জৰিয়তে কথা বুজিবলৈ বা বুজাবলৈ সুবিধা।

- প্ৰত্নতাত্ত্বিক সম্পদৰ সময় নিৰূপণ বৈজ্ঞানিক ব্যৱস্থাৰে কৰা হয়। ইয়াক কাৰ্বন ফৰটিন মেথদ (Carbon Fourteen Method) বুলি কোৱা হয়। জৈৱিক মাধ্যমৰ সম্পদৰ ক্ষেত্ৰত এই প্ৰক্ৰিয়া অধিক ফলপ্ৰসূ। প্ৰত্নতাত্ত্বিক সম্পদৰ সৃষ্টিৰ মাধ্যম, যেনে— শিল, ইটা, কাঠ, বাঁহ আদিৰ অধ্যয়ন, এনে সম্পদৰ গঢ়, পোৱা স্থানৰ বুৰঞ্জীৰ প্ৰাসংগিকতা আদিলৈ লক্ষ্য কৰিও সম্পদৰ সময় নিৰূপণ কৰা হয়। প্ৰত্নতাত্ত্বিক খনন কাৰ্যৰ বেলিকা যিমানেই মাটিৰ নিম্ন স্তৰলৈ যোৱা হয় সিমানে বেছি প্ৰাচীন সম্পদৰ সন্ধেদ পোৱা যায়।
- প্ৰত্নতাত্ত্বিক খনন কাৰ্য এনে অৱস্থাত কৰা হয় যে খনন কাৰ্য নহ'লে সেই স্থানৰ ভূ-গৰ্ভত নিমজ্জিত হৈ থকা প্ৰত্নতাত্ত্বিক সম্পদৰ উদ্ধাৰৰ অন্য কোনো উপায় নাথাকে। অসমৰ আমবাৰী, মদন কামদেৱ, শ্ৰীশ্ৰীসূৰ্য পাহাৰ, দ-পৰ্বতীয়া, ন-নাথ, ডুবৰনি আদি স্থানত প্ৰত্নতাত্ত্বিক খনন কাৰ্য সমাধা হৈছে।
- লিপিসমূহৰ প্ৰত্নতাত্ত্বিক মূল্য অলেখ গুণে বেছি। লিপিসমূহৰ অধ্যয়নে ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক আদি নানান তথ্যৰ যোগান ধৰে।

## ঘ—প্ৰকল্প

**৯। ''প্ৰত্নতাত্ত্বিক সম্পদসমূহৰ বৈজ্ঞানিক বিশ্লেষণ আৰু সংৰক্ষণ অতি আৱশ্যক'' —— এই কথাখিনি বিষয়বস্তু হিচাপে লৈ শ্ৰেণীত সপক্ষে আৰু বিপক্ষে দুটা দল হৈ তৰ্ক প্ৰতিযোগিতাৰ আয়োজন কৰা। সপক্ষে আৰু বিপক্ষে যুক্তি আগবঢ়াবলৈ শিক্ষকৰ সহায় লোৱা।**

**১০। তোমাৰ অঞ্চলত থকা পুৰণি কীৰ্তি চিহ্ন / মন্দিৰ / নামঘৰ / মছজিদৰ বিষয়ে জানিবলৈ শ্ৰেণীৰ আটায়ে একগোট হৈ ক্ষেত্ৰ-ভ্ৰমণৰ আয়োজন কৰা আৰু তাত দেখা কাৰু-কাৰ্যৰ বিষয়ে বৰ্ণনা কৰা।**

☞ *শিক্ষকে পাঠৰ অন্তত তৰ্ক প্ৰতিযোগিতাৰ আয়োজন কৰি সকলো ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণ নিশ্চিত কৰিব।*

☞ *ক্ষেত্ৰ ভ্ৰমণ কৰিবলৈ যাওঁতে লগত থাকি বিষয়বস্তুৰ জ্ঞান আয়ত্তকৰণত সহায় কৰিব। লগতে ক্ষেত্ৰ ভ্ৰমণৰ টোকা লিখাত সহায় কৰিব।*

# পাঠ ১১

## পাঠটোৰ পৰা আহৰণ কৰিবলগীয়া অৰ্হতা

- প্ৰত্নতত্ত্ব কি আৰু ইয়াৰ প্ৰয়োজনীয়তা বুজি পোৱা
- খনন কাৰ্যৰ দ্বাৰা উদ্ধাৰ হোৱা প্ৰাচীন ঐতিহ্যৰ বিষয়ে জনা
- অসমৰ প্ৰত্নতাত্ত্বিক খনন কাৰ্য চলা ঠাইসমূহৰ বিষয়ে জনা আৰু ইয়াত উদ্ধাৰ হোৱা প্ৰত্নতাত্ত্বিক সম্পদৰ বিষয়ে থূলমূল ধাৰণা কৰিব পৰা
- পাঠত থকা কঠিন শব্দৰ অৰ্থ জনা
- কোনো বিষয়ৰ টোকা লিখিব পৰা
- ব্যাখ্যা কৰিব পৰা
- স্বাৰ্থিক আৰু নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ বিষয়ে জনা
- বিপৰীত অৰ্থ বুজোৱা শব্দ জনা। বাক্য ৰচনা কৰিব জনা
- এটা শব্দত প্ৰকাশ কৰিব পৰা
- বিভিন্ন তথ্য আৰু আহিলা সম্পৰ্কে অৱগত হোৱা
- তৰ্ক প্ৰতিযোগিতাত অংশ গ্ৰহণৰ জৰিয়তে বিষয়বস্তুৰ জ্ঞান আহৰণ কৰিব পৰা
- ক্ষেত্ৰ ভ্ৰমণৰ জৰিয়তে পুৰণি কীৰ্তি চিহ্ন, মন্দিৰ, মছজিদ আদিৰ কাৰুকাৰ্যৰ বিষয়ে জনা

## শিকাৰুৰ পাঠভিত্তিক অৰ্হতাৰ মূল্যায়ন

| গদ্য পাঠ | প্ৰত্নতত্ত্ব কি জনা আৰু ইয়াৰ প্ৰয়োজনীয়তা সম্বন্ধে বুজা | খনন কাৰ্যৰ দ্বাৰা উদ্ধাৰ হোৱা প্ৰাচীন ঐতিহ্যৰ বিষয়ে জনা | অসমৰ প্ৰত্নতাত্ত্বিক খনন কাৰ্য চলা ঠাইসমূহৰ বিষয়ে জনা আৰু ইয়াত উদ্ধাৰ হোৱা সম্পদৰ বিষয়ে থূলমূল ধাৰণা কৰিব পৰা | কঠিন শব্দৰ অৰ্থ জনা | পাঠটোত থকা বিভিন্ন বিষয়ৰ বিষয়ে চমুকৈ লিখিব পৰা | ব্যাখ্যা কৰিব পৰা |
|---|---|---|---|---|---|---|
| | | | | | | |
| ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ) | স্বাৰ্থিক আৰু নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ বিষয়ে জনা | বিপৰীত অৰ্থ বুজোৱা শব্দ বুজি লিখিব পৰা | বাক্য ৰচনা কৰিব পৰা | এটা শব্দত প্ৰকাশ কৰিব পৰা | | |
| | | | | | | |
| জ্ঞান সম্প্ৰসাৰণ | বিভিন্ন তথ্য আৰু আহিলা সম্পৰ্কে জ্ঞান জন্মা | বিষয়বস্তুৰ জ্ঞান আহৰণ কৰিব পৰা | | | | |
| | | | | | | |
| প্ৰকল্প | তৰ্ক প্ৰতিযোগিতাত অংশগ্ৰহণৰ জৰিয়তে বিষয়বস্তুৰ জ্ঞান আহৰণ কৰা | | ক্ষেত্ৰ ভ্ৰমণৰ জৰিয়তে পুৰণি কীৰ্তি চিহ্ন, মন্দিৰ, মছজিদ আদিৰ কাৰুকাৰ্যৰ বিষয়ে জনা | | | |
| | | | | | | |

☞ *অৰ্হতা আয়ত্ত হ'লে ওপৰৰ তালিকাখনৰ তলৰ খালী ঘৰত ✓ চিন দিব আৰু নহ'লে ✗ চিন দিব। অৰ্হতা আয়ত্ত নোহোৱা শিকাৰুক অতিৰিক্তভাৱে শিকাই পুনৰ মূল্যায়ন কৰিব।*

পাঠ ১২

Z9Z7U6


# সুখ

পৃথিৱীৰ প্ৰতিগৰাকী মানুহেই ওৰেটো জীৱন সুখৰ সন্ধান কৰে। সুখৰ অনুভূতিয়ে সকলোকে ৰোমাঞ্চিত কৰি তোলে। কিন্তু এই সুখৰ সূত্ৰ প্ৰত্যেকৰ বাবে বেলেগ বেলেগ হ'ব পাৰে। সুখ বিচাৰি আকৌ বহুতে দুখৰ সাগৰতহে কক্‌বকাই থাকিব লাগে। জীৱনৰ তাৎপৰ্য অনুধাৱন কৰা মানুহে জানে যে আনৰ সুখত সুখী আৰু আনৰ দুখত দুখী অনুভৱ কৰিব পাৰিলেহে প্ৰকৃত সুখৰ মুখ দেখাটো সম্ভৱ। কবিয়েও কৈছে — 'পৰৰ কাৰণে কান্দিব জানিলে কান্দোনতো সুখ পায়।' সেয়েহে, আনৰ মাজত নিজক বিলাই দিব পাৰিলে, নিজক আৱিষ্কাৰ কৰিব পাৰিলে আৰু নিঃস্বাৰ্থভাৱে আনক আপোন কৰিব পাৰিলে জীৱন সুখময় হৈ পৰে। 'পৃথিৱীখনেই আমাৰ ঘৰ, আমি সকলোৰেই ভাই-ভনী'— এইবুলি ল'ব পাৰিলে আমাৰ জীৱন সুখৰ আকৰ হৈ পৰিব। জীৱন হৈ পৰিব অৰ্থপূৰ্ণ।



সুখ সুখ বুলি মানুহ বলিয়া
নেদেখে সুখৰ মুখ,
সুখ বিচাৰোঁতে পায় সংসাৰত
দুখৰ উপৰি দুখ।
দেখিও নেদেখা কিয় দিন-কণা,
সুখ হে হাতত আছে;
যিয়ে দিব পাৰে স্বাৰ্থ বলিদান
সুখ ফুৰে পাছে পাছে।
অকল নিজৰ নিমিত্তে নহয়
আমাৰ জীৱন ভাই;
পৰৰ কাৰণে খাটিব পাৰিলে
সংসাৰ সুখৰ ঠাই
পৰৰ অভাৱ, পৰৰ দুখত,
হিয়া যদি পমি যায়;
পৰক আপোন কৰিব পাৰিলে
সংসাৰত দুখ নাই।
শক্তি-সামৰথ পৰৰ সুখত
বিলাব পাৰিলে ভাই,
পৰৰ কাৰণে কান্দিব জানিলে
কান্দোনতো সুখ পায়।





সকলো আপোন যত নৰ-নাৰী,
কাক নো বুলিবা পৰ?
পৰম পিতাৰ সকলো সন্তান
পৃথিৱী আমাৰ ঘৰ।
গাই-গোটা পেটে ভঁৰাল নহ'বা
লোকৰ দুখলৈ চোৱাঁ;
মানুহৰ সেৱা, মানুহৰ পূজা,
পৱিত্ৰ ব্ৰত লোৱাঁ।
'মই' 'মোৰ' বুলি নাথাকিবা মজি
মোহৰ জালত পৰি,
'মই' 'মোৰ' ভাৱে তললৈ বুৰাব
নাপাব ৰক্ষাৰ তৰী।
সুখৰ দুখৰ মনেই কাৰণ
মনক কৰিবা থিত;
ত্যাগত লভিবা পৰম সন্তোষ,
সাধিবা লোকৰ হিত,
স্বাৰ্থৰ বাটত দুখৰ কাঁইট,
খোজে পতি বিন্ধে হূলে,
নিস্বাৰ্থৰ বাট, সেন্দুৰীয়া আলি,
সুগন্ধি কুসুম ফুলে।
যথাৰ্থ নিস্বাৰ্থ মৰমী জীৱন,
বিশ্ব-প্ৰেমে ভৰপূৰ,
বিশ্বৰ সকলো ভাই-ভনী তাৰ
সুখৰ নপৰে ওৰ।

**কবি - আনন্দচন্দ্ৰ আগৰৱালা**

*( উৎস- আনন্দচন্দ্ৰ আগৰৱালা গ্ৰন্থাৱলী, প্ৰকাশক- অসম সাহিত্য সভা, ১৯৭৪ চন, পৃষ্ঠা- ১২ )*

**কবি পৰিচয় (১৮৭৪-১৯৩৯)**— কবি আনন্দচন্দ্ৰ আগৰৱালাৰ তেজপুৰৰ কলংপুৰ মৌজাৰ বৰঙাবাৰীত ১৮৭৪ চনৰ ৫ ছেপ্টেম্বৰত জন্ম হৈছিল। তেখেতৰ পিতৃৰ নাম কাশীৰাম আগৰৱালা আৰু মাতৃৰ নাম ৰাধিকা আগৰৱালা। তেখেতে বৰঙাবাৰী পাঠশালা বিদ্যালয়ৰ পৰা প্ৰাথমিক শিক্ষা

লাভ কৰে। তাৰপাছত তেজপুৰৰ চৰকাৰী হাইস্কুলৰ পৰা এণ্ট্ৰেন্স পাছ কৰি কলিকতাৰ (কলকাতাৰ) মেট্ৰোপলিটান ইন্সটিটিউটত নাম লগায় যদিও পঢ়াশুনা শেষ নকৰিলে। কৰ্মময় জীৱন শিক্ষকতাৰে আৰম্ভ কৰি পাছত আৰক্ষী বিভাগত ভৰ্তি হৈ শেষলৈ জিলা আৰক্ষী অধীক্ষক হয়গৈ।

আনন্দচন্দ্ৰ আগৰৱালা এগৰাকী কবি, প্ৰবন্ধকাৰ আৰু প্ৰত্নতত্ত্ববিদ আছিল। তেখেতে সেইসময়ৰ 'জোনাকী' কাকতত কবিতা লিখি সাহিত্য-জগতত প্ৰৱেশ কৰে। তেখেতে কেইবাটাও ইংৰাজী কবিতা ভাঙনি কৰি 'ভাঙনি কোঁৱৰ' উপাধি পাইছিল। তেখেতৰ ৰচনাসমূহৰ ভিতৰত — 'কোমল পাঠ', 'শিশু পাঠ' আৰু 'জিলিকনি' আদি উল্লেখযোগ্য। প্ৰথম দুখন শিশু পাঠ্য আৰু শেষৰখন কবিতাৰ সংগ্ৰহ। সংখ্যাত তাকৰ হ'লেও আধুনিক কবিতাৰ পৰম্পৰা সৃষ্টিত তেখেতৰ অৱদান নুই কৰিব নোৱাৰি।

**ক্ৰিয়া- কলাপ**

## ক — পাঠভিত্তিক ক্ৰিয়া

**১। কবিতাটো শুদ্ধ উচ্চাৰণেৰে পঢ়া।**

**২। কবিতাটো ছন্দ, লয় ৰক্ষা কৰি আবৃত্তি কৰা।**

**৩। উত্তৰ দিয়া।**

(ক) সুখ-সুখ বুলি সংসাৰত সুখ বিচাৰোঁতে মানুহে কি পায়?

(খ) কবিয়ে মানুহক 'দিন কণা' বুলি কিয় কৈছে।

(গ) সুখ পাবলৈ হ'লে আমি কি বলিদান দিব লাগিব?

(ঘ) পৰমপিতাৰ সন্তান বুলি কাক কোৱা হৈছে?

(ঙ) স্বাৰ্থৰ বাটত কিহে বিন্ধে বুলি কবিয়ে কৈছে?

(চ) সুগন্ধি কুসুম ক'ত ফুলে?

(ছ) জীৱনটো অকল নিজৰ নিমিত্তে নহয়, তেনেহ'লে কাৰ বাবে?

(জ) কি কৰিব পাৰিলে সংসাৰৰ পৰা দুখ নোহোৱা হ'ব?



**৪। কবিতাটোৰ মূলভাব নিজৰ কথাৰে লিখা।**

**৫। সংসাৰত সুখ পাবলৈ হ'লে কি কি কৰিব লাগিব? কবিতাটোৰ আলমত লিখা।**

৬। তলৰ শব্দবোৰৰ অৰ্থ শব্দ সম্ভাৰ আৰু অভিধান চাই লিখা।

| | | | | | |
|---|---|---|---|---|---|
| দিন কণা | — | গাই-গোটা-পেটে ভঁৰাল | — | নিঃ স্বাৰ্থ | — |
| স্বাৰ্থ | — | পবিত্ৰ | — | ওৰ | — |
| বলিদান | — | তৰী | — | অভাৱ | — |
| থিত | — | যথাৰ্থ | — | পমি | — |
| হিত | — | বৰত | — | সামৰথ | — |
| সন্তোষ | — | পৰমপিতা | — | হুল | — |

৭। দেখিও নেদেখা কিয় দিন-কণা

সুখ হে হাততে আছে

যিয়ে দিব পাৰে স্বাৰ্থ বলিদান

সুখ ফুৰে পাছে পাছে।

— কবিয়ে দিন কণা বুলি কাক আৰু কিয় কৈছে?



মানুহৰ পাছে পাছে সুখ ফুৰিবলৈ হ'লে মানুহে কি কৰিব লাগিব?

৮। প্ৰসংগ সংগতি লগাই ব্যাখ্যা কৰা।

যথাৰ্থ নিস্বাৰ্থ মৰমী জীৱন

বিশ্ব-প্ৰেমে ভৰ-পূৰ,

বিশ্বৰ সকলো ভাই-ভনী তাৰ,

সুখৰ নপৰে ওৰ।

৯। বাক্য ৰচনা কৰা।

স্বাৰ্থ-বলিদান    সুগন্ধি    সেন্দুৰীয়া    ভৰ-পূৰ    দিন কণা

## খ — ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)

১০। কবিতাটোত থকা যুৰীয়া শব্দকেইটা বিচাৰি উলিয়াই বাক্য সাজা।

১১। কবিতাটোত থকা ‘সন্তান’ শব্দটোৱে উভয়লিংগ বুজাইছে।

এনে শব্দৰ পুংলিঙ্গ আৰু স্ত্রীলিঙ্গ বুজাবলৈ ক্রমে কন্যা আৰু পুত্র শব্দ ব্যৱহাৰ কৰা হয়।
যেনে- কন্যা সন্তান — পুত্র সন্তান।

একেদৰে কিছুমান শব্দৰ লিংগ পৰিৱৰ্তন কৰিবলৈ হ'লে মতা, মাইকী শব্দ ব্যৱহাৰ কৰা হয়।
যেনে - মতা মানুহ — মাইকী মানুহ

**তলৰ শব্দবোৰৰ লিঙ্গ পৰিবৰ্তন কৰা।**

হাতী মানুহ ম'হ ছাগলী কুকুৰা

১২। “নিস্বাৰ্থৰ বাট, সেন্দুৰীয়া আলি,
সুগন্ধি কুসুম ফুলে।”

সেন্দুৰ শব্দটোত ‘-ঈয়া’ প্রত্যয় যোগ হৈ সেন্দুৰীয়া হৈছে।

যেনে— সেন্দুৰ + ঈয়া = সেন্দুৰীয়া

**তেনেদৰে তলৰ শব্দকেইটাৰ প্রত্যয় ভাঙি দেখুওৱা।**

ঢুলীয়া তেলীয়া কপটীয়া পাহাৰীয়া সেউজীয়া নগৰীয়া

**জানো আহা**

গাই-গোটা-পেটে-ভঁৰাল
ওৰ পৰে
সেন্দুৰীয়া আলি

ওপৰত উল্লেখ কৰা জতুৱা ঠাঁচকেইটা কবিতাটোত আছে। ইতিমধ্যে তোমালোকে জতুৱা ঠাঁচৰ বিষয়ে কিছু কথা জানি আহিছা। প্রত্যেক ভাষাতেই ভাব প্রকাশৰ কিছুমান নিজা নিজা ঠাঁচ আছে। আমাৰ অসমীয়া ভাষাত এই জতুৱা ঠাঁচৰ ব্যৱহাৰ আছে। জতুৱা ঠাঁচ ভাষাৰ সম্পদ আৰু ই ভাষাৰ সৌন্দৰ্য, ভাষাৰ গভীৰতা বৃদ্ধিত সহায় কৰে। সেয়েহে জতুৱা ঠাঁচ ব্যৱহাৰ কৰিব জনাটো প্রয়োজনীয় কথা। জতুৱা ঠাঁচ শুদ্ধকৈ প্রয়োগ কৰিলে বাক্য শুনিবলৈ শুৱলা হয় আৰু প্রকৃত অৰ্থ ওলাই পৰে।

তলত কিছুমান জতুৱা ঠাঁচ দেখুওৱা হ'ল।

| | | | |
|---|---|---|---|
| কথা দে | নাম থ | মূৰ খা | ঘৰ পাত |
| কাণ কৰ | পেট পা | হাত সাৰ | মন খা |
| গা ঘেলা | বাট মাৰ | হাত লৰ | হাত ধো |

১৩। তলৰ সৰল বাক্যবোৰ যৌগিক বাক্যলৈ পৰিৱৰ্তন কৰা।

উদাহৰণ— সৰল বাক্য — মণিয়ে ভাত খাই স্কুললৈ গ'ল।
যৌগিক বাক্য — মণিয়ে ভাত খালে আৰু স্কুললৈ গ'ল।

- সঁচা কথা ক'লে সকলোৱে মৰম কৰিব।
- ব্যায়াম নকৰিলে স্বাস্থ্য ভালে নাথাকিব।
- পৰীক্ষাত প্ৰথম হোৱা বাবে প্ৰমোদক সকলোৱে ভাল পাইছিল।
- ৰবীন আহিল, শ্যামল নাহিল।
- খেলুৱৈৰ দলটোৱে জিৰণি লৈ উঠি খেলপথাৰত নামিল।

## গ — জ্ঞান সম্প্ৰসাৰণ



তুমি তোমাৰ বন্ধু বা ওচৰ চুবুৰীয়াক বিপদত সহায় কৰি বা তেওঁলোকৰ আনন্দত সন্তুষ্টি লাভ কৰি হোৱা তোমাৰ অনুভব বহলাই লিখা।

১৪। স্বাৰ্থপৰ মানুহ আৰু স্বাৰ্থ বলিদান দিয়া মানুহৰ দোষ, গুণবোৰ কেনেধৰণৰ কামত ফুটি উঠে লিখা।

জানো আহা

বিশ্ব-প্ৰেম মানে সাৰ্বজনীন প্ৰেম বা মানৱ প্ৰেম। এনেদৰে বিশ্ব শব্দৰ লগত আন আন শব্দ যোগ হৈ একো একোটা নতুন শব্দ গঠন হৈছে। তেনেধৰণৰ শব্দ তলত দিয়া হৈছে। পঢ়ি শিকা ।

- বিশ্ব পিতা — সৃষ্টিকৰ্তা
- বিশ্ববাসী — জগতবাসী, মানৱজাতি

| | | | |
|---|---|---|---|
| • | বিশ্ব-বিখ্যাত } | — | গোটেই পৃথিবীতে জনাজাত |
| • | বিশ্ব বিশ্রুত } | | |
| • | বিশ্ববিদ্যালয় | — | বিভিন্ন বিষয়ৰ শিক্ষাৰ সৰ্বোচ্চ অনুষ্ঠান |
| • | বিশ্বব্যাপী | — | পৃথিবীৰ সকলো ঠাইতে বিস্তৃত বা বিয়পি থকা |
| • | বিশ্ব সাহিত্য | — | বিশ্বৰ সাহিত্য, সকলো সময়ৰে আৰু সকলো দেশৰে উপযোগী সাহিত্য |
| • | বিশ্বকোষ | — | সকলো বিষয়ৰ জ্ঞান দিব পৰা পুথি বা গ্ৰন্থ |

জানো আহা



**নেলছন মাণ্ডেলাৰ পৰিচয়**— দক্ষিণ আফ্ৰিকাৰ বৰ্ণ বিদ্বেষ বিৰোধী সংগ্ৰামৰ প্ৰখ্যাত নেতা নেলছন মাণ্ডেলা। সমগ্ৰ জীৱন কৃষ্ণাংগসকলৰ মুক্তিৰ বাবে সংগ্ৰাম কৰা এইজনা ব্যক্তিৰ জন্ম হৈছিল ১৯১৮ চনৰ ১৮ জুলাইত দক্ষিণ আফ্ৰিকাৰ ট্ৰান্সকি (Transkei)ত। মাণ্ডেলাই জোহানেছবাৰ্গত আইন শিক্ষা গ্ৰহণ কৰি তাতে ওকালতিৰে কৰ্মজীৱন আৰম্ভ কৰে।

১৯৪৪ চনত তেওঁ আফ্ৰিকান নেছনেল কংগ্ৰেছত যোগদান কৰে আৰু ১৯৪৮ চনত শ্বেতাংগ শাসকৰ বিৰুদ্ধে সংগ্ৰাম আৰম্ভ কৰে। তেওঁৰ এই সংগ্ৰামৰ কাৰণে শ্বেতাংগ চৰকাৰে নেছনেল কংগ্ৰেছক নিষিদ্ধ ঘোষণা কৰে। কিন্তু নেলছন মাণ্ডেলাই কৃষ্ণাংগসকলৰ অধিকাৰৰ দাবীত তীব্ৰ আন্দোলন গঢ়ি তোলে। ১৯৬২ চনত দক্ষিণ আফ্ৰিকাৰ শ্বেতাংগ চৰকাৰে মাণ্ডেলাক গ্ৰেপ্তাৰ কৰি পাঁচ বছৰৰ বাবে কাৰাদণ্ড বিহে, পাছত (১৯৬৪) চনত তেওঁক যাৱজ্জীৱন কাৰাদণ্ড বিহে। সুদীৰ্ঘ ২৭ বছৰ কাৰাবাস খাটি সমগ্ৰ বিশ্বৰ দৃষ্টি আকৰ্ষণ কৰে। অৱশেষত বিশ্বৰ বিভিন্ন দেশৰ সংগঠনৰ প্ৰবল হেঁচাৰ পৰিপ্ৰেক্ষিতত ১৯৯০ চনত মাণ্ডেলাক বিনাচৰ্তে মুক্তি দিয়ে। মাণ্ডেলাৰ নেতৃত্বতে দক্ষিণ আফ্ৰিকাৰ বৰ্ণ বৈষম্যবাদৰ অৱসান ঘটে। ইয়াৰ স্বীকৃতিস্বৰূপে তেওঁক ১৯৯০ চনত শান্তিৰ নোবেল বঁটা দিয়া হয়। নিজৰ জীৱন বিপন্ন কৰি আনৰ বাবে নিঃস্বাৰ্থভাৱে কাম কৰি এইজনা ব্যক্তিয়ে সুখ অনুভৱ কৰিছিল। পৃথিৱীত এনে বহু ব্যক্তি আছে যিয়ে আনৰ মংগলৰ বাবে কাম কৰি সুখ পায়।

## ঘ — প্ৰকল্প

**১৫। আনন্দচন্দ্ৰ আগৰৱালাৰ এটি কবিতা সংগ্ৰহ কৰি ডাঠ কাগজত লিখি শ্ৰেণীকোঠাত আবৃত্তি কৰা।**

# পাঠ ১২

## পাঠটোৰ পৰা আহৰণ কৰিবলগীয়া অৰ্হতা

- শুদ্ধ আৰু স্পষ্টকৈ কবিতা পঢ়িব আৰু আবৃত্তি কৰিব পৰা
- পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা
- কবিতাৰ মূলভাব বুজি পোৱা
- কঠিন শব্দৰ অৰ্থ বুজি পোৱা
- কবিতাৰ প্ৰসংগ অনুসৰি ব্যাখ্যা কৰিব পৰা
- বাক্যত যুৰীয়া শব্দৰ ব্যৱহাৰ কৰিব পৰা
- লিঙ্গ পৰিবৰ্তন কৰিব পৰা
- প্ৰত্যয় ভাঙি দেখুৱাব পৰা
- শব্দৰ পৰা বিভক্তি বাছিব পৰা
- বাক্য ৰচনা কৰিব পৰা
- জতুৱা ঠাঁচৰ ব্যৱহাৰ কৰিব পৰা
- কবিতাটোৰ পৰা মূল্যবোধৰ জ্ঞান আয়ত্ত কৰা
- স্বাৰ্থপৰ মানুহ আৰু স্বাৰ্থ বলিদান দিয়া মানুহৰ দোষ, গুণবোৰ বিচাৰ কৰি উলিয়াব পৰা
- কবি আনন্দচন্দ্ৰ আগৰৱালাৰ ৰচিত কবিতাসমূহৰ লগত পৰিচয় হোৱা আৰু আবৃত্তি কৰিব পৰা

## শিকাৰুৰ পাঠভিত্তিক অৰ্হতাৰ মূল্যায়ন

| কবিতা পাঠ | কবিতাটো শুদ্ধ আৰু স্পষ্টকৈ পঢ়ি বুজি পোৱা | কবিতাটো আবৃত্তি কৰিব পৰা | পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা আৰু কবিতাটিৰ মূলভাব বুজি পোৱা | কঠিন শব্দৰ অৰ্থ জনা | কবিতাটোৰ পৰা দিয়া দফা ব্যাখ্যা কৰিব পৰা | |
|---|---|---|---|---|---|---|
| | | | | | | |
| ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ) | বাক্যত যুৰীয়া শব্দৰ ব্যৱহাৰ কৰিব পৰা | লিঙ্গ পৰিবৰ্তন কৰিব পৰা | প্ৰত্যয় আৰু বিভক্তিৰ ব্যৱহাৰ জনা | বাক্য ৰচনা কৰিব পৰা | জতুৱা ঠাঁচৰ ব্যৱহাৰ জানিব পৰা | |
| | | | | | | |
| জ্ঞান সম্প্ৰসাৰণ | কবিতাটোৰ পৰা মূল্যবোধৰ জ্ঞান আয়ত্ত কৰিব পৰা | স্বাৰ্থপৰ মানুহ আৰু স্বাৰ্থ বলিদান দিয়া মানুহৰ দোষ, গুণবোৰ বিচাৰ কৰি উলিয়াব পৰা | | | | |
| | | | | | | |
| প্ৰকল্প | আনন্দচন্দ্ৰ আগৰৱালাৰ অন্য কবিতা সংগ্ৰহ কৰি আবৃত্তি কৰিব পৰা | | | | | |
| | | | | | | |

*অৰ্হতা আয়ত্ত হ'লে ওপৰৰ তালিকাখনৰ তলৰ খালী ঘৰত ✓ চিন দিব আৰু নহ'লে ✗ চিন দিব। অৰ্হতা আয়ত্ত নোহোৱা শিকাৰুক অতিৰিক্তভাৱে শিকাই পুনৰ মূল্যায়ন কৰিব।*

S4G6T3

পাঠ ১৩

# হোমি জাহাংগীৰ ভাবা

*পৰমাণু বিজ্ঞানৰ ক্ষেত্ৰত অনবদ্য অৱদান আগবঢ়োৱা হোমি জাহাংগীৰ ভাবাৰ অনুৰাগ, ভাবনাৰ জগত আছিল বৈচিত্ৰ্যময়। সংগীত আৰু চিত্ৰাংকন জগতৰ পৰা পৰমাণু জগতলৈ চাপলি মেলা ভাবা ডাঙৰীয়াই মহাজাগতিক ৰশ্মিৰ 'কাচকেড সূত্ৰ' আৱিষ্কাৰ কৰি আৰু বায়ুমণ্ডলত নিহিত ইলেক্‌ট্ৰন আৰু পজিট্ৰনৰ স্থিতিৰ বিষয়ে আৱিষ্কাৰ কৰি বিজ্ঞানী মহলত চিন্তাৰ ঢৌ তুলিছিল। মানৱ সভ্যতাৰ ক্ৰমোন্নতিৰ ক্ষেত্ৰত পাৰমাণৱিক শক্তিৰ গুৰুত্ব সম্পৰ্কে প্ৰৱক্তাৰূপে পৰিচিত ভাবা ডাঙৰীয়াৰ অৱদানৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰিবলৈ পৰৱৰ্তীকালত ভাবা পাৰমাণৱিক গৱেষণা কেন্দ্ৰ প্ৰতিষ্ঠা কৰা হয়। এই গৱেষণা কেন্দ্ৰত ভাৰতৰ ভৱিষ্যতৰ সপোন ৰচা হয়।*



শৈশৱ কালত সাধাৰণতে শিশুসকলৰ টোপনি গভীৰ হয়। টোপনি পাতল শিশুও আছে ; কিন্তু এনে স্বভাৱৰ শিশু সাধাৰণতে কম দেখা যায়। সৰু কালত এনে টোপনি পাতল ল'ৰা এজনক লৈ মাক-দেউতাক বৰ চিন্তিত হৈছিল। বহু বিশেষজ্ঞ চিকিৎসকৰ দ্বাৰা ল'ৰাজনৰ পৰীক্ষা -নিৰীক্ষা কৰোৱা হৈছিল। চিকিৎসকসকলেও বহুদিনলৈ সেই নিদ্ৰাহীনতাৰ কাৰণ বিচাৰি পোৱা নাছিল। অৱশেষত চিকিৎসকসকলে মাক-দেউতাকক আশ্বাস দি কৈছিল যে প্ৰকৃততে ল'ৰাজনৰ স্বাস্থ্যৰ কোনো বিসংগতি নাই। ল'ৰাজন ইমানেই তীক্ষ্ণ বুদ্ধিৰ যে তেওঁৰ চিন্তা শক্তিৰ প্ৰবাহ মস্তিষ্কত নিৰৱচ্ছিন্নভাৱে বৈ থাকে। সেইবাবেই তেওঁৰ টোপনি পাতল।

চিকিৎসকৰ পৰা এই কথা জানিব পাৰি মাক-দেউতাকে ল'ৰাজনৰ মনোযোগ বিজ্ঞানৰ প্ৰতি আকৰ্ষিত কৰিবলৈ সিদ্ধান্ত ল'লে। সেই অনুসৰি তেখেতসকলে বিজ্ঞানৰ কিতাপ-পত্ৰৰে এটা গ্ৰন্থাগাৰৰ ব্যৱস্থা কৰি শিশুজনক পঢ়াশুনাৰ সকলো সা-সুবিধা প্ৰদান কৰিলে। শিশুটিয়ে এই কিতাপ-পত্ৰবোৰৰ সদ্ব্যৱহাৰ কৰিবলৈ ল'লে আৰু লাহে লাহে কিতাপবোৰ ল'ৰাজনৰ সংগী হৈ পৰিল। পাছত এই ল'ৰাজনেই এজন সফল বিজ্ঞানী হৈ পৃথিৱীত ভাৰতৰ নাম জিলিকাই তুলিলে। সেইজন মহান বিজ্ঞানীয়েই হ'ল হোমি জাহাংগীৰ ভাবা।

হোমি জাহাংগীৰ ভাবাৰ জন্ম হৈছিল এটি খ্যাতিসম্পন্ন পাৰ্চী পৰিয়ালত। ভৌতিক শাস্ত্ৰ আৰু গণিত শাস্ত্ৰৰ উপৰি হোমি জাহাংগীৰ ভাবাৰ সংগীত আৰু চিত্ৰাংকনৰ প্ৰতিও ৰুচি আছিল। কিন্তু মাক-দেউতাকৰ ইচ্ছা পূৰ্ণ কৰি তেখেত হৈছিল এজন মেকানিকেল ইঞ্জিনিয়াৰ। মুম্বাইত স্কুল-কলেজৰ শিক্ষা শেষ কৰি তেখেতে ইঞ্জিনিয়াৰিং পঢ়িবলৈ লণ্ডনলৈ গৈছিল। তাত তেখেতে কেমব্ৰিজ

বিশ্ববিদ্যালয়ত ইঞ্জিনিয়াৰিং পঢ়ি থকাৰ সময়ত প্ৰখ্যাত গণিতজ্ঞ, পদাৰ্থবিদসকলৰ সংস্পৰ্শলৈ অহাৰ সুবিধা পাইছিল। হোমি জাহাংগীৰ ভাবা মেকানিকেল ইঞ্জিনিয়াৰ হৈছিল সঁচা, কিন্তু তেখেতৰ ধাউতি আছিল ভৌতিক শাস্ত্ৰৰ অন্তৰ্গত পৰমাণু বিজ্ঞান অধ্যয়নতহে। এই ধাউতি বৃদ্ধি পাইছিল ন'বেল বঁটা বিজয়ী পল এড্ৰিয়েন মৌৰিচ ডিৰাকক লগ পোৱাৰ পাছত। তেখেতে পৰম নিষ্ঠাৰে পৰমাণু বিজ্ঞান অধ্যয়ন কৰি মহাজাগতিক ৰশ্মিৰ 'কাচকেড সূত্ৰ' আৱিষ্কাৰ কৰিছিল। এই সূত্ৰৰ আৱিষ্কাৰৰ ফলতেই তেখেত এজন বিশ্ব-বিশ্ৰুত বিজ্ঞানী হিচাপে পৰিগণিত হয়। কস্মিক কিৰণ সম্পৰ্কে গৱেষণা কৰি তেখেতে নতুন নতুন তথ্য আৱিষ্কাৰ কৰিছিল। এই আৱিষ্কাৰবোৰ আছিল বিজ্ঞান জগতৰ বাবে বহুমূলীয়া অৱদান।

হোমি জাহাংগীৰ ভাবাই বিদেশত থাকিয়েই সুখেৰে দিন কটাব পাৰিলেহেঁতেন; কিন্তু নিজৰ দেশৰ প্ৰতি থকা কৰ্তব্য আৰু দায়বদ্ধতাৰ বাবে তেখেত ১৯৪০ চনত ভাৰতলৈ ঘূৰি আহে। তেতিয়াৰে পৰা এই মহান বিজ্ঞানীজনাই নিজৰ দেশৰ উন্নতিৰ বাবে অহোপুৰুষাৰ্থ কৰিছিল। তেখেতে 'ডোৰাবজী টাটা ট্ৰাষ্ট'ৰ সহায়ত 'টাটা ইন্সটিটিউট অৱ ফাণ্ডামেন্টেল ৰিছাৰ্চ' প্ৰতিষ্ঠা কৰিছিল।



ভাৰতবৰ্ষই স্বাধীনতা পোৱাৰ পাছত হোমি জাহাংগীৰ ভাবা পৰমাণু শক্তি আয়োগৰ মুৰব্বী হিচাপে নিযুক্ত হৈছিল। পাৰমাণৱিক শক্তিৰ ক্ষেত্ৰত তেখেতে ভাৰতক এখন জাকত-জিলিকা দেশত পৰিণত কৰাৰ ৰঙীন সপোন দেখিছিল। তাৰ বাবে তেখেতে পৰিকল্পনাও কৰিছিল। তেখেতৰ সপোন বাস্তৱত পৰিণত হোৱাৰ আগতে এক বিমান দুৰ্ঘটনাত পতিত হৈ তেখেতৰ মৃত্যু হৈছিল। তেখেতৰ অৱদানৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰি মুম্বাই (বম্বে)ত 'ভাবা পাৰমাণৱিক গৱেষণা কেন্দ্ৰ' প্ৰতিষ্ঠা কৰা হয়।

তেখেত আছিল এজন বিশ্ব-বিশ্ৰুত বিজ্ঞানী। অহৰহ বিজ্ঞানৰ নতুন নতুন তথ্য উদ্‌ঘাটনতেই তেখেত ব্যস্ত আছিল। তাৰ মাজতেই তেখেতে সুকুমাৰ কলা সাধনাৰ বাবে সময় উলিয়াই লৈছিল। তেখেতে আঁকি থৈ যোৱা বিখ্যাত বিখ্যাত চিত্ৰ কেইখনমান আজিও লণ্ডনৰ ব্ৰিটিছ গেলাৰিত সংৰক্ষিত হৈ আছে।

উৎস—


- **ভাৰতৰ প্ৰসিদ্ধ বিজ্ঞানাচাৰ্য**, প্ৰকাশন- ভাৰতী, শিশু শিক্ষা সমিতি, অসম।
- **বিশ্বকোষ** ৩য় খণ্ড, প্ৰকাশক- অসম সাহিত্য সভা।
- **শতাধিক যশস্বী** বিজ্ঞানী - ডিম্বেশ্বৰ চলিহা, প্ৰকাশক- বনলতা।
- **ভাৰতীয় বিজ্ঞানী**, প্ৰথম প্ৰকাশ ১৯৮৭, ৰাজ্যিক বিজ্ঞান শিক্ষা সংস্থা, অসম, গুৱাহাটী।

## জানো আহা

**হোমি জাহাংগীৰ ভাবাৰ পৰিচয়—**

জন্ম ঃ ১৯০৯ চনৰ ৩০ অক্টোবৰ।

মৃত্যু ঃ ১৯৬৬ চনৰ ২৪ জানুৱাৰী।

শিক্ষা ঃ ১৯৩০ চনত কেমব্রিজ বিশ্ববিদ্যালয়ৰ পৰা স্নাতক।

১৯৩৪ চনত সেই বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট ডিগ্রী লাভ।

**কৰ্মজীৱন ঃ** 'ভাৰতীয় বিজ্ঞান প্ৰতিষ্ঠান'ৰ পদাৰ্থ বিদ্যাৰ ৰীডাৰ। মহাজাগতিক ৰশ্মি গৱেষণা গোটৰ অধ্যাপক। 'টাটা ইনষ্টিটিউট অৱ ফাণ্ডামেণ্টেল ৰিছাৰ্চ'ৰ প্ৰতিষ্ঠাপক সঞ্চালক । ১৯৫৫ চনত ভাৰতীয় পাৰমাণৱিক শক্তিৰ ব্যৱহাৰ বিষয়ক আন্তৰ্জাতিক সন্মিলনৰ সভাপতি, আন্তৰ্জাতিক পাৰমাণৱিক শক্তি এজেন্সীৰ বৈজ্ঞানিক উপদেষ্টা সমিতিৰ সদস্য।

**বিশিষ্ট সন্মান ঃ**
- লণ্ডনৰ ৰয়েল ছ'চাইটিৰ সভ্য (Member of London Royal Society)
- এডিনবাৰ্গৰ ৰয়েল ছ'চাইটিৰ সভ্য (Member of Edinborough Royal Society)
- আডম বঁটা (Adam Prize) প্ৰাপক।
- হপকিনচ্ বঁটা (Hopkins Prize) প্ৰাপক।
- পদ্মভূষণ সন্মান (Padmabhushan Award) প্ৰাপক।

**প্ৰকাশন ঃ** কোৱাণ্টাম সূত্ৰ, প্ৰাথমিক ভৌতিক কণা, মহাজাগতিক বিকিৰণ।

**ক্ৰিয়া-কলাপ**

### ক —পাঠভিত্তিক ক্ৰিয়া

**১। পাঠটো পঢ়ি প্ৰশ্নবোৰৰ চমু উত্তৰ দিয়া।**

(ক) টোপনি পাতল ল'ৰাজনৰ নাম কি?

(খ) ল'ৰাজনৰ টোপনি পাতল হোৱাৰ কাৰণ কি আছিল?

(গ) চিকিৎসকক দেখুৱাই অনাৰ পাছত মাক-দেউতাকে ল'ৰাজনৰ বাবে কেনে ব্যৱস্থা ল'লে?

(ঘ) হোমি জাহাংগীৰ ভাবাৰ কি কি বিষয়ত ৰুচি আছিল?

(ঙ) তেখেত লণ্ডনলৈ কিয় গৈছিল?

(চ) 'দোৰাবজী টাটা ট্ৰাষ্ট'ৰ সহায়ত তেখেতে কি অনুষ্ঠান প্ৰতিষ্ঠা কৰে?

(ছ) স্বাধীনতাৰ পাছত তেখেত কি আয়োগৰ মুৰব্বী হিচাপে নিযুক্ত হৈছিল?

(জ) তেখেতৰ প্ৰতি শ্ৰদ্ধা জনাই কি অনুষ্ঠান প্ৰতিষ্ঠা কৰা হৈছিল?

**২। 'লাহে লাহে কিতাপবোৰ ল'ৰাজনৰ সংগী হৈ পৰিল।' ইয়াত ল'ৰাজন বুলি কাৰ কথা কোৱা হৈছে? কিতাপবোৰ কেনেদৰে তেখেতৰ সংগী হৈ পৰিল? বুজাই লিখা।**

**৩। হোমি জাহাংগীৰ ভাবাৰ সপোন কি আছিল? এই সপোন কিয় ফলৱতী নহ'ল?**

**৪। 'হোমি জাহাংগীৰ ভাবাই ভাৰতবৰ্ষক ভাল পাইছিল'— এই কথা পাঠটোত কেনেধৰণে প্ৰতিফলিত হৈছে লিখা।**

## খ— ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)

জানো আহা

**'হোমি জাহাংগীৰ ভাবাই পৰম নিষ্ঠাৰে পৰমাণু বিজ্ঞান অধ্যয়ন কৰিছিল।'**

ওপৰৰ বাক্যটোত '**ভাবাই**' কৰ্তা, **অধ্যয়ন কৰিছিল** ক্ৰিয়া আৰু '**পৰমাণু বিজ্ঞান**' কৰ্ম।

এতিয়া বাক্যটোত '**অধ্যয়ন কৰা**' কাৰ্যটো '**ভাবাই**' সম্পাদন কৰিছে। অৰ্থাৎ '**অধ্যয়ন কৰা**' ক্ৰিয়াপদটোৰ লগত '**ভাবাই**' শব্দটোৱে সম্বন্ধ স্থাপন কৰিছে। এই সম্বন্ধ স্থাপন কৰা কাৰ্যটো কৰ্তা কাৰকৰ প্ৰথমা বিভক্তি যোগ হোৱাৰ ফলত (**ভাবা + ই = ভাবাই**) সম্ভৱ হৈছে।

এনেদৰে ক্ৰিয়াৰ লগত যিয়ে সম্বন্ধ স্থাপন কৰে সিয়েই **কাৰক**। কাৰক আৰু বিভক্তি একে নহয়। বিভক্তিবোৰ ৰূপ বা চিহ্ন আৰু কাৰক সিহঁতৰ কাৰ্য বা অৰ্থ। বিভক্তি যোগ নহ'লে কাৰকৰ অৰ্থ প্ৰকাশ নহয়।

**অসমীয়া ভাষাত কাৰক ছটা— কৰ্তা কাৰক, কৰ্ম কাৰক, কৰণ কাৰক, নিমিত্ত কাৰক, অপাদান কাৰক আৰু অধিকৰণ কাৰক**। সম্বন্ধপদে ক্ৰিয়াৰ লগত সম্বন্ধ স্থাপন নকৰে। সেই কাৰণে সম্বন্ধপদক কাৰক নুবুলি পদ বোলা হয়। কিন্তু এনে পদতো বিভক্তি যুক্ত হয়। সেয়েহে সম্বন্ধপদকো কাৰকৰ ভিতৰত ধৰি আলোচনা কৰা হয়। সেইদৰে **অসমীয়া ভাষাত কাৰকৰ বিভক্তি ছয়টা**— প্ৰথমা, দ্বিতীয়া, তৃতীয়া, চতুৰ্থী, ষষ্ঠী আৰু সপ্তমী।

**কাৰকৰ অৰ্থ প্ৰকাশ হয় —**

(ক) শূন্য বিভক্তিৰ যোগত

(খ) বিভক্তিৰ যোগত

(গ) পৰসৰ্গৰ যোগত

অসমীয়া ভাষাত কৰ্তা আৰু কৰ্ম কাৰকত প্ৰথমা আৰু দ্বিতীয়া বিভক্তিৰ উপৰি শূন্য বিভক্তি ব্যৱহৃত হয়। যেনে - ৰাম যায়, সি কিতাপ পঢ়ে। — এই বাক্য দুটাৰ 'ৰাম' আৰু 'কিতাপ' পদত দেখাত কোনো বিভক্তি নাই কিন্তু সি কৰ্তা আৰু কৰ্ম কাৰকৰ অৰ্থ প্ৰকাশ কৰিছে। সেয়েহে শব্দ দুটাত শূন্য বিভক্তি যোগ হোৱা বুলি ধৰা হয়।

তলত কাৰক আৰু সম্বন্ধপদৰ নাম অনুসৰি বিভক্তি আৰু পৰসৰ্গৰ তালিকাখন দাঙি ধৰা হ'ল—

| কাৰক | বিভক্তি | | পৰসৰ্গ |
|---|---|---|---|
| | স্বৰান্ত পদত | ব্যঞ্জনান্ত পদত | |
| কৰ্তা | - ০, - ই | - ০, - এ | |
| কৰ্ম | - ০, - ক | - ০, - অক | |
| কৰণ | - ৰে | - এৰে | |
| নিমিত্ত | - লৈ | - অলৈ | |
| অপাদান | সম্বন্ধ-ৰ + পৰা | সম্বন্ধ-ৰ + পৰা | পৰা |
| সম্বন্ধ | - ৰ | - অৰ | |
| অধিকৰণ | - ত | - অত | |

**৫। 'হোমি জাহাংগীৰ ভাবা' পাঠটোত থকা বিভক্তিযুক্ত শব্দবোৰ বাছি উলিয়াই লিখা।**

৬। নিম্নলিখিত শব্দকেইটাৰ পৰা বিভক্তিবোৰ বাছি উলিয়াই সেইবোৰ কি কাৰকত ব্যৱহাৰ হৈছে লিখা।

| শব্দ | | বিভক্তি |
|---|---|---|
| তেখেতে | — | |
| শিশুজনক | — | |
| কিতাপ-পত্ৰৰে | — | |
| ভাৰতলৈ | — | |
| চিকিৎসকৰ | — | |
| শৈশৱ কালত | — | |

৭। তলৰ বাক্যবোৰৰ আঁচ টনা পদবিলাকৰ বিভক্তি নিৰ্ণয় কৰা আৰু কাৰকৰ নাম লিখা।

- বেলি ডুবিলত আমি খেল সামৰিলোঁ। ____________
- ৰহিমে কিতাপ পঢ়ে। ____________
- দুখীয়াৰ প্ৰতি দয়ালু হ'বা। ____________
- এইখন মোৰ দেশ ____________
- আমাৰ পৰীক্ষালৈ আৰু বেছি দিন নাই। ____________
- যঁতৰেৰে সূতা কাটিব পাৰি। ____________
- শিক্ষাগুৰুক ভক্তি কৰিব লাগে। ____________
- ডাৱৰীয়া বতৰত হিমালয় পৰ্বত নেদেখি। ____________
- কোনো মানুহক হিংসা নকৰিবা। ____________

☞ *নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

৮। **খালী ঠাই পূৰ কৰা (আঁচ টনা শব্দকেইটাৰ বিপৰীত অৰ্থ বুজোৱা শব্দ লিখি)।**

উদাহৰণ — পাতল টোপনি গভীৰ টোপনি।

(ক) সফল মাতৃ ............. মাতৃ।

(খ) তীক্ষ্ণ বুদ্ধি ................ বুদ্ধি।

(গ) কোনো বিসংগতি। কোনো ..............।

(ঘ) পাঠ অন্তৰ্ভুক্ত। পাঠ ...............।

(ঙ) তেখেতৰ মৃত্যু হৈছিল। তেখেতৰ ............. হৈছিল।

(চ) বৃদ্ধি পাইছিল। ............... পাইছিল।

৯। **বাক্য ৰচনা কৰা।**

অৱদান ধাউতি জাকত-জিলিকা আশ্বাস গৱেষণা সিদ্ধান্ত

১০। **যুক্তাক্ষৰ বহুৱাই শব্দটো সম্পূৰ্ণ কৰা।**

- ক — ক
- উপল —
- নি —
- বি — ত
- বিশেষ —
- — — গাৰ
- প্ৰতি —
- ম — — ত
- ই — ন

১১। **তলৰ শব্দবোৰৰ প্ৰতিশব্দ লিখা।**

সংগী তীক্ষ্ণ প্ৰধান গ্ৰন্থ কিৰণ চিকিৎসক

## গ— জ্ঞান সম্প্ৰসাৰণ

১২। **‘হোমি জাহাংগীৰ ভাবাৰ মাক-দেউতাকে তেখেতৰ বাবে এটা গ্ৰন্থাগাৰৰ ব্যৱস্থা কৰি দিছিল।’ — এনেধৰণৰ সুবিধা পালে তুমি কোনটো দিশত নিজকে আগবঢ়াই নিবা লিখা।**

☞ *নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

**১৩। ‘হোমি জাহাংগীৰ ভাবাই বিজ্ঞান অধ্যয়নৰ জৰিয়তে দেশৰ উন্নতিৰ কথা ভাবিছিল।’ —**

কিছুমান সৰু সৰু কামৰ জৰিয়তে আমি দেশৰ উন্নতিৰ কথা ভাবিব পাৰোঁ। আমাৰ বাট-পথ পৰিষ্কাৰ-পৰিচ্ছন্নকৈ ৰখা, ৰাজহুৱা সম্পত্তিৰ যত্ন লোৱা, প্ৰাকৃতিক সম্পদৰ সংৰক্ষণৰ ব্যৱস্থা গ্ৰহণ কৰা আদিও দেশৰ উন্নয়নমূলক কাম।

**— তুমি কেনেধৰণৰ কাম কৰি দেশখনৰ উন্নয়নত সহায় কৰিম বুলি ভাবিছা ?**

**জানো আহা**

**টাটা ইন্সষ্টিটিউট অব ফাণ্ডামেণ্টেল ৰিছাৰ্চ**

হোমি জাহাংগীৰ ভাবাৰ উদ্যোগত আৰু টাটা পৰিয়ালৰ সহযোগত ১৯৪৫ চনত ‘ টাটা ইন্সষ্টিটিউট অব ফাণ্ডামেণ্টেল ৰিছাৰ্চ’ প্ৰতিষ্ঠা কৰা হয়। ইয়াৰ প্ৰতিষ্ঠাপক সঞ্চালকৰ দায়িত্ব হোমি জাহাংগীৰ ভাবাই নিজেই লৈছিল।

১৯৫৫ চনত ভাৰত চৰকাৰে এই প্ৰতিষ্ঠানক পাৰমাণৱিক পদাৰ্থ বিজ্ঞান আৰু গণিত বিজ্ঞান গৱেষণাৰ জাতীয় প্ৰতিষ্ঠান হিচাপে স্বীকৃতি দিয়ে।

এই প্ৰতিষ্ঠানটোৱেই মহাজাগতিক (Cosmic) কিৰণ আৰু কণিকা পদাৰ্থ বিজ্ঞান সম্পৰ্কে গৱেষণা কৰিবলৈ বহুতো গৱেষকক সুবিধা দিয়ে।

**ডিৰাক—** পল এড্ৰিয়েন মৌৰিচ (Paul Adrien Maurice Dirac) ৰ জন্ম হৈছিল ১৯০২ চনৰ ৮ আগষ্টত; তেখেতৰ মৃত্যু হয় ১৯৮৪ চনৰ ২০ অক্টোবৰ তাৰিখে।

তেখেতৰ থিচিচখনৰ নাম কোৱাণ্টাম মেকানিকচ (Qantum Mechanics)। তেখেতে ১৯৩২ চনৰ পৰা ১৯৬৯ চনলৈ কেমব্ৰিজ বিশ্ববিদ্যালয়ৰ গণিতৰ লুকাচিয়ান (Lucasian) প্ৰফেচাৰৰ আসন শুৱনি কৰিছিল। এই আসনখন অতি সন্মানীয়।

## ঘ — প্ৰকল্প

**১৪। ন'বেল বঁটাপ্ৰাপ্ত যিকোনো তিনিজন বিজ্ঞানীৰ ফটো সংগ্ৰহ কৰি তেখেতসকলৰ বিষয়ে চমুকৈ লিখি শ্ৰেণীকোঠাত ওলোমাই থোৱা।**

**১৫। তোমালোকে দেখা বা জনা কৃষি বিজ্ঞান গৱেষণা কেন্দ্ৰ/ আঞ্চলিক গৱেষণা কেন্দ্ৰ / চাহ গৱেষণা কেন্দ্ৰ/প্লাজমা গৱেষণা কেন্দ্ৰৰ কাম-কাজৰ বিষয়ে এটি টোকা লিখা। (ক্ষেত্ৰ ভ্ৰমণৰ সহায়ত কৰিবা।)**

☞ *সুবিধা পালে ক্ষেত্ৰ ভ্ৰমণৰ জৰিয়তে কেন্দ্ৰসমূহ দেখুওৱাৰ ব্যৱস্থা কৰিব।*

পাঠ ১৩

## পাঠটোৰ পৰা আহৰণ কৰিবলগীয়া অৰ্হতা

- হোমি জাহাংগীৰ ভাবাৰ বিষয়ে পঢ়ি বুজি ক'ব পৰা
- পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা
- অভিধান চাই শব্দৰ অৰ্থ উলিয়াব পৰা
- শব্দৰ অৰ্থ জানি বাক্য ৰচনা কৰিব পৰা
- কাৰক আৰু বিভক্তিৰ বিষয়ে জনা আৰু বিভক্তি অনুসৰি কাৰক চিনাক্ত কৰিব পৰা
- বিপৰীত অৰ্থ বুজোৱা শব্দৰে খালী ঠাই পূৰ কৰিব পৰা
- নিজাববীয়াকৈ লিখিব পৰা
- দেশৰ উন্নয়নৰ বাবে কি কাম কৰিব সেইবিষয়ে চিন্তা কৰি ক'ব আৰু লিখিব পৰা
- বিজ্ঞানীৰ ফটো সংগ্ৰহ কৰি তালিকা প্ৰস্তুত কৰিবলৈ শিকা
- গৱেষণা কেন্দ্ৰ বা তেনেধৰণৰ বিজ্ঞান সম্পৰ্কীয় কাম-কাজ হোৱা পৰীক্ষাগাৰৰ বিষয়ে জানি তাৰ কাম-কাজৰ টোকা লিখিব পৰা

## শিকাৰুৰ পাঠভিত্তিক অৰ্হতাৰ মূল্যায়ন

| | | | | | | |
|---|---|---|---|---|---|---|
| **জীৱনীমূলক পাঠ** | পাঠটো শুদ্ধকৈ পঢ়িব পৰা | পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা | শব্দৰ অৰ্থ বিচাৰি লিখিব পৰা | হোমি জাহাংগীৰ ভাবাৰ বিষয়ে জনা | | |
| | | | | | | |
| **ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)** | কাৰক আৰু বিভক্তিৰ বিষয়ে জনা | বিভক্তি অনুসৰি কাৰকৰ নাম লিখিব পৰা | বিপৰীত অৰ্থ প্ৰকাশক শব্দ লিখিব পৰা | বাক্য ৰচনা কৰিব পৰা | প্ৰতিশব্দ লিখিব পৰা | খালী ঠাই পূৰ কৰি লিখিব পৰা |
| | | | | | | |
| **জ্ঞান সম্প্ৰসাৰণ** | নিজাববীয়াকৈ লিখিব পৰা | দেশৰ বাবে উন্নয়নমূলক কামৰ বিষয়ে চিন্তা কৰি লিখিব পৰা | 'টাটা ইন্সটিটিউট অৱ ফাণ্ডামেন্টেল ৰিছাৰ্চ'ৰ বিষয়ে জনা | | | |
| | | | | | | |
| **প্ৰকল্প** | বিজ্ঞানীৰ ফটো সংগ্ৰহ কৰি টোকা লিখিব পৰা | | গৱেষণা কেন্দ্ৰ বা তেনে ধৰণৰ বিজ্ঞান সম্পৰ্কীয় কাম-কাজ নিৰীক্ষণ কৰি সেই বিষয়ে টোকা লিখিব পৰা | | | |
| | | | | | | |

☞ *অৰ্হতা আয়ত্ত হ'লে ওপৰৰ তালিকাখনৰ তলৰ খালী ঘৰত ✔ চিন দিব আৰু নহ'লে × চিন দিব। অৰ্হতা আয়ত্ত নোহোৱা শিকাৰুক অতিৰিক্তভাৱে শিকাই পুনৰ মূল্যায়ন কৰিব।*

পাঠ ১৪

# সংস্কৃতি আৰু আমাৰ জীৱন

F5R9Q1

*সংস্কৃতি হ'ল জাতীয় জীৱনৰ চালিকাশক্তি। ইয়াৰ মাজতেই ব্যক্তি আৰু সমষ্টিৰ নান্দনিক মান প্ৰতিভাসিত হয়। আজিৰ সমাজত বিদ্যমান সাংস্কৃতিক বৈচিত্ৰ্যই আমাক সকলো সংস্কৃতিৰ প্ৰতি সমভাব পোষণ কৰিবলৈ আৰু শ্ৰদ্ধা জনাবলৈ এক দায়িত্ব অৰ্পণ কৰিছে। আমাৰ সামগ্ৰিক জীৱনশৈলীৰ মাজত নিহিত হৈ আছে সংস্কৃতিৰ পৰম আকাংক্ষিত স্বকীয়তা যি সুন্দৰতম জীৱনৰ সপোন দেখিবলৈ পলে পলে আমাক প্ৰেৰণা যোগায়।*



অসমীয়া সংস্কৃতিৰ অন্যতম বৰেণ্য ব্যক্তি ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাই তাহানি কালতেই সংস্কৃতিৰ ৰূপৰেখা প্ৰসংগত কৈছিল— "যি কথা, যি কাম বা চিন্তাই মানুহক বৰ্বৰ প্ৰকৃতিৰ পৰা তুলি নি দিব্য প্ৰকৃতি দিয়ে, এই পৃথিৱীখন ধুনীয়া কৰি মানুহক মানুহৰ জীৱনৰ সম্পূৰ্ণ আনন্দ পাবলৈ বাট দেখুৱায় — মানুহৰ সেই কথা, সেই চিন্তা বা সেই কামেই হৈছে সংস্কৃতি।" এই উক্তিৰ আধাৰত ক'ব পাৰি যে আমাৰ মানৱ জীৱনক সুন্দৰ আৰু শক্তিমান কৰি তোলা সকলো সুকুমাৰ কলা, কাম আৰু গুণৰাশিয়েই হ'ল সংস্কৃতিৰ সোপান।

সংস্কৃতি গঢ়ি উঠিবলৈ প্ৰয়োজন হয় এখন সমাজৰ। এই সমাজ মানুহৰ দ্বাৰাই গঠিত হয়। একোখন সমাজত বসবাস কৰা মানুহে কৰা আচৰণেই সেইখন সমাজৰ সংস্কৃতি। সংস্কৃতি মানৱ আচৰণৰ বহিঃপ্ৰকাশ। এই পৃথিৱীত জন্ম আৰু মৃত্যুৰ দ্বাৰা অনুশাসিত হৈ যুগে যুগে মানুহ চলি আহিছে। এইদৰে সংস্কৃতিও গতিশীল।

সংস্কৃতিৰ অন্যতম উপাদান হ'ল আচাৰ-আচৰণ। ক'বলৈ গ'লে আচাৰ-আচৰণৰ মাজত ব্যক্তিগত চিন্তা-ভাবনা উন্মেষিত হোৱাৰ লগতে সামাজিক মানো প্ৰতিফলিত হয়। ভিন্ন সামাজিক পৰিৱেশৰ আচাৰ-আচৰণো বিভিন্ন। মানুহে জীৱনৰ প্ৰথম প্ৰভাতৰে পৰা বিভিন্ন কাৰ্যৰ লগত জড়িত হৈ পৰে আৰু সেই কাৰ্য সম্পাদন কৰিবলৈ যাওঁতে নিজৰ ৰুচি, আচৰণ আদি প্ৰকাশ কৰে। লাহে লাহে সামাজিক পৰম্পৰাৰ লগত মানুহৰ জীৱন বান্ধ খাই পৰে। সাধাৰণতে পৰম্পৰাই অৰ্থনৈতিক, সামাজিক, ধৰ্মীয়, নান্দনিক, ভাষা সম্পৰ্কীয় দিশবোৰ সাঙুৰি লয়। পৰম্পৰাগতভাৱে ব্যক্তিয়ে সামাজিক ৰীতি-



নীতি, আচাৰ-ব্যৱহাৰৰ অভ্যাস কৰে আৰু আচৰণৰ অনুশীলন কৰে। এনে অভ্যাসে তেওঁক সমাজৰ কল্যাণকৰ দিশত অগ্রসৰ হোৱাত সহায় কৰে।

কৃষি হ'ল কৃষ্টিৰ আধাৰ। কৃষি মানে কৰ্ষণ আৰু কৃষ্টিয়েই হ'ল সকলো ধৰণৰ সৃষ্টিৰ উৎস। কৃষ্টিৰ উৰ্বৰা পথাৰৰ পৰা সংস্কৃতিৰ শইচ্ বোটলা হয়। সেই কৰ্ষণ খেতি-পথাৰত হ'ব পাৰে বা মনৰ পথাৰতো হ'ব পাৰে। কৃষিভিত্তিক সমাজৰ ধ্যান-ধাৰণা আৰু আচাৰ-বিচাৰ অনুযায়ী যি সাংস্কৃতিক সম্পদ বিকশিত হয় সেয়া শিল্পভিত্তিক সমাজ এখনৰ বাবে গ্রহণীয় নহ'বও পাৰে। আনহাতে, এই সাংস্কৃতিক বৈচিত্র্যৰ কাৰণৰূপে জলবায়ুৰ ভিন্নতা, খাদ্যৰীতিৰ অভ্যাস বা জীৱনশৈলীৰ বৈশিষ্ট্য আদিৰ দিশলৈ আঙুলি টোৱাব পাৰি। আনকি আমাৰ বহুতে গুৰুত্ব নিদিয়া খাদ্য-তালিকাও সংস্কৃতিৰ অন্যতম উপাদান বুলি চিহ্নিত হ'ব পাৰে। সমাজত মহিলাসকলে পৰিধান কৰা পোছাকৰ মাজত অকল সৌন্দৰ্য প্ৰীতিয়েই নহয়, তাৰ লগতে প্ৰতিভাত হয় সামাজিক ৰুচিবোধ। উদাহৰণস্বৰূপে, মহিলাসকলে পৰিধান কৰা মেখেলা-চাদৰ, দখনা, চৌবন্দীত ক্ৰমে অসমীয়া, বড়ো আৰু নেপালী জাতিৰ সাংস্কৃতিক বৈশিষ্ট্যবোৰ প্ৰকট হয়। তেনেদৰে প্ৰতিটো জাতি-জনগোষ্ঠীৰ সাজ-পাৰে জাতিটোৰ স্বকীয় সত্তা বহন কৰে।

মানুহে সৰুৰে পৰা নিজৰ পৰিবেশত থাকি যিবোৰ কাম কৰাৰ অভ্যাস গঠন কৰে সেই কামবোৰ ভালো হ'ব পাৰে আৰু বেয়াও হ'ব পাৰে। ভাল কাম আৰু সুচিন্তাৰ কৰ্ষণ কৰিব পাৰিলে মানুহজন সৎ প্ৰবৃত্তিৰ হ'ব আৰু বেয়া কাম আৰু কু-চিন্তাই মানুহজনক অসৎ প্ৰবৃত্তিৰ পিনে ধাবিত কৰাব। ভাল কাম আৰু আচৰণে কোনো সমাজৰ কৃষ্টি-সংস্কৃতি উন্নীতকৰণৰ লগতে মানুহক সংস্কৃত মনৰো অধিকাৰী কৰিব পাৰে। সংস্কৃত মনৰ ব্যক্তি বুলিলে কাকনো বুজিম তাক এটি উদাহৰণ সহকাৰে বৰ্ণাব পাৰি। ধৰা হওক, গছৰ ঠেঙুলিত এবাহ চৰাইৰ পোৱালি আছে। তাকে দেখি দুজন লোকৰ দৃষ্টিভংগী দুইবিধৰ হ'ব পাৰে। এজনে হয়তোবা ক'ব— 'আহ, কি সুন্দৰ!' আনজনে আকৌ বাহটোৰ পৰা পোৱালিকেইটা ধৰি নি উদৰ পূৰ কৰাৰ কথা পাঙিব। ইয়াতে চৰাইৰ পোৱালি দেখি আনন্দত আত্মহাৰা হোৱা প্ৰথমগৰাকী সংস্কৃতমনৰ সংবেদনশীল ব্যক্তি। আনগৰাকী আকৌ সৃষ্টিৰ প্ৰতি উদাসীন, পেট পূজাহে তেওঁৰ বাবে আগকথা। এনে ব্যক্তিক বাৰু সংস্কৃত মনৰ গৰাকী বুলিব পাৰিনে?

সংস্কৃতিৰ দুটা ৰূপ— এটা বাহ্যিক আৰু আনটো আভ্যন্তৰীণ। নৃত্য এটি পৰিবেশন কৰোঁতে যি কলা-কৌশল তাৰ লগত যুক্ত সেইবোৰ বাহ্যিক ৰূপৰ ভিতৰুৱা, কিন্তু সেই নৃত্যৰ ৰসাস্বাদন কৰি লভা বিমল আনন্দই হ'ল আভ্যন্তৰীণ সংস্কৃতিৰ অংগ। ধুনীয়াকৈ সাজ-পোছাক পিন্ধা কাৰ্য বাহ্যিক সংস্কৃতিৰ পৰিচায়ক, কিন্তু আনৰ প্ৰতি দেখুওৱা আন্তৰিক আচৰণ আভ্যন্তৰীণ সংস্কৃতিৰ অমল উৎস। সেইবাবে

ক'ব পৰা যায় যে আভ্যন্তৰীণ সংস্কৃতিৰ সৈতে আমাৰ দৃষ্টিভংগী আৰু মূল্যবোধসমূহ যথা উচিত-অনুচিত, ন্যায়-অন্যায়, কৰণীয়-অকৰণীয় আদি সংযুক্ত হৈ থাকে। বাহ্যিকভাৱে চিকুণটি হৈ থকা ব্যক্তি এগৰাকী যদি পেট-কপটীয়া হয় তেন্তে তেওঁক সংস্কৃতিৱান বুলি অভিহিত কৰা উচিত নহ'ব।

মানুহৰ আবেগ অনুভূতিৰ মূল উৎস হ'ল চৌপাশৰ বিনন্দীয়া প্ৰকৃতি। প্ৰকৃতিৰ পৰা আমি কল্পনাৰ ৰহণ আৰু সৃষ্টিৰ খোৰাক আহৰণ কৰোঁ। হৰিণ এটি ছন্দায়িত খোজেৰে যেতিয়া জঁপিয়াই আঁতৰি যায় তাৰ মাজতেই শিল্পী-সাহিত্যিকে অনুপম সৃষ্টিৰ প্ৰেৰণা লভে, উদ্বেলিত হৈ উঠে শিল্পী সত্তাৰ কল্পনা। আমাৰ ব্ৰহ্মপুত্ৰ আৰু বৰাককে ধৰি বিভিন্ন নদী, ইয়াৰ উপত্যকাক ঘেৰি ৰখা সেউজী পাহাৰ, গছ-লতা, পশু-পক্ষী আৰু ইয়াত বসবাস কৰা ভিন্ন জনগোষ্ঠীৰ বিচিত্ৰ জীৱন শৈলীয়েই হ'ল সকলো সৃজনী শক্তিৰ আধাৰস্বৰূপ।

আমাৰ সমাজ-জীৱনৰ অপৰিহাৰ্য অংগস্বৰূপ গীত-মাত, নাচ-গান, চিত্ৰ-কলা, স্থাপত্য-ভাস্কৰ্য আৰু উৎসৱ-পাৰ্বণ আদিৰ মাধ্যমত সামগ্ৰিক ৰুচিবোধ, কল্পনাশক্তি আৰু জীৱনশৈলীৰ মহত্ত্ব প্ৰতিফলিত হয়। সুকুমাৰ কলাকে ধৰি সামাজিক ধ্যান-ধাৰণা, আচাৰ-অনুষ্ঠান, শিষ্টাচাৰ আৰু নীতি-নিৰ্দেশনা সকলো কৃষ্টিভিত্তিক, যিবোৰ আমাৰ গৌৰৱময় সংস্কৃতিৰ উপাদান।

পৰিশেষত আমি ক'ব পাৰোঁ যে অন্তৰৰ সুকোমল অনুভূতিৰ প্ৰকাশক তথা কল্পনাৰ হেঙুলীয়া ৰৰণে সৃষ্টি কৰা সকলো সম্পদেই হ'ল সংস্কৃতিৰ উপাদান, যি আমাৰ জীৱনক গৰিমাময় কৰি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। সেয়ে, সংস্কৃতি হ'ল আমাৰ জীৱন-যাত্ৰাৰ ঐশ্বৰ্যময় সংগী, সমাজৰ দীপ্তিময় ভৱিষ্যত।








ক্রিয়া-কলাপ

## ক—পাঠভিত্তিক ক্রিয়া

১। উত্তৰ দিয়া।



(ক) সংস্কৃতি গঢ়ি উঠিবলৈ কিহৰ প্ৰয়োজন হয়?

(খ) সমাজ কাৰ দ্বাৰা গঠিত হয়?

(গ) সংস্কৃতিৰ অন্যতম উপাদান কি?

(ঘ) কৃষ্টিৰ উৰ্বৰা পথাৰৰ পৰা কি বোটলা হয়?

(ঙ) সৎ প্ৰবৃত্তিৰ লোক হ'বলৈ কি কৰিব লাগে?

(চ) সংস্কৃতিৰ ৰূপ দুটা কি কি?

(ছ) মানুহৰ আবেগ অনুভূতিৰ মূল উৎস কি?

(জ) কৃষ্টিৰ আধাৰ কি?

(ঝ) 'দখনা' আৰু 'চৌবন্দী' মূলতঃ কোন কোন জনগোষ্ঠীৰ মহিলাৰ পোছাক?

২। চমু উত্তৰ দিয়া।

(ক) ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ মতে সংস্কৃতি কি?

(খ) সাংস্কৃতিক বৈচিত্ৰ্যৰ কাৰণসমূহ কি কি?

(গ) খাদ্য-ৰীতিৰ ভিন্নতাই সংস্কৃতিত কিদৰে প্ৰভাৱ পেলায়?

(ঘ) সামাজিক পৰম্পৰাৰ লগত মানুহৰ জীৱন কেনেকৈ বান্ধ খাই পৰে?

৩। বুজাই লিখা।

(ক) বাহ্যিক আৰু আভ্যন্তৰীণ সংস্কৃতিৰ প্ৰভেদ।

(খ) জলবায়ু আৰু খাদ্য-ৰীতিৰ ভিন্নতাই সংস্কৃতিৰ বিকাশত কেনেধৰণে সহায় কৰে?

৪। ব্যাখ্যা কৰা।

(ক) সংস্কৃতি হ'ল জাতীয় জীৱনৰ চালিকা শক্তি।

(খ) সকলো সুকুমাৰ চিন্তা, কাম আৰু গুণৰাশিয়েই হ'ল সংস্কৃতিৰ সোপান।

(গ) মানুহৰ আৱেগ আনুভূতিৰ মূল উৎস হ'ল চৌপাশৰ বিনন্দীয়া প্ৰকৃতি।

## খ — ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)

**৫। (ক) কৃষ্টি আৰু স্তুতি শব্দৰ শেষৰ টি তি ধ্বনিৰ মিল থকা শব্দ লিখা।**

কৃষ্টি → দৃষ্টি → ____ → ____ → ____ → ____

স্তুতি → নতি → ____ → ____ → ____ → ____

**(খ) সংস্কৃতি → সম্ + কৃতি, এনেধৰণে শব্দৰ আগত সম্ উপসৰ্গ যোগ কৰি সংস্কাৰ, সংযম, সন্ন্যাস, সঞ্চয় আদি শব্দ লিখিব পাৰোঁ। তেনে ধৰণে তলত দিয়া উপসৰ্গৰ সহায়ত পাঁচটাকৈ শব্দ লিখি বাক্য সাজা।**

| প্ৰতি | অৱ | অনু | বি | উৎ |
|---|---|---|---|---|
| (ক) প্ৰতিবাদ | | | | |
| (খ) | | | | |
| (গ) | | | | |
| (ঘ) | | | | |
| (ঙ) | | | | |

(ক) প্ৰতিবাদ ------------------------------------------------

(খ) ------------------------------------------------

☞ *নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

(গ) ------------------------------------------------

(ঘ) ------------------------------------------------

(ঙ) ------------------------------------------------

**৬। পাঠটোত থকা যুৰীয়া শব্দবোৰ বাছি উলিয়াই লিখা।**

উদাহৰণ ঃ আচাৰ-আচৰণ

**৭। অৰ্থ প্ৰকাশ হোৱাকৈ বাক্য ৰচনা কৰা।**

আচাৰ-বিচাৰ, সাজ-পোছাক, পেট পূজা, বিনন্দীয়া, উৎসৱ-পাৰ্বণ

## গ— জ্ঞান সম্প্ৰসাৰণ

জানো আহা

**কৃষিভিত্তিক সমাজ ঃ** কৃষিকৰ্মক কেন্দ্ৰ কৰি গঢ়ি উঠা সমাজ-ব্যৱস্থাই হৈছে কৃষিভিত্তিক সমাজ। এই কৃষিক কেন্দ্ৰ কৰিয়েই কৃষি সংস্কৃতি গঢ় লৈ উঠে। এই কৃষি সংস্কৃতিক সমৃদ্ধ কৰে কৃষিৰ লগত জড়িত নানা উৎসৱ-অনুষ্ঠানে। যেনে- গোছ লোৱা, লখিমী চপোৱা, সাউৰী খোৱা, ন-খোৱা আদি। এই উৎসৱ-অনুষ্ঠানৰ লগত সংগতি ৰাখি নানা গীত-মাত পৰিৱেশন কৰা হয়। এইবোৰেও কৃষি ভিত্তিক সংস্কৃতিত ৰহণ চৰায়।

**শিল্পভিত্তিক সমাজ ঃ** শিল্প-উদ্যোগক আধাৰ কৰি পৰিচালিত সমাজক শিল্পভিত্তিক সমাজ বুলি ক'ব পাৰি। উৎপাদন ব্যৱস্থাৰ বৈশিষ্ট্যৰ বাবে এনে সমাজৰ আচাৰ-নীতি বা সাংস্কৃতিক উপাদান পৃথক ধৰণৰ হয়। কৃষিভিত্তিক সমাজৰ সৰল নীতি বা আচাৰৰ বিপৰীতে শিল্পভিত্তিক সমাজৰ ভাব-চিন্তা, মূল্যবোধো বেলেগ ধৰণৰ হয়।

**৮। তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া।**

**(ক) কৃষিভিত্তিক সমাজত প্ৰচলিত আচাৰ-উৎসৱ কেইটামানৰ নাম লিখা।**

**(খ) শিল্পভিত্তিক সমাজ বুলিলে কি বুজা?**

*☞ নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

৯। 'একেটা অঞ্চলতে পৰিধান কৰা সাজ-পোছাকে সেই অঞ্চলৰ মানুহৰ ৰুচিবোধ প্ৰতিফলিত কৰে।'

— নিজৰ নিজৰ সাজ-পোছাকে কেনে ধৰণে এখন নিৰ্দিষ্ট ঠাইৰ সংস্কৃতিৰ পৰিচয় দাঙি ধৰে উদাহৰণৰ সৈতে বুজাই লিখা।

১০। গীত-মাত, নাচ-বাদ্য, চিত্ৰ-কলা, স্থাপত্য-ভাস্কৰ্য আৰু উৎসৱ-পাৰ্বণ আদিক আমাৰ সমাজ-জীৱনৰ অপৰিহাৰ্য অংগস্বৰূপ বুলি কিয় কোৱা হয়? এইবোৰৰ উপাদানে সংস্কৃতি গঢ়ি তোলাত কিদৰে সহায় কৰে বুলি তুমি ভাবা, বুজাই লিখা।

১১। 'সংস্কৃতিৰ দুটা ৰূপ— এটা বাহ্যিক, আনটো আভ্যন্তৰীণ।'

পাঠটোত বাহ্যিক আৰু আভ্যন্তৰীণ ৰূপৰ দুটা উদাহৰণ দিয়া হৈছে। পঢ়ি বুজি লোৱা আৰু তুমি নিজে ভাবি দুটা উদাহৰণ যুগুত কৰা।

পঢ়োঁ আহা —

সংস্কৃতি মানে পুথিগত বিদ্যাৰ উপৰি বিভিন্ন শিক্ষা আহৰণৰ দ্বাৰা সাধিত হোৱা মানসিক উৎকৰ্ষ। সামাজিক ৰীতি-নীতি, আচাৰ-আচৰণ, বিয়া-সবাহ, গীত-মাত, খেলা-ধূলা, খোৱা-বোৱা, সাজ-পোছাক আদি উপাদানৰ স্তূপীকৃত সম্ভাৰেই সংস্কৃতিৰ মূল উৎস।

এখন সমাজৰ বা এটা জাতিৰ সংস্কৃতিয়ে সেই জাতিক উন্নতিৰ পথত আগুৱাই যোৱাত সহায় কৰে। সংস্কৃতি এটা জাতিৰ দাপোণস্বৰূপ হ'লেও এই সংস্কৃতি বিভিন্ন জাতি, উপ-জাতিৰ কৃষ্টি-সংস্কৃতিৰে সমৃদ্ধ হ'লেহে সংস্কৃতিয়ে এটা পৰিপক্ক ৰূপ লাভ কৰে।

মানুহৰ জন্মৰ পৰা মৃত্যুলৈকে ওতপ্ৰোতভাৱে জড়িত হৈ থকা আচাৰ-অনুষ্ঠানবিলাকত সংস্কৃতি প্ৰতিফলিত হয়। সেয়েহে এটা জাতি বা এখন সমাজ চহকী হ'বলৈ হ'লে বা জীয়াই থাকিবলৈ হ'লে সেই জাতিৰ নিজস্ব সংস্কৃতিক গতিশীল কৰি তুলিব লাগিব। বৰ্তমান আমাৰ সমাজত মানুহৰ নিজা সংস্কৃতিৰ প্ৰতি অনীহা আৰু আনৰ সংস্কৃতিৰ প্ৰতি আকৰ্ষণ দিনক দিনে বৃদ্ধি পাবলৈ ধৰিছে। আনৰ সংস্কৃতিৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰিব পৰাটো এটা জাতিৰ মহান গুণ। কিন্তু ইয়াৰ অৰ্থ এইটো নহয় যে নিজৰ কৃষ্টি-সংস্কৃতিক দলিয়াই থৈ ভুলে-শুদ্ধই আনৰ সংস্কৃতিক আঁকোৱালি লোৱা। এনেদৰে আমাৰ সমাজৰ লগত ৰজিতা নোখোৱা আন সংস্কৃতিক অন্ধভাৱে গ্ৰহণ কৰাৰ ফলতেই আমাৰ সমাজত কিছুমান অপ-সংস্কৃতিয়ে গা কৰি উঠিছে। নিজৰ সংস্কৃতিৰ ভেটি সুদৃঢ় কৰি তাৰ ওপৰত ভৰ দি আনৰ সংস্কৃতিৰ ভাল ভাল উপাদানসমূহ অনুশীলন কৰিব পাৰিলেহে স্বকীয় সংস্কৃতিৰ ভঁৰাল চহকী হ'ব। আমাৰ নতুন প্ৰজন্মই এই কথালৈ লক্ষ্য ৰাখি সংস্কৃতি চৰ্চা কৰিলে নিজস্ব সংস্কৃতি টনকিয়াল হ'ব।

১২। তলত বিভিন্ন কামৰ নাম দিয়া হৈছে। এই কামবোৰৰ কোনবিলাক ভাল কাম দলত আলোচনা কৰি বাছি উলিয়াই লিখা আৰু এই কামবোৰে কোনো এটা অঞ্চলৰ সংস্কৃতি গঢ়ি তোলাত কিদৰে বৰঙণি যোগায় সেই বিষয়ে টোকা লিখা।

| | |
|---|---|
| ● আনৰ প্ৰতি গুৰুত্ব দিয়া | ● গছ-গছনি, ফুল আদি ৰুই প্ৰতিপালন কৰা |
| ● আনৰ প্ৰতি অৱজ্ঞাৰ ভাব পোষণ কৰা | ● বাটে-ঘাটে অযথা হেডফোন ব্যৱহাৰ কৰা |
| ● আনক সন্মান জনোৱা | ● লোক-গীত, নাট- ভাওনা আদিৰ প্ৰতি সন্মান জনোৱা আৰু অনুশীলন কৰা |
| ● প্ৰয়োজন অনুসৰি কথা কোৱা | ● বিদ্যালয়ৰ সম্পদৰাজি জধে-মধে ব্যৱহাৰ কৰা |
| ● মধুৰ কথাৰে আনক সন্মান জনোৱা | ● পিতৃ-মাতৃ, ভাই-ভনী আৰু ওচৰ-চুবুৰীয়াৰ প্ৰতি কৰ্তব্য পালন কৰা |
| ● আনক অজ্ঞ বা নিৰ্বোধ বিবেচনা কৰা | ● উৎসৱ-পাৰ্বণত অংশগ্ৰহণ কৰা |
| ● পথেৰে পাৰ হওঁতে সাৱধান হোৱা | ● জধে-মধে চান্দা সংগ্ৰহ কৰা |
| ● আনৰ সুবিধা-অসুবিধালৈ লক্ষ্য কৰা | ● সমনীয়াৰ প্ৰতি সহানুভূতিশীল হোৱা |
| ● আনৰ কথাক গুৰুত্ব নিদিয়া | ● শিক্ষাগুৰুৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰা |
| ● মাৰ্জিত সাজ-পোছাক পৰিধান কৰা | |
| ● সংৰক্ষিত বনাঞ্চলৰ গছ-গছনিৰ ক্ষতিসাধন কৰা | |
| ● মোবাইল ফোনৰ অপব্যৱহাৰ কৰা | |
| ● হাই-উৰুমি কৰি থকা | |

## ঘ— প্ৰকল্প

(ক) আমাৰ সমাজৰ বিভিন্ন জনগোষ্ঠীৰ মহিলাসকলে পৰিধান কৰা সাজ-পোছাকৰ বৈশিষ্ট্য সম্পৰ্কে টোকা প্ৰস্তুত কৰা।

(খ) আমাৰ সমাজৰ ভিন্ন জনগোষ্ঠীৰ দ্বাৰা উদ্‌যাপিত সাংস্কৃতিক উৎসৱবোৰৰ বিষয়ে টোকা প্ৰস্তুত কৰা।

# পাঠ ১৪

## পাঠটোৰ পৰা আহৰণ কৰিবলগীয়া অৰ্হতা

- সংস্কৃতি মানে কি বুজি পোৱা
- সংস্কৃতিৰ বৈচিত্ৰ্যৰ কাৰণসমূহ বুজি পোৱা আৰু ক'ব পৰা
- অভ্যাসেই যে মানুহক সংস্কৃত মনৰ অধিকাৰী হোৱাত সহায় কৰে, সেই কথা বুজি পোৱা আৰু সৎ অভ্যাস গঠনত আগ্ৰহী হোৱা
- সংস্কৃতিৰ যে দুটা ৰূপ আছে সেই বিষয়ে জনা
- পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা
- প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰিব পৰা
- উপসৰ্গৰ সহায়ত শব্দ গঠন কৰি বাক্য ৰচনা কৰিব পৰা
- কৃষিভিত্তিক সমাজ আৰু শিল্পভিত্তিক সমাজৰ বিষয়ে জনা আৰু সেইবিষয়ে সোধা প্ৰশ্নৰ উত্তৰ দিব পৰা
- ভাল কাম চিনাক্ত কৰিব পৰা আৰু এই কামবোৰেই যে মানুহক সংস্কৃতিবান কৰি তোলে সেই বিষয়ে জনা
- নিজৰ সংস্কৃতিক শ্ৰদ্ধা জনোৱাৰ মনোভাব গঢ়ি উঠা আৰু আনৰ সংস্কৃতিৰ প্ৰতি শ্ৰদ্ধা জনাব পৰা
- আমাৰ সমাজত বিভিন্ন জনগোষ্ঠীৰ মহিলাসকলে পৰিধান কৰা সাজ-পোছাক, খাদ্য আৰু সাংস্কৃতিক উৎসৱৰ বিষয়ে টোকা প্ৰস্তুত কৰিব পৰা

## শিকাৰুৰ পাঠভিত্তিক অৰ্হতাৰ মূল্যায়ন

| গদ্যপাঠ | পাঠটো শুদ্ধ উচ্চাৰণেৰে পঢ়িব পৰা | সাংস্কৃতিক বৈচিত্ৰ্যৰ কাৰণসমূহ ক'ব পৰা | পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা | প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰিব পৰা | শব্দসম্ভাৰ বা অভিধানৰ পৰা শব্দৰ অৰ্থ বিচাৰি লিখিব পৰা | |
|---|---|---|---|---|---|---|
| | | | | | | |
| ভাষা অধ্যয়ন (ব্যৱহাৰিক ব্যাকৰণ) | উপসৰ্গ যোগ কৰি শব্দ গঠন কৰি লিখিব পৰা | বাক্যৰচনা কৰিব পৰা | যুৰীয়া শব্দ পাঠৰ পৰা বিচাৰি লিখিব পৰা | শেষৰ ধ্বনি মিল থকা শব্দ লিখিব পৰা | | |
| | | | | | | |
| জ্ঞান সম্প্ৰসাৰণ | পাঠবহিৰ্ভূত বিভিন্ন বিষয়ৰ টোকাৰ পৰা প্ৰশ্নৰ উত্তৰ দিব পৰা | ভাল কামসমূহ চিহ্নিত কৰিব পৰা | ভাল কামসমূহে কিদৰে সংস্কৃতি গঢ়াত সহায় কৰে সেই বিষয়ে নিজে চিন্তা কৰি ক'ব আৰু লিখিব পৰা | নিজৰ সংস্কৃতিৰ অন্তৰ্গত নৃত্য-গীত আদি পৰিৱেশন কৰিব পৰা | | |
| | | | | | | |
| প্ৰকল্প | বিভিন্ন জনগোষ্ঠীৰ মহিলাই পৰিধান কৰা সাজ-পোছাকৰ বৈশিষ্ট্যৰ টোকা লিখিব পৰা | | সাংস্কৃতিক উৎসৱৰ বিষয়ে লিখিব পৰা | | | |
| | | | | | | |

☞ *অৰ্হতা আয়ত্ত হ'লে ওপৰৰ তালিকাখনৰ তলৰ খালী ঘৰত ✓ চিন দিব আৰু নহ'লে × চিন দিব। অৰ্হতা আয়ত্ত নোহোৱা শিকাৰুক অতিৰিক্তভাৱে শিকাই পুনৰ মূল্যায়ন কৰিব।*

পাঠ ১৫

# শিশু-লীলা

L3A1X1

মানৱ সন্তানৰূপী যশোদাৰ পুত্ৰ শ্ৰীকৃষ্ণৰ অপাৰ মহিমা। মাতৃ আৰু সমনীয়াৰ দৃষ্টিত শ্ৰীকৃষ্ণ হ'ল এজন সাধাৰণ বালক। সেই বালক কৃষ্ণই লগৰীয়াৰ সৈতে খেলা-ধূলা কৰে আৰু কাজিয়াও কৰে। সৰ্বসাধাৰণ শিশুৰ দৰে শ্ৰীকৃষ্ণই কেতিয়াবা মাটিৰ লদা মুখত দি অমৃতৰ সোৱাদ লয়। কিন্তু সাধাৰণ শিশুৰ স'তে তেওঁৰ শিশুসুলভ কাৰ্যৰ বজিতা নাথায়। শ্ৰীকৃষ্ণই মাটি খোৱা কাৰ্যৰ বিষয়ে সমনীয়াসকলে গৈ যশোদাক গোচৰ দিলে। মাতৃ যশোদাই মাটি খোৱাৰ সত্যতা নিৰূপণ কৰিবলৈ গৈ শ্ৰীকৃষ্ণৰ মুখগহ্বৰত মাটিৰ লদাৰ সলনি দেখা পালে সমস্ত জগত! মহিমাময় শ্ৰীকৃষ্ণৰ এই ৰূপ মহাপুৰুষ শ্ৰীশ্ৰী শংকৰদেৱে শিশু-লীলাৰ মাধ্যমেৰে ৰসালকৈ ব্যক্ত কৰিছে।



এহিমতে ব্ৰজে আনন্দে হৰি।
কৰন্ত ক্ৰীড়া শিশু-ৰূপ ধৰি।।
যত গোপ শিশু বলাই আদি।
সবে ভৈল গৈয়া কৃষ্ণৰ বাদী।।
যশোদাৰ আগে দিলেক খল।
খাইলন্ত কৃষ্ণে মাটি একদল।।
শুনিয়া যশোদা সুন্দৰী হাসি।
পুত্ৰৰ হাতত ধৰিলা আসি।।
কেনে মাটি খাইলি অৰে গোপাল।
কোবাই আজি তোৰ ফাৰিবো ছাল।।
শুনিয়া কৃষ্ণৰ হৰিল মাত।
চক্ষু টেৰ কৰি মাৰক চান্ত।।
ভয়তে যেন কাম্পে হাত-ভৰি।
যশোদা দেখে পুত্ৰ গৈল ডৰি।।
মুখক চাহন্তে লাগয় বেথা।
কিয় মাটি খাইলি সোধন্ত কথা।।



লগৰ শিশু বোলে সমুদায়।
বলায়ো বোলে তোৰ শ্ৰেষ্ঠ ভাই।।
মাতন্ত কৃষ্ণে যশোদাক চাই।
মিছা মাতে সবে শুনিয়ো আই।।
কদাচিতো মঞি নখাওঁ মাটি।
দাদা বলভদ্ৰে মাতন্ত ঘাটি।।
পতিয়ান নাই চৰা বিচাৰি।
হেন শুনি মাতে যশোদা নাৰী।।
বায়ো বেন্ত যেৱে মাটি নখাইলি।
শুনিয়া শিশু-ৰূপী বনমালী।।
চৰা মুখ মেলি মাৰক মাতি।
বাইলন্ত বেন্ত প্ৰকাশিয়া আতি।।
যশোদা সুন্দৰী দেখন্ত পাছে।
সমস্ত জগত গৰ্ভতে আছে।।

**— শ্ৰীশ্ৰী শংকৰদেৱ**

*(উৎস - মহাপুৰুষ শ্ৰীশ্ৰী শংকৰদেৱ আৰু শ্ৰীশ্ৰী মাধৱদেৱ বিৰচিত- 'কীৰ্তন-ঘোষা' আৰু 'নাম-ঘোষা' পৃষ্ঠা - ১৯৩, প্ৰকাশক - লয়াৰ্চ বুক ষ্টল।)*

**কবিৰ পৰিচয় ঃ** (১৪৪৯-১৫৬৮) আমি ইতিমধ্যে শ্ৰীমন্ত শংকৰদেৱৰ বিষয়ে প্ৰাথমিক জ্ঞান লাভ কৰিছোঁ। তেখেতৰ দ্বাৰা ৰচিত সকলো গ্ৰন্থৰ উদ্দেশ্য হ'ল পৰমজনাৰ বিষয়ে শ্ৰৱণ-কীৰ্তন কৰা। মহাপুৰুষজনাৰ লক্ষ্য আছিল জাতিটোক সুৰুচিপূৰ্ণ আৰু সংস্কৃতিবান ৰূপে গঢ়ি তোলা, যিয়ে অসমীয়া জাতিটোক মহাভাৰতীয় জীৱনত স্থান লাভ কৰাৰ সুযোগ প্ৰদান কৰে। এখন বিদ্বেষমুক্ত সমাজৰ সপোন দেখা মহাপুৰুষজনাই সকলো সম্প্ৰদায়ৰ লোককেই নাম-ধৰ্ম মতৰ আওতালৈ অনাৰ প্ৰয়াস কৰিছিল।

**শব্দৰ অৰ্থ জানি লওঁ আহা**

| শব্দ | অৰ্থ | শব্দ | অৰ্থ |
|---|---|---|---|
| দিলেক | দিলে | ডৰি | ভয় কৰি, ভয় খাই |
| খল | গোচৰ, অভিযোগ | চাহন্তে | চাওঁতে |
| খাইলন্ত | খালে | সোধন্ত | সুধিলে |
| একদল | এলদা | সমুদায় | সমূহ, সমগ্ৰ, সকলো, সমস্ত |
| হাসি | হাঁহি | মঞি | মই |
| আসি | আহি / অহা | ঘাটি | জগৰ |
| ফাৰিবো | ফালি / ফালিম | বেন্ত | বেণু (এবিধ বাদ্য) |
| টেৰ | (চকু) বেঁকা | বনমালী | কৃষ্ণৰ আন এটি নাম |
| চান্ত | চালে | গৰ্ভতে | ভিতৰতে |
| কাম্পে | কঁপে | | |

## ক্ৰিয়া-কলাপ



### ক — পাঠভিত্তিক ক্ৰিয়া

**১। উত্তৰ দিয়া।**

(ক) 'শিশু-লীলা' ঘোষাটি কোনে ৰচনা কৰিছিল?

(খ) 'শিশু-লীলা'ত কাৰ কথা কোৱা হৈছে?

(গ) শিশু কৃষ্ণই কাৰ কাৰ লগত খেলিছিল?

(ঘ) খেলি থকা সময়ত কৃষ্ণই কি খাইছিল?

(ঙ) গোপশিশুসকলে যশোদাক কি গোচৰ দিছিল?

(চ) গোপবালকসকলৰ কথা শুনি যশোদাই কি কৰিলে?

(ছ) বলাই বুলি কাক কোৱা হৈছে আৰু কৃষ্ণৰ লগত তেওঁৰ সম্পৰ্ক কি?

**২। কোনে কাক, কিয় কৈছিল লিখা।**

(ক) কেনে মাটি খাইলি অৰে গোপাল।
কোবাই আজি তোৰ ফাৰিবো ছাল।।

(খ) মাতন্ত কৃষ্ণে যশোদাক চাই।
মিছা মাতে সৱে শুনিয়ো আই।।

৩। প্ৰসংগ সংগতি দৰ্শহি ব্যাখ্যা কৰা।

(ক) যশোদা সুন্দৰী দেখন্ত পাছে।
সমস্ত জগত গৰ্ভতে আছে।।

৪। খালী অংশত শব্দ ভৰোৱা।

(ক) যত গোপ শিশু বলাই আদি।
সবে ............ গৈয়া কৃষ্ণৰ ............ ।।
যশোদাৰ আগে দিলেক ............... ।
............. কৃষ্ণে মাটি একদল।।

(খ) শুনিয়া কৃষ্ণৰ হৰিল মাত।
চক্ষু ............... কৰি মাৰক.............. ।।
ভয়তে যেন ................ হাত- ভৰি।
যশোদা দেখে পুত্ৰ গৈল................. ।।



৫। 'শিশু-লীলা'ৰ কথাখিনি গদ্যৰূপত লিখা।

৬। তলৰ পদফাকি পঢ়া আৰু আধুনিক অসমীয়া গদ্য ৰূপটো জানি লোৱা।

শুনিয়া যশোদা সুন্দৰী হাসি।
পুত্ৰৰ হাতত ধৰিলা আসি।।
কেনে মাটি খাইলি অৰে গোপাল।
কোবাই আজি তোৰ ফাৰিবো ছাল।।

আধুনিক অসমীয়া গদ্য ৰূপ —

গোপবালকসকলৰ কথা শুনি যশোদাই হাঁহি পুত্ৰৰ হাতত ধৰিলেহি আৰু ক'লে— "হেৰ গোপাল, তই কিয় মাটি খালি? কোবাই আজি তোৰ ছাল ছিঙিম।"

সেইদৰে তলৰ পদকেইফাকি পঢ়া আৰু অৰ্থ প্ৰকাশ হোৱাকৈ আধুনিক অসমীয়া গদ্য ৰূপত লিখা।

(ক) যত গোপ শিশু বলাই আদি।
সবে ভৈল গৈয়া কৃষ্ণৰ বাদী।।

(খ) শুনিয়া কৃষ্ণৰ হৰিল মাত।
চক্ষু টেৰ কৰি মাৰক চান্ত।।
ভয়তে যেন কাম্পে হাত-ভৰি।
যশোদা দেখে পুত্ৰ গৈল ডৰি।।

## খ — ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)

৭। তলৰ শব্দবোৰৰ আধুনিক অসমীয়া ৰূপ লিখা।

| | | | |
|---|---|---|---|
| উদাহৰণ - হাসি | হাঁহি | | |
| চক্ষু | | শুনিয়া | |
| মাতন্ত | | টৈৰ | |
| মাৰক | | সমস্ত | |
| প্ৰকাশিয়া | | সোধন্ত | |
| ফাৰিবো | | কাম্পৈ | |

৮। বিপৰীত অৰ্থ বুজোৱা শব্দ লিখা।

সুন্দৰী ——
পুত্ৰ ——
ভাই ——
আই ——
দাদা ——
নাৰী ——

৯। শেষৰ ধ্বনিৰ মিল থকা শব্দ পাঠৰ পৰা বিচাৰি লিখা।

উদাহৰণ— হৰি —— ধৰি
আদি ——
খল ——
হাসি ——
ভৰি ——
চাই ——
মাটি ——
মাতি ——
পাছে ——
বেথা ——



নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী

**১০। তলৰ পদকেইফাকিলৈ মন কৰা।**

(ক) কেনে মাটি খাইলি অৰে গোপাল।

(খ) কিয় মাটি খাইলি সোধন্ত কথা।।

— এই বাক্য দুটাই প্ৰশ্ন সোধাটো বুজাইছে। সেইদৰে আধুনিক অসমীয়া ভাষাতো কোনে, কেনেকৈ, কিয়, কি, ক'লৈ, কেতিয়া আদি শব্দ ব্যৱহাৰ কৰি প্ৰশ্নবোধক বাক্য গঠন কৰা হয়।

**উদাহৰণত দিয়াৰ দৰে তলৰ বাক্যবোৰ প্ৰশ্নবোধক বাক্যলৈ নিয়া।**

উদাহৰণ, নিজৰাই ভাত ৰান্ধিছে।

কোনে ভাত ৰান্ধিছে?

(ক) তেওঁলোক বাছেৰে স্কুললৈ যায়।

......................................................

(খ) আমি বল খেলি আছোঁ।

......................................................

(গ) জ্বৰ উঠা বাবে বিমল স্কুললৈ যোৱা নাই।

......................................................

(ঘ) ৰতন দিল্লীলৈ গৈছিল।

......................................................

(ঙ) মই চাৰি বজাত ঘৰ পামহি।

......................................................

(চ) সি গান গাই আছে।

......................................................

১১। **খাইলন্ত, দেখন্ত, মাতন্ত, চান্ত** আদি শব্দকেইটাই একো একোটা কাম কৰা বুজাইছে। ইতিমধ্যে তোমালোকে কোনো কাম কৰা, হোৱা বা নোহোৱা, থকা বা নথকা আদি বুজোৱা পদক ক্ৰিয়াপদ বুলি জানি আহিছা। পাঠৰ পৰা এনেধৰণৰ কাম সম্পাদন কৰা বা নকৰা পদকেইটা বাছি উলিয়াই লিখা।

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

১২। তলত একেটা শব্দৰে ভিন্ ভিন্ অৰ্থ দিয়া হৈছে। অৰ্থ প্ৰকাশ হোৱাকৈ শব্দবোৰেৰে বাক্য সাজা।

দল → লদা, দলি
দল → সমূহ, জাক

বাদী → ফাকি, মিছা ভাও
বাদী → কওঁতা, প্ৰকাশ কৰোঁতা, গুচৰীয়া

ঘাটি → দায়, জগৰ, মিছা, অপৰাধ
ঘাটি → পহৰাৰ ঠাই, আড্ডা, চকি

## গ— জ্ঞান সম্প্ৰসাৰণ

**জানো আহা**

অসমীয়া সাহিত্য-সংস্কৃতিলৈ মহাপুৰুষ শ্ৰীশ্ৰী শংকৰদেৱে অলেখ অৱদান আগবঢ়াই অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি থৈ গৈছে। তেখেতৰ ৰচনাসমূহক তলত উল্লেখ কৰা ধৰণে তালিকাভুক্ত কৰিব পাৰি।

(১) অনুবাদমূলক ৰচনা ঃ ভাগৱতৰ প্ৰথম স্কন্ধ ; দ্বিতীয় স্কন্ধ; ষষ্ঠ স্কন্ধ; অষ্টম স্কন্ধ; দশম স্কন্ধ; একাদশ স্কন্ধ; দ্বাদশ স্কন্ধ আৰু ৰামায়ণৰ উত্তৰা কাণ্ড।

(২) কাব্য ঃ হৰিশ্চন্দ্ৰ উপাখ্যান, ৰুক্মিণী হৰণ, বলিচলন, অমৃতমন্থন, অজামিল উপাখ্যান আৰু কুৰুক্ষেত্ৰ।

(৩) নাট ঃ পত্নীপ্ৰসাদ, কালিয়দমন, কেলিগোপাল, ৰুক্মিণীহৰণ, পাৰিজাত হৰণ, ৰাম বিজয়।

(৪) গীত ঃ বৰগীত, ভটিমা, টোটয়, চপয়।

(৫) নাম-প্ৰসংগ ঃ কীৰ্তন আৰু গুণমালা।

(৬) তত্ত্বমূলক ঃ ভক্তিপ্ৰদীপ, অনাদিপাতন আৰু নিমি নৱসিদ্ধ সংবাদ।

তোমালোকৰ পাঠ্যপুথিত দিয়া শিশু-লীলা ঘোষাটি মহাপুৰুষ শ্ৰীশ্ৰী শংকৰদেৱৰ কীৰ্তন-ঘোষাৰ অন্তৰ্গত। কীৰ্তনত ২৭ টা খণ্ড আছে। কীৰ্তন আৰু গুণমালা গুৰুজনাৰ একে শ্ৰেণীৰে গ্ৰন্থ। কম কথাৰ ভিতৰত শ্ৰীকৃষ্ণৰ শিশু জীৱনৰ আভাস দিয়াই ইয়াৰ বৈশিষ্ট্য। ছন্দৰ ক্ষিপ্ৰতা আৰু মাধুৰ্য আৰু শিশু জীৱনৰ অনাবিল আনন্দই শিশু-লীলাক অধিক জনপ্ৰিয় কৰি তুলিছে।

☞ *নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

**১৩। শ্ৰীকৃষ্ণই শিশুকালত কৰা চল-চাতুৰীৰ বিষয়ে শিক্ষক নাইবা অভিভাৱকক সুধি নিজৰ কথাৰে বৰ্ণনা কৰা।**

**১৪। শিশু কৃষ্ণই মাটি খোৱা বুলি বলভদ্ৰ প্ৰমুখ্যে গোপবালকসকলে যশোদাক গোচৰ দিছে।** বালক কৃষ্ণই মাটি খোৱাৰ দৰে সাধাৰণ ল'ৰা-ছোৱালীয়েও শিশু অৱস্থাত বিভিন্ন নকৰিবলগীয়া কাম কৰে। তেনেধৰণৰ কিছুমান কামৰ বিষয়ে লিখা।

**১৫। তলৰ কথাখিনিত যতি চিহ্ন, প্ৰয়োজন সাপেক্ষে উদ্ধৃতি চিন বহুৱাই পুনৰ লিখা।**

মানুহজনে আৰু চাই থাকিব নোৱাৰিলে তেওঁ জমাদাৰজনক ক'লে চিপাহীকেইজনে চতিটো তুলিব পৰা নাই আপুনি অলপ হাত-উজান দিলেই দেখোন চতিটো ওপৰলৈ উঠে মানুহজনৰ কথাত জমাদাৰ চাহাবৰ খঙে চুলিৰ আগ পালেগৈ তেওঁ হুঁটা মাতেৰে ক'লে মই হ'লো বিষয়া এজন জমাদাৰ মোৰ কিবা মান সন্মান নাই নে যে মই চিপাহীকেইজনৰ লগত চতিটো দাঙিম ইহঁতৰ কাম চাবলৈহে মোক ৰাখিছে ইহঁতৰ লগত কাম কৰিবলৈ ৰখা নাই নহয়

## জানো আহা

ব্যাৱহাৰিক ক্ষেত্ৰত একেটা শব্দই ভিন্ন অৰ্থ বুজাব পাৰে। সেইবোৰ প্ৰয়োগত প্ৰতিফলিত হয়।

| | | |
|---|---|---|
| গোচৰ দিয়া | — | অভিযোগ দিয়া |
| গোচৰ তৰা | — | অভিযোগ পঞ্জীয়ন কৰা |
| বাদী | — | গোচৰ দিয়া পক্ষ |
| বিবাদী | — | গোচৰীয়াৰ বিপৰীত পক্ষ |

**১৬। তলত দিয়া ব্ৰজাৱলী ভাষাৰ গদ্যাংশ পঢ়া আৰু আধুনিক অসমীয়া ভাষালৈ অনুবাদ কৰিবলৈ যত্ন কৰা।**

হে মাই গোৱাৰী! তোহো হামু অভাগিনীত কি পুছহ? অনেক পুণ্য কৰিয়ে দেৱতাৰ বৰে কৃষ্ণক পুত্ৰ পাৱলোঁ। সে প্ৰাণ পুত্ৰ কৃষ্ণ খেড়ি খেলাইতে বিহানে বজাৰ। বিয়াল ভৈ গেল। এখনো নাহি পাৱলোঁ। সে প্ৰাণ পুত্ৰত বিচাৰি নাপাই হামাৰি প্ৰাণ কৈছে ৰহব?

**১৭। তলত উল্লেখ কৰা প্ৰাৰ্থনাটোৰ কেইফাকিমান সুৰ লগাই গাবলৈ চেষ্টা কৰা।**

তুমি চিত্ত- বৃত্তি মোৰ প্ৰৱৰ্ত্তক নাৰায়ণ
তুমি নাথ মঞি নাথৱন্ত।
চৰণ-ছত্ৰৰ ছায়া দিয়া দূৰ কৰা মায়া
কৰা দয়া মোক ভগৱন্ত।।
তুমি মোৰ অন্তৰ্য্যামী তযু ভৃত্য ভৈলো আমি
জানি কৃপা কৰা হৃষীকেশ
দান্তে তৃণ তুলি লঞো যিমতে সেৱাত ৰঞো
দিয়ো মোক সেহি উপদেশ।।

— **শ্ৰীশ্ৰী মাধৱদেৱ**

*(উৎস — মহাপুৰুষ শ্ৰীশ্ৰী শংকৰদেৱ আৰু শ্ৰীশ্ৰী মাধৱদেৱ বিৰচিত 'কীৰ্তন-ঘোষা' আৰু 'নাম-ঘোষা' পৃষ্ঠা—৭০২-৭০৩ , সম্পাদক - ড° মহেশ্বৰ নেওগ)*

জানো আহা

তোমালোকে **মাটি খোৱা** শব্দটো শিশু-লীলা পাঠটোত পাইছা। এই **মাটি** শব্দটোৰ লগত লগ হৈ গঠন হোৱা বেলেগ বেলেগ অৰ্থ প্ৰকাশক শব্দবোৰ জানি লোৱা। প্ৰত্যেকটো শব্দ লগাই বাক্য লিখিবলৈ চেষ্টা কৰিবা।

| | | |
|---|---|---|
| মাটি-কঁঠাল | — | এবিধ ফল (আনাৰস) |
| মাটি-মাহ | — | এবিধ মটীয়া বৰণৰ মাহ |
| মাটি-বাৰী | — | ঘৰ-মাটি, সম্পত্তি |
| মাটি মাহী | — | মটীয়া বৰণৰ সৰু চৰাই বিশেষ |
| মাটি কাঁদুৰী | — | এবিধ ক্ষুদ্ৰ বন শাক, নেওঠনীয়া শাক |
| মাটি কলহ | — | মাটিৰে সজা ডাঙৰ কলহ |
| মাটি মিঠা | — | ভাল সোৱাদ নথকা, সেৰেকা |
| মাটি মানুহ | — | শান্ত স্বভাৱৰ লোক |

## ঘ— প্ৰকল্প

**১৮। তুমি ইতিমধ্যে পঢ়ি অহা পাঠৰ পৰা ১০০ টা পুৰণি অসমীয়া শব্দ (ব্ৰজাৱলী, পুৰণি কথা সাহিত্য) সংগ্ৰহ কৰি শব্দ সম্ভাৰৰ ক্ৰমত এখন তালিকা প্ৰস্তুত কৰা।**

## পাঠ ১৫

### পাঠটোৰ পৰা আহৰণ কৰিবলগীয়া অৰ্হতা

- ব্ৰজাৱলী ভাষাত লিখা ঘোষা পদ পঢ়ি বুজি পোৱা
- ব্ৰজাৱলী ভাষাৰ শব্দৰ অৰ্থ জনা
- পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা
- ব্যাখ্যা কৰিব পৰা
- শিশু-লীলাৰ কথাখিনি গদ্যৰূপত লিখিব পৰা
- ব্ৰজাৱলী ভাষাৰ ৰূপৰ সৈতে আধুনিক অসমীয়া ভাষাৰ ৰূপৰ তুলনা কৰিব পৰা
- একে শব্দৰে ভিন ভিন অৰ্থ বুজোৱা শব্দ জনা আৰু প্ৰয়োগ কৰিব পৰা
- অৰ্থ প্ৰকাশ হোৱাকৈ জতুৱা ঠাঁচৰ ব্যৱহাৰ শিকা আৰু বাক্যত প্ৰয়োগ কৰিব জনা
- মাটি খোৱা কাৰ্যৰ জৰিয়তে প্ৰতিফলিত হোৱা শ্ৰীকৃষ্ণৰ অলৌকিক মহিমা সম্পৰ্কে জনা
- মাতৃৰ অনুশাসন-তাৎপৰ্য অনুধাৱন কৰি তাক সন্মান কৰিব জনা
- বিপৰীত অৰ্থ বুজোৱা শব্দ, শেষৰ ধ্বনিৰ মিল থকা শব্দ জনা আৰু বৰ্ণনামূলক বাক্যক প্ৰশ্নবোধক বাক্যলৈ পৰিৱৰ্তন কৰিব পৰা
- প্ৰাৰ্থনা গোৱাৰ অভ্যাস গঠন হোৱা
- পুৰণি অসমীয়া ভাষাৰ শব্দৰ তালিকা শব্দ সম্ভাৰৰ দৰে ক্ৰম ৰক্ষা কৰি প্ৰস্তুত কৰিব পৰা

### শিকাৰুৰ পাঠভিত্তিক অৰ্হতাৰ মূল্যায়ন

| | | | | | | |
|---|---|---|---|---|---|---|
| ঘোষা পাঠ | ব্ৰজাৱলী ভাষাত লিখা ঘোষা পদ পঢ়ি বুজি পোৱা | ব্ৰজাৱলী ভাষাৰ শব্দৰ অৰ্থ জনা | পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা | ব্যাখ্যা কৰিব পৰা | শিশু-লীলাৰ কথাখিনি গদ্য ৰূপত লিখিব পৰা | |
| | | | | | | |
| ভাষা অধ্যয়ন (ব্যৱহাৰিক ব্যাকৰণ) | ব্ৰজাৱলী পদক আধুনিক অসমীয়া ভাষালৈ ৰূপান্তৰ কৰিব পৰা | বিপৰীত অৰ্থ বুজোৱা শব্দ লিখিব পৰা | শব্দৰ শেষৰ ধ্বনিৰ মিল থকাকৈ শব্দ লিখিব পৰা | প্ৰশ্নবোধক বাক্য গঠন কৰিব পৰা | একে শব্দৰে ভিন ভিন অৰ্থ বুজোৱা শব্দ জনা আৰু বাক্যত প্ৰয়োগ কৰিব পৰা | অৰ্থ প্ৰকাশ হোৱাকৈ বাক্যত জতুৱা ঠাঁচ প্ৰয়োগ কৰিব পৰা |
| | | | | | | |
| জ্ঞান সম্প্ৰসাৰণ | অসমীয়া সাহিত্য সংস্কৃতিলৈ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অভিনৱ অৱদান সম্পৰ্কে জনা | শ্ৰীমন্ত শংকৰদেৱে ৰচনা কৰা গ্ৰন্থসমূহৰ বিষয়ে জনা | প্ৰাৰ্থনা গাব জনা | | | |
| | | | | | | |
| প্ৰকল্প | পুৰণি অসমীয়া ভাষাৰ শব্দৰ তালিকা প্ৰস্তুত কৰিব পৰা | | | | | |
| | | | | | | |

*অৰ্হতা আয়ত্ত হ'লে ওপৰৰ তালিকাখনৰ তলৰ খালী ঘৰত ✓ চিন দিব আৰু নহ'লে ✗ চিন দিব। অৰ্হতা আয়ত্ত নোহোৱা শিকাৰুক অতিৰিক্তভাৱে শিকাই পুনৰ মূল্যায়ন কৰিব।*

# শব্দ সম্ভাৰ

| শব্দ | | অৰ্থ |
|---|---|---|
| | | অ |
| অস্তিত্ব | — | বৰ্তমানতা , সত্তা, স্থিতি |
| অনাবিল | — | নিৰ্মল, স্বচ্ছ, পৰিষ্কাৰ |
| অনবদ্য | — | অনিন্দ্য, হৃদয়গ্ৰাহী |
| অভিলাষ | — | বাঞ্ছা, ইচ্ছা, স্পৃহা, লোভ, অনুৰাগ |
| অধিগৃহীত | — | আইনৰ সহায়েৰে দখল কৰা |
| অস্ত্ৰোপচাৰ | — | ৰোগ চিকিৎসাৰ বাবে কৰা অস্ত্ৰৰ প্ৰয়োগ |
| অনুষ্টুপীয়া | — | অলপীয়া, অনুকপীয়া, সংক্ষেপ |
| অভিযান | — | কোনো উদ্দেশ্য লৈ সদলবলে কৰা যাত্ৰা, যুদ্ধ যাত্ৰা |
| অনুশাসিত | — | নিয়ন্ত্ৰিত, পৰিচালিত |
| অনুপম | — | অতি সুন্দৰ, নিৰুপম, অতুলনীয় |
| অপৰিহাৰ্য | — | যাক পৰিহাৰ কৰিব বা এৰিব নোৱাৰি, হাত সাৰিব নোৱাৰি |
| অফুৰন্ত | — | শেষ নোহোৱা |
| অভূতপূৰ্ব | — | আগেয়ে নোহোৱা, অদ্ভুত, আচৰিত, নতুন |
| অনুবীক্ষণ | — | চকুৰে মনিব নোৱৰা বস্তু ডাঙৰকৈ দেখা |
| অধ্যয়ন | — | মনোযোগ দি পঢ়া কাৰ্য; পাঠ অনুশীলন |
| অৱশেষ | — | অন্ত, শেষ |
| অন্যমনস্ক | — | অমনোযোগী, মন নিদিয়া |
| অসহ্য | — | সহিব নোৱৰা, অসহনীয় |
| অজ্ঞতা | — | জ্ঞানহীনতা, মূৰ্খতা, অজ্ঞানতা |
| অমোঘ | — | অব্যৰ্থ, নিষ্ফল নোহোৱা |
| অভিযান্ত্ৰিক | — | যন্ত্ৰ আদি নিৰ্মাণ কাৰ্য বিষয়ক |
| অহোপুৰুষাৰ্থ | — | বৰ বেছি যত্ন বা শ্ৰম |
| অনুষ্ঠিত | — | কৃত, যাক সম্পন্ন কৰা হয় |
| অত্যন্ত | — | অতিশয়, বৰ বেছি |
| অনুক্ৰমে | — | যথাক্ৰমে, ক্ৰমান্বয়ে শৃংখলাবদ্ধভাৱে |
| অৱজ্ঞা | — | অসন্মান, উলংঘা কৰা কাৰ্য, সৰু বুলি ভবা ভাব, অনাদৰ, অৱহেলা |
| অবোধ | — | জ্ঞান নোহোৱা, মূৰ্খ, অজলা |
| অনূদিত | — | অনুবাদ বা তৰ্জমা কৰা, এটা ভাষাৰ পৰা আন এটা ভাষালৈ নিয়া |
| অনুশীলন | — | অভ্যাস, পুনঃ পুনঃ কোৱা বা কৰা কাৰ্য |
| অপযশ | — | অপবাদ, বদনাম, কলংক। |
| অভিপ্ৰেত | — | মনেৰে ভবা বা ইচ্ছা কৰা |
| অভিব্যক্তি | — | প্ৰকাশ বা বিকাশ |
| অহমিকা | — | অহংকাৰ, গৰ্ব, মই বৰ ভাব |
| অন্তৰ্ধান | — | নাইকিয়া বা নেদেখা হোৱা |
| অৱশেষ | — | অৱশিষ্ট |

| শব্দ | | অৰ্থ |
|---|---|---|
| | | **আ** |
| আচম্বা | — | আগেয়ে নেদেখা |
| আজ্ঞা | — | আদেশ , ডাঙৰে সৰুক কাম কৰিবলৈ কোৱা কাৰ্য |
| আত্মবিলোপ | — | নিজকে নাশ কৰা, নিজকে লুপ্ত কৰা অৱস্থা |
| আত্মকন্দল | — | নিজৰ ভিতৰতে লগা কাজিয়া, গৃহ-বিবাদ |
| আত্মগোপন | — | নিজকে লুকাই ৰখা কাৰ্য |
| আড়ম্বৰ | — | জাক-জমকতা |
| আকাংক্ষিত | — | যিটো আকাংক্ষা কৰা হৈছে, বাঞ্ছিত, পাবলৈ আশা কৰি থকা (অসমীয়া শব্দকোষ) |
| আধাৰ | — | যি কোনো বস্তু ধাৰণ কৰে, আশ্ৰয় |
| আচৰণ | — | কৰণ, অনুষ্ঠান, ব্যৱহাৰ, চালচলন |
| আবেগ | — | ব্যাকুলতা, মনৰ ব্যাকুলতা, মন অস্থিৰ হোৱা অৱস্থা |
| আন্তৰ্জাতিক | — | বিভিন্ন দেশৰ মাজত বা একাধিক দেশ-সম্বন্ধীয় |
| আত্মসহায়ক | — | নিজৰ সহায়ৰ কাৰণে |
| আত্ম-বিশ্বাস | — | নিজৰ ওপৰত বিশ্বাস |
| আমন্ত্ৰণ | — | কোনো কাৰ্যৰ নিমিত্তে মাতি অনা কাৰ্য,মন্ত্ৰ মাতি দেৱতাক মতা কাৰ্য, নিমন্ত্ৰণ |
| আপুৰুগীয়া | — | পাবলৈ নোহোৱা, দুৰ্লভ, আটকীয়া |
| আৱশ্যকতা | — | প্ৰয়োজনীয়তা, দৰকাৰ, গৰজ |

| শব্দ | | অৰ্থ |
|---|---|---|
| আওহতীয়া | — | সহজে যাব বা পাব নোৱৰা, সদায় যোৱা ঠাইতকৈ বেলেগ |
| আতংক | — | ভয়ত কঁপি উঠা ভাব, ভয় খোৱা অৱস্থা, ত্ৰাস |
| আৱিষ্কৃত | — | যিটো বা যাক আৱিষ্কাৰ কৰা হৈছে (আৱিষ্কাৰ- কোনেও নজনা বা নেদেখা বস্তু বা বিষয়ৰ প্ৰকাশ) |
| আয়োগ | — | তদন্ত কৰিবলৈ বা কোনো বিশেষ উদ্দেশ্যে নিযুক্ত উচ্চ ক্ষমতা সম্পন্ন সমিতি (তথ্য নিৰূপণ আদিৰ বাবে নিযুক্ত সমিতি) |
| আৰোপ | — | অৰ্পণ, স্থাপন, জাপি দিয়া কাৰ্য |
| আকুল | — | ব্যগ্ৰ, কাতৰ, ব্যাকুল, অস্থিৰ |
| আৰা | — | এওঁলোক |
| আছন্ত | — | আছে |
| আঙ্ক | — | এওঁক |
| আসি | — | আহি |
| আতি | — | অধিক ৰূপে, বৰকৈ |
| আয়ত্ত | — | বশীভূত, অধীন, অধিকৃত |
| আক্ৰমণ | — | যুঁজ দিয়া কাৰ্য, হিংসা বশতঃ ক্ষতি সাধনৰ উদ্দেশ্যে আনৰ ওপৰত বল প্ৰয়োগ, বিৰোধভাৱে প্ৰৱেশ কৰা কাৰ্য |
| আভ্যন্তৰীণ | — | ভিতৰৰ, অন্তৰৰ |

| শব্দ | অৰ্থ |
|---|---|
| **ই** | |
| ইংগিত | কথা বুজাৰা সংকেত, ঠাৰ, চিয়াঁৰ |
| ইলেক্‌ট্ৰ'ন | ঋণাত্মক আধান থকা মৌলিক কণা |
| **উ** | |
| উৎপাটন | খান্দি পেলোৱা কাৰ্য, গুৰি গছ উঘালি পোলোৱা কাৰ্য, নষ্টকৰণ |
| উদ্ধাৰ | ৰক্ষা, আপদৰ পৰা ৰক্ষা কৰা কাৰ্য, মুক্তি পোৱা অৱস্থা |
| উৎফুল্লিত | আনন্দিত, হৰ্ষিত |
| উদ্যোগ | যত্ন, চেষ্টা, পুৰুষাৰ্থ, উদ্দ্যম |
| উৎসৰ্গা | দান, কোনো বিশেষ ফলসিদ্ধিৰ উপলক্ষে কোনো নিৰ্দিষ্ট দেৱতা বা মানুহক কৰা দান, স্বাৰ্থ ত্যাগ |
| উপাদান | কোনো বস্তুৰ মূল কাৰণ, বস্তুৰ মূল পদাৰ্থ, যিবোৰ বস্তু গোট খাই আন এটা বস্তুৰ উৎপত্তি হয় |
| উল্লেখিত | প্ৰকাশিত, উল্লিখিত |
| উৰ্বৰা | সাৰ থকা, সাৰুৱা। |
| উদ্‌ঘাটন | মুকলি কৰা কাৰ্য, উন্মোচন |
| উদ্ভাৱন | নতুনকৈ উলিওৱা কাৰ্য |

| শব্দ | অৰ্থ |
|---|---|
| উদ্‌গতি | উন্নতি, শ্ৰীবৃদ্ধি, ওপৰলৈ গতি |
| উপনিষদ | বেদৰ ঘাই ভাগ, বেদৰ যিভাগত পৰমেশ্বৰৰ বিষয়ে বাদানুবাদ আছে সেই ভাগ |
| উৎকৰ্ণ | শুনিবলৈ কাণ থিয় কৰি থকা, অস্থিৰ, কোনো কথাৰ কি ফল হ'ব জানিব বিচৰা |
| উচ্ছৃংখল | অপৰিপাতি, বাধা নমানা |
| উদ্যান | মুকলি ঠাই, ফুল আদি থকা শুৱনি বাৰী |
| উদাসীন | সংসাৰৰ বাহিৰত থকা; কেৰলীয়া |
| **ঊ** | |
| ঊৰু | আঁঠুৰ ওপৰ ভাগ |
| **এ** | |
| একাগ্ৰ | একমনা, আগ্ৰহযুক্ত, এটা কথা বা বিষয়ত আগ্ৰহৰে লগা |
| এনয় | এনেয়ে |
| একদিনা | এদিন |
| **ঐ** | |
| ঐতিহাসিক | ইতিহাস-সম্পৰ্কীয়, বুৰঞ্জীৰ গুৰি ধৰি লিখা |
| ঐশ্বৰ্যময় | প্ৰচুৰ ধন সম্পত্তি থকা |
| ঐতিহ্য | গৌৰৱপূৰ্ণ পৰাম্পৰাগত বিষয় বা প্ৰথা |
| **ঔ** | |
| ঔদ্যোগীকৰণ | উদ্যোগ বা শিল্প স্থাপন কৰা কাৰ্য |

| শব্দ | | অৰ্থ |
|---|---|---|
| | | **ক** |
| কাহিলি | — | অলপ, ঈষত |
| কু-প্ৰবৃত্তি | — | বেয়া, ইচ্ছা, বেয়া বাসনা |
| কটকী | — | দূত, ৰাজদূত (এজন ৰজাই আন এজন ৰজাৰ লগত আৱশ্যকীয় কথা বাৰ্তা ক'বলৈ পঠোৱা দূত) |
| কাৰ্যপন্থা | — | কোনো কাৰ্য কৰিবৰ বাবে বা চলাবৰ বাবে ব্যৱস্থা বা প্ৰণালী |
| কৰ্মনিষ্ঠ | — | একান্ত (কৰ্মী) |
| কল্যাণ | — | মংগল, শুভ, কুশল |
| কিয়দংশ | — | কিছু অংশ |
| কম্পমান | — | কম্পনযুক্ত, কঁপা, অস্থিৰ |
| কৰ্ষণ | — | মাটি চাহ কৰা কাৰ্য |
| কৃষ্টি | — | শিক্ষা বা চৰ্চাৰ দ্বাৰা লাভ কৰা বিদ্যা, কৰ্ষণ, সংস্কৃতি |
| কলা-কৌশল | — | বিবিধ বিদ্যা আৰু কৌশল, নানা প্ৰকাৰৰ শিল্প প্ৰণালীৰ জ্ঞান আৰু তাত পাৰ্গতালি , বিদ্যাবুদ্ধিৰ চাতুৰ্য |
| কাঁছন্দি | — | বটা সৰিয়হ, চকলিওৱা আমৰ লগত লোণ দি মচলা দি কৰা এবিধ চাটনি |
| কিঞ্চিৎ | — | অলপমান, অলপ পৰিমাণ, যৎসামান্য |
| কন্দল | — | কাজিয়া, খৰিয়াল, বিবাদ |
| কলা-সম্পদ | — | শিল্প বিষয়ক বিদ্যা |
| কোলাহল | — | অনেক মানুহে দূৰৈত কৰা হাই, উচ্চ শব্দ |

| শব্দ | | অৰ্থ |
|---|---|---|
| কাৰিকৰী | — | কাৰুশিল্প সম্পৰ্কীয়, (কাৰুশিল্প- কাঠ, ধাতু, মাটি আদিৰ আকৰ্ষণীয় শিল্প) |
| কৌষিকী | — | এখন নৈ। এই নৈখন কৌশিক ঋষিৰ কন্যা বুলি পুৰাণত আছে |
| কদাচিতো | — | কেতিয়াও (কেতিয়াবা বুলি হেমকোষত আছে) |
| কৰ্মহীনতা | — | কাম নথকা, নিৰনুৱা |
| কাপুৰুষ | — | ভয়াতুৰ মানুহ, অধম মানুহ, নীচ |
| কুলবৈৰী | — | বংশৰ শত্ৰু, পৰিয়ালৰ শত্ৰু |
| কুলতিলক | — | বংশৰ শ্ৰেষ্ঠ পুৰুষ |
| কৃতকৰ্ম | — | কৰি শেষ কৰা কাম |
| কলা-কৌশল | — | বিবিধ বিদ্যা আৰু কৌশল |
| ক্ৰেতা | — | কিনোতা |
| ক্ৰমোন্নতি | — | লাহে লাহে হোৱা উন্নতি |
| | | **খ** |
| খন্তীয়া-সাপ | — | খন্তিৰ নিচিনা চেপেটা মুখেৰে এবিধ কেঁচু-জাতিৰ সাপ |
| খনন | — | খন্দা বা খনা কাৰ্য |
| খটা | — | নিজৰ বাঞ্ছা সিদ্ধ হ'বৰ কাৰণে আশা কৰি কোনোৰ ওচৰলৈ গৈ ভৰসা কৰা |
| খোৰাক | — | খোৱা বস্তু বা তাক কিনিবলৈ দিয়া নগদ ধন |
| খাৰলি | — | সৰিয়হত লোণ দি প্ৰস্তুত কৰা এবিধ চাটনি |
| খল | — | লগনীয়া, টুটকীয়া মানুহ |
| খাইলস্তু | — | খালে |

| শব্দ | | অৰ্থ |
|---|---|---|
| | | **গ** |
| গঠনাত্মক | — | গঠনমূলক |
| গৰিষ্ঠ | — | অতি শ্ৰেষ্ঠ, বৰমান্য, অতি মাননীয় |
| গৌণ | — | অপ্ৰধান, উপৰুৱা, যিটো মুখ্য নহয় |
| গোপশিশু | — | গৰখীয়া ল'ৰা, গৰু ৰখা মানুহৰ শিশু, গোৱালসকলৰ শিশু |
| গণ্য | — | ডাঙৰ বা শ্ৰেষ্ঠ বুলি মানিবৰ যোগ্য, লেখত ল'বলগীয়া |
| গৱেষণা | — | গভীৰ চিন্তা, দকৈ বিচাৰি চোৱা কাৰ্য |
| গুৰুত্ব | — | গধুৰ গুণ, গধুৰতা |
| গতানুগতিক | — | লোকৰ নিয়ম বা কাৰ্য মতে চলা। প্ৰচলিত নিয়মৰ অনুৱতী, নতুনত্ববিহীন |
| গাই-গোটা | — | লগ নথকা, অকল, অকলশৰীয়া |
| গণ্ডগোল | — | হাই-উৰুমি, গোলমাল, হুলস্থূল, কাজিয়া |
| গায়ত্ৰী | — | ঋক্‌বেদৰ এটা বৰ পৱিত্ৰ মন্ত্ৰ, তাক পাঠ কৰিলে পাপৰ পৰা উদ্ধাৰ হোৱা যায় |
| গুপ্ত | — | লুকোৱা, ঢাকি থোৱা, গুপুত, গোপনীয় |
| | | **চ** |
| চিৰন্তন | — | চিৰকলীয়া, পুৰণি কালৰ পৰা থকা |

| শব্দ | | অৰ্থ |
|---|---|---|
| চাহিদা | — | প্ৰয়োজন, কোনো বস্তু পাবৰ বা কিনিবৰ ইচ্ছা। |
| চিত্ৰায়িত | — | ছবিৰ দৰে দাঙি ধৰা |
| চক্ৰৱৰ্তী | — | বহুত দেশৰ ওপৰত ৰজা, অধিৰাজ। |
| চৌৰ-খাণ্ট | — | চোৰ, ডকাইত। |
| চৰা | — | চোৰা |
| | | **জ** |
| জাতিবৃন্দ- | — | জাতিৰ লোকসকল |
| জাগা | — | জাগি উঠা, টোপনিৰ পৰা উঠা, সাৰ পোৱা |
| জিনি | — | জয় কৰি, অতিক্ৰম কৰি, ব্যক্ত হোৱা |
| জনগোষ্ঠী | — | জাতি, উপ-জাতি আদি লোকৰ দল |
| জক্‌জকাই | — | খঙতে চিঞৰি, অকস্মাত চিঞৰি |
| জাকত জিলিকা | — | শিৰ ফুটা, যাৰ উপস্থিতি সহজে চকুত পৰে, তেনে |
| | | **ঝ** |
| ঝংকাৰ | — | ধ্বনি, শব্দ, মাত, জোকাৰ |
| | | **ট** |
| টনকিয়াল | — | শ্ৰম কৰিব পৰা, অৱস্থাপন্ন, টনটনীয়া |
| টেৰ | — | বেঁকা |
| | | **ত** |
| তুৰন্তে | — | ততালিকে |
| তত্ত্ব | — | সত্যতা, স্বৰূপ, যথাৰ্থতা মৰ্ম |

| শব্দ | | অৰ্থ |
|---|---|---|
| তটিনী | — | নৈ |
| তাপিত | — | শোক যুক্ত, কষ্ট পোৱা |
| তক্ষক | — | পৰীক্ষিত ৰজাক খুঁটি মৰা এটা বিখ্যাত সাপৰ নাম |
| তান | — | তেখেতৰ (পুৰণি অসমীয়া মতে) |
| তৰী | — | নাও, পাৰ হ'ব পৰা জলযান, ৰক্ষা পৰি, মুক্তি পাই |
| **থ** | | |
| থিৰাং | — | নিশ্চিত, লৰচৰ নোহোৱা, ঠিক |
| থিত | — | স্থিৰ |
| থম্‌থম্‌কৈ | — | স্থিৰভাৱে |
| **দ** | | |
| দুৰ্যোগ | — | দুখৰ দিন, বিপদৰ সময় |
| দল্‌দোপ্‌ (হেন্দোল্‌দোপ্‌) | — | বহুত মানুহৰ সমাগম হোৱা দুপনি, তল-ওপৰ |
| দ্ৰুত | — | খৰ, বেগী, শীঘ্ৰ |
| দণ্ডিবো | — | (দণ্ড, শাস্তি) শাস্তি দিম |
| দ্ৰোহ | — | অপৰাধ, বিৰুধ আচৰণ |
| দাৱানল | — | দপ-দপকৈ জ্বলা জুই |
| দীপ্তিময় | — | প্ৰকাশযুক্ত, পোহৰ থকা, উজ্জ্বল |
| দুৰ্ম্মদ | — | কু-স্বভাৱশীল, কুবুদ্ধিযুক্ত, মন্দমতিযুক্ত |
| দুৰ্জ্জয় | — | পৰাক্ৰমী, বলৱন্ত, জিকিবলৈ টান |

| শব্দ | | অৰ্থ |
|---|---|---|
| দুৰ্নিবাৰ | — | যিটো নিবাৰণ কৰিব নোৱাৰি, যাক ৰোধ কৰিব নোৱাৰি। |
| দিঠক | — | চেতন অৱস্থা, সাৰে থকা বা সপোন নেদেখা অৱস্থা |
| দংশোক | — | কামোৰক, খোঁটক |
| দিব্য | — | স্বৰ্গ বা দেৱতাৰ যোগ্য, স্বৰ্গীয়, উত্তম, সুন্দৰ |
| দূৰবীক্ষণ | — | দূৰৈত থকা বস্তু ওচৰ যেন দেখা কাৰ্য বা যন্ত্ৰ |
| দুষ্কৰ | — | কৰিবলৈ টান, উজু নোহোৱা, দুঃসাধ্য |
| দৃষ্টান্ত | — | উদাহৰণ, পটন্তৰ, উপমাৰে বুজোৱা কথা, নমুনা, আৰ্হি |
| দুৰ্যোগ | — | বেয়া দিন, দুৰ্দিন, সমস্যা |
| দীৰ্ঘজীৱী | — | বহুদিন জীয়াই থকা |
| দিনকণা | — | দিনতে নেদেখা, অমনোযোগী |
| **ধ** | | |
| ধনগুলৈ | — | জেকা ঠাইৰ পৰা ওলোৱা আৰু আন্ধাৰত জিলিকা এবিধ বাষ্প, পচা বস্তু আদি থকা জেকা ঠাইৰ পৰা ওলোৱা এবিধ বাষ্প বায়ুৰ সংস্পৰ্শত জ্বলি উঠাৰ ফলত সৃষ্টি হোৱা জুই |
| ধ্যান | — | বৰকৈ মন লগোৱা কাৰ্য, তন্ময়তা, ভাবত বিভোৰ হোৱা কাৰ্য |

| শব্দ | অৰ্থ |
|---|---|
| ধাৰাবাহিকতা | — ধাৰাসাৰ, ক্ৰমাগত চলিত, অবিচ্ছেদ্যতা |
| ধৈৰ্য | — ধীৰতা, বিপদত স্থিৰ হৈ থকা গুণ |
| | **ন** |
| নৃত্যৰতা | — নচা কাৰ্যত লিপ্ত হৈ থকা |
| নিজম | — নিঃশব্দ, নিস্তব্ধ, নীৰৱ |
| নিচুক | — কান্দোন এৰি শান্ত হ, মনে মনে থাক |
| নিৰ্ভীকতা | — ভয়হীনতা, দৃঢ়তা |
| নিয়মানুবৰ্তিতা | — নিৰ্দিষ্ট নিয়ম মানি চলা |
| নাচোনৰ ছেও | — নাচনৰ অংগ-ভংগী |
| নৃশংসভাৱে | — নিৰ্মমভাৱে |
| নান্দনিক | — সূক্ষ্ম সৌন্দৰ্যযুক্ত |
| নিচান | — পতাকা, ধ্বজ, চিহ্ন, চিন |
| নিমিত্তে | — কাৰণে |
| নিঃস্বাৰ্থ | — নিজৰ হিত চিন্তা নকৰা, উপকাৰৰ আশা নকৰা |
| নিপুণতা | — পটুতা, পাৰ্গতালি, দক্ষতা বা নৈপুণ্য |
| নিৰ্গত | — ওলোৱা, বাজ হোৱা, বাহিৰ হোৱা, নিগৰি ওলোৱা |
| নিযুক্তি | — নিয়োগ, কাৰ্য-ভাৰ অৰ্পণ |
| নিয়ন্তা | — শাসন কৰোঁতা, চলাওঁতা, নায়ক |
| নিৰ্মিত | — সজা, গঢ়া। |
| | **প** |
| পটভূমি | — মূল চিত্ৰৰ লগত অঁকা পৰিৱেশ, চিত্ৰৰ পিছফালে থকা অংশ |

| শব্দ | অৰ্থ |
|---|---|
| পৰাস্ত | — পৰাজিত, পৰাভূত |
| পৰিত্যক্ত | — এৰা, ত্যাগ কৰা |
| পুঞ্জীভূত | — থূপ খাই থকা |
| প্ৰত্যাশিত | — ভৰসা কৰি থকা, আশা কৰা |
| পোষণ | — পোহপাল কৰা কাৰ্য, পালন |
| প্ৰতিভাস | — প্ৰকাশ |
| প্ৰেৰণা | — উদগনি, বলেৰে পাঁচনি |
| পৰম্পৰা | — ধাৰা, অনুক্ৰম, বংশানুক্ৰমে চলি অহা ৰীতি, নীতি বিশ্বাস আদি |
| পৰিৱেশন | — যোগান ধৰা কাৰ্য, বিলোৱা কাৰ্য, যতনাই দিয়া কাৰ্য |
| প্ৰদৰ্শন | — দেখুওৱা কাৰ্য |
| পদক্ষেপ | — ই টোৰ পাছত আনটো খোজ (কাৰ্যন্তৰ) |
| পদমৰ্যদা- | — উচ্চ পদবীৰ বাবে হোৱা মান বা গৰিমা |
| প্ৰদৰ্শনী | — বিভিন্ন সামগ্ৰী সজাই মুকলিকৈ দেখুওৱা মেলা |
| প্ৰসঙ্গ | — সম্পৰ্ক, সম্বন্ধ, প্ৰস্তাৱ |
| প্ৰতিধ্বনি | — কোনো ঠাইত ঠেকা খাই উঠা শব্দ |
| প্ৰত্নতত্ত্ব | — পুৰণিকলীয়া বস্তু সম্বন্ধীয় জ্ঞান, প্ৰাচীন কালৰ মুদ্ৰা লিপি, মন্দিৰ আদিৰ ভগ্নাৱশেষৰ বিচাৰ নাইবা উদ্ধাৰ হোৱা অতীত ইতিহাস সম্বন্ধীয় জ্ঞান |
| পৰিকল্পিত | — কোনো কাম কৰিবলৈ আগতীয়াকৈ কৰা আঁচনি |

| শব্দ | | অৰ্থ |
|---|---|---|
| প্ৰাক্-ঐতিহাসিক | — | যি যুগৰ পৰা ইতিহাস পোৱা যায় তাৰ আগৰ, ইতিহাস-পূৰ্ব |
| পমি যায় | — | দ্ৰৱীভূত হৈ যায় |
| পৰ | — | আপোন নোহোৱা বা নিলগীয়া মানুহ, নিজক বাদে আন |
| পৰমপিতা | — | পৰমেশ্বৰ, ঈশ্বৰ |
| পেটেভঁৰাল | — | নিজৰ বাহিৰে আনৰ কথা চিন্তা নকৰা, স্বাৰ্থপৰ |
| পৰমাণু | — | ৰাসায়নিক ক্ৰিয়াত অংশ লʼব পৰা পদাৰ্থৰ ক্ষুদ্ৰতম অংশ |
| পজিট্ৰন | — | মৌলিক কণা; ভৰ আৰু আধান ইলেক্ট্ৰনৰ সমান |
| পদাৰ্থ | — | বস্তু, দ্ৰব্য |
| প্ৰথা | — | ৰীতি, পূৰ্বৰ চলি অহা নিয়ম |
| পৰিগণিত | — | মানি লোৱা, বিবেচিত |
| প্ৰযুক্তিবিদ্যা | — | কাৰিকৰী প্ৰয়োগ কৌশল সম্বন্ধীয় |
| প্ৰগতি | — | অগ্ৰগতি, ক্ৰমোন্নতি |
| প্ৰয়োজনীয় | — | লাগতিয়াল, আৱশ্যকীয় |
| পৰিকল্পনা | — | কৰিবলগীয়া কামৰ আঁচনি |
| পৰিতাপ | — | খেদ, পাছত কৰা বেজাৰ, অনুতাপ, দুখ, শোক |
| প্ৰভূত | — | অধিক, বহুত, যথেষ্ট |
| পাতেক | — | পাতক, পাপী |
| প্ৰায়চিত্ত (পৰাচিত) | — | পাপৰ পৰা মোচন হʼবলৈ কৰা কাৰ্য, পাপৰ প্ৰতিকাৰ |

| শব্দ | | অৰ্থ |
|---|---|---|
| প্ৰকাশিয়া | — | প্ৰকাশ কৰি |
| পৰিবাৰ | — | পত্নী, ভাৰ্যা, স্ত্ৰী |
| প্ৰবাদ | — | মানুহৰ মুখে মুখে চলি অহা আগৰ দিনৰ কথা |
| | | **ফ** |
| ফটিক | — | নিৰ্মল, স্বচ্ছ, এবিধ বৰ বগা নিমজ পাথৰ |
| ফিৰিঙতি | — | জুইৰ কণিকা, জুইৰ আঙ্গনি |
| ফাৰিবো | — | ফালিম |
| | | **ব** |
| বৰ্ণময় | — | বিভিন্ন ৰঙেৰে আলোকিত হৈ থকা |
| বাৰ্তা | — | খবৰ, সম্বাদ,বাতৰি |
| বিচক্ষণ | — | পাৰ্গত, উত্তম, সুন্দৰ |
| বৈঠা | — | মূৰ গোটা আৰু আগফালে চেপেটা নাও চলোৱা কাঠৰ এবিধ দীঘল সঁজুলি |
| বিশ্লেষণ | — | সূক্ষ্ম আৰু পুংখানুপুংখ অধ্যয়ন |
| বিচলিত | — | অস্থিৰ, অধৈৰ্য |
| বৈচিত্ৰ্য | — | বিচিত্ৰতা, শোভা |
| বৰেণ্য | — | বৰণীয়, শ্ৰেষ্ঠ, আদৰণীয় |
| বৰ্বৰ | — | অসভ্য, নীচ, দুষ্ট |
| বাহ্যিক | — | বাহিৰৰ |
| বিনন্দীয়া | — | আনন্দময়, অতিশয় শুৱনি |
| বিপণি | — | বজাৰ, হাট, দোকান, বেচা-কিনা কৰা স্থান |
| বিনিময় | — | আদান-প্ৰদান, সলনা-সলনি |
| বিস্তৃত | — | বহল কৰা, বহলোৱা, বহল |

| শব্দ | | অৰ্থ |
|---|---|---|
| বেদ | — | হিন্দুসকলৰ ঘাই আৰু মূল ধৰ্মশাস্ত্ৰ |
| বিজ্ঞানসম্মত | — | বিশেষভাৱে জনা, বিজ্ঞানৰ দ্বাৰা স্বীকৃত |
| ব্যাখ্যা | — | ভাঙি বুজোৱা অৰ্থ, অৰ্থ ভাঙন |
| বিৰল | — | পাবলৈ টান, অধিক ৰূপে নথকা |
| বিৰক্ত | — | অসন্তুষ্ট, অনুৰক্ত নোহোৱা, আসক্তি নথকা, ভাল নোপোৱা |
| বলিয়া | — | পাগল, উদণ্ড |
| বলিদান | — | ত্যাগ, উচৰ্গা |
| বিশ্ব-প্ৰেম | — | জগতৰ সকলো জীৱৰ প্ৰতি সমান ভাল পোৱা |
| বিজ্ঞানী | — | বিজ্ঞানবিদ; বিজ্ঞানৰ পণ্ডিত; বিজ্ঞানৰ গৱেষক |
| বিশ্ববিশ্ৰুত | — | গোটেই বিশ্বতে জনাজাত, প্ৰখ্যাত (বিশ্ব-জগৎ, পৃথিৱী) |
| বিস্মিত | — | যি বিস্ময় বোধ কৰিছে, আচৰিত হোৱা |
| বিলাপ | — | বিননি, গুণ বৰ্ণাই কৰা শোক |
| বোল | — | কথা ক, মাত |
| বাদী | — | গুচৰীয়া, কওঁতা, ব্যক্ত কৰোঁতা |
| বেথা | — | চেনেহ, মৰম |
| বাইলন্ত | — | বালে, বজালে |
| | | **ভ** |
| ভাবমূৰ্তি | — | চিন্তা ধাৰা, কোনো ব্যক্তি বা বিষয় সম্পৰ্কে লোৱা ধাৰণা |
| ভাঙি | — | ভাঙি, খণ্ড খণ্ড কৰি, ধ্বংস কৰি |
| ভূ-গৰ্ভ | — | পৃথিৱীৰ গৰ্ভ, পৃথিৱীৰ ভিতৰ বা অভ্যন্তৰ |
| ভগ্নাৱশেষ | — | কোনো বস্তু ভাগি-ছিগি যোৱাৰ পাছত থকা অংশ বিশেষ |
| ভাস্কৰ্য | — | শিল্প বা শিল আদিত মূৰ্তি বা আখৰ কটা, ধাতু আদিৰ পৰা মূৰ্তি সজা শিল্প |
| ভয় | — | ত্ৰাস, আতংক, বিপত্তিৰ আশংকা |
| ভয়াতুৰ | — | ভয় থকা, ভীত, ভয়পোৱা |
| ভাবাবেগ | — | ভাব-আবেগ, মনৰ গতিৰ ব্যাকুলতা, চিন্তাৰ আকুলতা |
| ভাণ্ডাৰ | — | ভঁৰাল |
| ভাষণ | — | কথা, কথন, বক্তৃতা |
| ভৈলা | — | হ'ল |
| | | **ম** |
| মহাৰথী | — | শ্ৰেষ্ঠ বীৰ, পৰাক্ৰমী যুঁজাৰু |
| মৃত্যুপণ | — | মৰণ শপত |
| মনোবৃত্তি | — | মনৰ ভাব, মনৰ চিন্তা |
| মতলীয়া | — | বিভোৰ |
| মুক্তপ্ৰাণ | — | বন্ধনৰ পৰা মুকলি, মুকলি, বন্ধন নথকা |
| ম্ৰিয়মান | — | মৰাৰ সদৃশ, মৰাৰ নিচিনা বা তুল্য |
| মূল্যবোধ | — | প্ৰমূল্য, নীতি সম্পৰ্কীয় জ্ঞান |

| শব্দ | অৰ্থ |
|---|---|
| মতানৈক্য | — মতৰ অমিল |
| মগ্ন | — তন্ময়, ভাবত বিভোৰ হোৱা, বৰকৈ মন লগোৱা |
| মন্দাকিনী | — স্বৰ্গৰ গঙ্গা, আকাশী গঙ্গা |
| মনোনিৱেশ | — কোনো বিষয়ত মন পুতি লগা কাৰ্য; মনোযোগ |
| মহাজাগতিক | — বিশ্ব জগত সম্পৰ্কীয় (জগৎ পৃথিৱী), বিশ্বব্ৰহ্মাণ্ড সম্বন্ধীয় |
| মুখ্য | — প্ৰধান, শ্ৰেষ্ঠ, মুখিয়াল |
| মেচন বা মেজন | — এবিধ মৌলিক কণা; মেচন বা মেজনৰ ভৰ ইলেক্ট্ৰনতকৈ বেছি, প্ৰোটনতকৈ কম |
| মুৰব্বী | — মুখিয়াল |
| মৃগয়া | — (মৃগ মানে পহু) পহু চিকাৰ, পহু ধৰি বা মাৰি কৰা ধেমালি .. |
| মঞিও | — মই |
| মাতন্ত | — মাতে, মাতিলে |
| **য** | |
| যো-জা | — আয়োজন, যোগাৰ |
| যাতো | — হেতু, কাৰণে, গতিকে। |
| **ৰ** | |
| ৰঙ্গিলী | — আনন্দ কৰি ভালপোৱা |
| ৰূপৰেখা | — আকৃতি বা সীমা নিৰ্দেশক ৰেখা, মূল বিষয়বস্তু। (অসমীয়া শব্দকোষ) |
| ৰসাস্বাদন | — ৰসৰ সোৱাদ লোৱা কাৰ্য |
| ৰশ্মি | — কান্তি, দীপ্তি , জেউতি |

| শব্দ | অৰ্থ |
|---|---|
| ৰত্ন | — বহুমূলীয়া মণি, মুকুতা, বাখৰ |
| ৰঙীন সপোন | — কল্পনা কৰি দেখা সপোন, বেছি ভাল হ'ব বুলি মনে সজা কল্পনা |
| **ল** | |
| লম্ভি | — অপদেৱতাৰ দৰে মানুহৰ গাত প্ৰৱেশ কৰি |
| লীন | — লয় যোৱা অৱস্থা, আন বস্তুৰ সৈতে মিলি এটা হোৱা |
| **শ** | |
| শাম কটা | — উপশম হোৱা, কম হোৱা |
| শক্তিমান | — শক্তিশালী, বলী, বলৱন্ত, পৰাক্ৰমী, শক্তি থকা |
| শিল্পী সত্তা | — শিল্পীৰ প্ৰাণ, শিল্পীৰ অস্তিত্ব, শিল্পীৰ বিদ্যমানতা |
| শৈলী | — পদ্ধতি, ৰচনা-ৰীতি, ৰচনা-ভংগী |
| শিষ্টাচাৰ | — ভদ্ৰ ব্যৱহাৰ, মাৰ্জিত আচৰণ |
| শক্তি | — বল, ক্ষমতা |
| শাপ | — লোকৰ অমংগল কৰা বাক্য, শাও |
| শুক (দেৱ) | — শৌনকাদি ঋষিসকলৰ আগত ভাগৱত ব্যাখ্যা কৰা এজন মুনি |
| শাস্ত্ৰ | — ধৰ্মৰ নীতি-নিয়ম, বিধি-নিষেধ থকা গ্ৰন্থ |

| শব্দ | | অৰ্থ |
|---|---|---|
| | | **স** |
| সংঘবদ্ধ | — | একত্ৰিত হোৱা |
| সামৰিক | — | যুদ্ধসমন্ধীয়, সৈন্য-বিভাগীয় |
| সংকট | — | আপদ, বিপদ, টান |
| সংকল্প | — | কোনো কাম কৰিবৰ ইচ্ছা, ধৰ্ম কাৰ্যৰ নিমিত্তে কৰা প্ৰতিজ্ঞা |
| সাউৎকৰে | — | বেগতে, একে চোঁচাই |
| স্বাৰ্থত্যাগ | — | নিজৰ চিন্তা এৰা কাৰ্য, নিজৰ লাভ বা মংগল বিসৰ্জন দিয়া কাৰ্য |
| সংস্কৃতি | — | বিদ্যা শিক্ষা আদিৰ পৰা পোৱা উৎকৰ্ষতা, সভ্যতা জনিত উৎকৰ্ষ ; কৃষ্টি |
| সমষ্টি | — | মুঠ, বহুত বস্তু বা সংখ্যাৰ মুঠ |
| সামগ্ৰিক | — | সম্পূৰ্ণ, সমগ্ৰভাবে কৃত |
| সুকুমাৰ কলা | — | সাহিত্য, সংগীত, চিত্ৰাঙ্কন, আদি বিদ্যা |
| সম্পদ | — | ঐশ্বৰ্য, সম্পত্তি, বিভূতি |
| সংবেদনশীল | — | অনুভূতিপ্ৰৱণ |
| স্বাৱলম্বী | — | আত্ম-নিৰ্ভৰশীল |
| স্তম্ভিত | — | আচৰিত |
| সবলীকৰণ | — | জোৰবান কৰা, সবল কৰা |
| সুপ্ত | — | নিদ্ৰিত, লুকাই থকা, শুই থকা |
| সমমৰ্যাদা | — | সম মান |

| শব্দ | | অৰ্থ |
|---|---|---|
| স্বাৱলম্বন | — | নিজে নিজক প্ৰতিপালন কৰা কাৰ্য, আত্মনিৰ্ভৰশীলতা |
| সহজলভ্য | — | কম দামতে পোৱা, সস্তা, সহজে পাব পৰা |
| সমাপিলে | — | পূৰ কৰিলে, সমাপ্ত কৰিলে |
| সংৰক্ষণ | — | ভালকৈ ৰাখা কাৰ্য |
| সাংস্কৃতিক | — | সংস্কৃতি সম্বন্ধীয়, সংস্কৃতি বিষয়ত |
| স্বাক্ষৰ | — | নিজৰ হাতেৰে নিজৰ নাম লিখা কাৰ্য, চহী, দস্তখত, চিন |
| সমুদ্ৰ | — | সাগৰ |
| সক্ষম | — | কাম কৰিবলৈ সমৰ্থ হোৱা |
| সু-দৃঢ় | — | বৰ ডাঠ, শকত, অভেদ্য |
| সমাৱেশ | — | একেলগে স্থিতি, ভিতৰলৈ যোৱা কাৰ্য |
| স্তূপ | — | দ'ম, থুপ |
| স্থাপত্য | — | একে ঠাইতে অনেক কাল থকা অৱস্থা |
| সংগ্ৰহালয় | — | সংগ্ৰহ কৰি একেলগে থোৱা ঘৰ, সংগ্ৰহ কৰা বস্তু লগলগাই একেলগে একে ঠাইতে থোৱা গৃহ |
| সাদৃশ্য | — | তুল্যতা, সাদৃশ্যতা, অনুৰূপতা, একে আকৃতিৰ বা গুণৰ হোৱা অৱস্থা |
| সন্তৰ্পণে | — | অতি সাৱধানে, সতৰ্কতাৰে |

| শব্দ | | অৰ্থ |
|---|---|---|
| সম্প্ৰদায় | — | একে মতত চলা লোকৰ সমষ্টি |
| সন্তোষ | — | আনন্দ, হৰ্ষ, আহ্লাদ |
| সেন্দুৰীয়া আলি | — | সেন্দুৰৰ ৰঙৰ নিচিনা ধুনীয়া উজ্জ্বল বাট |
| সুগন্ধি | — | ভাল গোন্ধ |
| সংঘটন | — | যোজন, মেলন (মিলন), একত্ৰকৰণ |
| সমীকৰণ | — | কোনো নিৰূপিত ৰাশি লৈ তেনেকুৱা কোনো আন ৰাশিৰ পৰিমাণ নিৰ্ণয় কৰা কাৰ্য বা সূত্ৰ (গণিত) |
| সমতুল্য | — | সমকক্ষ |
| সন্মিলন (সন্মিলনী) | — | সভা, সমিতি, একেলগ বা একত্ৰিত হোৱা কাৰ্য |
| সমল | — | আৱশ্যকীয় বস্তু, খোৱা বস্তু |
| সম্ভাৱনা | — | হোৱাৰ আগন্তুক, থকা অৱস্থা , হ'বৰ বা ঘটিবৰ আশা |
| সমাধি | — | বাহ্যজ্ঞান এৰি ঈশ্বৰ চিন্তাত মগ্ন হৈ থকা উপাসনা, ধ্যান, তন্ময় হৈ কৰা গভীৰ ঈশ্বৰচিন্তা |

| শব্দ | | অৰ্থ |
|---|---|---|
| সমিধান | — | মৌখিক বা কথাৰে দিয়া উত্তৰ |
| সৰ্বাত্মা | — | সকলো জীৱৰে আত্মা স্বৰূপ, ভগৱান |
| সোধন্ত | — | সুধিলে |
| সংবেদন | — | অনুভৱবোধ, সম্যকজ্ঞান |
| সমাজ | — | সকলো, আটাই |
| সত্তা | — | স্থিতি, অস্তিত্ব |
| সম্পত্তি | — | ধন বস্তু, বিভূতি |

**হ**

| শব্দ | | অৰ্থ |
|---|---|---|
| হেঙুলি | — | হেঙুলৰ নিচিনা ৰঙা |
| হাঁসি | — | হাঁহি |
| হৃদয়ঙ্গম | — | মনত সোমোৱা, মনত লগা |
| হেংদান | — | আহোম স্বৰ্গদেৱে হাতত লোৱা এবিধ তৰোৱাল |
| হেঙুলীয়া | — | হেঙুলৰ নিচিনা ৰঙা (পাৰা আৰু গন্ধকেৰে প্ৰস্তুত, কাঠত ৰং দিয়া এবিধ গাঢ় ৰঙৰ বস্তু) |

**ক্ষ**

| শব্দ | | অৰ্থ |
|---|---|---|
| ক্ষুধায়ে | — | ভোকত |

# অষ্টম শ্ৰেণীৰ ভাষাৰ পাঠ্যপুথিত জড়িত ব্যক্তিসকল

উপদেষ্টা

**কুমকুম সিন্‌হা,** সঞ্চালক

ৰাজিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম, গুৱাহাটী

**পাঠ প্ৰস্তুত প্ৰক্ৰিয়াত জড়িত ব্যক্তিসকল**

**গৌৰী কান্ত ভূঞা,** অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক, নতুন ফটাশিল টাউন হাইস্কুল, গুৱাহাটী

**নীল শৰ্মা,** প্ৰবক্তা, বাণীকান্ত অগ্ৰণী শিক্ষা প্ৰতিষ্ঠান, গুৱাহাটী

**গীতাঞ্জলি দেৱী,** প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, বৰপেটা

**ৰূপালী হাজৰিকা বৰুৱা,** প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, শোণিতপুৰ

**নীলিমা শৰ্মা মহন্ত,** প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, মৰিগাঁও

**শাৰদী ভট্টাচাৰ্য,** জ্যেষ্ঠ প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, কামৰূপ

**কমলা গোস্বামী,** প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, নলবাৰী

**ড° আনাৰবালা দাস,** প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, নলবাৰী

**ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসমৰ সমল ব্যক্তি**

**ড° মিজো প্ৰভা বৰা,** প্ৰবক্তা আৰু মুৰব্বী, ভাষা বিভাগ, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম, গুৱাহাটী

**ড° যুতিফুল বৰুৱা,** প্ৰবক্তা, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম, গুৱাহাটী

**পুনৰীক্ষক মণ্ডলী**

**ড° ৰমেশ পাঠক,** সাহিত্যাচাৰ্য, অৱসৰপ্ৰাপ্ত অধ্যাপক, কটন কলেজ গুৱাহাটী

**ড° লীলাৱতী শইকীয়া,** অৱসৰপ্ৰাপ্ত অধ্যাপিকা, অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

**ড° দীপ্তি ফুকন পাটগিৰি,** অধ্যাপিকা, অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

**গৌৰী কান্ত ভূঞা,** অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক, নতুন ফটাশিল টাউন হাইস্কুল, গুৱাহাটী

**পুনৰীক্ষণ কৰ্মশালাত উপস্থিত সমল ব্যক্তি**

**নীলিমা শৰ্মা মহন্ত,** প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, মৰিগাঁও

**নীল শৰ্মা,** প্ৰবক্তা, বাণীকান্ত অগ্ৰণী শিক্ষা প্ৰতিষ্ঠান, গুৱাহাটী

**ড° যুতিফুল বৰুৱা,** প্ৰবক্তা, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম, গুৱাহাটী

**সংকলন আৰু সম্পাদনা**

**ড° ৰমেশ পাঠক,** সাহিত্যাচাৰ্য, অৱসৰপ্ৰাপ্ত অধ্যাপক, কটন কলেজ গুৱাহাটী

**নীল শৰ্মা,** প্ৰবক্তা, বাণীকান্ত অগ্ৰণী শিক্ষা প্ৰতিষ্ঠান, গুৱাহাটী

**ড° যুতিফুল বৰুৱা,** প্ৰবক্তা, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম, গুৱাহাটী

**অলংকৰণ**

**গুণাভি ৰাম বড়া,** চিত্ৰশিল্পী, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম, গুৱাহাটী

**শংকৰ কলিতা,** দখলা, পলাশবাৰী

**সমন্বয়ক**

**ড° যুতিফুল বৰুৱা,** প্ৰবক্তা, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম, গুৱাহাটী

**সহযোগী সমন্বয়ক**

**নীলিমা শৰ্মা মহন্ত,** প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, মৰিগাঁও

**নীল শৰ্মা,** প্ৰবক্তা, বাণীকান্ত অগ্ৰণী শিক্ষা প্ৰতিষ্ঠান, গুৱাহাটী

**আৰ্হি পাঠক—** হিৰণ্য কুমাৰ নাথ

**ডি টি পি—** শৈলেন তালুকদাৰ, নিভা ৰাণী দাস, নিৰঞ্জন ডেকা, বীণাপাণি চৌধুৰী, ভনিমা দাস, পৰাগ শৰ্মা

## বানপানীৰ বাবে প্ৰস্তুতি



# বানপানী

## বানপানী হোৱাৰ আগত

তলত উল্লেখ কৰা বস্তুসমূহৰ সৈতে তোমালোকৰ জৰুৰী কালীন (Emergency Kit) বেগটো প্ৰস্তুত ৰাখা –

(১) সৰ্পদংশন আৰু পেটচলা (ডায়েৰীয়া) ৰ বাবে অতিৰিক্ত ঔষধসহ প্ৰাথমিক চিকিৎসাৰ বাকচ,
(২) বস্তু বন্ধাৰ বাবে টান ৰছী,
(৩) বিশুদ্ধ খোৱা পানী, শুকান খাদ্য সামগ্ৰী, নিমখ আৰু চেনি,
(৪) এটা ৰেডিঅ', টৰ্চলাইট আৰু ওপৰঞ্চি বেটাৰী,
(৫) কাপোৰ-কানি আৰু মূল্যবান সামগ্ৰী ৰাখিবলৈ জল-ৰোধী মোনা, ছাতি আৰু বাঁহৰ লাঠি।

## বানপানী হোৱাৰ সময়ত

(১) জৰুৰীকালীন বেগসহ নিৰাপদ আশ্ৰয় স্থললৈ যোৱা।
(২) বিছনা বা মেজৰ ওপৰত ঘৰুৱা সামগ্ৰীবোৰ উঠাই থোৱা।
(৩) উতলোৱা পানী খাবা।
(৪) বানপানীৰ মাজলৈ নাযাবা।

## বানপানী হৈ যোৱাৰ পাচত

(১) চৌপাশৰ বীজাণু নাশ কৰিবলৈ ব্লিচিং পাউডাৰ আৰু চুণ ব্যৱহাৰ কৰা।
(২) খোৱা খাদ্য ঢাকি ৰাখিবা।
(৩) কীট-পতংগৰ দংশনৰ পৰা সাৱধান থাকিবা।
(৪) চৰকাৰীভাৱে যেতিয়ালৈকে নিৰাপদ বুলি ঘোষণা কৰা নহয়, তেতিয়ালৈকে বাহিৰলৈ নোলাবা।
(৫) ব্যৱহাৰ কৰাৰ আগতে বৈদ্যুতিক সামগ্ৰীবোৰ ভালদৰে শুকুৱাই লোৱা।



জনস্বাৰ্থ আৰু নিৰাপত্তাৰ হিতাৰ্থে প্ৰকাশিত ঃ অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকাৰী (এ এচ্ ডি এম্ এ)

# শিক্ষাৰ অধিকাৰ আইন, ২০০৯ ৰ মূল বাৰ্তা

**শিশুৰ শিক্ষাৰ অধিকাৰ সুৰক্ষিত কৰিবলৈ......................**

- ৬-১৪ বছৰ বয়সৰ সকলো শিশুৰ বাবে ৮ বছৰীয়া বিনামূলীয়া, বাধ্যতামূলক প্ৰাথমিক শিক্ষা নিশ্চিত কৰা।
- বিদ্যালয়ত নামভৰ্তিৰ বাবে যিকোনো ধৰণৰ মাচুল লোৱাটো দণ্ডনীয়।
- নামভৰ্তিৰ বাবে বদলি বা জন্মৰ প্ৰমাণ-পত্ৰ অন্তৰায় হ'ব নোৱাৰে।
- ভাষা, ধৰ্ম, লিংগ, জাতি, বিশেষভাৱে সক্ষম শিশু নিৰ্বিশেষে সকলো শিশুৰ প্ৰতি সম-আচৰণ আৰু সকলোৰে শিক্ষাৰ দিহা কৰা।
- বিদ্যালয়ত কোনো শিশুকে শাৰীৰিক শাস্তি আৰু মানসিক নিৰ্যাতিন দিব নোৱাৰিব, অন্যথা সেৱা বিধি অনুসৰি অনুশাসনমূলক ব্যৱস্থা লোৱা হ'ব।
- প্ৰাথমিক শিক্ষা সম্পূৰ্ণ হোৱাৰ পাছত প্ৰতিটো শিশুকে প্ৰমাণ-পত্ৰ প্ৰদান কৰা।
- বিদ্যালয়ত পৰিচালনা সমিতিয়ে পৰ্যাপ্ত শ্ৰেণীকোঠা, বিশুদ্ধ খোৱা পানী, শৌচাগাৰৰ সু-ব্যৱস্থা, নিৰাপদ বিদ্যালয় গৃহ, আচবাব, খেলপথাৰ আৰু খেলা সা-সামগ্ৰী, পুথিভঁৰাল সঠিক শিকন-শিক্ষণ সামগ্ৰী, দুপৰীয়াৰ আহাৰ আৰু পৰিষ্কাৰ-পৰিচ্ছন্ন বিদ্যালয় চৌহদ থকাটো নিশ্চিত কৰা।
- উপযুক্ত বয়সৰ সকলো শিশুকে সংশ্লিষ্ট পিতৃ-মাতৃ বা অভিভাৱকে চুবুৰীয়া বিদ্যালয়লৈ পঠিওৱাটো দায়িত্ব আৰু কৰ্তব্য।

## এইড্ছ (AIDS) —

এইড্ছ (Acquired Immuno Deficiency Syndrome) হৈছে কিছুমান বেমাৰৰ লক্ষণৰ সমষ্টি। এইচ্ আই ভি (HIV) সংক্ৰমণৰ ফলত যেতিয়া শৰীৰৰ ৰোগ প্ৰতিৰোধ ক্ষমতা হ্ৰাস পায় বা একেবাৰে নোহোৱা হৈ পৰে তেতিয়াই মানুহৰ শৰীৰক যিকোনো বেমাৰৰ বীজাণুৱে সহজেই আক্ৰমণ কৰিব পাৰে আৰু ইয়াৰ ফলত বিভিন্ন ৰোগৰ লক্ষণে দেখা দিয়ে। শৰীৰৰ এই অৱস্থাকেই এইড্ছ বোলা হয়। এই লক্ষণ বিয়পাৰ বিভিন্ন কাৰণ আছে। তাৰে ভিতৰত আমি বিশেষভাৱে জানিবলগীয়া হ'ল — এইচ্ আই ভি আক্ৰান্ত ব্যক্তিয়ে ব্যৱহাৰ কৰা বেজী পৰিশোধন নকৰাকৈ বহুজনে ব্যৱহাৰ কৰা অনুচিত।

**শিক্ষা (প্ৰাথমিক) বিভাগ**
**অসম চৰকাৰ**